# ক্ষৰণি

দ্বিতীয় বছৰ প্ৰথম সংখ্যা
অক্টোবৰ ২০২২, আহিন ১৯৪৪ শক

## সম্পাদনা সমিতি ঃ

উপদেষ্টা
ডাঃ বিৰাজজ্যোতি গোস্বামী

সম্পাদক
ৰাতুল বৰুৱা

সদস্য
মদন চন্দ্ৰ ডেকা
তপোধন দাস
পূৰ্ণেন্দু শৰ্মা
ড° অৰুণাভা ভূএগা
ৰত্ন কান্ত শৰ্মা
ডাঃ কঙ্কন শৰ্মা
ছাহ আলম

প্ৰকাশক ঃ
Alumni Association for Social Transformation and Harmony, Assam; Cottonion PU
**(AASTHA)**

পঞ্জীয়ন নং ঃ RS/KAM(M)/263/5/29

মূল্য ঃ ৩০.০০ টকা

বেটুপাত ঃ অনন্ত গগৈ
স্কেচ্চ ঃ ইণ্টাৰনেট

মুদ্ৰণ ঃ
শ্ৰীগণেশ প্ৰিণ্টাৰ্ছ, নুনমাটি, গুৱাহাটী-২০
ফোন ঃ ৯৭০৭০১০৮৮৯, ৯১০১১৬৪৪৬১

## এই সংখ্যাত

***প্ৰবন্ধ***

- সেউজ শক্তিৰ উৎস/৫
  কৃষ্ণা শৰ্মা
- "দিশা" পৰিঘটনা - আৰক্ষীলৈ
  এক পূৰ্বাভাস/১০
  পল্লব ভট্টাচাৰ্য্য
- প্ৰসাৰণশীল বিশ্ব, মানৱৰ অৱনতি আৰু আইনষ্টাইনৰ
  মাৰাত্মক ভুলটো /১৩
  ড° পবন কুমাৰ চহৰীয়া
- জীৱনৰ ৰং খেদি/১৭
  ডাঃ দীনেশ চন্দ্ৰ গোস্বামী
- ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ দৃষ্টিত ভগৱদ্গীতাৰ একাংশ
  ভাবাৰ্থ/২০
  তপোধন দাস
- আধুনিক ভাৰতীয় ইংৰাজী কবিতা ঃ ভাৰতীয় সংস্কৃতি,
  ঐতিহ্য ইত্যাদি এক নতুন দিশ/২৫
  ৰূপালী কোঁৱৰ
- মৃত্যুলৈ ষাঠি মিনিট!
  পথ দুৰ্ঘটনা আৰু আমাৰ কৰণীয় /২৮
  ডাঃ উৎপল কুমাৰ তামুলী
- ডাঃ অগস্ত্য বৰুৱাৰ কবিতা/৩৫
  মদন চন্দ্ৰ ডেকা
- অসমীয়া মহাজাতি গঠনত
  হাজং জনজাতিৰ ভূমিকা/৪২
  অৰ্ণৱ জান ডেকা
- মোৰ হিমালয় আৰোহণৰ কাহিনী
  কিছু অনুভৱ ঃ কিছু নষ্টালজিয়া/৪৭
  ডাঃ জগদীশ বসুমতাৰী

- কটন কলেজ, হোষ্টেল, নষ্টালজিয়া ইত্যাদি/৬৫
  দীপক গোস্বামী




*কবিতা*


- স্নেহলতা /নিজম পৰৰ সুৰ/৬৯
  পূৰ্ণেন্দু শৰ্মা
- জীৱনৰ ৰং/৭০
  ডাঃ অগস্ত্য বৰুৱা
- দুখবোৰ মোৰ কোলাৰ কেঁচুৱা/৭০
  ৰুমিমা দাস
- এদিন আহিবা /৭১
  ডাঃ কঙ্কন শৰ্মা
- অৰুন্ধতী /৭২
  ৰত্নকান্ত শৰ্মা




*গল্প*


- বন ফৰিঙৰ মৃত্যু/৭৩
  ৰাতুল বৰুৱা
- বাঁজী/৭৭
  শৰৎ বৰকাকতি
- জীৱনৰ দস্তাৱেজ/৮০
  দীপালী ডেকা
- ফিৰিঙতি/৮২
  ডাঃ অমিয় কুমাৰ শৰ্মা


*অনুবাদ গল্প*


- ইন্সপেকছন ৰিপৰ্ট/৮৮
  ৰঞ্জনা দত্ত


*বোলছবি*


- 'ফ'ৰ মান্থছ, থ্ৰি উইকছ এণ্ড টু ডে'জ' /৯৫
  বিনয় মোহন শইকীয়া


*অভিজ্ঞতা*


- শদিয়াৰ অখ্যাত গাঁওখন /৯৮
  ড° সমূদ্ৰ গুপ্ত কাশ্যপ


*ভ্ৰমণ কাহিনী*


- ছিডনী, ছিডনী, ছিডনী
  হেঁপাহৰ জিলিঙনি /১০০
  কস্তুৰী নিভা গগৈ


*সত্য ঘটনা*


- জীৱন যুদ্ধ /১০৩
  গীতা ডেকা

# সম্পাদকীয়

## হস্তী মানুহৰ সংঘাত

নগাঁও আৰু কাৰ্বি আংলং জিলা দুখনৰ সীমামূৰীয়া কঠিয়াতলী ৰেঞ্জৰ কন্দলী প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চলৰ বামুণী পাহাৰত ২০২১ চনৰ ১২ মে'ত সংঘটিত এটা ঘটনাত সমগ্ৰ ভাৰতবৰ্ষৰ বন্যপ্ৰাণীপ্ৰেমীসকলৰ মন শোকাচ্ছন্ন হৈ পৰিছিল। সেইদিনা বামুণী পাহাৰত ১৮ টা বন্যহস্তীৰ কৰুণ মৃত্যু হৈছিল। স্থানীয় ৰাইজৰপৰা খবৰ পাই বনবিভাগৰ লোক ঘটনাস্থলীলৈ গৈ দেখে এটা স্থানত একেলগে ১৪ টা আৰু এক কিলোমিটাৰমান দূৰত আন ৪ টা বন্যহস্তীৰ মৃতদেহ পৰি আছে। প্ৰথমতে সকলোৱে বন্যহস্তীৰ উপদ্ৰৱত অতিষ্ঠ হৈ কাষৰীয়া অঞ্চলৰ লোকে বিহ পান কৰোৱাই হস্তীকুলক বধ কৰাৰ সন্দেহ কৰিছিল। কিন্তু চৰকাৰে গঠন কৰি দিয়া উচ্চ পৰ্য্যায়ৰ তদন্তকাৰী দলে পাচত সেয়া বজ্ৰপাতৰ বাবে হোৱা মৃত্যু বুলি চূড়ান্ত সিদ্ধান্ত দিলে। হস্তীকুলৰ ভিতৰত মাত্ৰ এটা হাতীৰ গাতহে পোৰা চিহ্ন দেখা পোৱা গৈছিল, অন্যবোৰৰ গাত তেনে কোনো চিহ্ন নাছিল। সেয়েহে এটা সন্দেহৰ ভাব কিন্তু প্ৰকৃতিপ্ৰেমীৰ মাজত থাকি গ'ল।

বজ্ৰপাতত হাতীৰ মৃত্যু হোৱা এইটোৱেই প্ৰথম ঘটনা নাছিল। ইয়াৰ পূৰ্বেও এনে ঘটনা ভিন্ন স্থানত হৈছিল। কিন্তু বৃহৎসংখ্যক হাতীৰ বজ্ৰপাতত একেলগে মৃত্যু হোৱা ঘটনা এইটোৱেই প্ৰথম আছিল। ইয়াৰ উপৰিও উচ্চ বিদ্যুৎপৰিবাহী তাঁৰত লাগি হোৱা মৃত্যু, ৰেলৰ খুন্দাত হোৱা মৃত্যু, বিহপানত হোৱা মৃত্যুৰ সংখ্যাও কম নহয়। ভাৰত চৰকাৰৰ পৰিৱেশ মন্ত্ৰালয়ৰ এক সমীক্ষা মতে, ২০০৫-২০১৭ চনৰ সময়ছোৱাত এনেদৰে মৃত্যু হোৱা হাতীৰ সংখ্যা আছিল ৬৫৫ টা। আন এক সূচনা মতে ২০২১ চনত কেৱল ওড়িছা ৰাজ্যখনতে ৮৬ টা বন্য হস্তীৰ মৃত্যু হৈছিল অস্বাভাৱিকভাৱে।

সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰত সৰ্বাধিক হাতীৰ বসতি থকা ৰাজ্যখন হ'ল কৰ্ণাটক। দ্বিতীয়তে অসম। অসমৰ ভিতৰত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, কাষৰীয়া ধনশিৰী অঞ্চল আৰু কাৰ্বি আংলঙত সৰ্বাধিক বন্য হস্তীৰ বসতি। বন্যহস্তীৰ অস্বাভাৱিক মৃত্যুৰ সংখ্যাও অসমত কম নহয়।

পূৰ্বতে চৰকাৰে বন্যহস্তী ধৰি পোহনীয়া কৰি ব্যৱসায়িক কামত লগাবলৈ অনুজ্ঞাপত্ৰ দিছিল। পাচত বিভিন্ন কাৰণত চৰকাৰে সেয়া বন্ধ কৰি দিলে। আনহাতে হাতী ব্যৱহাৰ কৰা কামসমূহত যন্ত্ৰপাতিৰ ব্যৱহাৰ হ'বলৈ ধৰাত হাতীৰ প্ৰয়োজনো কমি আহিল। ফলস্বৰূপে হাতীৰ সংখ্যা বৃদ্ধি হ'ল যথেষ্ট পৰিমাণে। সেই অনুপাতে হাতীৰ বিচৰণভূমি কমি আহিল অসমানুপাতিকভাৱে। বনাঞ্চল গৈ জনাঞ্চল হ'ল।

বিচৰণভূমি এইদৰে সংকুচিত হৈ অহাত হাতীবোৰ বনাঞ্চলৰ কাষৰ কৃষি ভূমিলৈ নামি আহি সেইবোৰ খাই তহিলং কৰিবলৈ ধৰিছে। দুখীয়া কৃষকৰ আশাৰ ধানকেইটাও হাতীৰ পেটলৈ যোৱাত হাতী মানুহৰ সংঘাত ক্ৰমাৎ বৃদ্ধি হ'বলৈ ধৰিছে। আনহাতে নভবা নিচিন্তাকৈ বহু হস্তীদণ্ডী বন্ধ কৰি দিয়াত কাষৰীয়া অঞ্চলত হাতীৰ উৎপাত বৃদ্ধি পাইছে। উদাহৰণস্বৰূপে হাতীৰ অহা যোৱা বাটত নুমলীগড় ৰিফাইনেৰীয়ে সীমাৰ বেৰা দিয়াত প্ৰায়ে তাত হাতীয়ে উপদ্ৰৱ কৰাৰ বাতৰি পঢ়িবলৈ পাওঁ। ৰেলপথ নিৰ্মাণৰ ফলত হাতীদণ্ডী বন্ধ হৈ যোৱাতো পাচৰ পৰ্য্যায়ত ৰেলৰ খুন্দাত বহু বন্য হস্তীৰ মৃত্যু হোৱাৰ বাতৰিও পাওঁ। উদাহৰণস্বৰূপে দ্বীপৰ বিলৰ কাষৰ পামহী অঞ্চলত ৰেলৰ খুন্দাত বহু হাতীৰ মৃত্যু হৈছে।

আজিৰ দিনটোত হাতী আৰু মানুহৰ সংঘাতৰ কাৰণসমূহ সকলোৱে জানে। তৎসত্বেও অবাধ গতিত বন ধ্বংস হৈয়ে আছে। কোনো চিন্তা চৰ্চা নকৰাকৈ হস্তীদণ্ডীত ৰাস্তা, ঘৰ, উদ্যোগ আদিৰ নিৰ্মাণ কাৰ্য্য অব্যাহত আছে। তেনে কাম হৈ থাকিলে এই সংঘাতে অধিক গুৰুতৰ ৰূপ পাবগৈ এদিন।

সেয়েহে সময় থাকোঁতেই দীৰ্ঘম্যাদী আৰু হ্ৰস্বম্যাদী কিছু কাম ক্ষিপ্ৰতাৰে আৰম্ভ কৰিব লাগিব।

১। বনাঞ্চলসমূহত হৈ থকা বেদখল নিশ্চিতভাৱে উচ্ছেদ কৰিব লাগিব আৰু ভৱিষ্যতে যাতে পুনৰ বেদখল নহয় তাৰ যথোপযুক্ত ব্যৱস্থা ল'ব লাগিব।

২। যিবিলাক বনাঞ্চল জনাঞ্চলত পৰিণত হ'ল বহুবছৰৰ আগতে, সমপৰিমাণৰ চৰকাৰী মাটি নতুনকৈ সংৰক্ষিত বনাঞ্চলৰ

বাবে লৈ ক্ষিপ্ৰগতিত বৃক্ষৰোপণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

৩। গছ-গছনি কাটি তহিলং কৰা বনাঞ্চলসমূহত হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী আঁচনি লৈ বৃক্ষৰোপণৰ ব্যৱস্থা ল'ব লাগিব আৰু কাষৰীয়া জনসাধাৰণক সেইবোৰৰ ৰক্ষণাবেক্ষণৰ কিছু দায়িত্ব দিব লাগিব।

৪। কোনো কাৰণতে হস্তীদণ্ডী বন্ধ হ'ব নোৱাৰিব। হাতীৰ যাতায়াত বন্ধ হোৱাকৈ নিৰ্মাণ কাৰ্য্য চলাব নোৱাৰিব। দৰকাৰ হ'লে ৰাস্তা আদিত উৰণীয়া সেতু নিৰ্মাণ কৰি হ'লেও হস্তীকুলৰ যাতায়াত সুচল কৰি ৰাখিব লাগিব।

৫। বনাঞ্চলৰ কাষত বন আইনমতে উদ্যোগ আদি হ'ব নোৱাৰে। চৰকাৰে তেনে উদ্যোগসমূহ শীঘ্ৰে বন্ধ কৰিব লাগিব।

৬। বনাঞ্চলৰ কাষৰীয়া ঠাইসমূহৰ Bio diversity যাতে নষ্ট নহয় তাৰ প্ৰতি তীক্ষ্ণ লক্ষ্য ৰাখিব লাগিব।

৭। বনাঞ্চলৰ কাষৰীয়া ঠাইসমূহত এচাম পৰিৱেশ কৰ্মীৰ সৃষ্টি কৰিব লাগিব যিসকলে নেকি ৰাইজক পৰিৱেশ ৰক্ষাৰ ওপৰত সজাগ কৰি তোলাত ব্ৰতী হ'ব।

হাতী মানুহৰ সংঘাতৰ কাৰণসমূহ কিন্তু মানুহেই সৃষ্টি কৰা আৰু তাৰ বাবে হাতীক উপদ্ৰৱকাৰী জীৱ হিচাপে গণ্য কৰিব নোৱাৰি। এসময়ত দাঁতৰ বাবে হাতীক হত্যা কৰি চ'ৰাঘৰত সজাই থোৱা, আ-অলংকাৰ তৈয়াৰ কৰি পৰিধান কৰাৰ মানসিকতা কমিছে যদিও বনাঞ্চলত থকা মূল্যৱান গছ-গছনি কাটি তাৰ পৰা তৈয়াৰ কৰা ঘৰুৱা আচবাবৰ প্ৰতিও মোহ কমাব লাগিব। ঘৰত কাঠ ব্যৱহাৰ কৰাতকৈ এলুমিনিয়াম বা তীখা ব্যৱহাৰ কৰিব ধৰিলে বনাঞ্চল ধ্বংস কৰা চোৰাং বেপাৰীও নিৰুৎসাহ হ'ব। মুঠৰ ওপৰত হাতী মানুহৰ সংঘাত কমাবলৈ হ'লে বনাঞ্চলসমূহ ৰক্ষা কৰিবই লাগিব। ইয়াৰ অন্যত্ৰ নাই।

# ভাৰতীয় টকাৰ অৱমূল্যায়ন

প্ৰতি মাৰ্কিন ডলাৰৰ বিপৰীতে ভাৰতীয় টকাৰ মূল্য হ্ৰাস পাই অহাটো সম্প্ৰতি এটা চিন্তনীয় বিষয় হিচাপে গণ্য হৈছে। যোৱা অক্টোবৰ মাহৰ প্ৰথম সপ্তাহৰ শেষৰ ফালে এক ডলাৰৰ বিপৰীতে মূল্য নিৰ্দ্ধাৰণ হৈছে ৮২.৩৩ টকা। এইটো সৰ্বকালৰ সৰ্বনিম্ন মূল্য হিচাপে পৰিগণিত হৈছে। অৰ্থনৈতিক বিশ্লেষকসকলৰ মতে ভাৰতীয় টকাৰ এই অৱমূল্যায়ন আৰু কিছুদিনলৈ অব্যাহত থাকিব আৰু ই যোৱাটো বছৰৰ তুলনাত ১০% অধিক।

অৰ্থনীতিৰ সূত্ৰ মতে এখন দেশৰ ৰপ্তানীৰ তুলনাত আমদানীৰ পৰিমাণ বেছি হ'লে সেই দেশৰ মুদ্ৰাৰ অৱমূল্যায়ন হোৱাটো নিশ্চিত। ভাৰতবৰ্ষই আমদানী কৰা সামগ্ৰীসমূহৰ ভিতৰত খাৰুৱা তেলেই প্ৰধান। মুঠ চাহিদাৰ প্ৰায় ৮০% খাৰুৱা তেল দেশখনে আন্তঃৰাষ্ট্ৰীয় বজাৰৰপৰা ক্ৰয় কৰিব লাগে মাৰ্কিন ডলাৰত। চলি থকা ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধৰ বাবে খাৰুৱা তেলৰ দাম বৃদ্ধি পাইছে আৰু সহজতে যে কমিব তাৰো নিশ্চয়তা নাই। তাৰোপৰি ধাতু আৰু ইলেক্ট্ৰনিক সামগ্ৰী ক্ৰয়তো ভাৰতে যথেষ্ট পৰিমাণৰ ডলাৰ খৰচ কৰে।

সকলোৰে জ্ঞাত যে ডলাৰ অতি শক্তিশালী। কিন্তু মাৰ্কিন যুক্তৰাষ্ট্ৰত মুদ্ৰাস্ফীতিৰ বাবে তেওঁলোকে সুতৰ হাৰো বৃদ্ধি কৰাৰ সম্ভাৱনা প্ৰকট হৈ উঠিছে। এই বৃদ্ধিয়ে ভাৰতকে ধৰি উন্নয়নশীল দেশসমূহক জুৰুলা কৰিব কাৰণ এইবোৰ দেশৰ মূলধন উন্নত অৰ্থনীতিৰ দেশসমূহলৈ ওলাই যাব।

অৱশ্যে এই বিপৰ্যয় অকল ভাৰততে হোৱা নাই। শক্তিশালী অৰ্থনীতিৰ দেশ জাপানো বাৰুকৈয়ে ক্ষতিগ্ৰস্থ হৈছে কাৰণ ভাৰতৰ লগতে ডলাৰৰ তুলনাত মূল্য হ্ৰাস পাইছে ইউৰো, য়েনৰো। ব্লুমবাৰ্গৰ এক প্ৰতিবেদন মতে বিশ্বৰ বিদেশী মুদ্ৰাৰ ভঁৰাল ১ ট্ৰিলিয়ন ডলাৰ হ্ৰাস পাইছে। বৰ্ত্তমান বিশ্বৰ বিদেশী মুদ্ৰাৰ ভঁৰাল ১২ মিলিয়ন ডলাৰ আৰু পূৰ্বৰ বছৰটোৰ তুলনাত ৭.৮ শতাংশ হ্ৰাস পাইছে। ভাৰতবৰ্ষত এই হ্ৰাসৰ পৰিমাণ ৯৬ বিলিয়ন ডলাৰ। সেয়ে বিভিন্ন দেশৰ চেণ্ট্ৰেল বেংকসমূহে ডলাৰৰ মূল্য বৃদ্ধিৰ লগত মোকাবিলা কৰিব পৰাকৈ ব্যৱস্থা গ্ৰহণ কৰিবলৈ উঠি পৰি লাগিছে। ভাৰততো ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াই পৰিস্থিতি চম্ভালিবলৈ ঋণৰ সুতৰ হাৰ বাৰে বাৰে বৃদ্ধি কৰিবলৈ বাধ্য হৈ পৰিছে। নহ'লে এনে এটা পৰিস্থিতিত দেশৰ অৰ্থনীতি সুস্থিৰ হৈ নাথাকিব।

এনে এটা অৱস্থাত ৰিজাৰ্ভ বেংক আৰু বিত্ত মন্ত্ৰালয় অধিক সতৰ্ক নহ'লে বিপৰ্যয় অনিবাৰ্য্য, কাৰণ আমদানীৰ ব্যয় বহন কৰিবলৈ দেশখনৰ বিদেশী মুদ্ৰাৰ ভাণ্ডাৰ মজবুত কৰি ৰাখিব লাগিব আৰু অনাৱশ্যকীয় খৰচো কমাব লাগিব।

**ৰাতুল বৰুৱা**



# সেউজ শক্তিৰ উৎস

কৃষ্ণা শৰ্মা

বিদ্যুৎ বা বিজুলী আজিৰ পৃথিৱীখনৰ চালিকা শক্তি বুলি ক'লেও বোধকৰো ভুল নহ'ব। বিদ্যুৎ শক্তিৰ ওপৰত যেতিয়াৰপৰা মানৱ জাতি নিৰ্ভৰশীল হ'বলৈ ধৰিলে, তেতিয়াৰে পৰা ই বায়ু, পানী আৰু আহাৰৰ দৰেই অপৰিহাৰ্য্য সামগ্ৰীৰ তালিকাত স্থান ল'লে। বিজুলী এনে এবিধ শক্তি যাক চকুৰে দেখা পোৱা নাযায়, ছুই চাব নোৱাৰি; মাথোঁ ইয়াৰ অস্তিত্ব ইয়াৰ কাৰ্য্যৰ দ্বাৰাহে অনুভৱ কৰিব পাৰি।

বিদ্যুৎ উৎপাদনৰ বাবে বিভিন্ন শক্তিৰ উৎস ব্যৱহাৰ কৰা হয়। উৎপাদনৰ বাবে ব্যৱহাৰ কৰা উপাদানসমূহ শক্তিৰ উৎস হিচাপে ব্যৱহাৰ কৰাৰ ফলত কোনো অনিষ্টকাৰী গেচ নিৰ্গমন নোহোৱাকৈ আমাৰ সেউজীয়া ধৰিত্ৰীক সুৰক্ষিত ৰাখি বিদ্যুৎ পাব পাৰি, এই বিকল্প ইন্ধন হিচাপে ব্যৱহাৰ কৰা শক্তিৰ উৎসসমূহকে "সেউজ শক্তি" বা "গ্ৰীন এনাৰ্জি" বুলি কোৱা হয়। উদাহৰণস্বৰূপে সৌৰশক্তি, বায়ুশক্তি, জলশক্তি, ভুগৰ্ভৰ শক্তি, সামুদ্ৰিক শক্তি আদি।

বিদ্যুৎ উৎপাদন কেন্দ্ৰসমূহকে ধৰি প্ৰায় সকলো যান্ত্ৰিক প্ৰয়োগৰ বাবে খনিজাত ইন্ধনৰ বহুল ব্যৱহাৰৰ পৰিণামত হোৱা গোলকীয় উষ্ণতা বৃদ্ধিৰ বাবে শক্তি উৎপাদন

ক্ষেত্ৰখনতো বৰ্তমান ব্যৱহৃত খনিজাত ইন্ধনৰ বিকল্প হিচাপে কাৰ্বন নিৰ্গমনহীন ইন্ধন ব্যৱহাৰ কৰিবৰ বাবে সমগ্ৰ পৃথিৱী আগবাঢ়ি আহিছে। যিহেতু তাপবিদ্যুৎ প্ৰকল্পসমূহৰ দ্বাৰা বায়ুমণ্ডল প্ৰদূষিত হয়, সেয়েহে বৰ্তমান চলি থকা জলবিদ্যুৎ উৎপাদনৰ উৎসৰ বাহিৰে পৰম্পৰাগত বিদ্যুৎ উৎপাদনৰ বিকল্প হিচাপে কাৰ্বন নিৰ্গমনহীন শক্তিৰ উৎস বাছি লোৱা হৈছে যাতে আমাৰ সেউজী ধৰাখনৰ কোনো ধৰণৰ হানি বিঘিনি নহয়। ২০১৫ চনৰ ১২ ডিচেম্বৰত বিশ্বৰ ১৯৬ খন দেশে ভাগ লোৱা পেৰিচত অনুষ্ঠিত আন্তৰ্জাতিক সন্মিলনৰ শেষৰ দিনা সৰ্বসন্মতিক্ৰমে এক ঐতিহাসিক জলবায়ু চুক্তি গ্ৰহণ কৰা হয়। ২০১৬ চনৰ ২২ এপ্ৰিল তাৰিখে এই চুক্তি ৰাষ্ট্ৰসংঘৰ সকলো সদস্য ৰাষ্ট্ৰৰ স্বাক্ষৰৰ বাবে মুকলি কৰা হৈছিল।

এই চুক্তিৰ জৰিয়তে বিভিন্ন উপায় তথা প্ৰযুক্তিৰ প্ৰয়োগৰ জৰিয়তে পৃথিৱীৰ বায়ুমণ্ডলৰ উষ্ণতা বৃদ্ধি শিল্প বিপ্লৱৰ পূৰ্বৰ মাত্ৰাতকৈ যাতে ২.০ ডিগ্ৰী ছেলছিয়াচৰ ভিতৰত সীমিত কৰি ৰাখিব পাৰি, সেই উদ্দেশ্যেৰে সদ্যহতে ১.৫ ডিগ্ৰী ছেলছিয়াচ সীমা লক্ষ্য কৰি লোৱা হয়। এই চুক্তি অনুসৰি প্ৰত্যেক দেশে পাঁচ বছৰৰ মূৰে মূৰে নিজৰ কাৰ্বন নিৰ্গমনৰ পৰিমাণৰ প্ৰতিবেদন দাখিল কৰিব লাগে আৰু ইয়াৰ নিয়ন্ত্ৰণৰ বাবে বিশেষ ব্যৱস্থা ল'ব লাগে। ইয়াৰ আগতে কোপেনহেগেন জলবায়ু সন্মিলন যদিও হৈছিল, পেৰিচ চুক্তিখন যথেষ্ট আশাব্যঞ্জক ৰূপে পৰিগণিত হৈছে। শিল্প বিপ্লৱৰ পিছত অভাৱনীয়ভাৱে সমগ্ৰ বিশ্বতে ফচিল ইন্ধনৰ ব্যৱহাৰ হোৱাৰ লগে লগে কাৰ্বন নিৰ্গমন কাৰ্য্যই গোলকীয় উষ্ণতা বৃদ্ধিত মুখ্য ভূমিকা গ্ৰহণ কৰা পৰিলক্ষিত হৈছে।

২০২১ চনৰ আগষ্ট মাহত হোৱা সংযুক্ত ৰাষ্ট্ৰসংঘৰ এক অনুষ্ঠান IPCC-এ জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱে মানুহৰ ওপৰত কেনেভাৱে প্ৰতিক্ৰিয়া কৰে তাৰ ওপৰত কৰা এক সমীক্ষা অনুসৰি ২০৩০ চনৰ ভিতৰত পৃথিৱীৰ গড় উষ্ণতা ১.৫ ডিগ্ৰী বাঢ়ি যোৱাৰ সম্ভাৱনাৰ কথা প্ৰকাশ কৰিছে।

বিদ্যুতৰ ধৰ্ম অথবা বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি দুটা ভাগত ভাগ কৰা হয়। যি বিদ্যুৎ উৎপাদন হোৱাৰ পিছত পদাৰ্থত স্থিৰভাৱে থাকে, সেই ক্ষেত্ৰত বিদ্যুতক স্থিতি বিদ্যুৎ (Static Electricity) আৰু যি ক্ষেত্ৰত উৎপাদিত বিদ্যুৎ পদাৰ্থৰ মাজেৰে প্ৰবাহিত হৈ যায়, তেনে ক্ষেত্ৰত বিদ্যুতক প্ৰবাহী বিদ্যুৎ (Current Electricity) বোলা হয়। প্ৰবাহী বিদ্যুৎ উৎপাদন কৰা হয় যান্ত্ৰিক শক্তিক বৈদ্যুতিক শক্তিলৈ ৰূপান্তৰিত কৰি। কোনো এটা বন্ধ কুণ্ডলী যদি শক্তিশালী আৰু সুষম চৌম্বক ক্ষেত্ৰৰ মাজত চৌম্বক ক্ষেত্ৰখনৰ অভিলম্বী (Perpendicular) কোনো অক্ষৰ ওপৰত ঘূৰোৱা হয়, তেনেহ'লে কুণ্ডলীটোত এটা বিদ্যুৎ প্ৰবাহৰ সৃষ্টি হ'ব। এই সূত্ৰৰ ওপৰতে ভিত্তি কৰি বিদ্যুৎ উৎপাদন কৰা হয়। প্ৰবাহী বিদ্যুৎ দুই প্ৰকাৰৰ– একমুখী বিদ্যুৎ (Direct Current) আৰু পৰিৱৰ্তী বিদ্যুৎ (Alternating Current) ।একমুখী বিদ্যুৎ উৎপাদনৰ যন্ত্ৰক "জেনেৰেটৰ (Generator)" আৰু পৰিৱৰ্তী বিদ্যুতৰ যন্ত্ৰ হৈছে "অল্টাৰনেটৰ (Alternator)" । একমুখী বিদ্যুৎ বিভিন্ন ধৰণে উৎপাদন কৰিব পাৰি। পৰিৱৰ্তী বিদ্যুৎ উৎপাদনত অল্টাৰনেটৰত সৃষ্টি হোৱা পৰিৱৰ্তী বিদ্যুৎ Commutatorৰ দ্বাৰা একমুখী কৰি ল'ব পাৰি।

বিদ্যুৎ উৎপাদনৰ বাবে ব্যৱহাৰ কৰা আৰ্মেচাৰ (Armature) ঘূৰোৱাৰ বাবে ব্যৱহাৰ কৰা প্ৰাইম ম'ভাৰ (Prime mover) হৈছে টাৰ্বাইন (Turbine)– ষ্টিম টাৰ্বাইন, গেচ টাৰ্বাইন, ৱাটাৰ টাৰ্বাইন। টাৰ্বাইন অবিৰতভাৱে ঘূৰাই থাকিলেহে আমি অবিৰতভাৱে বিদ্যুৎ পাই থাকো আৰু ৰৈ গ'লেই আমাৰো যোগান বন্ধ হৈ যায়। এই প্ৰবাহী Alternating Current (AC) বিদ্যুৎ উৎপাদন তৈয়াৰ কৰি জমা কৰাৰ কথা নাই। যেনেকে পানীৰ নল বন্ধ কৰিলে পানী বন্ধ হৈ যায় উৎপাদন বন্ধ হ'লেই যোগানো বন্ধ হৈ যাব।

পৰিৱৰ্তী বিদ্যুৎ উৎপাদন কৰা পদ্ধতি এটাই, কিন্তু ওপৰত উল্লেখ কৰাৰ দৰে টাৰ্বাইন বেলেগ বেলেগ শক্তিৰে ঘূৰোৱা হিচাপে উৎপাদিত বিদ্যুতৰ নামকৰণ কৰা হয়। যেনে

হাইড্ৰেল পাৱাৰ, থাৰ্মেল পাৱাৰ ইত্যাদি। ইয়াত প্ৰত্যক্ষভাৱে পানী জড়িত নাথাকে। ঠিক সেইদৰে আণৱিক ক্ষেত্ৰত তাপ শক্তিৰ বাবে নিউক্লিয়াৰ ৰিয়েক্টৰ ব্যৱহাৰ কৰা হয় আৰু এই বিদ্যুৎ শক্তিক পাৰমাণৱিক শক্তি বুলি কোৱা হয়।

DC বিদ্যুৎ বহুল প্ৰয়োগৰ বিভিন্ন অসুবিধাৰ বাবে বিদ্যুৎ যোগানৰ বাবে AC বিদ্যুৎ ব্যৱহাৰ কৰা হয়। দৰ্কাৰী DC বিদ্যুৎ Converterৰ সহায়ত ACৰপৰা পৰিৱৰ্তন কৰি লোৱা হয়। ঠিক তেনেদৰে আমাৰ ব্যৱহৃত Inverter এ DC বিদ্যুৎ AC লৈ পৰিৱৰ্তন কৰি আমাক ঘৰুৱা AC বৰ্তনী (Circuit)ত ব্যৱহাৰৰ উপযোগী কৰি তোলে।

পৰম্পৰাগত পদ্ধতিত একমুখী বিদ্যুৎ জলবিদ্যুৎ কেন্দ্ৰ, তাপবিদ্যুৎ কেন্দ্ৰ আৰু পাৰমাণৱিক বিদ্যুৎ কেন্দ্ৰ সমূহত উৎপাদন কৰা হয়। বিদ্যুতৰ চাহিদা বাঢ়ি যোৱাৰ লগে লগে তাপবিদ্যুৎ কেন্দ্ৰসমূহৰ ওপৰত বেছি পৰিমাণে নিৰ্ভৰশীল হ'বলগীয়া হ'ল, কিয়নো এই ভূগৰ্ভৰ পৰা আহৰণ খৰচতে বহুত বেছি শক্তি উৎপাদন কৰিব পাৰি। খনিজাত জীৱাশ্মৰ (Fossil) পৰা পোৱা ইন্ধন, পাৰমাণৱিক শক্তি আৰু জলশক্তি হৈছে বিদ্যুৎ উৎপাদনৰ মূল উৎস। জীৱাশ্মৰপৰা পোৱা ইন্ধন ভূগৰ্ভৰপৰা উলিয়াই অনা হয় আৰু সময়ৰ লগে লগে এই ভাণ্ডাৰৰ উৎসসমূহো ক্ৰমান্বয়ে কমি আহিবলৈ ধৰিছে আৰু ইয়াৰ বিকল্পৰ কথা চিন্তা কৰি থাকোঁতেই কিন্তু এটা সাংঘাতিক তথ্য পোহৰলৈ আহিল যে এই ভূগৰ্ভৰপৰা আহৰণ কৰা খনিজ পদাৰ্থসমূহ ইন্ধন হিচাপে ব্যৱহাৰ কৰাৰ ফলস্বৰূপে সমগ্ৰ বিশ্বৰ বায়ুমণ্ডলত কাৰ্বন-ডাই-অক্সাইড ($CO_2$), কাৰ্বন মনক্সাইড ($CO$), নাইট্ৰাচ অক্সাইড ($N_2O$), চালফাৰ ডাই অক্সাইড ($SO_2$),

ভাৰতৰ তামিলনাডু ৰাজ্যৰ কইম্বাটুৰ চহৰক Solar City বুলি কোৱা হয়। ইয়াত পথৰ লাইট, চৰকাৰী স্কুল, কলেজ আৰু অফিচ সৌৰশক্তিৰে চলে। তেনেদৰে কেৰালা ৰাজ্যৰ ক'চি (Kochi) এয়াৰপৰ্ট অকল সৌৰশক্তিৰে চালিত ভাৰতৰ একমাত্ৰ এয়াৰপৰ্ট।

কৰা ইন্ধন সকলো সময়তে পাব পাৰি। জলবিদ্যুৎ উৎপাদন কেন্দ্ৰসমূহত এটাই অসুবিধা, যিহেতু পানীৰ শক্তিৰ ওপৰতে নিৰ্ভৰশীল, পানীৰ শক্তি কমি গ'লে উৎপাদন কমি যায় আৰু টাৰ্বাইন ঘূৰাবলৈ শক্তি কমি যোৱাৰ ফলত বিদ্যুৎ উৎপাদনত প্ৰতিবন্ধকতাৰ সৃষ্টি হয়। কিন্তু এই শক্তিৰ দ্বাৰা কোনো অনিষ্টকাৰী উপাদানৰ সৃষ্টি নহয় আৰু সেউজ শক্তি উৎপাদনৰ ই এক মুখ্য উৎস বুলি ক'ব পাৰি। জলবিদ্যুৎ উৎপাদন কেন্দ্ৰ তৈয়াৰ কৰি ল'বলৈ এক দীঘলীয়া সময়ৰ প্ৰয়োজন আৰু তাপবিদ্যুৎ কেন্দ্ৰতকৈ প্ৰাৰম্ভিক খৰচ তুলনামূলকভাৱে বহুত বেছি হয়। কিন্তু এবাৰ তৈয়াৰ কৰি লোৱাৰ পিছত চলাই ৰাখিবলৈ ইয়াত খৰচ বহুতো কম লাগে। কিন্তু এটা তাপবিদ্যুৎ প্ৰকল্প চলি থাকিবলৈ ইন্ধনত খৰচ হয় যদিও তৈয়াৰ কৰিবলৈ তুলনামূলক হিচাপে কম সময় আৰু কম খৰচ লাগে। পাৰমাণৱিক শক্তিৰ দ্বাৰাও কিন্তু কোনো গ্ৰীন হাউচ গেচ উৎপন্ন নহয় আৰু ইয়াত খৰচ বহুত। কম পৰিমাণৰ ইন্ধন অৰ্থাৎ ইউৰেনিয়াম ব্যৱহাৰ কৰি কম আদি প্ৰদূষণকাৰী গ্ৰীন হাউচ গেচ নিৰ্গত হৈ পৰিৱেশৰ যথেষ্ট ক্ষতি সাধন কৰি আছে। তেনেদৰে পাৰমাণৱিক শক্তিৰ উৎসৰপৰা বৰ্জিত দ্ৰব্যও অতি ভয়ানক আৰু জীৱ প্ৰকৃতিৰ বাবেও ভয়ঙ্কৰভাৱে অনিষ্টকাৰী। আনহাতে জলবিদ্যুৎ প্ৰকল্পসমূহৰপৰা নিৰ্গত পানীয়ে জনসাধাৰণৰ বহুতো অনিষ্ট কৰে। গতিকে লাহে লাহে অপৰম্পৰাগত শক্তিৰ উৎস সেউজ ইন্ধন অৰ্থাৎ গ্ৰীন এনাৰ্জিৰ কথা চিন্তা কৰা হ'ল। ইয়াৰ ভিতৰত এটা হৈছে সৌৰ শক্তি (Solar Energy)।

সৌৰ শক্তি হৈছে সূৰ্য্যৰপৰা পোৱা পোহৰ আৰু ইয়াক আহৰণ কৰি বিদ্যুৎ শক্তিলৈ ৰূপান্তৰিত কৰা। সৌৰ শক্তি সূৰ্য্যৰ ৰশ্মিৰপৰা পাবলৈ হ'লে সৌৰ কোষ (Solar Cell) বোলা পোহৰ সংবেদনশীল

সংমিশ্ৰণৰ ৰাসায়নিক ধাতৰ কোষৰ প্ৰয়োজন। এক কাৰ্য্যক্ষম বিভৱ (Voltage ) পাবলৈ হ'লে কেবাটাও সৌৰকোষ সংযোজন কৰি সৌৰ মডুল (Solar Module ), সৌৰ পেনেল (Solar Panel ) আৰু সৌৰ বিন্যাস (Solar Array ) নিৰ্মাণ কৰি লোৱা হয়। তাৰ পিছত সৌৰ পেনেলসমূহ একেলগ কৰি এক ধাতৰ পদাৰ্থত ব্যৱহাৰ কৰিব পৰাকৈ সংস্থাপন কৰা হয় আৰু ইয়াৰ নাম হৈছে Solar PV Module। সাধাৰণতে এখন Solar PV Module ত ৩২ খন বা ৩৫ খন Solar Module সংযোগ কৰি Solar PV Panel আৰু Solar PV Panel সংযোগ কৰি Solar PV Array তৈয়াৰ কৰি সূৰ্য্যৰ পোহৰ পৰা স্থানত সূৰ্য্যৰ ফালে মুখ কৰি সংস্থাপিত কৰা হয় আৰু আধুনিক প্ৰযুক্তি ব্যৱহাৰ কৰি অনুসৰণ ব্যৱস্থা(Tracking System)ৰ সহায়ত সূৰ্য্যৰ ৰশ্মি পাবলৈ ঘূৰাই থাকিব পৰা ব্যৱস্থা কৰি লোৱা হয়। সাধাৰণতে সূৰ্য্যৰ ৰশ্মি পৰা মুকলি ঠাই, নদীৰ ওপৰত, ঘৰৰ ওপৰত সংস্থাপিত কৰা হয়। বৰ্তমান নদী বা পুখুৰী আদিত ওপঙি থকা হিচাপেও ইয়াক সংস্থাপিত কৰি বিদ্যুৎ আহৰণ কৰা হৈছে। ভাৰতবৰ্ষত সৌৰশক্তিত চহকী হৈছে ৰাজস্থান, গুজৰাট, কৰ্ণাটক, কেৰালা আৰু উত্তৰ প্ৰদেশ। ভাৰতবৰ্ষৰ ১৫০০ MW Solar Park খন গুজৰাটত আছে। ভাৰতবৰ্ষত বৰ্তমান ৪৮.৫৫৬ GW সৌৰ শক্তি উৎপাদন ক্ষমতা আছে। কোনো ভূখণ্ডৰ একক মুহূৰ্তত একক বৰ্গক্ষেত্ৰত পৰা সূৰ্য্যৰ ৰশ্মিৰ পৰিমাণেই হৈছে সেই ঠাইৰ সৌৰ বিকিৰণ। ইয়াক Watt/ Sq mt একককত জোখা হয়। এই সূৰ্য্যৰ ৰশ্মিৰ বিকিৰণ জুখিবলৈ কিছুমান কেন্দ্ৰ আছে। কোনো এখন ঠাইৰ সৌৰ বিকিৰণৰ পৰিমাণ সেই ঠাইৰ দ্ৰাঘিমাংশ, বায়ুমণ্ডল আৰু দিনৰ দৈৰ্ঘ্যৰ ওপৰত (সূৰ্যৰ ৰশ্মি কিমান সময় পোৱা যায়) হিচাপ উলিয়াই Solar Panel সংস্থাপিত কৰা হয়। সাধাৰণতে প্ৰতি বৰ্গক্ষেত্ৰৰ জোখত ১ৰপৰা ২ KW সৌৰ শক্তি পাব পাৰি।

বৰ্তমান ইয়াক

১) গ্ৰীডৰ সৈতে সংযুক্ত কৰি ব্যৱহাৰ কৰা হয়।

২) অফ গ্ৰীড/ নন গ্ৰীড হিচাপে ব্যৱহাৰ কৰা হয়।

গ্ৰীডৰ সৈতে এক বিশেষ মিটাৰৰ দ্বাৰা সংযুক্ত কৰি ৰাহি হোৱা শক্তি গ্ৰীডত ব্যৱহাৰ কৰিবলৈ দিব পাৰি। অফ গ্ৰীডৰ দ্বাৰা অকল নিজৰ বাবেহে ব্যৱহাৰ কৰিব পাৰি।

ভাৰতৰ তামিলনাডু ৰাজ্যৰ কইম্বাটুৰ চহৰক Solar City বুলি কোৱা হয়। ইয়াত পথৰ লাইট, চৰকাৰী স্কুল, কলেজ আৰু অফিচ সৌৰশক্তিৰে চলে। তেনেদৰে কেৰালা ৰাজ্যৰ ক'চি (Kochi) এয়াৰপৰ্ট অকল সৌৰশক্তিৰে চালিত ভাৰতৰ একমাত্ৰ এয়াৰপৰ্ট। কিন্তু সৌৰশক্তিৰ এটাই অসুবিধা যে সকলো ঠাইতে ইয়াক ব্যৱহাৰ কৰিব নোৱাৰি। ই সূৰ্য্যৰ ৰশ্মিৰ ওপৰত নিৰ্ভৰ কৰে, সেইবাবে ভাৰতৰ পশ্চিম প্ৰান্তৰ ৰাজস্থান, গুজৰাট আদিত সৌৰশক্তিৰ প্ৰভাৰ বেছি হোৱা বাবে Solar Park স্থাপন কৰিব পৰা গৈছে। Solar PV ৰে ট্ৰেইন আদিও চলোৱা হয়।

গ্ৰীন এনাৰ্জিৰ আন এক উৎস হৈছে "বায়ুশক্তি" (Wind Power) । বতাহৰ শক্তিৰ দ্বাৰা টাৰ্বাইন ঘূৰাই বিদ্যুৎ উৎপাদন কৰিব পাৰি। ৰাজস্থানৰ মৰুভূমিৰ বৃহৎ এলেকা আৰু কেৰালাৰ উপকূলীয় অঞ্চলত বতাহ শক্তিৰ বিদ্যুৎ উৎপাদন কেন্দ্ৰ (Wind Power Station) চলোৱা হয়।

প্ৰাচীন কালত নেদাৰলেণ্ডত বৃহৎ আকাৰৰ Wind Mill ব্যৱহাৰ কৰি বিভিন্ন কাৰখানা, মিল আদি চলোৱা হৈছিল। বতাহৰ শক্তি(Wind Power)ৰ বাবে অবিৰতভাৱে বৈ থকা বতাহ লাগে। এই বতাহে Wind Millৰ যি পাঙ্খা থাকে তাক ঘূৰাই দিয়ে আৰু তাৰ লগত সংযুক্ত টাৰ্বাইনৰ ঘূৰ্ণনৰ দ্বাৰা বৈদ্যুতিক জেনেৰেটৰত বিদ্যুৎ উৎপাদন কৰিব পাৰি। ভাৰতবৰ্ষ বতাহ শক্তি(Wind Power)ৰ জৰিয়তে বিদ্যুৎ উৎপাদনৰ ক্ষেত্ৰত পৃথিৱীত চতুৰ্থ স্থানত আছে। ভাৰতত ১৯৮৬ চনত মহাৰাষ্ট্ৰৰ ৰত্নগিৰি, গুজৰাটৰ উখা আৰু তামিলনাডুৰ টুটিকৰিণত প্ৰথম Wind Mill স্থাপন কৰা হয়। বৰ্তমান ভাৰতৰ সৰ্ববৃহৎ Wind Mill Genera-

tion হৈছে

কন্যাকুমাৰী ---- ১৫০০ MW

জয়চালমেৰ ---- ১০৬৪ MW

ধুল ---------------- ৫২৮ MW

শেগলি ----------- ২৭৮ MW

ভাৰতৰ সৰ্বমুঠ ৭৪৫৫.২ MW ক্ষমতাৰ প্ৰায় ৮০০ টা Wind Power Station আছে।

বিদ্যুৎ উৎপাদনৰ আন এবিধ উল্লেখযোগ্য উৎস হৈছে পৃথিৱীৰ ভূগৰ্ভৰ শক্তি (Geothermal Energy) ।এই শক্তি পৰিৱৰ্তনীয় (Renewable) গ্ৰীন এনাৰ্জি যি শক্তি ভূগৰ্ভৰ পৰা পোৱা হয়। ভূগৰ্ভৰ অন্তৰ্নিহিত শক্তিৰ দ্বাৰা প্ৰয়োজনীয় বাষ্প সৃষ্টি কৰি টাৰ্বাইন ঘূৰাই বিদ্যুৎ উৎপাদন কৰা হয়। কেলিফোৰ্ণিয়া, আইচলেণ্ড আদিত গৰম পানীৰ উঁহৰ দ্বাৰা টাৰ্বাইন চলোৱা হৈছিল। ভাৰতৰ মহামান্য প্ৰধানমন্ত্ৰী ডাঙৰীয়াই জিঅ'থাৰ্মেল এনাৰ্জিৰ ব্যৱহাৰৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছে যিহেতু ইয়াৰ দ্বাৰা কোনো ধৰণৰ প্ৰদূষণ নহয়। ভাৰতবৰ্ষত এতিয়ালৈকে Geothermal Energy ৰ বিদ্যুৎ উৎপাদন কেন্দ্ৰ স্থাপন কৰা হোৱা নাই আৰু বৰ্তমান ই পৰীক্ষামূলক পৰ্য্যায়তে আছে।

সামুদ্ৰিক সোঁত(Ocean Current)ৰপৰা পোৱা শক্তিৰেও উপকূলীয় কোনো কোনো অঞ্চলত সৰু সৰু টাৰ্বাইন ঘূৰাই বিদ্যুৎ উৎপাদন কৰা হয়। এই শক্তিও গ্ৰীন এনাৰ্জিৰ ভিতৰতে পৰে। এই বিদ্যুৎ উৎপাদন কেন্দ্ৰবোৰ বৰ বেছি ডাঙৰ নহয়। যি কি নহওক এক সৰু উপকূলীয় ক্ষেত্ৰৰ বাবে প্ৰয়োজনীয় এই শক্তি সৃষ্টি কৰি লোৱা হয়।

বিদ্যুৎ উৎপাদনৰ আন এবিধ ইন্ধন হৈছে জৈৱিক শক্তি (Biomass)। জৈৱিক গেচক প্ৰজ্জ্বালক হিচাপে ব্যৱহাৰ কৰিও টাৰ্বাইন ঘূৰাব পাৰি। ইয়ো গ্ৰীন এনাৰ্জিৰ ভিতৰত নপৰিলেও বিকল্প ইন্ধন হিচাপে ব্যৱহৃত হয়।

গ্ৰীন এনাৰ্জিৰ সকলোতকৈ শক্তিশালী উৎস হৈছে জলশক্তি। কিন্তু এই প্ৰকল্পসমূহ বৃহৎ হ'লে ইয়াৰ প্ৰভাৱ প্ৰকল্পৰ কাষৰীয়া অঞ্চলৰ জলজ প্ৰাণী আৰু বিভিন্ন ধৰণে পৰিৱেশৰ বাবে অনিষ্টকাৰী হোৱা দৃষ্টিগোচৰ হৈছে। সময়ত বান্ধৰ পানী মুকলি কৰি দিবলগীয়া হ'লে সেই ঠাইসমূহত বসবাস কৰা মানুহৰ ভয়ানক ক্ষতি হয়। কিন্তু বান্ধৰ পানীখিনি উপযুক্তভাৱে অনিষ্ট কৰিব নোৱৰা ব্যৱস্থা কৰি যদি এই জলবিদ্যুৎ উৎপাদনৰ কেন্দ্ৰ নিৰ্মাণ কৰিব পৰা হয়, তেনেহ'লে জলবিদ্যুৎ প্ৰকল্প হৈছে সকলোতকৈ উত্তম। সেয়েহে সৰু সৰু জল বিদ্যুৎ প্ৰকল্প নিৰ্মাণ (Mini প্ৰকল্প ২৫ MW তকৈ কম আৰু Micro প্ৰকল্প ১০০ Kw ৰ তলত) Hydro কৰি প্ৰয়োজনীয় বিদ্যুতৰ লগতে ক্ষতিৰ পৰিমাণ কমাব পাৰি।

এইখিনিতে উল্লেখ কৰিব পাৰি যে Solar আৰু Wind অতি উল্লেখযোগ্য প্ৰদূষণমুক্ত গ্ৰীন এনাৰ্জিৰ শক্তি উৎপাদনৰ



উৎস যদিও এই দুবিধ উৎসক বিৰতিবিহীনভাৱে পৃথিৱীৰ সৰহ অঞ্চলতে নোপোৱা বাবে 24x7 যি বিজুলী যোগানৰ গ্ৰীড আছে সেই ক্ষেত্ৰত সম্পূৰ্ণভাৱে নিৰ্ভৰ কৰিব নোৱাৰি। কাৰ্বনমুক্ত শক্তি উৎসৰ একমাত্ৰ জলশক্তি (Hydroelectric Power) হৈছে যোগান ব্যাহত নোহোৱাকৈ যোগান ধৰিব পৰা গ্ৰীন এনাৰ্জিৰ বিদ্যুৎ শক্তি। শেহতীয়াভাৱে শূন্য কাৰ্বন নিৰ্গমনৰ লক্ষ্যৰে আন এবিধ অৰধাৰিত পৰিৱৰ্তনীয় সেউজ শক্তি ভূগৰ্ভৰ শক্তিৰ ব্যৱহাৰৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হৈছে।

প্ৰবন্ধ

যোৱা এবছৰমানৰপৰা অসমত পৰ্য্যায়ক্ৰমে সংঘটিত হোৱা এনকাউণ্টাৰৰ ঢৌ বিশেষভাৱে উল্লেখযোগ্য। অসমীয়া সমাজ বৰ্তমান নিচাজাতীয় সামগ্ৰী, গো চোৰাংচালান, লুণ্ঠন, আদি অপৰাধৰ কৰাল গ্ৰাসত পৰিছে। এনে এক প্ৰেক্ষাপটত দোষী ব্যক্তিৰ ওপৰত ক্ষিপ্ৰ আৰক্ষী আৰু ন্যায়িক প্ৰক্ৰিয়া জনসাধাৰণৰ কাম্য। কিন্তু এনে এক পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ পুলিচ এনকাউণ্টাৰ এখন ৰাজ্যৰ চৰকাৰী নীতি হ'ব নোৱাৰে।

# "দিশা" পৰিঘটনা - আৰক্ষীলৈ এক পূৰ্বাভাস

**পল্লৱ ভট্টাচাৰ্য্য**

হায়দৰাবাদত সংঘটিত 'দিশা' নামৰ যুৱতীৰ বলাৎকাৰ আৰু হত্যা সন্দৰ্ভত নিয়োজিত ন্যায়াধীশ ভি এছ ছিৰপুৰকাৰ আয়োগে ন্যায়িক তদন্তৰ প্ৰতিবেদন দাখিল কৰাৰ ফলত সামাজিক, ছপা আৰু বৈদ্যুতিন মাধ্যমত এক অভূতপূৰ্ব আলোড়নৰ সৃষ্টি হৈছে আৰু সাধাৰণ জনসাধাৰণৰ মনত আৰক্ষীৰ মোকাবিলা (এনকাউণ্টাৰ নামেৰে সৰ্বজনবিদিত) আৰু ক্ষিপ্ৰ ন্যায় প্ৰদানৰ ব্যৱস্থাটো চৰ্চাৰ কেন্দ্ৰবিন্দু হৈ পৰা পৰিলক্ষিত হৈছে। ২০১৯ চনৰ ২৭ নৱেম্বৰত চাইবাৰাবাদৰ আয়ুক্তালয়ৰ অধীনৰ হায়দৰাবাদৰ সমীপৱৰ্তী শমশাবাদত এগৰাকী ২৬ বছৰীয়া পশু চিকিৎসকক (দিল্লীৰ যুৱতী "নিৰ্ভয়া"ৰ দৰে "দিশা" নামেৰে নামকৰণ কৰা) দলবদ্ধ ধৰ্ষণ কৰি নৃশংসভাৱে হত্যা কৰা হৈছিল আৰু সমগ্ৰ ভাৰত আৰু বিদেশত থকা ভাৰতীয় প্ৰৱাসীসকলৰ মাজত ক্ষোভৰ সৃষ্টি হৈছিল। এই হত্যাৰ পিছদিনা ২০১৯ চনৰ ২৮ নৱেম্বৰত শদনগৰত উদ্ধাৰ হৈছিল তেওঁৰ মৃতদেহ। চাৰিজন সন্দেহযুক্ত লোকক গ্ৰেপ্তাৰ কৰা হয় আৰু চাইবাৰাবাদ মহানগৰ আৰক্ষীৰ মতে চিকিৎসকগৰাকীক ধৰ্ষণ কৰি হত্যা কৰা বুলি তেওঁলোকে স্বীকাৰ কৰে। আমোদজনকভাৱে অপৰাধস্থলীৰ পুনৰ নিৰ্মাণৰ প্ৰক্ৰিয়াৰ বাবে যোৱাৰ সময়ত চাৰিওজনকে আৰক্ষীয়ে এনকাউণ্টাৰত হত্যা কৰিছিল, যাৰ ফলত বহুতো সাধাৰণ লোকৰ লগতে বহু বিজ্ঞ ব্যক্তিয়ে ক্ষিপ্ৰ ন্যায় প্ৰদানৰ বাবে আৰক্ষীক প্ৰশংসাৰ কেন্দ্ৰবিন্দু কৰি

তুলিছিল। বিভিন্ন ৰাজ্যৰ বিশিষ্ট ৰাজনীতিবিদ, চলচ্চিত্ৰ জগতৰ আৰু অন্যান্য বিখ্যাত ব্যক্তিসকলে চাইবাৰাবাদ আৰক্ষীৰ কাৰ্য্যকলাপৰ ভূয়সী শলাগ লয়। কিছুমানক বাদ দি গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ ভূমিকা আৰক্ষীৰ কাৰ্য্যৰ প্ৰতি সহানুভূতিশীল আছিল বুলি ক'ব পৰা যায়। উল্লেখযোগ্য যে সংবেদনশীল আৰু আইন মানি চলা লোকৰ এটা অংশই এনে ন্যায়বহিৰ্ভূত মৃত্যুদণ্ডক লৈ উদ্বেগ প্ৰকাশ কৰিছিল। এনকাউণ্টাৰৰ বিৰুদ্ধে ৭-১২-২০১৯ তাৰিখে উচ্চতম ন্যায়ালয়ত জি এছ মণি নামৰ ব্যক্তি এগৰাকীয়ে এক ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰে আৰু চাৰি অভিযুক্তৰ মৃত্যুৰ তদন্তৰ বাবে উচ্চতম ন্যায়ালয়ে ন্যায়াধীশ ভি এছ ছিৰপুৰকাৰ আয়োগ গঠন কৰে। আয়োগে নিজৰ প্ৰতিবেদনত উল্লেখ কৰিছে যে তেওঁলোকৰ মতে অভিযুক্তসকলৰ মৃত্যু হ'ব পাৰে বুলি জানিও তেওঁলোকৰ ওপৰত ইচ্ছাকৃতভাৱে আৰক্ষীৰ গুলীচালনা কৰা হৈছিল। ইয়াৰ উপৰিও প্ৰতিবেদনত স্পষ্ট কৰা হৈছে যে পুলিচে কোৱাৰ দৰে চাৰিজন অভিযুক্তই- মহম্মদ আৰিফ, চিন্তাকুন্ত চেন্নাকেশভুলু আৰু খুলশালীয়েক জল্লু শিৱ আৰু জল্লু নবীনে- লগত অহা আৰক্ষী বিষয়াসকলক তেওঁলোকৰ অস্ত্ৰ-শস্ত্ৰ কাঢ়ি লৈ গুলীচালনা কৰাৰ অভিযোগ বিশ্বাসযোগ্য নহয়। আয়োগে প্ৰতিবেদনত লগতে উল্লেখ কৰিছে যে অভিযুক্ত চাৰিজনৰ দুজন- জল্লু শিৱ আৰু চি চেন্নাকেশভুলু - বিদ্যালয়ৰ অভিলেখৰ ভিত্তিত এই কাণ্ড সংঘটিত হোৱাৰ সময়ত নাবালক আছিল। আয়োগে পৰামৰ্শ দিয়ে যে আই পি চিৰ ৩০২ (হত্যা), ৩৪ (সাধাৰণ উদ্দেশ্য), ২০১ (প্ৰমাণ নোহোৱা হোৱাৰ কাৰ্য্য আৰু ভুৱা তথ্য প্ৰদান কৰা)ৰ অধীনত দহজন আৰক্ষী বিষয়া-কৰ্মীৰ বিপক্ষে গোচৰ ৰুজু কৰাৰ প্ৰয়োজন।

ওপৰৰ কাণ্ডটোৱে ক্ষিপ্ৰ ন্যায় প্ৰদান আৰু ন্যায়বহিৰ্ভূত হত্যাকাণ্ডৰ অন্তৰালত বিদ্যমান বিপদৰ কথা উনুকিয়ায়। এইখিনিতে উল্লেখ কৰিব পাৰি যে পঞ্জাৱৰপৰা শিখ সন্ত্ৰাসবাদ নিৰ্মূল কৰাৰ কৃতিত্ব কে পি এছ গিলক দিয়া হৈছিল। এই ক্ষেত্ৰত তেওঁৰ অৱদান যে প্ৰশংসনীয়, তাত কোনো সন্দেহ নাই। কিন্তু সেই সময়ত গ্ৰহণ কৰা ন্যায়বহিৰ্ভূত পদ্ধতিৰ বাবে গিলৰ অৱসৰৰ পিছত বহু অভিযোগ আৰক্ষীৰ বিপক্ষে ৰুজু কৰা হয়। ১৯৯৫ চনত গিলে আই পি এছৰ পৰা অৱসৰ লোৱাৰ সময়লৈকে ৫০০ পঞ্জাৱৰ আৰক্ষীৰ লোক মামলাৰ সন্মুখীন হৈছিল। ১৯৯৭ চনলৈকে সেই সংখ্যা ১২০০লৈ বৃদ্ধি পায় আৰু চৰকাৰে ক্ষতিপূৰণ হিচাপে লাখ লাখ টকা ভুক্তভোগীক প্ৰদান কৰিবলৈ বাধ্য হয়। আৰক্ষীৰ কাৰ্য্যক্ৰমণিকাত আইনৰ শাসনৰ বাহিৰে কোনো বিকল্প নাই আৰু ই ন্যায়ালয়ৰ বহু ৰায়ত প্ৰতিফলিত হোৱা দেখা যায়। অসমত ১৯৯৮ চনৰপৰা ২০০১ চনৰ ভিতৰত সংঘটিত হোৱা বিভিন্ন গুপ্ত হত্যাকাণ্ডবোৰক অসমৰ ৰাজনৈতিক ইতিহাসৰ আটাইতকৈ ক'লা অধ্যায় হিচাপে চিহ্নিত কৰা হৈছে।

এই সন্দৰ্ভত যোৱা এবছৰমানৰপৰা অসমত পৰ্য্যায়ক্ৰমে সংঘটিত হোৱা এনকাউণ্টাৰৰ ঢৌ বিশেষভাৱে উল্লেখযোগ্য। অসমীয়া সমাজ বৰ্তমান নিচাজাতীয় সামগ্ৰী, গো চোৰাংচালান, লুণ্ঠন, আদি অপৰাধৰ কৰাল গ্ৰাসত পৰিছে। এনে এক প্ৰেক্ষাপটত দোষী ব্যক্তিৰ ওপৰত ক্ষিপ্ৰ আৰক্ষী আৰু ন্যায়িক প্ৰক্ৰিয়া জনসাধাৰণৰ কাম্য। কিন্তু এনে এক পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ পুলিচ এনকাউণ্টাৰ এখন ৰাজ্যৰ চৰকাৰী নীতি হ'ব নোৱাৰে। এই সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ত যোৱা ডিচেম্বৰ মাহত অধিবক্তা আৰিফ এম ডি য়েছিন জৱাদাৰে দাখিল কৰা এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ (PIL NO-86/2021) শুনানী চলি আছে। এই আবেদনত ২০২১ চনৰ মে' মাহৰপৰা ৰাজ্যখনত ৮০টা ভুৱা এনকাউণ্টাৰৰ কাণ্ড সংঘটিত হোৱাৰ অভিযোগ উত্থাপন কৰা হৈছে। খবৰ অনুসৰি আদালতত দাখিল কৰা শপতনামাত অসম চৰকাৰে দাবী কৰিছে যে এনে এনকাউণ্টাৰত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে জাৰি কৰা আইন আৰু নিৰ্দেশনাৰ

যথাযথ প্ৰক্ৰিয়া মানি চলা হয়। বাতৰি কাকতত উল্লেখ কৰা মতে অসম চৰকাৰৰ শপতনামা অনুসৰি ২০২১ চনৰ ১০ মে'ৰ পৰা (নতুন চৰকাৰে কাৰ্য্যভাৰ গ্ৰহণ কৰা দিন) ২০২২ চনৰ ২৮ জানুৱাৰীলৈকে আৰক্ষীৰ কাৰ্য্যকলাপত ২৮ জন লোক নিহত হোৱাৰ লগতে ৭৩ জন লোক আহত হৈছে। ইয়াত উল্লেখ কৰাটো প্ৰাসংগিক যে শেহতীয়াকৈ অসমৰ বৰপেটা জিলাৰ এখন আদালতে গুৱাহাটী উচ্চ ন্যায়ালয়ক অভিযুক্ত ব্যক্তিক জিম্মাৰপৰা পলায়নৰ চেষ্টা কৰাৰ অভিযোগত আহত কৰা বা হত্যা কৰাৰ দৰে ''ৰাজ্যত চলি থকা আৰক্ষীৰ অতিমাত্ৰা ৰোধ কৰিবলৈ'' জনস্বাৰ্থৰ বাবে মামলা (পিআইএল) বিবেচনা কৰিবলৈ অৱগত কৰিছে। এগৰাকী মহিলা আৰক্ষী বিষয়াক নিৰ্য্যাতন চলোৱাৰ অভিযোগত আৰক্ষীৰ জিম্মাত থকা গুজৰাটৰ বিধায়ক জিগণেশ মেৱানীক জামিন প্ৰদান কৰাৰ সময়তে জিলা আৰু সত্ৰ ন্যায়াধীশ অপৰেশ চক্ৰৱৰ্তীয়ে এই পৰ্য্যবেক্ষণ কৰে। আদালতে ৰায় দিছিল যে বদগামৰপৰা অহা বিধায়কৰ বিৰুদ্ধে আৰক্ষীৰ গোচৰটো ''নিৰ্মিত'' আছিল।

উল্লেখযোগ্য যে পিপলছ ইউনিয়ন ফৰ চিভিল লিবাৰ্টিছ আৰু অন্যান্য VS. মহাৰাষ্ট্ৰ ৰাজ্য আৰু অন্যান্য (১৯৯৯ চনৰ অপৰাধমূলক আপীল নং ১২৫৫ আৰু অন্যান্য অনুৰূপ বিষয়) গোচৰত ১৮.০৭.২০১৯ তাৰিখৰ সিদ্ধান্তমৰ্মে উচ্চতম ন্যায়ালয়ে এনকাউণ্টাৰ গোচৰত মানি চলিবলগীয়া বিশদ নিৰ্দেশনা জাৰি কৰিছিল। ইয়াৰ ভিতৰত বৈশিষ্ট্যপূৰ্ণ বিন্দুসমূহ হ'ল- এনে ঘটনাৰ তদন্ত যি থানাৰ অধীনত গোচৰ সংঘটিত হৈছে তাৰ বাহিৰৰ জ্যেষ্ঠ বিষয়া বা অন্য কোনো স্বতন্ত্ৰ সংস্থাৰ দ্বাৰা হ'ব লাগে, এনকাউণ্টাৰৰ বাবে পৃথক গোচৰ ৰুজুকৰণ, সকলো পুলিচ এনকাউণ্টাৰত মৃত্যুবৰণ কৰা ঘটনাৰ ফৌজদাৰি কাৰ্য্যবিধি সংহিতাৰ ১৭৬ নং ধাৰা অনুসৰি দণ্ডাধীশ পৰ্য্যায়ৰ তদন্ত অনুষ্ঠিত কৰা আৰু ইয়াৰ প্ৰতিবেদন চি আৰ পি চিৰ ধাৰা ১৯০ ৰ অধীনত বিচাৰ ক্ষমতা থকা ন্যায়িক দণ্ডাধীশলৈ প্ৰেৰণ কৰা ইত্যাদি।

বৰ্তমান বিদ্যমান সংবেদনশীল পৰিস্থিতিত ওপৰৰ নিৰ্দেশনাসমূহ কঠোৰভাৱে পালন কৰা আৰু গোচৰসমূহৰ ক্ষিপ্ৰ তদন্ত আৰক্ষীৰ বাবে অতি জৰুৰী হৈ পৰিছে। ইয়াৰ ক্ষিপ্ৰ তদন্তৰ বাবে প্ৰয়োজনীয় এপৰ উদ্ভাৱন আৰু ব্যৱহাৰৰ বাবে তদন্তকাৰী আৰক্ষীৰ কাৰিকৰী দক্ষতা উন্নীতকৰণৰ প্ৰয়োজন হ'ব যাতে তদন্তৰ সময়সীমা উপযুক্তভাৱে সংকুচিত কৰিব পৰা যায়। ফৰেনছিক সুবিধাৰ ব্যৱহাৰ আৰু বৈজ্ঞানিক তদন্ত কৌশলৰ ফলপ্ৰসূ ব্যৱহাৰ, চিচিটিএনএছৰ তথ্যৰ কঠোৰ উন্নীতকৰণ আৰু অপৰাধমূলক ন্যায় ব্যৱস্থাৰ সকলো শাখাৰ একত্ৰীকৰণ, অসামৰিক আৰক্ষীৰ শক্তি বৃদ্ধি কৰা, শেহতীয়াকৈ নিযুক্তি দিয়া সাক্ষৰ কনিষ্টবলসকলক তদন্তৰ ক্ষমতা প্ৰদান কৰা, তদন্ত আৰু আইন-শৃংখলাৰ পৃথকীকৰণ আৰু চোৰাংচোৱা যন্ত্ৰৰ উন্নীতকৰণ হৈছে আন কিছুমান পদক্ষেপ যিবোৰ চৰকাৰে তদন্ত ক্ষেত্ৰত আৰক্ষীৰ উন্নত প্ৰদৰ্শন ফলপ্ৰসূ কৰিবলৈ গ্ৰহণ কৰিব পাৰে। গণতন্ত্ৰত আৰক্ষী "Justice delayed is justice denied" মতবাদৰ দ্বাৰা পৰিচালিত হ'ব লাগিব আৰু আৰক্ষী আইনী সীমাৰ ভিতৰত পৰিচালিত হ'ব লাগিব। ৰাজনৈতিক চক্ৰৰ চাকনৈয়াত পৰি "The end justifies the means" বুলি কোৱা মতবাদেৰে অগ্ৰসৰ হ'লে সংবিধানৰ প্ৰতি নিজৰ আনুগত্য গ্ৰহণ কৰা আৰক্ষীৰ বাবে ভৱিষ্যত অন্ধকাৰ হোৱাটো নিশ্চিত। কিছু দিনৰ আগতে নগাঁৱত সদৌ অসম ছাত্ৰ সন্থাৰ এজন সদস্যৰ ওপৰত আৰক্ষীৰ গুলীচালনা আৰু চি আই ডিৰ পৰৱৰ্তী কালৰ অনুসন্ধানে আৰক্ষী দোষী সাব্যস্ত কৰা ঘটনাই আৰক্ষীৰ বাবে এক অশনি সংকেত হিচাপে দুৰ্যোগৰ সম্ভাৱনীয়তাক সূচায়। এই ঘটনাক সাৱধানতাৰে গ্ৰহণ নকৰিলে অসম আৰক্ষী "History repeats itself" উক্তিৰ ভয়াবহ পৰিণামলৈ সাজু হ'ব লাগিব।

●

# প্ৰসাৰণশীল বিশ্ব, মানৱৰ অৱনতি আৰু আইনষ্টাইনৰ মাৰাত্মক ভুলটো

**ড° পবন কুমাৰ চহৰীয়া**

কুৰি শতিকাৰ আৰম্ভণিলৈকে অৰ্থাৎ প্ৰায় প্ৰথম দশক শেষ হোৱালৈকে জ্যোতিৰ্বিদে আমাৰ এই বিশ্ব কিমান বিশাল তাক ঠিকমতে অনুমান কৰিব পৰা নাছিল। তেওঁলোকৰ ধাৰণা আছিল যে এই বিশ্ব কেইহাজাৰমান পোহৰ বৰ্ষৰ সমান মাথোন। এক পোহৰবৰ্ষ হৈছে পোহৰে এবছৰত অতিক্ৰম কৰা দূৰত্ব অৰ্থাৎ প্ৰায় ন হাজাৰ বিলিয়ন কিলোমিটাৰ। এয়াও পিছে আমাৰ কাৰণে এটা কল্পনাই ঢুকি নোপোৱা দূৰত্ব। জহকালি আকাশত দেখা শুকুলা মেঘৰ দৰে হাতীপটি যে লক্ষ লক্ষ তৰাৰ সমষ্টি মাথোন আৰু আমাৰ সূৰ্য্যটোও যে সেইবিলাকৰ মাজৰে মাথোঁ এটা তৰা সেই কথা ওঠৰ শতিকাৰ শেষভাগতেই (১৭৮৫ চনমানত) উইলিয়াম হাৰ্চেল (1738-1822) নামৰ ইংৰাজ জ্যোতিৰ্বিদ এজনে আমাক কৈ থৈ গৈছিল। হাৰ্চেলে আকাশৰ হাজাৰ হাজাৰ নক্ষত্ৰৰ আকাৰ, উজ্বলতা ইত্যাদি পৰ্য্যবেক্ষণ কৰি এক নক্সা আঁকি (Herschel Diagram) উলিয়াইছিল যি নক্সা আজিও জ্যোতিৰ্বিদে ব্যৱহাৰ কৰে। উইলিয়াম হাৰ্চেলৰ এই আৱিষ্কাৰে সূৰ্য্যক কোটি কোটি নক্ষত্ৰৰ মাজৰ এটা মাথোন সাধাৰণ নক্ষত্ৰলৈ অৱনমিত কৰিলে। অৱশ্যে কুৰি শতিকাৰ আৰম্ভণিলৈকে সূৰ্য্যক এই কোটি কোটি নক্ষত্ৰৰ কেন্দ্ৰস্থল বুলিয়েই জ্যোতিৰ্বিদে গণ্য কৰিছিল। অৰ্থাৎ অজস্ৰ নক্ষত্ৰৰ মাজৰ এটা মাত্ৰ সামান্য হ'লেও সূৰ্য্যৰ স্থান আছিল কেন্দ্ৰত। গেলিলিও, কপাৰনিকাচে সূৰ্য্যৰ চাৰিওফালে পৃথিৱী ঘূৰে বুলি কৈ মানুহৰ অহংভাবক যি আঘাত কৰিছিল সেই হৃত গৌৰৱ যেন সূৰ্য্য সকলো নক্ষত্ৰৰ কেন্দ্ৰস্থল হৈ কিছু পৰিমাণে ঘূৰাই আনিছিল। কিন্তু এই ধাৰণাও ভুল বুলি প্ৰমাণ হ'বলৈ আৰম্ভ কৰিলে কুৰি শতিকাৰ দ্বিতীয় দশকৰ মাজভাগৰপৰা।

হাৰল'শ্বেপলী (1885-1972) আছিল কুৰি শতিকাৰ এজন বিখ্যাত আমেৰিকান জ্যোতিৰ্বিদ। কলেজত পঢ়িবলৈ গৈছিল সাংবাদিকতা। কিন্তু কিবা কাৰণত

সাংবাদিকতাৰ পাঠ্যক্ৰম নোহোৱাত পাঠ্যক্ৰমৰ লিষ্টত প্ৰথমতে থকা জ্যোতিৰ্বিজ্ঞানকেই (ইংৰাজীত Astronomy) পঢ়িবলৈ ল'লে আৰু পাচত এজন নাম কৰা জ্যোতিৰ্বিদ হ'লগৈ। হাৰল' শ্বেপলীয়ে এইখিনি সময়ত (কুৰি শতিকাৰ প্ৰথম দশকৰ পৰা) লচ্ এঞ্জেলিচৰ কাষত মাউণ্ট উইলচন মানমন্দিৰত (Mount Wilson Observatory) আকাশত দেখা বিভিন্ন নক্ষত্ৰৰ থুপ, যিবিলাকক আমি নীহাৰিকা (Nebula) বুলি কওঁ, সেইবোৰ অধ্যয়ন কৰিছিল। বিশেষকৈ তেওঁলোকে মনোযোগ দিছিল গোলকাকৃতি থুপ (globular cluster) আৰু সৰ্পিল নক্ষত্ৰপুঞ্জ (spiral galaxy) নামেৰে পৰিচিত  হাজাৰ হাজাৰ তৰাৰ থুপ কিছুমানৰ ওপৰত। তেওঁলোকে সেই তৰাৰ থুপবিলাকৰ দূৰত্ব নিৰ্ণয় কৰিছিল আৰু লগতে তাৰপৰা অহা পোহৰৰ বিভিন্ন ধৰ্ম অধ্যয়ন কৰি সিহঁতৰ প্ৰকৃতি জানিবৰ কাৰণে চেষ্টা কৰিছিল। অতি দূৰৰ তৰাৰ দূৰত্ব নিৰ্ণয়ৰ কাৰণে কেইবছৰমান আগতে (১৯০৮ চনত) হে'নৰিটা লেভিট নামৰ আন এজন আমেৰিকান জ্যোতিৰ্বিদে চিফইড ভেৰিএবল্ (Cephoid variable) নামেৰে কিছুমান তৰা আৱিষ্কাৰ কৰিছিল যিবোৰ তৰাক দূৰত্ব জুখিবলৈ এক মাপক বাতি (standard candle) হিচাপে ব্যৱহাৰ কৰিব পাৰি। এই চিফইড ভেৰিএবল্ নক্ষত্ৰবোৰ আকাৰত খুব বৃহৎ আৰু ইহঁতে এক নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে ইহঁতৰ উজ্জ্বলতা সলনি কৰি থাকে। কিদৰে এইবোৰ তৰাক অতি বেছি দূৰত্ব জোখাত মাপক হিচাপে ব্যৱহাৰ কৰিব পাৰি সেই আলোচনাৰ ইয়াত বিশেষ প্ৰয়োজন নাই। কিন্তু এই জোখমাখৰ সহায়ত হাৰল' শ্বেপলীয়ে দেখিলে যে আমাৰ বিশ্ব অৰ্থাৎ হাতীপটি নক্ষত্ৰপুঞ্জৰ পৰিধি মাত্ৰ কেইবছৰমান আগলৈকে ভবা পৰিধিতকৈ বহু গুণে বেছি, প্ৰায় তিনি লক্ষ পোহৰ বৰ্ষ। অকল সেয়েই নহয়, এখন উত্তল লেন্সৰ আকৃতিৰ হাতীপটি নক্ষত্ৰপুঞ্জৰ কেন্দ্ৰৰপৰা বহু আঁতৰত একাষেহে সূৰ্য্য আৰু আমাৰ বসতিস্থল। হাৰল' শ্বেপলীৰ এই আৱিষ্কাৰে মানুহে নিজৰ বিষয়ে ভবা স্থিতিক আৰু এখোপ অৱনমিত কৰিলে। সমগ্ৰ সৌৰজগতখনকেই বিশ্বৰ কেন্দ্ৰৰপৰা ঠেলি একেবাৰে কাষলৈ পঠিয়াই দিয়া হ'ল। কিন্তু তেতিয়ালৈ শ্বেপলীৰ ধাৰণাও আছিল যে আমাৰ হাতীপটি নক্ষত্ৰপুঞ্জই হ'ল সমগ্ৰ বিশ্ব, ইয়াৰ বাহিৰত আৰু বেলেগ কোনো নক্ষত্ৰপুঞ্জ নাই। তেওঁৰ মতে গোলাকাৰ থুপবোৰ বা সৰ্পিল নীহাৰিকাবোৰ হাতীপটিৰেই অংশবিশেষ মাথোন।

পিছে সমান্তৰালভাৱে আন কিছু জ্যোতিৰ্বিদৰ পৰা শ্বেপলী প্ৰবল প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল। বিশেষকৈ হেবাৰ কুৰটিছ নামৰ আন এজন আমেৰিকান জ্যোতিৰ্বিদে যুক্তি আগবঢ়াইছিল যে সৰ্পিল আকৃতিৰ নীহাৰিকাবোৰ (এইবোৰো globular cluster য়েই) কেতিয়াও হাতীপটিৰ অংশ হ'ব নোৱাৰে। এইবোৰ প্ৰত্যেকেই নিজেই একো একোটা আমাৰ হাটীপটিৰ দৰেই বেলেগ বেলেগ নক্ষত্ৰপুঞ্জ। অৰ্থাৎ হাতীপটি নক্ষত্ৰপুঞ্জৰে গঠিত আমাৰ বিশ্বখনৰ দৰে আৰু অনেক বিশ্ব আছে। এই হাতীপটি সদৃশ নতুন বিশ্ববোৰক কোৱা হৈছিল দ্বীপ-বিশ্ব (island universe) বুলি। এই লৈ শ্বেপলী আৰু কুৰটিচৰ মাজত তীব্ৰ যুক্তি তৰ্ক লাগিছিল। আমেৰিকাৰ ৰাষ্ট্ৰীয় বিজ্ঞান একাডেমিৰ সভাকক্ষত দুয়োজনে নিজৰ মতৰ সপক্ষে যুক্তি আগবঢ়াব লগা হৈছিল। যুক্তি তৰ্কত শ্বেপলীৰ মতবাদেই শুদ্ধ বুলি আপেক্ষিকভাৱে সকলোৱে মানি লৈছিল। এয়া আছিল ১৯২০ চনৰ কথা। কিন্তু তাৰ মাত্ৰ কেইবছৰমান পিছতে শ্বেপলীয়ে কাম কৰা একেটা মানমন্দিৰতে এডৱিন হাব'ল্ (1889-1953) নামৰ জ্যোতিৰ্বিদজনে যি আৱিষ্কাৰ কৰিলে সেই আৱিষ্কাৰে সকলো ওলট-পালট কৰি দিলে। এই আৱিষ্কাৰে কুৰটিচৰ ধাৰণাই সত্য, শ্বেপলী ভুল বুলি প্ৰতিপন্ন কৰিলে। অকল সেয়েই নহয়, আন বহু ৰোমাঞ্চকৰ কাহিনীৰো সূত্ৰপাত কৰিলে হাব'লৰ আৱিষ্কাৰে।

## এডৱিন হাব'ল্ আৰু প্ৰসাৰণশীল বিশ্ব ঃ

এডৱিন হাব'ল্ আৰু প্ৰসাৰিত বিশ্বৰ কাৰণে হাব'লৰ সূত্ৰ এতিয়া আমাৰ কাৰণে চিনাকি নাম আৰু চিনাকি সূত্ৰ। কালিফৰ্ণিয়াৰ মাউণ্ট উইলচন মানমন্দিৰত তেওঁ গৱেষণা কৰিছিল আৰু পাচত তাত জ্যোতিৰ্বিজ্ঞানী হৈছিল। তেওঁ আৰু তেওঁৰ সহকৰ্মী মিল্টন হুমাচনে মাউণ্ট উইলচন মানমন্দিৰত অতি দূৰৰ নীহাৰিকাবোৰ বিশেষকৈ সৰ্পিল নীহাৰিকাবোৰৰ (spiral galaxy) দূৰত্ব, আকাৰ আদি পৰ্য্যবেক্ষণ কৰিছিল। তেওঁলোকে সেই নীহাৰিকাবোৰৰ দূৰত্ব নিৰ্ণয় কৰিছিল সেইবোৰৰপৰা অহা পোহৰৰ তৰংগদৈৰ্ঘ্য নিৰ্ণয় কৰি। তেওঁলোক আৰু আন কিছু জ্যোতিৰ্বিদ, বিশেষকৈ ভেষ্টো চিফাৰ নামৰ জ্যোতিৰ্বিদজনৰ পৰ্য্যবেক্ষণে এইটো

খাটাংভাৱে নিৰ্ণয় কৰিছিল যে এই সৰ্পিল নীহাৰিকাবোৰ আমাৰ হাতীপটি তাৰকাপুঞ্জৰ অন্তৰ্গত নহয়, সেইবোৰ প্ৰত্যেকেই একো একোটা আমাৰ হাতীপটিৰ দৰেই সুকীয়া সুকীয়া নক্ষত্ৰপুঞ্জ। ইতিমধ্যে তেনেকুৱা সৰ্পিল নীহাৰিকা কেবাহাজাৰো আৱিষ্কৃত হৈছিল। গতিকে এই আৱিষ্কাৰে আমাৰ বিশ্বৰ পৰিধি হাতীপটি তাৰকাৰাজ্যৰ পৰা তেনেকুৱা সহস্ৰ তাৰকাৰাজ্য সম্বলিত এক বিশাল বিশ্বলৈ ৰূপান্তৰিত কৰিলে। নতুনকৈ আৱিষ্কৃত শতসহস্ৰ তাৰকাপুঞ্জই, প্ৰত্যেকতে থকা শতসহস্ৰ নক্ষত্ৰই আমাৰ সূৰ্য্য তথা পৃথিৱীক লাহে লাহে এক গুৰুত্বহীন অৱস্থালৈ পৰ্য্যবসিত কৰিলে। এডৱিন হাব'ল আৰু তেওঁৰ সহযোগী হুমাচনৰ আৱিষ্কাৰ আমাৰ তাৰকাৰাজ্যৰ বাহিৰত দূৰদূৰণিত নতুন নতুন তাৰকাপুঞ্জৰ আৱিষ্কাৰ আৰু সিহঁতৰ দূৰত্ব নিৰ্ণয়তেই সীমাবদ্ধ নাছিল। এই অজস্ৰ নক্ষত্ৰপুঞ্জৰ প্ৰত্যেকৰে পৰা অহা পোহৰৰ তৰংগদৈৰ্ঘ্য অধ্যয়ন কৰি তেওঁলোকে এক অদ্ভুৎ ধৰণৰ তথ্য আহৰণ কৰিছিল। তেওঁলোকে দেখিছিল যে এই নক্ষত্ৰপুঞ্জবিলাকৰপৰা অহা পোহৰৰ তৰংগদৈৰ্ঘ্য ক্ৰমান্বয়ে ৰঙা ৰঙৰ ফালে ধাবিত হয়। অৰ্থাৎ সেই পোহৰৰ তৰংগদৈৰ্ঘ্যৰ মান ক্ৰমান্বয়ে বাঢ়ি গৈ থাকে। পদাৰ্থবিজ্ঞানৰ ভাষাত ইয়াক কোৱা হয় লোহিত-বিচ্যুতি (redshift) বা ডপ্লাৰ বিচ্যুতি (Doppler Shift) । এই ঘটনা সংঘটিত হয় যেতিয়া পোহৰৰ উৎসটো পৰ্য্যবেক্ষকৰপৰা আঁতৰি গৈ থাকে। এই ক্ষেত্ৰত উৎস হ'ল সেই দূৰদূৰণিৰ নীহাৰিকাবোৰ আৰু পৰ্য্যবেক্ষক হ'ল পৃথিৱী। গতিকে এই লোহিত-বিচ্যুতিৰ পৰা একমতত উপনীত হ'ব পৰা সিদ্ধান্তটো হ'ল যে সেই নক্ষত্ৰপুঞ্জবোৰ আমাৰপৰা আঁতৰি গৈ আছে। তেনেকুৱা নক্ষত্ৰপুঞ্জ যিহেতু আমাৰ চাৰিওফালে আছে, গতিকে সকলো নক্ষত্ৰপুঞ্জই ইটোৰপৰা সিটো ক্ৰমান্বয়ে আঁতৰি গৈ আছে। অৰ্থাৎ নক্ষত্ৰপুঞ্জৰে গঠিত আমাৰ বিশ্ব অনবৰতে প্ৰসাৰিত হৈ আকাৰত ডাঙৰ হৈ গৈ আছে। এখন অপৰিৱৰ্তনীয় বা স্থিতিশীল বিশ্বৰ বিষয়ে বহু শতিকা জুৰি থকা কল্পনাৰ বিপৰীতে এক প্ৰসাৰণশীল বিশ্বৰ সমৰ্থনত বিজ্ঞানীৰ হাতত পৰা এই প্ৰামাণিক তথ্যই স্বাভাৱিকতেই এক প্ৰচণ্ড খলকনিৰ সৃষ্টি কৰিলে। আইনষ্টাইনৰ নিচিনা মহামনীষাইও তেওঁৰ সাধাৰণ আপেক্ষিকতাবাদ তত্ত্বৰ কিছু সালসলনি কৰিবলগা হ'ল, তেওঁ স্বীকাৰ কৰিবলৈ বাধ্য হ'ল যে স্থিতিশীল বিশ্বৰ সপক্ষে পোষকতা কৰিবলৈ গৈ তেওঁ বৈজ্ঞানিক জীৱনৰ আটাইতকৈ ডাঙৰ ভুলটো কিছুবছৰ আগতে কৰিবলগীয়া হ'ল।

### আইনষ্টাইনৰ মাৰাত্মক ভুলটো ঃ

আইনষ্টাইনৰ সাধাৰণ আপেক্ষিকতাবাদ নিউটনৰ মহাকৰ্ষণক আঁতৰাই এক সফল তত্ব হিচাপে ইতিমধ্যে গৃহীত হৈছিল বিশেষকৈ ১৯১৯ চনৰ পিছত। আইনষ্টাইনৰ আপেক্ষিকতাবাদৰ লগত বিশ্বতত্ত্বৰ সম্পৰ্ক কি? কুৰি শতিকাৰ আৰম্ভণিলৈকে সকলোৰে ধাৰণা আছিল যে আমাৰ এই বিশ্ব-ব্ৰহ্মাণ্ড স্থিতিশীল, অনাদি কালৰপৰা এই বিশ্ব প্ৰায় একেই আছে, ইয়াৰ কোনো আদি আৰু অন্ত নাই। স্থিতিশীলৰ অৰ্থ এইটো নহয় যে সকলো স্থবিৰ হৈ আছে, ইয়াৰ দ্বাৰা এইটোহে বুজোৱা হৈছিল যে ইয়াৰ বিভিন্ন অংগ যেনে নক্ষত্ৰ, নক্ষত্ৰপুঞ্জ ইত্যাদিৰ মাজৰ গড় দূৰত্ব অনাদি কালৰপৰা একেই আছে আৰু অনন্ত ভৱিষ্যতলৈও একেই থাকিব। নিউটনে বিশ্বাস কৰাৰ দৰে আইনষ্টাইনে নিজেও এক স্থিতিশীল বিশ্বত বিশ্বাস কৰিছিল। কিন্তু মহাকৰ্ষণিক বলৰ কাৰণে যিহেতু সকলো বস্তুৱেই ইটোৱে সিটোক আকৰ্ষণ কৰে, গতিকে এই আকৰ্ষণৰ কাৰণে নক্ষত্ৰপুঞ্জ ওচৰ চাপি সংকুচিত হৈ বিশ্ব-ব্ৰহ্মাণ্ড দেখোন ধ্বংস হৈ যাব লাগিছিল। কিন্তু হোৱা নাই। গতিকে এই সংকোচন ৰোধ কৰি বিশ্বক অপৰিৱৰ্তনীয় বা সুস্থিৰ কৰিবলৈ আইনষ্টাইনে তেওঁৰ আপেক্ষিকতাবাদৰ সমীকৰণত এক ধ্ৰুৱক সংযোগ কৰিলে 1917 চনত। এই ধ্ৰুৱকক তেওঁ নাম দিলে মহাজাগতিক ধ্ৰুৱক (cosmological constant) । সমীকৰণত তেওঁ এই ধ্ৰুৱক এনেভাৱে সংযোগ কৰিলে যে ই এক বিকৰ্ষণী বলৰ দৰে কাম কৰি সংকোচন কৰিব খোজা মহাকৰ্ষণক প্ৰতিৰোধ কৰিলে আৰু ব্ৰহ্মাণ্ডক এক সুস্থিৰতা প্ৰদান কৰিলে। বিশ্ব-ব্ৰহ্মাণ্ড স্থিতিশীল হ'ল, সংকোচন প্ৰসাৰণ একো নহ'ল। আইনষ্টাইন সন্তুষ্ট হ'ল তেওঁৰ তত্ত্বত মনৰ মতন এক বিশ্ব পোৱাৰ কাৰণে।

পিছে বিজ্ঞানৰ সত্য তত্ত্বই নিৰূপণ নকৰে, কৰে পৰীক্ষা আৰু তথ্যই। মহা মহা মনীষীৰ সুন্দৰ তত্ত্বকো তথ্যই নিমিষতে ভুল বুলি প্ৰমাণ কৰিব পাৰে। আমি উল্লেখ কৰি আহিছোঁ এডৱিন হাব'ল্ আৰু তেওঁৰ সতীৰ্থ হুমাচনৰ প্ৰসাৰণশীল বিশ্ব-ব্ৰহ্মাণ্ডৰ বিষয়ে কৰা আৱিষ্কাৰৰ কথা।

তেওঁলোকে আমেৰিকা যুক্তৰাষ্ট্ৰৰ কালিফৰ্ণিয়াৰ মাউণ্ট উইলচন মানমন্দিৰৰপৰা এক বৃহৎ টেলিস্কোপৰ সহায়ত নিৰীক্ষণ কৰি আৱিষ্কাৰ কৰিছিল যে তেতিয়ালৈকে আৱিষ্কৃত সকলোবোৰ নক্ষত্ৰপুঞ্জই প্ৰত্যেকে প্ৰত্যেকৰপৰা আঁতৰি গৈ আছে। এই আৱিষ্কাৰ হৈছিল ১৯২৮ চনত। কিন্তু এই আৱিষ্কাৰৰ আগতেই আইনষ্টাইনৰ সাধাৰণ আপেক্ষিকতাবাদৰ সমীকৰণৰ পৰাও (মহাজাগতিক ধ্ৰুৱক নোহোৱাকৈ) দুজনমান বিজ্ঞানীয়ে দেখুৱাইছিল যে এই তত্ত্বই এক প্ৰসাৰণশীল বিশ্বৰেই ইংগিত দিয়ে। এই বিষয়ত প্ৰথম স্বীকৃতি দিয়া হয় বেলজিয়ামৰ ধৰ্মযাজক তথা জ্যোতিৰ্বিদ জৰ্জ লেমাত্ৰেক (George Leimatre)। ১৯২৭ চনত তেওঁ দেখুৱাইছিল যে আইনষ্টাইনৰ সমীকৰণৰ সমাধানে এক প্ৰসাৰণশীল বিশ্বকেই নিৰ্দেশ কৰে। জৰ্জ লেমাত্ৰেক প্ৰসাৰণশীল বিশ্বৰ তাত্বিক জনক হিচাপে সেয়েহে স্বীকৃতি দিয়া হয়। ইয়াৰ বাহিৰেও হলেণ্ডৰ দ্য চিটাৰ নামৰ এক গণিতজ্ঞ আৰু ৰাচিয়ান পদাৰ্থবিজ্ঞানী তথা গণিতজ্ঞ আলেকজেণ্ডাৰ ফ্ৰে'ডমেনেও প্ৰায় এনেধৰণৰ সমাধানেই উলিয়াইছিল। আলেকজেণ্ডাৰ ফ্ৰে'ডমেনে ১৯২২ চনতেই এই বিষয়ে তেওঁৰ প্ৰবন্ধ প্ৰকাশ কৰিছিল। তেওঁৰ গৱেষণাত আন কিছুমান সম্ভাৱনাৰ কথাও উল্লেখ আছিল। তেওঁলোকে উপস্থাপন কৰা কথাবোৰ ইয়াত বৰ্ণনা কৰা সম্ভৱ নহ'ব। উল্লেখ কৰিবলৈ মন যোৱা এটা কথা হ'ল যে ফ্ৰে'ডমেনে যেতিয়া সাধাৰণ আপেক্ষিকতাবাদৰ সমীকৰণৰ এই সমাধান উলিয়াইছিল তেতিয়া তেওঁ ৰাচিয়াৰ হৈ প্ৰথম মহাসমৰত যুদ্ধৰ সেনাপতি হিচাপে কৰ্মৰত আছিল আৰু যুদ্ধৰ পাচত গধূলি সময়ত আইনষ্টাইনৰ সমীকৰণ লৈ ব্যস্ত হৈ পৰিছিল। যুদ্ধৰ বিভীষিকাৰ মাজতো বিজ্ঞানৰ অন্বেষণে কিদৰে কিছুমান মানুহৰ জীৱন নিয়ন্ত্ৰিত কৰে, বিজ্ঞান কিদৰে তেওঁলোকৰ জীৱনৰ এক অংগ হৈ পৰে এইয়া তাৰ এক উৎকৃষ্ট উদাহৰণ। দিনটোৰ যুদ্ধৰ অন্তত গধূলি বেলেগ আলোচনাত লিপ্ত হোৱা মহাভাৰতৰ কাহিনীৰ ই যেন এক আধুনিক সংস্কৰণ। দুৰ্ভাগ্যবশতঃ এই কামৰ দুবছৰমান পাচতে ৰোগত পৰি ফ্ৰে'ডমেন মৃত্যুমুখত পৰে। সাধাৰণ আপেক্ষিকতাবাদ আৰু বিশ্বতত্ত্বৰ গৱেষণাত ফ্ৰে'ডমেনক আজি এক বাটকটীয়া আৰু উজ্বল জ্যোতিষ্ক হিচাপে গণ্য কৰা হয়। উল্লেখযোগ্য যে এইসকল বিজ্ঞানীয়ে আইনষ্টাইনে যি মহাজাগতিক ধ্ৰুৱক তেওঁৰ সমীকৰণত ব্যৱহাৰ কৰিছিল সেই ধ্ৰুৱক নোলোৱাকৈ ইয়াৰ সমাধান উলিয়াইছিল। আইনষ্টাইনে এই সকলোবোৰ তাত্বিক কামৰ বিষয়ে জানিছিল, কিন্তু তেওঁ এক স্থিতিশীল বিশ্বৰ ওপৰত গভীৰভাৱে বিশ্বাস কৰাৰ কাৰণে তেওঁলোকৰ সিদ্ধান্তৰ ওপৰত গুৰুত্ব দিয়া নাছিল। আইনষ্টাইনে কৈছিল যে গাণিতিকভাৱে এই সমাধানবোৰ নিখুঁত, কিন্তু এইবোৰে এখন প্ৰকৃতপক্ষে আমি জনা বিশ্বক প্ৰতিনিধিত্ব নকৰে। এই কথাবোৰ আছিল এডৱিন হাব'ল্‌ৰ আৱিষ্কাৰৰ আগৰ কথা। হাব'ল্‌ৰ নিৰীক্ষণে যেতিয়া এক প্ৰসাৰণশীল বিশ্বৰ কথা ঘোষণা কৰিলে আৰু আইনষ্টাইনৰ সমীকৰণত মহাজাগতিক ধ্ৰুৱক নোহোৱাকৈয়ে এই প্ৰসাৰণশীল বিশ্বৰ সম্ভেদ বেলেগ বিজ্ঞানীয়ে উলিয়ালে, তেতিয়া ধ্ৰুৱকৰ প্ৰয়োজন নোহোৱা হ'ল। আইনষ্টাইনে তেওঁৰ সমীকৰণৰপৰা এই ধ্ৰুৱক বাদ দিলে (১৯৩১ চনত) আৰু এইটো তেওঁৰ জীৱনৰ এক সাংঘাতিক ভুল (আইনষ্টাইনৰ নিজৰ ভাষাত "greatest blunder of my life") বুলি আক্ষেপ কৰিলে। তেতিয়াৰ পৰা বহু বছৰ পিছলৈকে এই মহাজাগতিক ধ্ৰুৱক শূন্য বুলি ধৰিলে সকলোৱে। ১৯৫৫ চনত আইনষ্টাইনে চিৰবিদায় ল'লে এই জগতৰপৰা তেওঁ কৰা ভুলৰ আক্ষেপ লৈয়ে। এই ভুলৰ কাহিনী পিছে ইয়াতেই শেষ নহ'ল। ১৯৮০ ৰ দশকৰ পিছৰপৰা এই ধ্ৰুৱকে লাহে লাহে আকৌ আত্মপ্ৰকাশ কৰিবলৈ ধৰিলে। ই আকৌ আইনষ্টাইনৰ সমীকৰণৰ ভিতৰত প্ৰৱেশ কৰিলে এক নতুন ধৰণৰ দায়িত্ব লৈ। আইনষ্টাইনৰ মহাকৰ্ষণিক ধ্ৰুৱকৰ এই নতুন দায়িত্বৰ কথা পিছলৈ থ'লোঁ।

●

জীৱনে আমাক যি বেয়াবোৰ দিয়ে সেইবোৰ সহজে মানি ল'ব নোখোজাটোৱে নিয়ম। যেনে-- পৰীক্ষাত অনুত্তীৰ্ণ, প্ৰমোচন নোহোৱা, চাকৰি হেৰুওৱাৰ উপক্ৰম, বৈবাহিক/যুগ্ম জীৱনত বিৰহ-বিচ্ছেদ, সফলতাৰ দিশত আগবাঢ়িব নোৱৰা, আপোনজনৰ দীনতা, ৰুগ্নতা, মৃত্যু ইত্যাদি। অথচ এইবিলাকৰ পৰা আমাক পৰিত্ৰাণো লাগে। বহুত সময়ত আমি ভবা মতে জীৱন পৰিচালিত নহয়।

# জীৱনৰ ৰং খেদি

**ডাঃ দীনেশ চন্দ্ৰ গোস্বামী**

জীৱন যাপনত অনুকৰণীয় বহুতো দিশ থাকে। প্ৰথম খোজতেই সকলো শিশুৱে পিতৃ-মাতৃক অনুকৰণ কৰে। তেনে কথা হৈছিল মোৰ জীৱনতো। ক'ব নোৱৰাকৈ দেউতাৰ চহী অৰ্থাৎ চিগনেচাৰটোৰ প্ৰেমত পৰিছিলোঁ। ইংৰাজী লিখিব পৰা হোৱাৰ লগে লগে দেউতাৰ নিচিনাকৈ ময়ো এটা সৰু চহী মাৰিবলৈ শিকিলোঁ। অৱশ্যে, ইয়াৰ আন এটা কাৰণো আছিল। দেউতাৰ এটা পিতলত কটা আক্ষৰিক চহীৰ ছবি থকা ষ্টাম্পো আছিল। সেইটো ব্যৱহাৰ হৈছিল- দৰকাৰী নথি পত্ৰ যেনে পৰীক্ষাৰ উত্তৰ লিখা বহী শিক্ষা সদৰলৈ ডাক যোগে পঠোৱাত। তেতিয়াৰ দিনত (১৯৬৪-১৯৭০ চনলৈ) গৰম লাৰ ওপৰত পিতলৰ ষ্টাম্পৰ মোহৰ মাৰি দি টোপোলা বন্ধা হৈছিল আৰু লাত ছিল মোহৰ দিয়া দায়িত্ব সঘনে মোৰ ভাগত পৰিছিল। ভাবিছিলোঁ, ভৱিষ্যতে ময়ো এনে এটা ষ্টাম্প বনাব লাগিব। কিন্তু ষ্টাম্পৰ ক্ৰমবিকাশ একেবাৰে সলনি হ'ল। এতিয়া ডিজিটেল চহী ঘৰতে মাৰি সকলো কাম নিয়াৰিকৈ কৰিব পৰা হ'ল।

মোৰ সৰু চহীটোৰ ষ্টাম্প বনোৱা নহ'ল যদিও সৰুতে আৰম্ভ কৰা সেই সৰু চহীটো থাকি গ'ল, সৌ সিদিনালৈ। বছৰদিয়েক আগতে মই লক্ষ্য কৰিলোঁ যে এই চহীটোৰ (নিমিলা) বাবে মাজে সময়ে বেংকৰ চেক্ উভতি আহিছে। মোৰ নিজস্ব শাৰীৰিক কোনো অক্ষমতা দেখা দিয়া নাই যদিও বিষয়টো গুৰুত্ব সহকাৰে লৈ সৰু চহীৰ স্থানত সম্পূৰ্ণ নামৰ ডাঙৰ চহীলৈ সলনি কৰিলোঁ। মই বিশ্বাস কৰোঁ যে অধিক সচেতন হৈ সৰু চহী মাৰিলে হীন ডেঢ়ি হ'বও পাৰে। এতিয়া বেংকৰ লেনদেনত কোনো অসুবিধা পোৱা

নাই, জীৱন সুকলমে চলি আছে।

এতিয়া ব্যক্তিগত অভিজ্ঞতাৰপৰা আঁতৰি আহি আমাৰ পেলিয়েটিভ কেয়াৰ চেণ্টাৰৰ আৱাসী এজন ব্যক্তিৰ কথালৈ আহোঁ। এজন সুস্থ ৬২ বছৰীয়া কৰ্মঠ মানুহ অক্টোবৰ, ২০১৮ত এদিন হঠাতে ৰাস্তাত ঢলি পৰিল আৰু ক্ৰমাৎ হাত ভৰি চাৰিখন দুৰ্বল হৈ গ'ল- সোঁহাতৰ দুৰ্বলতা অধিক হ'ল। কিছুদিন পিছত স্নায়ুৰোগ চিকিৎসকক দেখুওৱাত তেখেতে ৰোগটো পলম হোৱা বুলি অপাৰেশ্যনৰ দিহা দিলে যদিও ২৫ শতাংশ আৰোগ্যৰ সম্ভাৱনা থকা বুলি ক'লে। তেনেস্থলত অপাৰেশ্যন নকৰাৰ সিদ্ধান্তই ল'লে। মানুহজনৰ আন কোনো ৰোগ নাছিল, তেখেত অবিবাহিত আছিল, পৰিয়াল বুলিবলৈ ভায়েক আৰু ভাইবোৱাৰীয়েকহে আছিল। তেখেত ভায়েকৰ লগতে থাকি প্ৰাইভেট কামত নিয়োজিত হৈ আছিল। বাসস্থান আৱাসিক গৃহটোৰ তৃতীয় মহলাত হোৱা কাৰণে ভায়েকে গ্ৰাউণ্ড ফ্ল'ৰত ৰূম এটা যোগাৰ কৰি শুশ্ৰূষাকাৰীও ঠিক কৰি দিলে। সম্পূৰ্ণ শয্যাশায়ী হৈ এবছৰমান কটোৱাৰ পিছত ব্যক্তিজনৰ হাত-ভৰিৰ সমস্যা গাঢ়তৰ হ'বলৈ ধৰিলে। উপায়হীন হৈ শেষত পেলিয়েটিভ্ কেয়াৰ চেণ্টাৰত পৰিচৰ্য্যাৰ বাবে ৰখা হ'ল। তেখেতৰ ৰোগটো হ'ল "চাৰ্ভাইকেল মায়েৰোপাঠি"। প্ৰথম অৱস্থাত তেখেত খোৱা-বোৱা আৰু শৌচ পেচাবৰ বাবে আনৰ ওপৰত নিৰ্ভৰশীল আছিল যদিও আজি কিছুদিন ধৰি লাঠি এডালৰ চাপৰ্ট লৈ নিজেই গা ধোৱা, খোৱা-লোৱা আৰু খোজকঢ়া কামখিনি কৰিব পাৰিছে। এইখিনি সম্ভৱ হৈছে যোৱা ১½ বছৰত নিয়মিত ফিজিওথেৰাপী অনুশীলন কৰা বাবে। স্নায়ুৰ দুৰ্বলতা আঁতৰা নাই যদিও ইয়াৰপৰা হোৱা সীমবদ্ধতা বহুলাংশে কমিছে। ঘৰলৈ ঘূৰি যোৱাৰ মন কৰা নাই কাৰণ তেখেতে অনুভৱ কৰে যে ঘৰৰ পৰিৱেশ তেখেতৰ বাবে নিৰাপদ নহ'ব। সেইবাবে ইয়াতে তেখেতে এড্‌যাষ্ট হৈ লৈছে আৰু এনেকৈয়ে জীৱনটো পাৰ কৰিব। এতিয়া তেখেতে সৰু-সুৰা কামত আনৰ সহায়ক হ'বও পাৰিছে।

উপৰিউক্ত দুয়োটা পৰিঘটনা দুটা সাধাৰণ দৃষ্টিত ব্যতিক্ৰম বুলিয়ে ক'ব লাগিব কাৰণ জীৱনে আমাক যি বেয়াবোৰ দিয়ে সেইবোৰ সহজে মানি ল'ব নোখোজাটোৱে নিয়ম। যেনে-- পৰীক্ষাত অনুত্তীৰ্ণ, প্ৰমোচন নোহোৱা, চাকৰি হেৰুওৱাৰ উপক্ৰম, বৈবাহিক/ যুগ্ম জীৱনত বিৰহ-বিচ্ছেদ, সফলতাৰ দিশত আগবাঢ়িব নোৱৰা, আপোনজনৰ দীনতা, ৰুগ্নতা, মৃত্যু ইত্যাদি। অথচ এইবিলাকৰ পৰা আমাক পৰিত্ৰাণো লাগে। বহুত সময়ত আমি ভবা মতে জীৱন পৰিচালিত নহয়। ভগৱান বুলি যি অদৃশ্য শক্তি কল্পনা কৰি থাকো, সিয়ো সেই সময়ত বিশ্বাসঘাতকতা কৰিছে যেন অনুমান হয়। তেনে সময়ত ক'ত ভৰসা কৰাটো সমীচীন হ'ব ভাবি হাবাথুৰি খাবলগীয়া হয়। যদিহে আমি উপৰিউক্ত দুটা পৰিঘটনাৰ নিচিনাকৈ পৰিস্থিতিটো মানি লোৱাৰ সঠিক দৰ্শন নিৰ্ণয় কৰো, তেতিয়াহ'লে জীৱন সহজ আৰু গতিশীল হৈ পৰে। বিষয়টোৰ ওপৰত বিশদ আলোচনা আৰু উপলব্ধিৰ প্ৰয়োজন।

বিশিষ্ট মনোৰোগ বিশেষজ্ঞ এলিজাবেথ কাব্‌লাৰ ৰছে শোক আৰু ক্ষতিৰ ৫ টা পৰ্য্যায়ৰ বিশদ বৰ্ণনা (আৰ্হি) আগবঢ়াইছে- মানুহে কি দৰে তেনে পৰিস্থিতিত জীণ যাবলৈ আগবাঢ়ে। সেইকেইটা হ'ল– নুই কৰা, খং কৰা, দৰদাম কৰা, বিষাদ আৰু অৱনমন আৰু মানি লোৱা। এই পৰ্য্যায়বোৰ কোনো ৰেখা বা সীমাত নিৰ্দ্ধাৰিত নহয়। বিভিন্ন মাত্ৰাত ব্যক্তিবিশেষে একো একোটা পৰ্য্যায়েৰে গৈ শেষৰ পৰ্য্যায় পাব পাৰে, কাৰোবাৰ ক্ষেত্ৰত মাজৰ কোনো এটা অৱস্থাৰ প্ৰভাৱ মুঠেও নাথাকিব পাৰে। অৰ্থাৎ ব্যক্তিভেদে পৰিক্ৰমাও ভিন্ন হ'ব। মই প্ৰথম চাৰিটা পৰ্য্যায়ক বিয়োগাত্মক দৃষ্টিৰে চাব খোজা নাই- কাৰণ নুই কৰাটোও এটা ক'পিং ষ্টাইল। বহুত সময়ত তাৰ ধনাত্মক দিশো থাকে। এতিয়া মানি লোৱা পৰ্য্যায়টোৰ কথাকেই আলোচনা ক'ৰো যিটো আজিৰ লেখাটোৰ উদ্দেশ্য। একো একোজন ৰোগীয়ে যিমান সোনকালে মানি লোৱা পৰ্য্যায় পায়, সিমানেই তেখেতৰ

লগতে স্বাস্থ্যকৰ্মীৰো মংগল হয়।

আচলতে প্ৰত্যেক ব্যক্তিয়ে জীৱনটো কি ধৰণে পৰিচালিত কৰিব খোজে, তাৰ পচন্দ নিজেই নিৰ্বাচন কৰিব পাৰে। ব্যক্তিবিশেষৰ পচন্দমতে নোহোৱা কথাবোৰ শুদ্ধ কৰাৰ মানসিকতাৰে যুঁজ দি যোৱাৰ চিন্তা কৰিব পাৰে, অন্যথাই নিজে মানি লোৱা সৌজন্যমূলক স্থিতিলৈ সামূহিক পৰিস্থিতিৰপৰা গতি দিবলৈ চেষ্টা কৰিব পাৰে। প্ৰথমটোত ক্ৰোধ, উৎকণ্ঠা, হেঁচাৰে ভাৰাক্ৰান্ত হোৱা জীৱনৰ গতি ৰুদ্ধ হোৱাৰ সম্ভাৱনা থাকে। কিন্তু, দ্বিতীয়টোত জীৱন সুখ-শান্তি আৰু নিৰ্ণায়ক গতিশীলতাৰ দিশে ধাৱমান হ'ব পাৰে। জীৱনে নতুনকৈ অৰ্থ পাবলৈ আৰম্ভ কৰে। মানি লোৱাটোৱে পৰাজয় বা বশ্যতা নুসূচায় বৰং জীৱনৰ জয়যাত্ৰাৰ বীজ অংকুৰিত কৰে আধ্যাত্মিক বিকাশৰ জৰিয়তে। মানি লোৱা দিনটো অতীত আৰু কিছু পৰিমাণে অনাগত ভৱিষ্যতৰ ক্ষেত্ৰতহে প্ৰযোজ্য। বৰ্তমানত সন্মুখীন হোৱা সংঘাত বৰ্তমানৰ শক্তি সামৰ্থ্যৰে মুখামুখি হ'ব লাগিব। নহ'লে সুযোগ সন্ধানীয়ে এনে দৰ্শনত বিশ্বাসী লোকক শ'লঠেকত পেলাব পাৰে। আচলতে, বয়স যিমানে বাঢ়ি আহে, সিমানেই মানি লোৱা প্ৰকৃতি বাঢ়িব ধৰে। গতিকে, নিজে বুজিব পৰা সময়ৰ পৰাই এই দিশটো অন্বেষণ কৰাৰ প্ৰয়োজন আছে।

বহুতে ভাবে যে বিনাদ্বিধাই জীৱনলৈ অহা ঘটনাবোৰ ব্যৱহাৰিক ক্ষেত্ৰত মানি লোৱাটো সম্ভৱ হ'ব নোৱাৰে। কাৰণ, ঘটনাবোৰ অপ্ৰত্যাশিত ভাৱেই আহে, কোনো মানসিক প্ৰস্তুতি অবিহনে একীভূত হোৱাটো অতিমাত্ৰাই কঠিন। কিন্তু জীৱন মাত্ৰেই দায়িত্ব, সম্পৰ্ক, অৱস্থাৰ পৰিৱৰ্তন অৱশ্যম্ভাৱী। এই ৰূঢ় সত্যৰ মুখামুখি হ'বই লাগিব। মই এগৰাকী ৮০ বছৰ বয়সৰ ঊৰ্ধৰ বৃদ্ধাৰ কথা উপস্থাপন কৰিব বিচাৰিছোঁ। ব্ৰাহ্মণৰ পৰিবাৰ হৈও তেখেতে কৈছিল যে, তেখেত স্বামীৰ মৃত্যুৰ পিছতহে মৰিব খোজে। এনে উদাহৰণ অতি বিৰল। প্ৰত্যেক হিন্দুধৰ্মী মহিলাই শিৰত সেন্দূৰ লৈয়ে মৃত্যুবৰণ কৰিব বিচাৰে। বৃদ্ধাগৰাকীয়ে উপলব্ধি কৰিছিল তেখেতৰ সম্পূৰ্ণ অন্ধ স্বামীৰ (শেষবয়সত হোৱা) দুখ কষ্টৰ সীমা নাইকিয়া হ'ব যদিহে তেখেতৰ আগতে মৃত্যু হয়। যেতিয়া পৰিস্থিতি পৰিৱৰ্তন কৰিব নোৱাৰি, তেতিয়া মানি লৈ নতুন ৰূপত চাবলৈ প্ৰয়াস কৰাই শ্ৰেয়। মনোবিজ্ঞানত, মনোৰোগত আক্ৰান্ত ব্যক্তিৰ বাবে এচিটি (Acceptance Commitment Therapy) প্ৰযোজ্য হৈ আছে।

এই প্ৰসংগত মই উল্লেখ কৰিব খুজিছোঁ জাপানী দৰ্শন 'উকেটমো'- অৰ্থ ''মই অন্তঃকৰণেৰে মানি লৈছোঁ।'' অষ্টম শতিকাৰ পৰা উত্তৰ জাপানৰ দেৱা সানজান' পৰ্বতমালাত বৌদ্ধধৰ্মী সাধু সন্ন্যাসীয়ে দুৰ্গম পথেদি যাত্ৰাৰ অন্তত মৃত্যু আৰু পুনৰ্জন্মৰে সন্ধান দিয়ে যে যিসকলে এই যাত্ৰাত চামিল হয়, তেখেতসকলৰ এনে অনুভৱ আহে যে তেখেতসকলে জীৱনৰ নতুন দিশ উন্মোচন কৰিব পাৰিছে। সাধু য়াসাবুচিভোৰ বাণী হ'ল- Back to nature, back to yourself। মানি লোৱাটোৱে দিয়ে মুক্তিৰ পথ। মুক্তিৰ লক্ষ্য হ'ল সকলো ধৰণৰ কষ্ট যন্ত্ৰণাৰপৰা মুক্তি, যিয়ে আনিব আধ্যাত্মিক বিকাশ। শেষত ইয়াৰ পিছত সদাশয় ব্যক্তিয়ে জীৱন সংগ্ৰামত উৎকণ্ঠাৰ (stress) মুখামুখি হ'লে উকেটমোৰ দৰ্শন প্ৰয়োগ কৰি চাবলৈ আহ্বান জনাই George Orwellৰ উদ্ধৃতি ৰে সামৰিছোঁ- "happiness can only exist in acceptance"। বস্তুবাদ আৰু যান্ত্ৰিকতাই চকুত চমক লগাব পাৰে সঁচা, কিন্তু প্ৰকৃতিক (মই কোন?) সকলোৰে আৱিষ্কাৰ কৰিবলৈ যত্নপৰ হ'ব লাগে। ●

প্ৰবন্ধ

# ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ দৃষ্টিত ভগৱদ্গীতাৰ একাংশ ভাবাৰ্থ

**তপোধন দাস**

ড° ৰাধাকৃষ্ণণৰ মতে যি কোনো পবিত্ৰ ধৰ্মগ্ৰন্থৰ এটা দিশৰ প্ৰভাৱ ক্ষণিক আৰু ক্ষয়িষ্ণু তথা সেই ধৰ্ম উৎপত্তি স্থানৰ সমাজ বা দেশৰ বাবে নিজস্ব; আৰু আনটো দিশ চিৰন্তন আৰু অক্ষয়িষ্ণু তথা সকলো সমাজ বা দেশৰ বাবে প্ৰযোজ্য। ভগৱদ্গীতা এনে এক ধৰ্মপুথি য'ত ধৰ্মীয় বিভ্ৰান্তিয়ে সংশোধন বিচাৰি পাব পাৰে। ধৰ্মৰ মূল ধাৰণা প্ৰাচীন কিম্বা আধুনিক নহয়, ই চিৰন্তন আৰু মানৱতামুখী, মানৱতা সমাজমুখী, সমাজ ব্যক্তিৰে গঠিত।

ব্যক্তিৰ স্বাভিমান বিৰক্ত নোহোৱালৈকে সামাজিক ভাৰসাম্যতা বৰ্তি থাকে। সমাজৰ বিশেষকৈ মুধাফুটা ব্যক্তিয়ে বুজিব লাগিব যে সত্যতা আৰু স্নেহে যাক জয় কৰিব পাৰে মদমত্ত ক্ষমতাই সেয়া নোৱাৰে। এইকথা বুজিবলৈ ব্যক্তিক প্ৰয়োজন অপৰিসীম জ্ঞানৰ, যি জ্ঞান পবিত্ৰ মানসিকতা অবিহনে কৰ্ষিত নহয়; অন্যহাতে পবিত্ৰ মানসিকতা আয়ত্ত কৰাটোৱেই জগতত এক কঠিন প্ৰত্যাহ্বান। এই প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ প্ৰয়োজন স্বাৰ্থহীনতাৰে (নিৰাসক্তিত স্থিত হৈ) কৰ্ম সম্পন্ন কৰাৰ প্ৰশিক্ষণ, লগতে এই উপলব্ধিও লাগিব যে বাস্তৱতে এই বিশ্ব জগতৰ যিবোৰ অপৰিৱৰ্তনীয় তাৰ লগত জীৱনৰ কোনো দৰ্শন প্ৰযোজ্য নহয়, যিবোৰ পৰিৱৰ্তনশীল তাৰ লগতহে হয়। এই মহাজগত (ব্ৰহ্মাণ্ড) কেনেকুৱা হ'ব লাগিছিল আমি ধাৰণা কৰিব নোৱাৰো, বা তাৰ অৱয়ব যথাযথভাৱে আমাৰ বাবে দৃশ্যমান হ'ব নোৱাৰে। এই জগত ব্যক্তি সংস্কাৰৰ এক সংগ্ৰামক্ষেত্ৰহে য'ত ব্যক্তিত্বৰ গুণাগুণৰ উত্তৰণ ঘটাই তাক সমাজহিতকৰ কৰ্মত ব্যৱহাৰ কৰিব লাগে। এয়া এনে এক সংগ্ৰাম য'ত অন্ধকাৰৰ মাজতে উপলব্ধ হয় আত্ম-জ্ঞান, যি উজ্জ্বল কৰে ব্যক্তিত্ব, যি উজ্জ্বলতাই অন্ধকাৰৰ সমস্ত বাধা নেওচি যায়। এই সংগ্ৰাম সমাজৰ অপশক্তিৰ বিপক্ষে প্ৰত্যাহ্বান। সামাজিক শৃংখলা তথা নিয়মানুবৰ্তিতাৰ প্ৰয়োজনত আৰু ন্যায় প্ৰতিষ্ঠা কৰাৰ স্বাৰ্থত এই সংগ্ৰাম অৱশ্যম্ভাৱী।

আত্মীয়ৰ বাবে আমাৰ যি অশ্ৰু সি স্বৰ্গীয় অনুৰাগ বা উদ্দীপনা(divine passion )ক সমূলি বলাব নোৱাৰে। অভ্যাসৰ শক্তিয়েহে নিৰ্ণয় কৰে আনন্দ বা যন্ত্ৰণাৰ মানসিকতা। মনে যেতিয়া প্ৰশান্তি, স্থিৰতা আৰু অবিৰক্তিত অৱস্থান কৰে তেতিয়াই বিবেকত চেতনা (consciousness) উজ্জীৱিত হয়, যি সকলো প্ৰকাৰৰ সংঘটনাৰ প্ৰতিক্ৰিয়া সম্বৰণ কৰিব পাৰে, কিয়নো তেতিয়া পৰিষ্কাৰ হয় যে সংঘটনাবোৰ কেৱল আহে আৰু যায়। অপৰিসীম জ্ঞানৰ পৰিধি ব্যাপি থাকে এক ভিন্ন বিশাল আৰু গভীৰ জগত, যুদ্ধ বা বিপ্লৱৰ ছায়ায়ো আনকি তাক স্পৰ্শ কৰিব নোৱাৰে।

ভুল বা শুদ্ধৰ ধাৰণা মানুহে সুখৰ সন্ধানত কৰা কৰ্মতে সীমাবদ্ধ আৰু নিহিত। সত্য সম্পৰ্কে ব্যক্তিগত চিন্তাধাৰা আৰু মৌলিক পৰম্পৰা সম্পৰ্কে সামাজিক ধাৰণা একে নহয়। ব্যক্তিৰ আভ্যন্তৰিক বা আত্ম-শক্তি(inner strength)ৰ উৎকৰ্ষ সাধন কৰিবলৈ মৌলিকতাৰ বাহ্যিক প্ৰতীকবোৰ (symbols of external morality ) আঁতৰাবই লাগিব। অফুৰন্ত আত্মদৃষ্টিৰ মূল্য চিৰকলীয়া (profound insights are valid for all times ) ।সত্যই বাস্তৱ (Truth is the reality ) । পূৰ্ণসত্যবোৰ (absolute truths ) চিৰন্তন আৰু বৌদ্ধিক দৃষ্টিৰ ঊৰ্ধতহে উপলব্ধ। কেৱল মৌনতাতহে শুনা যায় পূৰ্ণসত্যৰ আহ্বান। ধৰ্ম কেৱল বাস্তৱৰ বিজ্ঞানেই নহয়, ই বাস্তৱৰ সৈতে ঐক্যৰ এক কলাও, যাক সময় আৰু স্থানে সীমিত কৰিব নোৱাৰে বাবেই ই মহাজগতলৈকে ব্যাপ্ত।

কুৰুক্ষেত্ৰ এইবাবেই ধৰ্মক্ষেত্ৰ যে জীৱনৰ বিধানে (Law of life ) তাত নিশ্চিত কৰিছে মৃত্যু। দেশ আৰু সমাজৰ অপশক্তি পৰাভূত হয় এনে ধৰ্মক্ষেত্ৰত, সংসাৰলৈ পৰিৱৰ্তন অনাৰ প্ৰয়োজনত কাৰ্য্যকৰী পদক্ষেপ হিচাবে যুঁজ হয় তাত, অপশক্তিৰ মূল অহংকাৰ আৰু ক্ষমতাৰ নীতিবিৰুদ্ধ লালসা বধ হয় এই যুঁজত।

অনুশাসন আৰু বাধ্যতা অবিহনে সমাজ শৃঙ্খল নহয়। জীৱনৰ মূল লক্ষ্য বস্তুবাদী সুখ নহয়, এই সুখৰ জীৱন অৱশেষত এৰি যাবই লাগে। আদৰ্শ, ন্যায় আৰু মানৱীয় প্ৰেমৰ স্বাৰ্থত সন্ত্ৰাসৰ বিপক্ষে থিয় হ'বই লাগিব, লাগিলে মৃত্যুৰেই মুখামুখি নহওক কিয়। এই সাহস পাবলৈ স্বাৰ্থপৰতা আৰু আত্মগৌৰৱে সৃষ্টি কৰা অন্ধকাৰ প্ৰথমে অতিক্ৰম কৰিব লাগিব, যি অতিক্ৰম মানৱাত্মাৰ বিৱৰ্তন প্ৰক্ৰিয়াহে মাথোঁ, ইয়েই অন্তৰাত্মাত অহৰহ চলন্ত এক যুঁজ যাৰ বাবে কোনো সময় বা স্থান নিৰ্দিষ্ট নহয়।

বাস্তৱ আচলতে কি, যাৰ হাতত সমস্ত সংঘটনা বিদ্যমান সেয়েই বাস্তৱ নেকি, এনে কিবা সংঘটনা আছে নেকি যাক অতিক্ৰমি আৰু ঘটিব নোৱাৰে, ইত্যাদি বাস্তৱিক জ্ঞান(nature of reality )ৰ ভঁৰালেই হৈছে ব্ৰহ্মবিদ্যা; এই বিদ্যা পূৰ্ণত্বৰ বিজ্ঞান। সত্যৰ অনুসন্ধানেই জ্ঞান প্ৰাপ্তিৰ পথ পোহৰ কৰে, যি পোহৰ অবিহনে জগতৰ একোৱেই দৃশ্যমান নহয়। ভাবনাৰ স্বাধীনতা যদি অকলশৰীয়া হৈ মনোকষ্ট, সন্দেহ বা অসুৰক্ষাত অৱস্থান কৰেহি সেই অৱস্থাও অতিক্ৰম কৰিব লাগিব। সজ্জানৰ জুইত অজ্ঞান দহন হয়, অন্ধকাৰ দুৰ্বল হয়, জ্ঞানৰ পোহৰত অন্তৰাত্মা ক্ৰমশঃ উজলি উঠে।

এই ব্ৰহ্মাণ্ড সময়ৰ ওপৰত বৰ্তি থকা

---

চিৰন্তন সত্যৰ ওপৰত বিশ্বাস আৰু বাস্তৱ অভিজ্ঞতা প্ৰাপ্তিৰ পিছত সাংসাৰিক শোকে বাধাৰ সৃষ্টি কৰিব নোৱাৰে। শোক, বুভুক্ষা আৰু অকলশৰীয়া অৱস্থাৰ মাজেদিও আত্মদৃষ্টি আৰু প্ৰত্যয়ে আগুৱাই নিয়ে। 'বুদ্ধি' মানে কেৱল ধাৰণা কৰাৰ ক্ষমতাই নহয়, কৰণীয় (কৰ্তব্য) চিনি লৈ নিৰ্ণায়ক পদক্ষেপ হাতত লোৱাটোও বুদ্ধিমত্তাৰ অন্তৰ্ভুক্ত।

---

নাই, সময়হে ব্ৰহ্মাণ্ডত বৰ্তি আছে। জীৱজগত এই ব্ৰহ্মাণ্ডত অন্তৰ্ভুক্ত, মহাজাগতিক সাৰেই (divine essence ) জীৱজগতক অস্তিত্ব প্ৰদান কৰিছে। মহাজগতৰ সৃষ্টি আৰু অস্তিত্বৰো নিৰ্দিষ্ট সূত্ৰ (empirical universe ) আছে, যাৰ আধাৰত ব্ৰহ্মাণ্ডৰ সমস্তই একক অস্তিত্বত নিহিত, জীৱজগতো তাতেই অন্তৰ্ভুক্ত।

উন্মুক্ত আত্মাই (liberated soul ) যি হয়তো পৰমাত্মাৰ পৰা সাময়িক বিচ্ছিন্ন, কৌতূহল হয় পৰমাত্মাত বিলীন আত্মাৰ বিচ্ছিন্নতা যদি সম্ভৱ তেনে মোক্ষ প্ৰাপ্তিও সাময়িক নেকি যি সময় দুৰ্ভোগ কৰে সেই সময়ৰ অন্তত সম্প্ৰীতি (harmony)ত প্ৰৱেশ

> কৈশোৰৰ শিষ্যত্ব, যৌৱনৰ গাৰ্হস্থ্য, প্ৰৌঢ়ৰ বিশ্ৰাম (retreat) আৰু বাৰ্ধক্যৰ ত্যাগ (renunciation)- এই চাৰি পৰ্য্যায় ব্যক্তিৰ সচৰাচৰ জীৱন পৰিক্ৰমা। ফুল ফুলে যেনেকৈ মৰহে তেনেকৈ; সেইবুলি ফুলাক প্ৰশংসা কৰি মৰহাক ককৰ্থনা কৰা নাযায়, দুয়ো অৱস্থাতে সমজ্ঞানেৰে আদৰ কৰিব লাগিব। সমজ্ঞানে উপভোগৰ লালসা নোহোৱা কৰে।

কৰে। ব্যক্তিৰ অজ্ঞানতা আৰু তাৰ ফলশ্ৰুতিৰ প্ৰভাৱ মহাজাগতিক অস্তিত্বত সমূলি নপৰে, এই অ-জ্ঞানে কেৱল ব্যক্তিৰ উদ্যমতহে ক্ৰিয়া কৰে। মহাজাগতিক প্ৰক্ৰিয়াৰ শেহলৈকে জীৱজগত সম্প্ৰসাৰণ হয়, এই সম্প্ৰসাৰণো মহাজগতৰে অন্তৰ্ভুক্ত।

সংসাৰৰ পৰা মুক্ত (মোক্ষপ্ৰাপ্ত) আত্মাইহে পূৰ্ণসত্য কি জানে আৰু তাতেই অন্তৰ্নিহিত হৈও থাকে। এই মুক্তিৰ আগলৈকে উন্মুক্ত আত্মা জন্ম আৰু পুনৰ্জন্মত আৱৰ্তমান হৈ থাকে। উন্মুক্ত, আৱৰ্তমান আৰু মুক্ত- এই তিনিওটা অৱস্থাতে আত্মাক বিনষ্ট কৰিব পৰা কোনো সৰ্বশক্তিমান নাই। সাধাৰণ জ্ঞানে এই অবিনশ্বৰতা কি বুজিব নোৱাৰে। শৰীৰ জন্মত আত্মাৰ প্ৰৱেশ, জীৱনকালত আত্মাৰ স্থিতাৱস্থাৰ বিৰাজ, মৃত্যুত আত্মাৰ বহিৰ্গমন আৰু পুনৰ্জন্ম প্ৰকৃতিৰ নিয়ম; মৃত্যুৱে আত্মাৰ অস্তিত্বক স্পৰ্শ নকৰে। শৰীৰৰ মৃত্যুক লৈ শোক বা জীৱনক লৈ আনন্দ কৰাটো নিৰৰ্থক। অন্য এক দৰ্শন সূত্ৰে আত্মা বুলি একো অস্তিত্ব নাই। জীৱকোষবোৰত বিশেষ বিশেষ পদাৰ্থ (জৈৱিক) নিৰ্দিষ্ট অনুপাতত সংহত হৈ ক্ৰিয়াশীল হোৱাতে জীৱনৰ প্ৰাণ সঞ্চালনাৰ ভিত্তি, জীৱকোষবোৰে নিৰ্দিষ্ট গোটত সংহত হৈ শাৰীৰিক প্ৰত্যঙ্গবোৰ সৃষ্টি আৰু নিৰ্দিষ্ট প্ৰকাৰত ক্ৰিয়াশীল কৰি জীৱৰ গতিশীলতা, স্থবিৰতা, সংবেদনশীলতা, অনুভূতিপ্ৰৱণতা আদি বাহ্যিক আৰু শাৰীৰিক সামগ্ৰিক আভ্যন্তৰীণ প্ৰক্ৰিয়াবোৰৰ সঞ্চালনা, পৰিচালনা আদিৰ সামৰ্থ্য প্ৰদান কৰিছে। জীৱকোষ নিষ্ক্ৰিয় হ'লেই সামগ্ৰিক আভ্যন্তৰীণ প্ৰক্ৰিয়া স্তব্ধ হয়, সেয়াই মৃত্যু নাম পাইছে।

জীৱৰ অস্তিত্ব খন্তেকীয়া আৰু মৃত্যু নিৰ্দিষ্ট, শাৰীৰিক কষ্ট আৰু মৃত্যুৰ যাতনা সম্বৰণ কৰাটো জীৱনৰ বাবে বাধ্যতামূলক। সেইবুলি অবাধ মৃত্যুৰ নামত হত্যা, আত্মহত্যা বা যুদ্ধ যুক্তিযুক্ত নহয়। জীৱনৰ অস্তিত্ব প্ৰাৰম্ভত (জন্মৰ আগত) আৰু অৱশেষত (মৃত্যুৰ পিছত) প্ৰতীয়মান নহয়; আত্মা বিৰাজমান হৈ থকাতে জীৱনৰ অস্তিত্ব প্ৰতীয়মান। আত্মা আৰু শৰীৰৰ যৌগই জীৱ। আত্মা অমৰ আৰু শৰীৰ প্ৰাকৃতিকভাৱে মৰণশীল।

দেশ আৰু সমাজত নীতি আৰু মানৱীয় অধিকাৰ সুৰক্ষিত কৰাৰ স্বাৰ্থত যদি যুদ্ধ বাদে বিকল্প নাথাকে তেনে সেই যুদ্ধ ধৰ্মযুদ্ধ। তাত শৰীৰৰ মৃত্যু গৌণ। তেনে যুদ্ধক কৰ্তব্য বুলি আগুৱাই যোৱাজনেই ক্ষত্ৰিয়, পিছুৱাই অহাটো ক্ষত্ৰিয়ৰ বাবে অশোভনীয়। গাৰ্হস্থ্য আনন্দ বা আৰাম ক্ষত্ৰিয়ৰ নীতি নহয়, দুৰ্বলতা আৰু সংবেদনশীলতা মাথোঁ কাপুৰুষালি, ক্ষত্ৰিয়ৰ সেয়াই পাপ আৰু অনাগত প্ৰজন্মৰ বাবে কলঙ্ক।

চিৰন্তন সত্যৰ ওপৰত বিশ্বাস আৰু বাস্তৱ অভিজ্ঞতা প্ৰাপ্তিৰ পিছত সাংসাৰিক শোকে বাধাৰ সৃষ্টি কৰিব নোৱাৰে। শোক, বুভুক্ষা আৰু অকলশৰীয়া অৱস্থাৰ মাজেদিও আত্মদৃষ্টি আৰু প্ৰত্যয়ে আগুৱাই নিয়ে। 'বুদ্ধি' মানে কেৱল ধাৰণা

কৰাৰ ক্ষমতাই নহয়, কৰণীয় (কৰ্তব্য) চিনি লৈ নিৰ্ণায়ক পদক্ষেপ হাতত লোৱাটোও বুদ্ধিমত্তাৰ অন্তৰ্ভুক্ত। মনৰ যি কোনো সিদ্ধান্তক বুদ্ধিৰে পৰিচালনা কৰোঁতে আত্মদৃষ্টিসম্পন্ন আৰু সাম্যভাবাপন্ন হোৱাটো অপৰিহাৰ্য্য। 'সাংখ্যযোগ' মতে এই অৱস্থাৰ অগ্ৰগতিকে 'পুৰুষ' অৱস্থা বা পৰ্য্যায় প্ৰাপ্তিৰ পথ বুজাইছে। এই পৰ্য্যায়ত সাম্য, বিশুদ্ধতা, আত্মদৃষ্টি আদি আত্মসত্তাত ঘণীভূত হয়। তাৰ আগলৈকে মানুহ 'প্ৰকৃতি' পৰ্য্যায়তে নিক্ষিপ্ত হৈ থাকে। 'প্ৰকৃতি' পৰ্য্যায় আত্মকেন্দ্ৰিক, আত্মগৌৰৱী আৰু লালায়িত। [সাংখ্যযোগৰ মুঠ ২৪ (চৌবিশ)টা পৰ্য্যায়ৰ ভিতৰত ২৪ তম পৰ্য্যায়ৰ নাম 'পুৰুষ', পূৰ্ববৰ্তী ২৩ (তেইশ) টা পৰ্য্যায়েই সামগ্ৰিকভাৱে 'প্ৰকৃতি পৰ্য্যায়ত অন্তৰ্ভুক্ত।।] কিন্তু 'বুদ্ধি'ৰ উৰ্ধত 'আত্মসত্তা' (self); অথচ এই আত্মসত্তা' নিজেই সক্ৰিয় নহয় বৰং এক সাক্ষীহে, হ'লেও ইয়েই পোহৰ(জ্ঞান)ৰ ৰশ্মি যি বুদ্ধিক উজলায়। তেতিয়াই মানুহ মহাজাগতিক (cosmic) উদ্দেশ্যেৰে প্ৰণোদিত হয়, তেতিয়াই আত্মগৌৰৱ আৰু আত্মকেন্দ্ৰিকতা ম্লান আৰু নিষ্ক্ৰিয় হয়, সম্প্ৰীতি (harmony) আৰু ঐক্য (each in all and all in each)ৰ উপলব্ধিয়ে আহি ধৰা দিয়ে।

বানত প্লাৱিত পুখুৰীৰ পানীৰ দৰে তান্ত্ৰিক প্ৰথাতকৈ বোৱঁতী নৈৰ পানীৰ দৰে চৈতন্যৰ উজ্বলিত জ্ঞানৰ মূল্য অধিক [As is the use of a pond in a place flooded with water everywhere, so is that of all the Veda------.' Just as one who gets water from the river does not attach importance to ritual.' For those of illuminated consciousness, ritual observances are of little value. (page-135.'The Bhagavadgita' by Dr. S. Radhakrishnan)] । চৈতন্যই সকৰ্মত বিশ্বাস কৰে, সকৰ্মই ফলপ্ৰাপ্তিৰ স্বাৰ্থ লিপ্ত নকৰে; কিয়নো সকৰ্ম সেৱাতহে উৎসৰ্গিত, সেৱা নিঃস্বাৰ্থ। আত্মজ্ঞানেৰে ক্ৰোধ, সংবেদনা, অহঙ্কাৰ আৰু আকাংক্ষাক জিনিব পাৰিলেই ব্যক্তিৰ মনৰ অৱস্থা সাম্য হয় আৰু সেৱা নিঃস্বাৰ্থ হয়। সাম্যতা সেই মানসিক অৱস্থা য'ত কৰ্মৰ কৃতকাৰ্য্যতাৰ আনন্দ বা বিফলতাৰ বিষাদে মনৰ স্থিৰতাত প্ৰভাৱ নেপেলায়। আত্ম-সত্তাত উপনীত হোৱা জ্ঞানে বেদ উপনিষদৰ পৰিসীমা অতিক্ৰম কৰি আত্মদৃষ্টিৰে কৰণীয়খিনি বিচাৰ কৰে [He who attains the wisdom of the Supreme passes beyond the range of Vedas and the Upanishads (p/138, 'The Bhagavadgita' by S. Radhakrishnan]

কৈশোৰৰ শিষ্যত্ব, যৌৱনৰ গাৰ্হস্থ্য, প্ৰৌঢ়ৰ বিশ্ৰাম (retreat) আৰু বাৰ্ধক্যৰ ত্যাগ (renunciation)- এই চাৰি পৰ্য্যায় ব্যক্তিৰ সচৰাচৰ জীৱন পৰিক্ৰমা। ফুল ফুলে যেনেকৈ মৰহে তেনেকৈ; সেইবুলি ফুলাক প্ৰশংসা কৰি মৰহাক ককৰ্থনা কৰা নাযায়, দুয়ো অৱস্থাতে সমজ্ঞানেৰে আদৰ  কৰিব লাগিব। সমজ্ঞানে উপভোগৰ লালসা নোহোৱা কৰে। মনত বৰ্তি থকা বিষয়ত বাসনা লিপ্ত হয়, বাসনাই লালসা আৰু লালসাই ক্ৰোধৰ জন্ম দিয়ে। লালসা এক বাহ্যিক শক্তি, ই কেতিয়াবা খ্যাতি আৰু কেতিয়াবা গ্লানি অৰ্জন কৰে। ক্ৰোধত বুদ্ধি বিনাশ হয়, তেতিয়াই ব্যক্তিত্ব মৰহে।

সংবেদনাৰ তীব্ৰতাই আত্মশক্তি পৰাজয় কৰিলেই 'বুদ্ধি' বিনাশ হয় আৰু ব্যক্তি ধ্বংসমুখী হয়। বাসনাৰ প্ৰভাৱতে সংবেদনাৰ সৃষ্টি। বাসনা বিসৰ্জন দিবলৈ সেইবুলি সাংসাৰিক বা সামাজিক জীৱনৰপৰা পৰিত্যক্ত হ'ব লাগিব, এনে কথা নহয়। বাসনা বিলুপ্ত নহয়, কিন্তু নিয়ন্ত্ৰিত হয়। সংসাৰ বা সমাজৰ মাজতে থাকি মনৰ বাসনা বিবেকেৰে নিয়ন্ত্ৰণ কৰিব লাগিব। নিয়মানুৱৰ্তী মন বিষয়ৰ মাজতে থাকিও বাসনাত নিৰ্লিপ্ত সেয়াই মনৰ পবিত্ৰতা বা স্থিতপ্ৰজ্ঞ অৱস্থা, য'ত ব্যক্তি আত্মকেন্দ্ৰিক বা আশাবাদী নহয়, বাহ্যিক বিষয়ৰ দ্বাৰা তেওঁ প্ৰৰোচিত বা বিৰক্ত নহয়, কোনো সংঘটনাত তেওঁ অস্থিৰ নহয়, বিদ্বেষ বা অনুৰাগ তেওঁত নিষ্ক্ৰিয়। এই স্থিতপ্ৰজ্ঞ  অৱস্থাত সংসাৰৰ বিষাদে ব্যক্তিক স্পৰ্শ নকৰে, 'বুদ্ধি'ত তেওঁ পূৰ্ণপ্ৰতিষ্ঠিত হৈ পৰে। তাৰ বিপৰীতে অস্থিৰজন 'বুদ্ধি'হীন

বাবে সকলোতে অমনোযোগী, অমনযোগে অশান্তিৰ প্ৰৱণতা চপাই আনে আৰু অশান্তিয়েই সুখহীনতাৰ কাৰক।

নদী সাগৰত বিলীন হোৱা মানে সাগৰক সাবটি লোৱা নহয়, সাগৰত বিসৰ্জিত হোৱাহে, যেনেকৈ বিসৰ্জিত বাসনাৰ অন্তত স্থিৰতা আৰু প্ৰশান্তি আহে, অচল হয় আত্মগৌৰৱ আৰু স্বাৰ্থপৰ সংবেদনাবোৰ। এই অৱস্থা সম্পূৰ্ণ স্বৰ্গীয়(brahmisthiti), বুদ্ধই এই অৱস্থাকে 'নিৰ্বাণ'প্ৰাপ্তি অৰ্থাৎ পৰিপক্ক অৱস্থা বুলি কৈছে। 'ধৰ্মপদ' (Dhammapada) মতে সুস্থ শৰীৰেই শ্ৰেষ্ঠতম অৰ্জন (gain), শান্তনা (সন্তুষ্টি) শ্ৰেষ্ঠতম সম্পদ, বিশ্বাসেই পৰম বন্ধু, নিৰ্বাণেই পূৰ্ণাংগ সুখ।

যদি এয়ে সঠিক যে স্থিতপ্ৰজ্ঞ অৱস্থাই জ্ঞানৰ পূৰ্ণত্ব, সাংখ্যযোগ মতেও এয়াই পূৰ্ণসত্তা বা 'পুৰুষ' অৱস্থাপ্ৰাপ্ত, তাতেই আত্মগৌৰৱৰ নিষ্ক্ৰিয়তা বা বাসনাৰ বিসৰ্জনৰ জৰিয়তে প্ৰশান্তি প্ৰাপ্তিও সম্ভৱ হয়, তেনে জ্ঞানেই শ্ৰেষ্ঠ নেকি, কৰ্মৰ কি প্ৰয়োজন সংসাৰত ! কৰ্মবিমুখ হ'লেও হওক নেকি সকলো স্থিতপ্ৰজ্ঞ! নহয়, সেয়া ভুল ধাৰণা। কেৱল জ্ঞানপ্ৰাপ্তিৰ বাবেই নহয় ব্যক্তিৰ জীৱন। দুভাঁজত সমান্তৰাল জীৱনৰ উদ্দেশ্য, এভাঁজত জ্ঞানৰ পথ আৰু আন ভাঁজত কৰ্মৰ। কৰ্মতহে প্ৰকাশমান প্ৰযোজ্য জ্ঞান। কৰ্ম অবিহনে জীৱন বৰ্তি নাথাকে। সকলো কৰ্মৰে প্ৰাকৃতিকভাৱে প্ৰতিফল থাকেই, সেই প্ৰতিফল ভোগত জীৱ আৱদ্ধ হয়েই [Every action has its natural reaction and so is a source of bondage committing the soul to the world---(page 151,'The Bhagavadgita' by S. Radhakrishnan)], সংসাৰৰ বিষয়বস্তুত নিক্ষেপিত আমাৰ দৃষ্টিত সন্তুষ্টিৰ আকাংক্ষা লিপ্ত হোৱাটো অনুচিত, নিৰ্লিপ্তিৰে ন্যস্ত কৰ্ম সম্পাদন কৰি যোৱাটো ব্যক্তিৰ সামাজিক দায়িত্ব। সকলো কৰ্মতে ত্যাগেই উদ্যম হোৱাটো অত্যাৱশ্যক। সন্তজনে ত্যাগ আৰু দানত বিসৰ্জন কৰাৰ পিছত অৱশিষ্ট থাকিলে তাকেই নিজৰ বুলি লয়। দুষ্টজনে নিজলৈ সমস্ত সংগ্ৰহ বা আত্মসাৎ কৰিব বিচাৰে, সেয়াই পাপ। কৰ্মত সমৰ্পিত ত্যাগেই ব্ৰহ্ম [Know the origin of karma (of the nature of sacrifices), to be the Brahma (the Veda)---, (Page 156, The Bhagavadgita' by S. Radhakrishnan], কৰ্মহীন জীৱন অসাৰ, সেয়ে কেৱল জ্ঞানপ্ৰাপ্তিয়েই জীৱনৰ উদ্দেশ্য নহয়।

ড° সৰ্বপল্লী ৰাধাকৃষ্ণণে প্ৰণয়ন কৰা ভগৱদ্গীতাখনৰ ভাবাৰ্থত এই পৰ্য্যন্ত এই উপলব্ধি স্পষ্ট হয় যে ব্যক্তিৰ নিঃস্বাৰ্থ সামাজিক সেৱাই কৰ্ম, এই কৰ্ম জ্ঞানেৰে পৰিচালিত, এই জ্ঞান সাম্যভাবাপন্ন আৰু আত্মসত্তাৰে উজ্জীৱিত, আত্মগৌৰৱ আৰু আকাংক্ষা বিবৰ্জিত, ন্যায় প্ৰতিষ্ঠাৰ সংগ্ৰামত অৱতীৰ্ণ আৰু প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাটোও তেনে এক কৰ্ম, সন্তুলিত সমাজতহে শান্তি-সম্প্ৰীতি থাকে, ন্যায় অবিহনে সমাজ সন্তুলিত নহয়, জ্ঞান আৰু কৰ্মৰ সাৰেই সমাজক সৃষ্টিশীল অগ্ৰগতি প্ৰদান কৰে।

*(টোকা ঃ মানৱতা আৰু সমাজৰ স্বাৰ্থত ব্যক্তিত্বৰ গুণাগুণে কিয় উৎকৰ্ষ সাধন কৰাটো আৱশ্যক আৰু কেনেকৈ কৰিব পাৰি তাক বাস্তৱধৰ্মী দৃষ্টিৰে ড° সৰ্বপল্লী ৰাধাকৃষ্ণণদেৱে তেখেতৰ 'The Bhagavadgita' নামৰ ইংৰাজী গ্ৰন্থখনত কৰা বিশ্লেষণৰ একাংশৰ পৰা এই প্ৰবন্ধটি অসমীয়াত যুগুতোৱা হৈছে; যদিওবা আত্মা, পুনৰ্জন্ম আদি প্ৰসংগক এই যুগুতিয়ে সামৰি ল'ব লগা হৈছে আত্মাৰ অস্তিত্ব সম্পৰ্কে অন্য এক দৰ্শনৰ দৃষ্টিভংগীও প্ৰাসংগিক স্থানত উনুকিওৱা হৈছে। 'Divine' শব্দাৰ্থক ক'ৰবাত 'স্বৰ্গীয়' কিন্তু আন ক'ৰবাত 'ঐশ্বৰিক', 'মহাজাগতিক' আদি বুলি অভিহিত কৰাৰ প্ৰয়োজনবোধ হৈছে। যুগুতিৰ কথাখিনি গ্ৰন্থত কৰা বিশ্লেষণৰ সংক্ষিপ্ত ৰূপ হিচাপে গ্ৰহণ কৰে যেন।)*



# আধুনিক ভাৰতীয় ইংৰাজী কবিতা- ভাৰতীয় সংস্কৃতি, ঐতিহ্য ইত্যাদি- এক নতুন দিশ

**ৰূপালী কোঁৱৰ**

ঔপনিৱেশিক শাসনৰ অন্তত দ্বিতীয় মহাসমৰৰ পাচত ভাৰতবৰ্ষত উদিত হোৱা নব্য সাহিত্যবোৰৰ ভিতৰত আধুনিক ভাৰতীয় ইংৰাজী কবিতা অন্যতম। তাৰ আগতে কবিতাৰ কোনো উল্লেখনীয় সম্পৰ্ক সাংস্কৃতিক উত্তৰণৰ ক্ষেত্ৰত নাছিল। ১৯৪৭ চনত দেশে স্বাধীনতা লভাৰ পাচত পৰিস্থিতি সলনি হ'ল আৰু কবিসকল তেওঁলোকৰ সমাজখনৰ লগত সম্পৰ্ক আৰু বিছিন্নতা ভাবৰ বিষয়ে ওৱাকিবাহাল হ'ল। প্ৰকৃতাৰ্থত তেওঁলোক পুৰণি জাতীয়তাবাদী বুদ্ধিজীৱী আৰু আঞ্চলিকতাবাদীসকলৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ল যিসকলে নেকি ঔপনিৱেশিক শাসনৰ পূৰ্বৰ ভাৰতীয় ভাষাসমূহৰ নৱজাগৰণ বিচাৰিছিল।

তাৰ আগতে ভাৰতীয় ইংৰাজী কবিতা অনুপ্ৰাণিত হৈছিল ইংৰাজী ৰোমাণ্টিক সাহিত্যৰ দ্বাৰা। ভাৰতীয় কবিসকলে ইংৰাজী ধৰণ প্ৰকৰণৰ দ্বাৰা এক স্বকীয় ৰূপ দিবলৈ পৰিশ্ৰম কৰিব লগা হৈছিল। স্বাধীনতাৰ পূৰ্বৰ কবিসকলক গহীনভাৱে লোৱা হোৱা

নাছিল- উদাহৰণ স্বৰূপে লুই ভিভিয়ান ডেৰ'জিও, তৰু দত্ত, অৰবিন্দ ঘোষ আৰু সৰোজিনী নাইডুৰ নাম উল্লেখনীয়। তেওঁলোকৰ কবিতাত এজন পাশ্চাত্যৰ মানুহৰ দৃষ্টিত ভাহি উঠা ভাৰতখনহে ফুটি উঠিছিল– সাপ নচুৱা মানুহ, মহাৰজা, হাতী আৰু ৰাজন্যবৰ্গৰ লাহবিলাহৰ এখন ঠাই। পৰিৱেশ আৰু ঠাইসমূহ আছিল অচিনাকি আৰু সমসাময়িক সমাজ আৰু ভাৰতৰ লগত খাপ নোখোৱা। পাঠকসকলে তাত একক মানৱীয় অনুভূতিৰ প্ৰকাশ দেখা পোৱা নাছিল আৰু তেওঁলোকৰ চিনাকি নোহোৱা কিবা এটা নিবিচাৰিছিল।

ডেৰ'জিওৰ এটা কবিতা 'এ ৰাক বাই মুনলাইট' ত ইংৰাজ ৰোমান্টিক কবিসকলৰ প্ৰভাৱ কিমান বিশাল সেয়া দেখা পোৱা যায় আৰু তাৰ গভীৰতাও অনুভৱ কৰিব পাৰি। ডেৰ'জিওৰ কবিতাত কলেৰিজৰ প্ৰভাৱ সুস্পষ্ট যদিও তেওঁ সেয়া অনুকৰণ কৰা বুলিও ক'ব নোৱাৰি। কবিতাটোৰ জাগৰণ সম্পূৰ্ণ ব্যক্তিগত অনুভৱ। জোনাক নিশা কবিয়ে ঘাঁহনিত খোজ কাঢ়ি থাকোঁতে তেওঁৰ খোজত পিষ্ট হোৱা প্ৰতিজোপা ঘাঁহৰ পাতৰ অনুভৱ প্ৰকাশ পাইছে তেওঁৰ বক্তব্যত।

মহান ৰহস্যবাদীসকল প্ৰায়ে মহান কবি নহয়, অৰবিন্দ ঘোষ তাৰ প্ৰমাণ। 'এ ড্ৰিম অৱ চাৰিয়েল চাইন্স' কবিতাত শব্দবোৰ বিজ্ঞানৰ ভাবধাৰাৰে নিৰীক্ষণ কৰি তেওঁ তাত অতি আধ্যাত্মিকতাৰ বিমূৰ্ত ছবিহে দেখা পাইছিল। 'নাইটিঙ্গেল অব ইণ্ডিয়া' নামে বিভূষিত সৰোজিনী নাইডু আছিল কেম্ব্ৰিজত শিক্ষাপ্ৰাপ্ত, ভাৰতীয় জাতীয় কংগ্ৰেছৰ ব্যস্ত নেত্ৰী, দেশৰ ইমূৰৰপৰা সিমূৰলৈ ভ্ৰমণ কৰি দেশৰ স্বাধীনতাৰ বাবে মাত মতা ব্যক্তি। কবিতাৰ বাবে তেওঁৰ হাতত সময় আছিল কম। যদিও তেওঁৰ কবিতা পুথি এখন প্ৰকাশ কৰি উলিয়াইছিল, তেওঁৰ কবিতাত শব্দৰ ব্যঞ্জনাতকৈ দৃষ্টিভঙ্গীৰ আধিক্য তথা অতিমাত্ৰা ভাবোচ্ছাস আৰু সূক্ষ্ম নিৰীক্ষণৰ অভাৱ দেখা পাঁও।

সময়ে গতি সলালে আৰু ইংৰাজী সাহিত্যত ব্যুৎপত্তি থকা নতুন কবিসকলে অনুভৱ কৰিলে যে ভাৰতীয় জনজীৱন আৰু সমাজ ব্যৱস্থাৰ ওপৰত নিলিখিলে স্বীকৃতি পোৱা টান হ'ব। এইটোৰেই আজি পৰ্য্যন্ত চলি থকা সংঘাতৰ কাৰক হ'ল এচাম বৌদ্ধিক সংৰক্ষণশীল, জাতীয়তাবাদী আৰু ৰাজনৈতিক মৌলবাদীৰ মাজত কাৰণ তেওঁলোকে বিচাৰিছিল দুখীয়া আৰু গ্ৰামীণ জনতাৰ বাবে ঐতিহ্য জড়িত থকা এক সংস্কৃতি। কিন্তু কবিসকল মধ্যবিত্ত, বিশ্ববিদ্যালয় আৰু বৃত্তিগত শ্ৰেণীৰ আধুনিক পশ্চিমীয়া শিক্ষাৰে শিক্ষিত গোষ্ঠীৰ প্ৰতি সমভাবাপন্ন আছিল। ঘৰত ইংৰাজী এটা অন্যতম ভাষা হিচাপে ব্যৱহাৰ হোৱা পৰিয়ালত তেওঁলোক ডাঙৰ-দীঘল হৈছিল, ভাল ইংৰাজী স্কুলত পঢ়িছিল আৰু সহজেই ইংৰাজী ভাষা আৰু সাহিত্যৰ প্ৰতি আকৰ্ষিত হৈছিল। হিন্দীভাষী জনতা বা পাৰ্চী, গোৱানীজ কেথলিকসকলৰ প্ৰতি তেওঁলোকৰ আছিল স্বাভাৱিক বিকৰ্ষণ। পূৰ্বসূৰীসকলৰ দৰে কিছু লেখকে দেশৰ বাহিৰতে স্থায়ীভাৱে বসতি কৰিলে আৰু কিছুসংখ্যকে দেশলৈ প্ৰত্যাৱৰ্তন কৰি ভাৰতীয় কবিতা ইংৰাজীত লিখি তাৰ বিকাশত ব্ৰতী হ'ল।

ইংৰাজী ভাষাত কবিতা লিখা অগ্ৰজসকলৰ ভিতৰত নিছিম ইজিকিল, কা চি কাট্ৰক, শ্ৰীনিবাস ৰায়াপল আৰু কেশৱ মালিক দেশলৈ প্ৰত্যাগমন কৰাসকলৰ ভিতৰত অন্যতম। ডম মৰেজ, আছিল জুছাৱালা, আৰ পাৰ্থসাৰথি পঢ়া-শুনা কৰিবলৈ ইংলেণ্ডতে ৰৈ গ'ল আৰু এটা সময়ত ভগ্ন মনোৰথ হৈ ঘূৰি আহিল। জি এছ শৰৎচন্দ্ৰা আৰু এ কে ৰামানুজনে আমেৰিকাৰ নাগৰিকত্ব গ্ৰহণ কৰিলে।

যাঠিৰ দশকৰ প্ৰাৰম্ভণিতে ইজেকিয়েলৰ সৃষ্টিৰাজি মূলতঃ 'ইলাচট্ৰেটেদ উইক্লি অৱ ইণ্ডিয়া' আৰু 'কুৱেষ্ট' আলোচনীত কেন্দ্ৰীভূত হৈছিল আৰু সেইসমূহে সমসাময়িক কবিতাৰ সংকলনসমূহত ঠাই লৈছিল। নিছিম ইজেকিয়েল আছিল প্ৰখ্যাত ইংৰাজী ভাষাত লিখা ভাৰতীয় কবি। তেওঁ ইংৰাজীত লিখা ভাৰতীয় কবিতাক আধুনিক ৰূপ দিয়াত আগৰণুৱাৰ ভূমিকা লৈছিল। তেওঁৰ পেশাত এক সাহসিক মাত্ৰা প্ৰদান কৰি গভীৰতালৈ গৈ তেওঁৰ ক্ষেত্ৰখনত সাহিত্যকৃতিৰ চমকপ্ৰদ উত্থান আনিছিল। এজন কবি হিচাপে কবিতাৰ প্ৰসাৰৰ বাবে নিজৰ ব্যক্তিগত স্বাৰ্থক আওকাণ কৰি, অদম্য উৎসাহেৰে কাম কৰিছিল। তেওঁ আনৰ সৃষ্টিৰাজিক প্ৰকাশ কৰাৰ উপৰিও, আলোচনী সম্পাদন কৰা, সাহিত্যৰ সংস্থাসমূহৰ বিষয়-বাব চলোৱা, প্ৰকাশন গোষ্ঠীসমূহক পৰামৰ্শ দিয়া আৰু কবিসকলৰ প্ৰজন্মবোৰক সহায় আৰু দিশ দেখুওৱাৰ কামত ব্ৰতী হৈছিল।

ষাঠিৰ দশকৰ শেষৰ ফালে ভাৰতত কেইবাটাও কবিতাৰ ক্লাছিক সংকলন ওলোৱাৰ উপৰিও ৰামানুজন, কমলা দাস, গ্ৰিড পেটেল জুছাৱালা আদি বহু কবিয়ে ভূমুকি মাৰিছিল। এইসকলে দেশ আৰু বিদেশৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। অনান্য উল্লেখযোগ্য কবিসকল আছিল পাৰ্থসাৰথি, অৰবিন্দ কুমাৰ মেহৰোত্ৰা, কোলাটকাৰ, দিলীপ চিত্ৰে আৰু প্ৰীতিশ নন্দী। ইয়াৰ পাচতে কবিতাপ্ৰেমীৰ মাজলৈ আহিল কে কে দাৰুৱালা, শিন কুমাৰ আৰু জয়ন্ত মহাপাত্ৰ।

প্ৰতিটো দশক বাগৰাৰ লগে লগে ভাৰতীয় ইংৰাজী কবিতাত ভাৰতীয় ভাবধাৰাৰ প্ৰভাৱ মন কৰিবলগীয়া। কবিতাই চৌপাশৰ জীৱনধাৰণৰ পৰিৱেশ আৰু সম্বন্ধৰ কথা তুলি ধৰে। ইজিকিলৰ 'দ্য নাইট অব্ দি স্কৰপিয়ন', কমলা দাসৰ 'গ্ৰেণ্ডমাদাৰচ্ হাউচ' আৰু ৰামানুজনৰ 'এক্সটেনডেড ফেমিলী' ভাৰতীয় সামাজিক বিষয়বস্তুৰ বিস্তৃত বৰ্ণনাৰে সমৃদ্ধ আৰু সেইবাবেই বৰ্তমানৰ কবিতাসমূহ বিষয়বস্তুৰ ভিন্নতা আৰু সামাজিক অৱস্থিতিৰ বাবে অধিক মনোগ্ৰাহী।

প্ৰাৰম্ভণিতে আধুনিক কবিসকল বৃটিছ আৰু কিছু ইউৰোপীয়ান ভাবধাৰাৰ প্ৰতি আকৰ্ষিত হৈছিল। কিন্তু লাহে লাহে বিশ্বসাহিত্য, দক্ষিণ আমেৰিকান আৰু পুৰণি ভক্তিমূলক স্তুতিবিলাকে সজাগতা বৃদ্ধি কৰিলে। দেশে স্বাধীনতা লাভ কৰাৰ সময়ত কুৰি শতিকাৰ দুই আধুনিক কবি টি এচ এলিয়ট আৰু এজৰা পাউণ্ডৰ কৌশল আৰু থিমবোৰ অনুকৰণ কৰি কবিতালৈ নতুন ধাৰা এটা আনিলে। কবিসকলৰ লিখাত ইংৰাজী ব্যৱহাৰ কৰিবলৈ তেওঁলোকক অনুপ্ৰাণিত কৰিছিল শিক্ষা আৰু আঞ্চলিক ভাষাৰ কবিতাই। কমলা দাসৰ মতে যেতিয়া তেওঁ ইংৰাজীত লিখা আৰম্ভ কৰিছিল সেই সময়ত মালয়ালম ভাষাত আধুনিক কবিতা নাছিলেই।

আঞ্চলিক ভাষাবোৰৰ পৰা অনূদিত কবিতাবোৰৰ প্ৰসাৰত কবিসকলৰ অংশগ্ৰহণো লক্ষ্য কৰিবলগীয়া। উদাহৰণস্বৰূপে ৰামানুজনৰ পৌৰাণিক আৰু মধ্যযুগৰ তামিল আৰু কানাড়া সাহিত্যৰ; মহাপাত্ৰৰ আধুনিক ওৰিয়া আৰু নন্দীৰ বাংলা আৰু মেহৰোত্ৰাৰ হিন্দী সাহিত্য। অপৰাধবোধ, যৌনতা, উচ্চাকাংক্ষা, পুৰণি বিদ্ৰোহৰ সোঁৱৰণি, সংঘাত, শৈশৱ, প্ৰেম ইত্যাদিৰ মুক্ত সহযোগী কবিতাৰ ধাৰাটো আমেৰিকাত আৰম্ভ হৈছিল পঞ্চাশৰ প্ৰাৰম্ভণিতে যিটো বিশ্বজুৰি ব্যাপ্ত হৈছিল ষাঠিৰ দশকত। ভাৰতীয় কবিতাত সদায়ে আছিল স্বীকাৰোক্তিমূলক এটা ধাৰা যিটো ইজিকিলৰ কবিতাত প্ৰস্ফুটিত হৈছিল তেওঁৰ জীৱনৰ আঙ্গিক আৰু পৰিৱৰ্তনৰ এটা ইচ্ছাবোধ। আনহাতে কমলা দাসৰ আছিল অতি আবেগিক, নিজকে উন্মুক্ত কৰি দিব পৰা মেজাজী কবিতা। তেওঁ মুক্তভাৱে পৰস্পৰ বিৰোধী আবেগ, মূল্যবোধ আৰু আশাৰ ওপৰত সংপৃক্ত নোহোৱাকৈ লিখিছিল। যি কি নহওক ইজিকিলৰ কবিতাত ৰচা আত্মানুসন্ধান কমলা দাসৰ কবিতাত এক ব্যৱধান হিচাপে পৰিস্ফুট হৈছিল য'ত তেওঁৰ ব্যক্তিগত জীৱনো কবিতাৰ উপজীব্য হৈছিল।

অনুজ কবিসকল বহু পৰিমাণে স্বঘোষিত কিন্তু আত্মিক ভাৱে একে অস্পষ্ট অতিবাস্তৱ গীতধৰ্মী কবিতাৰ ৰচক জয়ন্ত মহাপাত্ৰৰ অনুৰাগী। তেওঁ অনুপ্ৰাণিত হৈছিল আমেৰিকাত মুক্ত ক্ষেত্ৰৰ কবিতা লিখা ৰবাৰ্ট ব্লাই আৰু জেমছ ৰাইটৰ দ্বাৰা। মহাপাত্ৰৰ 'ডন এট পুৰী', 'হাঙ্গাৰ'ত প্ৰতিফলিত হৈছে প্ৰাকৃতিক জগতখনৰ অস্পষ্টা, দোষবোধ, ব্যৰ্থতা আৰু কিঞ্চিত আশাৰ অনুৰণন। আকৰ্ষণীয় আৰু সচৰাচৰ আকৃতি, অনুভৱ আদিৰে গুঞ্জন উঠিছে কবিৰ মনত।

ভাৰতীয় ইংৰাজী কবিতাৰ শিপাই বাৰুকৈ পোখা মেলিছে। প্ৰাৰম্ভণিতে কম যদিও পাঠকৰ সংখ্যাও বহু বেছি হ'ল আৰু ই নিশ্চিতভাৱে বাঢ়ি যাব। জাতীয় মুক্তি আন্দোলনৰ ফলশ্ৰুতি নব্য সংস্কৃতিৰ এক অংগ ভাৰতীয় ইংৰাজী কবিতা।

●

প্ৰবন্ধ

# মৃত্যুলৈ ষাঠি মিনিট! পথ দুৰ্ঘটনা আৰু আমাৰ কৰণীয়

**ডাঃ উৎপল কুমাৰ তামুলী**

চকাৰ আৱিষ্কাৰ, বিৱৰ্তন আৰু তাৰ লগে লগে যান-বাহনৰ প্ৰচলন মানৱ সভ্যতাৰ এক চমকপ্ৰদ সাফল্য। সময়ৰ লগে লগে মানুহে টনা, গৰুগাড়ী, ঘোঁৰাচালিত বাহনৰ পৰা ইঞ্জিনচালিত যান-বাহনৰ প্ৰচলন হয়। ইয়াৰ সমান্তৰালকৈ ৰোমান সম্ৰাটসকলৰ দিনৰ পৰাই বাট-পথ বিজ্ঞানসন্মতভাৱে উন্নীতকৰণ আৰম্ভ হয়। যোৱা পঞ্চাশ বছৰত ভাৰতবৰ্ষতো অৰ্থনৈতিক উদাৰীকৰণ, বেংক আদিৰ পৰা সহজলভ্য ঋণৰ যোগান আৰু ইঞ্জিনচালিত গাড়ীমটৰ বিভিন্ন কোম্পানীৰ দ্বাৰা প্ৰস্তুতকৰণৰ বাবে অত্যধিক মাত্ৰাত যান-বাহনৰ প্ৰচলন আৰম্ভ হয়। প্ৰাৰম্ভিক অৱস্থাত যান-বাহনৰ সুচলতাৰ বাবে যাতায়াত ব্যৱস্থাৰ আমূল পৰিৱৰ্তন হয়। কিন্তু সময়ৰ সোঁতত যান-বাহনৰ সংখ্যা ইমান বাঢ়ি গ'ল যে ই চহৰবিলাকৰ লগতে গাঁও ভূঁইবোৰতো যান-যঁটৰ সমস্যা সৃষ্টি কৰিব ধৰিলে। অত্যধিক গতিবেগসম্পন্ন ইঞ্জিনচালিত বাহনৰ লগত চালক আৰু পথযাত্ৰীৰ মানসিক ভাৰসাম্যৰ তাৰতম্য হোৱাৰ বাবে পথ দুৰ্ঘটনাৰ সংখ্যা বাঢ়ি আহিব ধৰিলে আৰু আজিৰ তাৰিখত পথ দুৰ্ঘটনা এক বৃহৎ জনস্বাস্থ্য বিপত্তিত (Public Heath Hazard) পৰিণত হৈ পৰিছে। আলোচনাটি আগবঢ়াই নিয়াৰ আগতে পথ দুৰ্ঘটনাৰ লগত সংগতি ৰখা কিছু গুৰুত্বপূৰ্ণ তথ্য জানি লোৱাৰ প্ৰয়োজন।

(১) পৃথিৱীৰ বিভিন্ন দেশত প্ৰতি বছৰে পথ দুৰ্ঘটনাৰ ফলত প্ৰায় তেৰ লাখ লোকৰ মৃত্যু হয়। ভাৰতবৰ্ষত এই পৰিসংখ্যা প্ৰায় ১ লাখ চল্লিশ হাজাৰ।

(২) প্ৰতিজন মৃত ব্যক্তিৰ অনুপাতত চাৰিজনকৈ লোক এনেদৰে আঘাতপ্ৰাপ্ত হয় যে তেওঁলোকৰ কিছু শাৰীৰিক অক্ষমতা গোটেই জীৱনলৈ ৰৈ যায়।

(৩) পথ দুৰ্ঘটনাৰ প্ৰায় ৫৯% পোন্ধৰৰ পৰা পঞ্চলিচ বছৰৰ ভিতৰৰ লোক। মন কৰিবলগীয়া কথা এয়েই যে এইসকল পৰিয়ালৰ ভৰণ-পোষণৰ দায়িত্বত থকা লোক। সেয়েহে তেওঁলোকৰ মৃত্যু বা শাৰীৰিক অক্ষমতাই পৰিয়াল তথা

সমাজখনত আৰ্থিক নাটনি সৃষ্টি কৰাটো স্বাভাৱিক।

(৪) প্ৰতি তিনি মিনিটৰ মূৰে মূৰে পৃথিৱীৰ কোনোবা প্ৰান্তত পথ দুৰ্ঘটনাৰ বাবে একোজন লোকৰ মৃত্যু হৈ আছে।

(৫) পথ দুৰ্ঘটনাৰ বাবে প্ৰতিখন দেশৰ জনমূৰি আয়ৰ ১-৩ শতাংশ খৰচ হয়। ভাৰতবৰ্ষত এই পৰিমাণ প্ৰায় ১২ লাখ কোটি টকা।

(৬) বিশ্ব স্বাস্থ্য সন্থাৰ মতে ২০১৫ চনত পৃথিৱীত মৃত্যুৰ মুখ্য কাৰণবোৰৰ ভিতৰত পথ দুৰ্ঘটনা ৯ নম্বৰ স্থানত আছিল। ২০৩০ চনত ই পঞ্চম স্থান পাব বুলি নিশ্চিত হৈছে।

উক্ত তথ্যখিনিৰপৰা এটা কথা পৰিষ্কাৰ হৈ পৰিছে যে পথ দুৰ্ঘটনা ব্যক্তি, পৰিয়াল, সমাজ আৰু দেশৰ বাবে এক ভয়ানক ৰূপ লোৱাৰ দিশে আগবাঢ়িছে।

আমাৰ আলোচনাটো নিম্নোক্ত পাঁচটা বিষয়ত বিশ্লেষণ কৰিবলৈ চেষ্টা কৰা হ'ল।

(১) পথ দুৰ্ঘটনাৰ কাৰণসমূহ।

(২) পথ দুৰ্ঘটনাত পতিত হৈ কিয় আৰু কেতিয়া লোকৰ মৃত্যু হয়।


(৩) পথ দুৰ্ঘটনা ৰোধ কৰা বা কমোৱা সম্ভৱনে?

(৪) দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত লোকক বিভিন্ন স্তৰত আৰু স্থানত কেনেদৰে চিকিৎসা কৰা হয়।

(৫) আমাৰ সন্থা ACADEMY OF TRAUMA ৰ দ্বাৰা আগবঢ়োৱা কিছু প্ৰচেষ্টা।

**পথ দুৰ্ঘটনাৰ কাৰণসমূহ ঃ**

ভাৰতবৰ্ষৰ National Crime Bureau আৰু Ministry of Road Transport & Highway(MORTH)ৰ বিশ্লেষণ অনুসৰি পথ দুৰ্ঘটনা হোৱাৰ মূল কাৰণ হৈছে যান-বাহনৰ চালকসকল। তাৰ বিপৰীতে চাইকেল চালক, পদযাত্ৰী, ত্ৰুটিপূৰ্ণ বাটপথ ইত্যাদিৰ কাৰণসমূহ




তুলনামূলকভাৱে বহু কম।

**পথ দুৰ্ঘটনাত পতিত হৈ কিয় আৰু কেতিয়া লোকৰ মৃত্যু হয়**

দুৰ্ঘটনাৰ ফলত কেতিয়া আৰু কেনেকৈ মানুহৰ মৃত্যু হয় এই বিষয়ে বিভিন্ন দেশত বিভিন্ন সময়ত অসংখ্য অন্বেষণ হৈ আছে আৰু সেইবোৰৰ বিশ্লেষণ কৰি মুখ্যতঃ তিনিটা গোটত বা group ত ভাগ কৰা হৈছে।

(ক) প্ৰথম গোট— কিছু সংখ্যক প্ৰায় ৪৫-৫০% লোকৰ ঘটনাৰ কিছু ছেকেণ্ড বা মিনিটৰ ভিতৰত মৃত্যু হয়। এই বৃহৎ সংখ্যক লোক হস্পিতাল আহি পোৱাৰ আগতে মৃত্যু হয় বা কোনো ধৰণৰ প্ৰাথমিক চিকিৎসাও নাপায়। চিকিৎসা বিজ্ঞানত ইয়াক Brought Dead বুলিও কয়। শৰীৰৰ ওপৰেদি গধুৰ যান-বাহন পাৰ হৈ গ'লে শৰীৰৰ আভ্যন্তৰীণ বহু অংগ ফাটি যায়। শৰীৰৰ মূল ৰক্তবাহী নলী (AORTA) বা হৃদপিণ্ড (Heart) ফাটি অত্যধিক ৰক্তক্ষৰণ হয়, নাইবা গাড়ীৰ চেপাত মস্তিষ্ক সম্পূৰ্ণভাৱে থেতেলি যায় (Compound brain injury) - যাৰ ফলত আঘাতপ্ৰাপ্ত লোকজনৰ তৎক্ষণাৎ মৃত্যু হয়।

(খ) দ্বিতীয় গোট– এইসকল লোকৰ মৃত্যু ঘটনা সংঘটিত হোৱাৰ কিছু মিনিট বা ঘণ্টাৰ পিছত হয়। এই সংখ্যাও প্ৰায় ৪৫-৫০%। চিকিৎসা বিজ্ঞানীসকলৰ বাবে এই গোটটো আটাইতকৈ দৰকাৰী। কাৰণ দুৰ্ঘটনাস্থলীত প্ৰাথমিক চিকিৎসা, এম্বুলেঞ্চেৰে হস্পিতাললৈ অনাৰ সময়ত পেৰামেডিকেলৰ প্ৰকৃত যত্ন আৰু হস্পিতাল আহি পোৱাৰ পিছত বিজ্ঞানসন্মতভাৱে প্ৰকৃত চিকিৎসা আগবঢ়ালে এইখিনি লোকক মৃত্যুমুখৰপৰা ঘূৰাই আনিব পাৰি। শ্বাসনলী বন্ধ হৈ উশাহ ল'ব নোৱাৰিলে, হাওঁফাওঁৰ আঘাতৰ বাবে উশাহ-নিশাহৰ প্ৰক্ৰিয়া গুৰুতৰভাৱে ব্যাহত হ'লে, শৰীৰৰ Liver, Spleen ফাটি অত্যধিক ৰক্তক্ষৰণ হ'লে, উৰুৰ হাড় ভাঙি বাহিৰলৈ ওলাই আহিলে- ৰোগীসকল গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়।

(গ) তৃতীয়গোট— দুৰ্ঘটনাৰ কিছুদিন বা সপ্তাহৰ পিছতো এওঁলোক মৃত্যুমুখত পৰে। দুৰ্ঘটনাৰ লগত জড়িত জটিলতা (Complications), নাইবা এক বা ততোধিক উপসৰ্গ (COMORBID CONDITION) যেনে মধুমেহ ৰোগ, কেন্সাৰৰ লগত যুঁজি থকা লোক নাইবা শৰীৰৰ ৰোগ প্ৰতিৰোধ কৰিব পৰা ক্ষমতা কমি অহা (IMMUNO SUPPRES-

SION) ইত্যাদি কাৰণত এইসকল লোকৰ মৃত্যু হয়। বেছিভাগ ক্ষেত্ৰতে এওঁলোকৰ কোনো ধৰণৰ সংক্ৰামক ৰোগ (INFECTION) হৈ শৰীৰৰ বেলেগ বেলেগ অংগও জড়িত হৈ (MULTI ORGAN FAILURE, SEPTICEMIA) মৃত্যুমুখত পৰে। এই লোকসকলৰ সংখ্যা ২-৩% ।

**পথ দুৰ্ঘটনা ৰোধ কৰা বা কমোৱা সম্ভৱনে ?**

উপৰিউক্ত কাৰণসমূহ বিশ্লেষণ কৰি চালে দেখা যায় যে দ্বিতীয় আৰু তৃতীয় গোটৰ লোকৰ মৃত্যুৰ সংখ্যা কমোৱাটো চিকিৎসক আৰু স্বাস্থ্যকৰ্মীসকলৰ বাবে এটা বিৰাট ডাঙৰ প্ৰত্যাহ্বান। পঞ্চাশ ষাঠি বছৰৰ আগলৈ চিকিৎসকসকলে দুৰ্ঘটনাত পতিত লোকক যিদৰে চিকিৎসা কৰিছিল, তাৰ তুলনাত এতিয়াৰ চিকিৎসা প্ৰণালীৰ আমূল পৰিৱৰ্তন হৈছে। ১৯৭০ চনত আমেৰিকাৰ নাব্ৰাছকাৰ এজন অস্থিশল্য চিকিৎসকে (ORTHOPAEDIC SURGEON) এক দুৰ্ঘটনাত তেওঁৰ পত্নী আৰু দুটা ল'ৰা-ছোৱালীক হেৰুৱায়। তেওঁ উপলব্ধি কৰিছিল যে তেওঁৰ পত্নী আৰু সন্তান দুজনে প্ৰান্তস্থ চিকিৎসালয়ত (PERIPHERAL HOSPITAL) যি ধৰণৰ চিকিৎসা পাব লাগিছিল সেয়া নাপালে। তাৰ পিছতেই তেওঁ লগৰ কিছু চিকিৎসাকৰ্মীক লৈ দুৰ্ঘটনাত পতিতসকলৰ চিকিৎসাৰ বাবে এক বিশেষ পদ্ধতিৰ আৰম্ভণি কৰে। প্ৰায় ৫ বছৰমানৰ মূৰত আমেৰিকাত এই পদ্ধতিৰ বিস্তাৰ হয় যাক ATLS PROTOCOL বুলি কয় (ADVANCED TRAUMA LIFE SUPPORT)। এই পদ্ধতিৰ মতে Trauma Patients are injured  patients caused by accidents or disasters who need urgent diagnosis and prompt treatment by a team of health care professionals in the evidenced based protocol to reduce death and disabilities"।

এই পদ্ধতিৰ মতে বিজ্ঞানসন্মতভাৱে প্ৰস্তুত কৰা পদ্ধতিৰ অনুকৰণ কৰি তাৎক্ষণিকভাৱে স্বাস্থ্য নিৰূপণ আৰু চিকিৎসা আগবঢ়ালে মৃত্যু আৰু শাৰীৰিক অক্ষমতাৰ সংখ্যা কমাব পাৰি।

এই চিকিৎসাৰ মূলমন্ত্ৰ হৈছে অলপ সময়ৰো অপচয় নকৰি চিকিৎসা প্ৰদান কৰা। সেয়েহে আঘাতপ্ৰাপ্তৰ চিকিৎসাৰ ক্ষেত্ৰত প্ৰথম ঘণ্টাক 'সোণালী ঘণ্টা' (Golden Hour) আৰু প্ৰথম দহ মিনিটক PLATINUM TEN MINUTES বুলিও কয়।

আমেৰিকাত আৰম্ভ হোৱা ATLS SYSTEM ৰ ব্যৱহাৰৰ ফলত সুফল লাভ কৰা আৰম্ভ হ'ল আৰু ATLS SYSTEM ৰ বিস্তাৰ আৰু সম্প্ৰসাৰণো আৰম্ভ হ'ল, আজিৰ তাৰিখত পৃথিৱীৰ প্ৰায় দুশ দেশত এই পদ্ধতিৰ প্ৰচলন আৰম্ভ হৈছে। ভাৰতবৰ্ষতো প্ৰায় ১৫-২০ বছৰ মানৰপৰা আৰম্ভ হৈছে যদিও প্ৰান্তীয় চিকিৎসালয়বোৰ এতিয়াও এই পদ্ধতিয়ে ছুই যোৱা নাই। তাৰ লগে লগে যিবোৰ বিশেষ Instrument বা ঔষধৰ যোগান হস্পিতালবোৰত থাকিব লাগে, সেয়াও হৈ উঠা নাই। চিকিৎসা মহাবিদ্যালয়বোৰত ছাত্ৰ-ছাত্ৰীক EMERGENCY MEDICINE আৰু ATLSৰ শিক্ষা দিয়াৰ যথেষ্ট গুৰুত্ব আছে। অনাগত দিনত তেতিয়াহে ইয়াৰ সুফল দেখা পোৱা যাব। এই প্ৰবন্ধত ATLS সম্পৰ্কে সম্পূৰ্ণকৈ লিখা সম্ভৱ নহয়।

পথ দুৰ্ঘটনাত পতিত হৈ মৃত্যু হোৱা প্ৰথম গোটটোৰ লোকসকল হস্পিতাল আহি নাপায়, গতিকে পথ সুৰক্ষাৰ নিয়ম কানুন মানি দুৰ্ঘটনা সংঘটিত নোহোৱা কৰা বা কমোৱাটোৱেই প্ৰকৃত উপায়। ইয়াৰ বাবে জনসাধাৰণৰ সজাগতা, ড্ৰাইভাৰবিলাকৰ প্ৰকৃত প্ৰশিক্ষণ আৰু Licence দিয়া ব্যৱস্থা, ৰাস্তাঘাটৰ উন্নতিকৰণ, গাড়ী মটৰৰ কাৰিকৰী দিশবোৰ সময়মতে চোৱাচিতা কৰা, খোজ কাঢ়োঁতে ল'বলগীয়া সাৱধানতা ইত্যাদি বিষয়তেই গুৰুত্ব প্ৰদান কৰিব লাগিব।

পথ সুৰক্ষাৰ বাবে পৃথিৱীৰ বহুত উন্নত দেশে বিশেষ নিয়মাৱলী প্ৰস্তুত কৰিছে। আৰু তাৰ লগে লগে পথ দুৰ্ঘটনাৰ সংখ্যা প্ৰায় ২১-২৯ শতাংশ কমা বুলি দাবী কৰিছে। ভাৰতবৰ্ষতো Ministry of Road Transport and HiGHWAY (MORTH)ৰ অন্তৰ্গত পথ সুৰক্ষাৰ বাবে '4E Method' প্ৰয়োগ আৰম্ভ কৰিছে। '4E হৈছে Education of people (ৰাইজৰ মাজত পথ সুৰক্ষাৰ সজাগতা), Enforcement of Road Safety Laws (পথ সুৰক্ষাৰ আইনী ব্যৱস্থাৰ প্ৰয়োগ), Engineering of Roads and Vehicle (পথ আৰু গাড়ীমটৰৰ অভিযান্ত্ৰিক নিয়মীয়া কৰা) আৰু EMERGENCY MEDICAL CARE (আকস্মিক চিকিৎসা সেৱাৰ প্ৰৱৰ্তন)।

পৰিসংখ্যাগতভাৱে বিশ্লেষণ কৰিলে দেখা গৈছে যে প্ৰায় ৭০% পথ দুৰ্ঘটনা গাড়ী মটৰৰ চালকৰ দোষৰ বাবেই সংগঠিত হয়। এই সংখ্যা কমাবৰ বাবে পাঁচটা বিষয়ত বিশেষ গুৰুত্ব দিয়া হৈছে। গতিবেগ নিয়ন্ত্ৰণ, মটৰ চাইকেল চালকৰ হেলমেট পৰিধান, গাড়ী চালকৰ লগতে আন সকলে Seat Belt লগোৱা, মদ্যপান কৰি গাড়ী নচলোৱা আৰু গাড়ী চলোৱাৰ সময়ত মোবাইল ফোনৰ ব্যৱহাৰ নকৰা। ইতিবাচক কথাটো হৈছে যে ভাৰতবৰ্ষৰ লগতে অসমতো এই নিয়মবোৰ মানি চলিবলৈ ৰাইজৰ মাজত সজাগতা বৃদ্ধি হোৱা দেখা গৈছে। গুৱাহাটী আৰু অসমৰ দুই এখন চহৰতো Traffic Police ৰ দ্বাৰা পথ সুৰক্ষাৰ নিয়মবোৰ মানি চলিবৰ বাবে গুৰুত্ব দিয়া দেখা গৈছে।

**পথ দুৰ্ঘটনাত আহত লোকৰ বিভিন্ন স্তৰত চিকিৎসা ব্যৱস্থা ঃ**

তিনিটা স্তৰত পথ দুৰ্ঘটনাত আঘাতপ্ৰাপ্তসকলক সহায় আৰু চিকিৎসাৰ দৰকাৰ। ঘটনা সংঘটিত হোৱা ঠাইত এম্বুলেন্স বা অইন যান-বাহনত ৰোগীক চিকিৎসালয়লৈ নিয়াৰ সময়ত আৰু হস্পিতালৰ আকস্মিক বিভাগত। দুৰ্ঘটনা হোৱা ঠাইত প্ৰাথমিক চিকিৎসাৰ (First aid)প্ৰশিক্ষণপ্ৰাপ্ত লোক থাকিলে প্ৰকৃত সহায় আগবঢ়াব পাৰি- এইসকলক First Responder বুলিও কোৱা হয়। এখেতসকল সমাজৰ যি কোনো লোক হ'ব পাৰে যেনে শিক্ষক, ছাত্ৰ, যানবাহনৰ দায়িত্বত থকা পুলিচ কৰ্মী, Volunteer, অগ্নি নিৰ্বাপক বাহিনীৰ লোক ইত্যাদি। আঘাতপ্ৰাপ্তজনক যান-বাহন খনৰ পৰা উলিয়াই এক বিপদমুক্ত পৰিৱেশত প্ৰাথমিক চিকিৎসা প্ৰদান কৰা আৰু যিমান সোনকালে পাৰি চিকিৎসালয়লৈ স্থানান্তৰ কৰি উপযুক্ত চিকিৎসাৰ ব্যৱস্থা কৰোৱাটোৱেই First Responderৰ মুখ্য দায়িত্ব।

পথ দুৰ্ঘটনাত ক্ষয়-ক্ষতি, মৃত্যু ইত্যাদি কেইবাটাও গুৰুত্বপূৰ্ণ গুণনীয়ক(Factor)ৰ ওপৰত নিৰ্ভৰ কৰে। যেনে দুৰ্ঘটনাত পতিত লোকৰ সংখ্যা, দুৰ্ঘটনাৰ ভয়াবহতা, স্থান, কাল, স্থানান্তৰিত কৰিব পৰা ব্যৱস্থা, ঘটনাস্থলীৰ পৰা চিকিৎসালয়লৈ দূৰত্ব, প্ৰশিক্ষণপ্ৰাপ্ত লোকৰ উপস্থিতি, পেৰামেডিকেল বা এম্বুলেন্সৰ সুবিধা ইত্যাদি।

First Responderজনে অতি ক্ষিপ্ৰতাৰে আৰু সুসংহতভাৱে দুৰ্ঘটনাৰ ঠাইখিনি আৰু পৰিস্থিতি গুৰুত্ব সহকাৰে বিশ্লেষণ কৰি চাব লাগে। তেওঁ সদায় নিজে কাম কৰোঁতে নিজৰ সুৰক্ষা প্ৰথমতে নিশ্চিত কৰিব আৰু আশে-পাশে থকা আন লোকসকলৰো সুৰক্ষাৰ ব্যৱস্থা কৰিব। মন কৰিবলগীয়া কথা যে জুই, পানী, ৰাষ্ট্ৰীয় ঘাই পথৰ সোঁমাজত, বিদ্যুৎ পৰিবাহী তাঁৰৰ ওচৰত, পাহাৰ খহি পৰা ঠাইত, আইনাৰ ভগাছিঙা টুকুৰাৰ মাজত কোনেও সুৰক্ষিত নহয়। সেয়েহে, নতুনকৈ যাতে আৰু একো দুৰ্ঘটনা নঘটে, বা আগতে সংঘটিত ঘটনা এটাৰ যাতে আৰু অৱনতি নঘটে তাৰ প্ৰতি লক্ষ্য ৰাখি ঘটনাস্থলী আৰু প্ৰাথমিক চিকিৎসা দিবলগীয়া পৰিৱেশ বিপদমুক্ত কৰি ল'ব লাগে।

গাড়ী মটৰৰ ভিতৰৰপৰা আঘাতপ্ৰাপ্তসকলক যিমান সোনকালে পাৰি উলিয়াই আনিব লাগে। গাড়ীৰ ক্ষয়-ক্ষতি অনুসৰি কেতিয়াবা সহজে উলিয়াই আনিব পাৰি যদিও কেতিয়াবা গাড়ীৰ দৰজা আৰু আইনা ভাঙিও আঘাতপ্ৰাপ্তক উদ্ধাৰ কৰিব পাৰে। সদায়ে মনত ৰখা উচিত যাতে উদ্ধাৰ কাৰ্য্যৰ সময়ত আঘাতপ্ৰাপ্তৰ জখম বাঢ়ি নাযায়। বিশেষকৈ ডিঙিৰ পিছফালে থকা ৰাজহাড় (Cervical Spine) যাতে ভাঁজ নাখায় বা বেকা নহয় তাৰ প্ৰতি বিশেষ গুৰুত্ব দিব লাগে। ডিঙিৰ পিছফালৰ ৰাজহাড়ৰ মাজেৰে আমাৰ Spinal Cord ডাল সোমাই আছে। Spinal Cord ডাল ছিঙি গ'লে স্থায়ীভাৱে চাৰিওখন হাত ভৰি লৰচৰ কৰিব নোৱৰা হয়।

আঘাতপ্ৰাপ্তজনক প্ৰয়োজনীয় চিকিৎসা দিবৰ বাবে ততাতৈয়াকৈ তেওঁৰ অৱস্থা নিৰূপণ কৰি ল'ব লাগে। প্ৰথম কথা হৈছে তেওঁৰ জ্ঞান বা চেতনা আছে নে নাই এই কথা জানিবলৈ দুই এটা সহজ প্ৰশ্ন কৰিব লাগে- যেনে আপোনাৰ নাম কি, ঘৰ ক'ত ইত্যাদি। যদি তেওঁৰ বা তেওঁৰ চৌপাশে কি হৈ আছে সেই সম্পৰ্কে সম্পূৰ্ণ সজাগ, তেনেহ'লে তেওঁ সম্পূৰ্ণ চেতন (Fully conscious ) অথবা সজাগ (Alert) অৱস্থাত থকা বুলি কোৱা হয়। সজাগ অৱস্থাত থকা লোকজনক সহজে চিনাক্তকৰণ কৰা সম্ভৱ আৰু প্ৰয়োজনবোধে তেওঁৰ প্ৰাথমিক চিকিৎসাও তৎক্ষণাৎ আৰম্ভ কৰিব পাৰি।

কিন্তু আঘাতপ্ৰাপ্তজন যদি অজ্ঞান বা অচেতন হৈ পৰে তেওঁৰ চিকিৎসা তৎক্ষণাৎ আৰম্ভ কৰিব লাগে। আমি জনা উচিত যে শৰীৰৰ সমস্ত কোষ(Cell )বোৰক কাম কৰি থাকিবলৈ অক্সিজেনৰ প্ৰয়োজন। আমাৰ মস্তিষ্ক (Brain)ৰ

ক্ষেত্ৰতো এই কথা প্ৰযোজ্য। মস্তিষ্কৰ কোষবোৰত যদি ৩-৪ মিনিটলৈ অক্সিজেনৰ অভাৱ হয়, মানুহজন অজ্ঞান হৈ পৰে, উশাহ-নিশাহ বন্ধ হৈ পৰিব পাৰে আৰু কলিজাৰ কঁপনিও চিৰদিনৰ বাবে নাইকিয়া হৈ মৃত্যুমুখত পৰিব পাৰে। এনে ক্ষেত্ৰত আমি তৎক্ষণাৎ উজ্জীৱন প্ৰথা (Resuscitation) আৰম্ভ কৰিব লাগে। মগজুৰে অক্সিজেন ঠিকমতে পাই থকাৰ মূলতে তিনিটা মূল উপাদান আছে। সেইয়া হৈছে উশাহ-নিশাহৰ মুকলি পথ (Airway), শ্বাস-প্ৰশ্বাস প্ৰক্ৰিয়া (Breathing) আৰু ৰক্তসঞ্চালনৰ প্ৰক্ৰিয়া (Circulation)-- চিকিৎসা বিজ্ঞানত চমুকৈ ইয়াক ABC বুলি কোৱা হয়। মুমূৰ্ষু লোক এজনৰ মস্তিষ্কলৈ নিৰৱচ্ছিন্নভাৱে অক্সিজেন যোগান ধৰাৰ এই প্ৰক্ৰিয়াক CPR (অৰ্থাৎ Cardio Pulmonory Resuscllation) বুলি কোৱা হয়- অৰ্থাৎ কৃত্ৰিমভাৱে শ্বাস-প্ৰশ্বাসৰ প্ৰক্ৰিয়া।

এতিয়া কথা হৈছে Resuscitation আমি কেতিয়া আৰু কেনেকৈ আৰম্ভ কৰিম। সুৰক্ষিত স্থানত আঘাতপ্ৰাপ্তজনক ক্ষিপ্ৰতাৰে পৰীক্ষা কৰক—


(ক) ৰোগীজন অজ্ঞান হৈছে নেকি,

(খ) তেওঁৰ শ্বাস-প্ৰশ্বাস পথ (AIRWAY) মুকলি হৈ আছেনে?

(গ) তেওঁ ঠিকমতে উশাহ-নিশাহ (Breathing) লৈ আছে নে?


(ঘ) তেওঁৰ ৰক্ত সঞ্চালন (Circulation) কেনে?

দুই এটা সহজ প্ৰশ্নৰ সঠিক উত্তৰ নাপালে আমি তেওঁক অচেতন অৱস্থাত আছে বুলি ধৰিব লাগিব। ৰোগীজনে ঠিকমতে উশাহ-নিশাহ নল'লে তেওঁৰ শ্বাসনলী



মুকলি হৈ থকা নাই বুলি সন্দেহ কৰিব লাগে। তেনে অৱস্থাত নিজৰ জিভাখনেই অচেনত অৱস্থাত পিছফাললৈ লুটি খুৱাই শ্বাসনলীৰ বাট বন্ধ কৰি দিয়ে।

প্ৰতিকাৰ হিচাপে তৎক্ষণাৎ ৰোগীৰ থুতুৰিটো এখন হাতেৰে আগফালে ঠেলি দি আনখন হাতেৰে ৰোগীৰ কপালখন পিছলৈ ঠেলি দিলে শ্বাসনলী মুকলি হৈ পৰে।



ইয়াক Chin lift and Head till প্ৰক্ৰিয়া বোলে। অৱশ্যে ডিঙিৰ ওচৰে পাজৰে দুখ পাই থকা বুলি সন্দেহ কৰিলে ৰোগীৰ তলৰ হনু সমুখলৈ টানি আনিব লাগে-Jaw Thrust পদ্ধতি।




ইয়াৰ পিছত মুখৰ ভিতৰত থকা লেলাৱতি, তেজ বা বমিয়েও মুখৰ ভিতৰখন বন্ধ কৰি ৰাখিব পাৰে। সেয়েহে মুখখন খুলি ৰুমাল আদি চাফা কাপোৰেৰে মুখখন চাফা কৰি দিব লাগে। প্ৰায় ৬০-৭০% ক্ষেত্ৰত এই দুই কামৰ দ্বাৰা শ্বাসনলী মুকলি হয়।

ইয়াৰ পিছৰ প্ৰক্ৰিয়া হৈছে শ্বাস প্ৰশ্বাস(Breathing)ৰ পৰীক্ষা কৰা। 'Look, Listen and Feel' পদ্ধতিৰে ইয়াক পৰীক্ষা কৰা হয়। প্ৰাথমিক চিকিৎসা প্ৰদানকাৰীয়ে নিজৰ মুখখন আঘাতপ্ৰাপ্তৰ ওচৰলৈ নিব লাগে। উশাহৰ লগে লগে বুকুখন ঠিক মতে উঠা নমা কৰিছেনে নাই চাওক (Look), ৰোগীৰ উশাহ নিশাহৰ শব্দ শুনিছেনে চাওক (Listen) আৰু নিশ্বাসৰ সময়ত ৰোগীৰ নাক আৰু মুখৰ পৰা স্বাভাৱিকতে ওলোৱা গৰম বতাহ অনুভৱ  (Feel) কৰিছেনে মন কৰক। এই প্ৰক্ৰিয়া কমেও ৫ ছেকেণ্ডৰ বাবে পৰ্য্যবেক্ষণ কৰক আৰু তাৰ পিছতহে শ্বাস-প্ৰশ্বাস নোহোৱা বুলি সিদ্ধান্ত লোৱা উচিত।




ঠিক একেদৰে যদি হৃদপিণ্ডই তেজ সঞ্চালন কৰা বন্ধ কৰি দিয়ে তেন্তে হাতত বা ডিঙিত (CAROTID) পালচ্ অনুভৱ কৰিব নোৱাৰি।

এনে ক্ষেত্ৰত ৰক্তসঞ্চাৰণ কৰিবলৈ কৃত্ৰিম উপায়েৰে Chest Compression বা Cardiac Compression দিব লাগে আৰু তাৰ লগে মুখত মুখ দি (mouth to mouth) কৃত্ৰিম শ্বাস-প্ৰশ্বাস প্ৰক্ৰিয়া চলাব লাগে। ইয়াকেই Cardio Pulmonary Resuscitation বোলা হয়। ১৫ বাৰ Cardiac Compresion দিয়াৰ পিছত দুবাৰ মুখেৰে উশাহ দিব লাগে।



বেছি সময় এজন লোকে এই প্ৰক্ৰিয়া চলাই যোৱাটো সম্ভৱপৰ নহয়- কাৰণ First Responder জন কিছু সময়ৰ ভিতৰতে ভাগৰুৱা হৈ পৰিব। সেয়েহে তেওঁক সহায় কৰিবৰ বাবে দ্বিতীয় বা তৃতীয় ব্যক্তিৰ প্ৰয়োজন হয় যাতে পেৰামেডিকেল আৰু এম্বুলেন্সৰ লোক অহালৈকে তেওঁলোকে CPR চলাই যাবে পাৰে। CPR চলাই থাকিলে কিছুসময়ৰ পিছত যদি পালচ ঘূৰি আহে আৰু উশাহ নিশাহো ৰোগীয়ে নিজে ল'ব পৰা হয়, তেনে অৱস্থাত CPR চলাই দিয়া বন্ধ কৰিব লাগে। CPR শুদ্ধকৈ দিয়া বহুতো Video আজিকালি Internet ৰ যোগেৰে সহজে শিকিব পাৰি।

আকস্মিক চিকিৎসা বিজ্ঞানৰ মূলমন্ত্ৰ হৈছে- First Life, then Limb । সেয়েহে ABC যদিহে ঠিকে আছে নাইবা কৃত্ৰিম উপায়েৰে সুস্থিৰ কৰা হৈছে- তাৰ পিছত হাত ভৰি অন্য ঠাইত হোৱা ৰক্তক্ষৰণ (Haemorhage) বন্ধ কৰা বা কমোৱাৰ গুৰুত্ব আহি পৰে। ৰক্তক্ষৰণ সাধাৰণতে শিৰা উপশিৰা, ধমনী (Artery) বা সৰু সুৰা উপশাখা (Vein) ফাটি বা ছিঙি গ'লে তাৰপৰা তেজ নিৰ্গত হয়।। Capillary বা ৰক্তকোশিকাৰপৰা হোৱা  ৰক্তক্ষৰণ, শিৰাৰপৰা হোৱা ৰক্তক্ষৰণ নাইবা সৰু সুৰা ধমনীৰপৰা হোৱা ৰক্তক্ষৰণ প্ৰতিৰোধ কৰিবলৈ ঠাইডোখৰৰ ওপৰত পৰিষ্কাৰ ড্ৰেছিং লগাই তাৰ ওপৰত হেঁচা প্ৰয়োগ কৰি বেণ্ডেজ বান্ধি দিলে সাধাৰণতে ৰক্তক্ষৰণ বন্ধ হয়। আনহাতে ডাঙৰ ধমনী(ARTERY)ৰপৰা ৰক্তক্ষৰণ বন্ধ কৰিবলৈ য'ৰপৰা ৰক্তক্ষৰণ হৈ আছে তাৰ ওপৰত টানকৈ বান্ধি দিব লাগে (Tourniquet) ।এনে ধৰণৰ বান্ধ এঘণ্টামানৰ পিছত এবাৰ



খুলি দিব লাগে নহ'লে হাত বা ভৰিৰ তলৰ অংশত তেজৰ চলাচল স্থায়ীভাৱে বন্ধ হৈ যাব। দুৰ্ঘটনাত পতিত লোকৰ

সাধাৰণতে হাত বা ভৰিৰ হাড় ভঙা দেখা যায়। হাড় ভাঙিলে সেই ঠাইত যথেষ্ট বিষ অনুভৱ হয়, ফুলি উঠে, ঠাইডোখৰৰ বিকৃতি হ'ব পাৰে (Deformity) আৰু সামান্য লৰচৰ হ'লেই বিষৰ তীব্ৰতা বাঢ়ি যায়। সেয়েহে হাত বা ভৰিখন লৰচৰ কৰিব নোৱৰাকৈ গামোচা, দোপাত্তা, নাইবা বাঁহ বা কাঠৰ সৰু টুকুৰাৰ সহায়ত বান্ধি দিব লাগে। একো নাথাকিলে হাতখন বুকুৰ লগত নাইবা আঘাতপ্ৰাপ্ত ভৰিখন ভাল ভৰিৰ লগত বান্ধি দিব লাগে। ইয়াকেই Temporary Splinting কৰা বোলে। আঘাতপ্ৰাপ্তসকলক কেতিয়াও বহুৱাই দিব নালাগে, অচেতন ব্যক্তিক পানী খুৱাবৰ চেষ্টা কৰিব নালাগে বা অকলে এৰি যৈ যাব নালাগে।



এইখিনি কাম কৰাৰ লগতে ১০৮ নম্বৰত ফোন কৰি এম্বুলেন্স মাতি আঘাতপ্ৰাপ্তক ততাতৈয়াকৈ উন্নত চিকিৎসাৰ বাবে হস্পিতাললৈ পঠিয়াই দিব পাৰিলেই ঘটনাস্থলীত First responder ৰ দ্বাৰা প্ৰাথমিক চিকিৎসা আৰু সহায় উন্নত মানদণ্ডৰ হৈছে বুলি ক'ব পাৰি।

পৰৱৰ্তী সময়ত এম্বুলেন্সত পেৰামেডিকেলৰ লোকে আৰু হস্পিতালত চিকিৎসক আৰু চিকিৎসা কৰ্মীসকলে Advanced Trauma Life Support (ATLS) প্ৰক্ৰিয়া মানি ৰোগীক চিকিৎসা প্ৰদান কৰিলে পথ দুৰ্ঘটনাত আহত লোকৰ প্ৰকৃত চিকিৎসা প্ৰদান কৰা বুলি গণ্য কৰিব পাৰি।

বিশ্ব স্বাস্থ্য সন্থাৰ নিৰ্দেশনা অনুসৰি আঘাতপ্ৰাপ্তক তিনিওটা স্তৰতে যদি প্ৰকৃত সহায় আৰু চিকিৎসা প্ৰদান কৰিব পাৰি তেনেহ'লে প্ৰায় ৬০-৭০% লোকক মৃত্যুমুখৰ পৰা বচাই আনিব পাৰি।

**আমাৰ প্ৰচেষ্টা ঃ**

Academy of Trauma নামৰ বেচৰকাৰী অনুষ্ঠানটো ২০০৮ চনত পঞ্জীভূত কৰা হয়। আকস্মিক চিকিৎসা আৰু পথ দুৰ্ঘটনা আৰু দুৰ্যোগ নিবাৰণৰ লগত জড়িত এচাম অসমৰ চিকিৎসকৰ দ্বাৰা গঠিত এইটো প্ৰতিষ্ঠান। এই প্ৰতিষ্ঠানৰ মূল লক্ষ্য হৈছে First reponder সকলক বিজ্ঞানসন্মতভাৱে প্ৰাথমিক চিকিৎসাৰ বিষয়ে সজাগ কৰা, পেৰামেডিকেল আৰু চিকিৎসকসকলকো ATLS ৰ নিৰ্দ্দেশনা সমূহ শিকোৱা।

অসমৰ বিভিন্ন জিলা যেনে কামৰূপ মহানগৰ, কামৰূপ, ধুবুৰী, দৰং, কৰিমগঞ্জ, গোলাঘাট, বঙাইগাঁও আদিত First reponder সকলক প্ৰশিক্ষণ দিয়া হৈছে। অসম চৰকাৰৰ দুৰ্যোগ প্ৰশমন বিভাগ (Assam State Disaster Management Authority), স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মাধ্যমেৰেও অসমত প্ৰায় দুহেজাৰ চিকিৎসক আৰু সমসংখ্যক পেৰামেডিকক প্ৰশিক্ষণ দিয়া হৈছে। অসমৰ উপৰিও ত্ৰিপুৰা, অৰুণাচল প্ৰদেশ, মেঘালয়ত এনে প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। আমাৰ কাম-কাজ আৰু প্ৰশিক্ষণৰ বিষয়ে তেল আভিভ, কেপটাউন, বেংকক আৰু টৰোণ্টো চহৰত হোৱা আন্তৰ্জাতিক সন্মিলনত আলোচনা কৰি উৎসাহজনক মন্তব্য পোৱা গৈছে। ইয়াৰ উপৰিও সময়ে



সময়ে বৈদ্যুতিন মাধ্যম আৰু বাতৰি কাকতৰ যোগেদিও বহুবোৰ আলোচনা দাঙি ধৰা হৈছে।

অহা এবছৰ বা দুবছৰৰ ভিতৰত অসমৰ প্ৰায় দহহেজাৰ ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ পাঠ্যক্ৰমৰ লগত সংগতি ৰাখি প্ৰাথমিক প্ৰশিক্ষণ দিয়াৰ পৰিকল্পনা কৰা হৈছে। আশা কৰো আমাৰ এই প্ৰচেষ্টাই অসমত পথ দুৰ্ঘটনা সম্পৰ্কে সজাগতা সৃষ্টি কৰিব আৰু চিকিৎসা প্ৰণালীতো কিছু হ'লেও বিজ্ঞানসন্মতভাৱে সেৱা প্ৰদান কৰাত সহায় কৰিব।

তেওঁৰ চতুৰ্দিশৰ সমাজখন তেওঁৰ কবিতাৰ সাৰবস্তু। গাঁওখন, গাঁৱৰ মাজেৰে বৈ যোৱা নদীখন, গাঁৱৰ চহা মানুহখিনি, জটিল মনস্তত্বৰ মানুহজন, অৱসৰী জীৱনৰ প্ৰাত্যহিকতা-- কোনো বিষয়েই বাদ নপৰে তেওঁৰ দৃষ্টিৰপৰা। ক'ৰবাত ক'ৰবাত ভাবৰ স্থূলতা থাকিলেও সাধাৰণতে অগস্ত্য বৰুৱাৰ কবিতাই পাঠকৰ মনন আৰু চিন্তনত জোকাৰণি নোতোলাকৈ নাথাকে।

# ডাঃ অগস্ত্য বৰুৱাৰ কবিতা

**মদন চন্দ্ৰ ডেকা**

ডাঃ অগস্ত্য বৰুৱা অসমীয়া কাকত-আলোচনীৰ পাঠকসকলৰ কাৰণে এটা চিনাকি নাম। এতিয়ালৈকে এখনো কাব্যগ্ৰন্থ প্ৰকাশ নকৰিলেও তেওঁৰ কবিতাৰ সবল উপস্থিতি কেইবা দশকজুৰি অসমীয়া কাকত-আলোচনীত প্ৰত্যক্ষ কৰি অহা হৈছে। এটা সুকীয়া বাগধাৰাৰে অগস্ত্য বৰুৱাই তেওঁৰ কবিতাৰ অগণন গুণমুগ্ধ সৃষ্টি কৰিছে। বৃত্তিত চিকিৎসক বৰুৱাই ছাত্ৰাৱস্থাৰে পৰা কবিতাৰ চৰ্চা কৰি আহিছে। সামাজিক মাধ্যম ফেচবুকৰো এক বলিষ্ঠ কণ্ঠ ডাঃ অগস্ত্য বৰুৱা।

ডাঃ অগস্ত্য কুমাৰ বৰুৱা তেওঁৰ পোছাকী নাম। কিন্তু চিকিৎসক হিচাপে বা কবি হিচাপে তেওঁ পৰিচিত ডাঃ অগস্ত্য বৰুৱা হিচাপেহে। কি কৰিছিল তেওঁ ! কবিতা লিখিছিল আৰু বিছনাৰ তলত থৈছিল। অপ্ৰকাশৰ প্ৰতি তেওঁৰ আছিল এক সহজাত আকৰ্ষণ। পাছে পৰিয়ালৰ মানুহে তেওঁক সেইখিনি অনুগ্ৰহ নেদেখুৱালে। তেওঁক পাঠক সমাজৰ সমুখলৈ উলিয়াই আনিলে। এটাৰ পিছত আন এটাকৈ প্ৰকাশ কৰিলে অগস্ত্য বৰুৱাৰ কবিতা, আকৰ্ষণীয় বাগধাৰাৰ এবিধ কবিতা– যিয়ে পাঠকৰ হৃদয়-মন আলোড়িত কৰি তুলিব পাৰে। কোনোবা আবৃত্তিকাৰে যদি তেনে কবিতা এটি আবৃত্তি কৰি শুনাইছে, আন কোনোবাই নীৰৱে তেওঁৰ কবিতাৰ ৰসাস্বাদন কৰিছে। এতিয়া অগস্ত্য বৰুৱা এজন সাহসী কবি। এতিয়া তেওঁ কবিতা প্ৰকাশ কৰিবলৈ কাকত-আলোচনীলৈ নিজে পঠিয়ায়। কুৰি শতিকাৰ শেষৰটো দশকত ছেগা-চোৰোকাকৈ বৰুৱাৰ কবিতা পঢ়িছিলোঁ যদিও একবিংশ শতিকাৰ প্ৰথম দুটা দশকত

অগস্ত্য বৰুৱা কাকত-আলোচনীৰ এগৰাকী নিয়মীয়া কবি হিচাপে প্ৰতিষ্ঠিত হৈছে।

অগস্ত্য বৰুৱাৰ কবিতাই পাঠকক লৈ যায় কেতিয়াবা স্বপ্নাৱিষ্ট এক কল্পলোকলৈ, কেতিয়াবা শ্ৰমিকৰ ঘাম সনা নিদাৰুণ বাস্তৱলৈ। কেতিয়াবা যদি চিকিৎসা বিজ্ঞানৰ জটিল বিষয় এটা কবিতাৰ লয়লাস ব্যঞ্জনাৰে পাঠকলৈ আগবঢ়ায়, কেতিয়াবা কবিৰ অতীতমুখী বিচৰণে পাঠককো কৰি তোলে সমানে নষ্টালজিক। এক নতুন ৰূপ আৰু আভিজাত্যৰে তেওঁ অসমীয়া কাব্য সাহিত্য চহকী কৰিছে। অসমীয়া ভাষাৰ প্ৰকাশিকা শক্তি অগস্ত্য বৰুৱাৰ কবিতাৰ হাতধৰি ভালেখিনি আগুৱাইছে।

অগস্ত্য বৰুৱাই সাধাৰণতে কবিতাৰ

> কবি বৰুৱাই জীৱন বুটলিছে, জীৱনৰ বাটত এখুজি দুখুজিকৈ আগবাঢ়ি গৈছে। কিন্তু শৈশৱ-কৈশোৰৰ স্মৃতি হৃদয়ৰ গভীৰত প্ৰোথিত হৈ ৰৈছে আমৰণ অভগন

সম্পৰীক্ষা কৰা দেখা নাযায়। বিষয়বস্তু নিৰ্বাচনৰ ক্ষেত্ৰত তেওঁ অতি কুশলী। একেদৰেই সচেতন শব্দ নিৰ্বাচনৰ ক্ষেত্ৰতো। প্ৰতীকধৰ্মিতা তেওঁৰ কবিতাৰ বৈশিষ্ট্য যদিও চিত্ৰকল্পৰ অবাধ ব্যৱহাৰে তেওঁৰ কবিতাসমূহক এক সুকীয়া মাত্ৰা প্ৰদান কৰিছে। প্ৰকাশভঙ্গীৰ বৈচিত্ৰ্য আৰু নতুন নতুন আঙ্গিকৰ সফল উপস্থাপনে বৰুৱাৰ কবিতাসমূহ মনোগ্ৰাহী ৰূপত পাঠকৰ সমুখলৈ লৈ আহে। বৰুৱা সমসাময়িক সমাজখন আৰু ঘটনাচক্ৰৰ প্ৰতি সচেতন। সেয়েহে তেওঁৰ চতুৰ্দিশৰ সমাজখন তেওঁৰ কবিতাৰ সাৰবস্তু। গাঁওখন, গাঁৱৰ মাজেৰে বৈ যোৱা নদীখন, গাঁৱৰ চহা মানুহখিনি, জটিল মনস্তত্বৰ মানুহজন, অৰসৰী জীৱনৰ প্ৰাত্যহিকতা-- কোনো বিষয়েই বাদ নপৰে তেওঁৰ দৃষ্টিৰপৰা। ক'ৰবাত ক'ৰবাত ভাবৰ স্থূলতা থাকিলেও সাধাৰণতে অগস্ত্য বৰুৱাৰ কবিতাই পাঠকৰ মনন আৰু চিন্তনত জোকাৰণি নোতোলাকৈ নাথাকে। আধুনিকতাবাদ আৰু উত্তৰ-আধুনিকতাবাদে ক'ৰবাত ভূমুকি মৰাৰ চেষ্টা কৰিছে যদিও নৱকান্ত বৰুৱা, কেশৱ মহন্তৰ সময়তে আৰম্ভ হোৱা অসমীয়া কবিতাৰ ধাৰাটোৰ অগস্ত্য বৰুৱা যোগ্য উত্তৰসূৰী হিচাপে থিয় দিছে। হীৰেন ভট্টাচাৰ্য্যৰ কবিতাৰ ছাঁও ক'ৰবাত ক'ৰবাত দেখা পোৱা যায়। অগস্ত্য বৰুৱাৰ কবিতাত চেতনাস্ৰোত অন্তৰ্লীন এক প্ৰৱাহ। তেওঁ জীৱনৰ কথা কৈ ভাল পায়, জীৱনৰ গান গাই ভাল পায়।

অগস্ত্য বৰুৱাৰ কবিতাৰ ভাষা প্ৰাঞ্জল। কোনোবাটো কবিতা পঢ়ি উঠি পাঠকৰ মনলৈ আহিব পাৰে পাৰ্থিৱ-অপাৰ্থিৱৰ আলো-ছায়াৰ বিমিশ্ৰিত চেতনা–

"যিদিনা ফলিপুথি লৈ স্কুললৈ গৈছিলোঁ
স্বল্পভাষী আয়ে একো কোৱা নাছিল
মূৰত হাত ফুৰাই দিছিল
সেয়া স্নেহাশিস

সকলো যাত্ৰাতে কোনোবা নহয় কোনোবাই
শুভেচ্ছা জনাইছিল

সেই শুভেচ্ছাই পথ মসৃণ নকৰিলেও
মন সজীৱ কৰি ৰাখিছিল

সেইদৰে আনকো শুভেচ্ছা জনাইছোঁ অসংখ্যবাৰ

তেওঁলোকৰ হাঁহিয়ে জনাই দিয়ে মনৰ সন্তুষ্টি
আজি এক চিনাকি লোকক লগ কৰিবলৈ গ'লোঁ
বহুদিনৰ পৰা শয্যাগত
বয়স আৰু ৰোগে কাহিল কৰি পেলোৱা মানুহজন
অন্তিম যাত্ৰাৰ বাবে অপেক্ষাৰত

জানো তেওঁ ঘূৰি আহিব নোৱাৰে
এই শাস্তিৰ পৰা মুক্তি পাওক

তথাপিও তেওঁক শেষ যাত্ৰাৰ শুভেচ্ছা জনাব নোৱাৰিলোঁ।"

*– যি যাত্ৰাৰ শুভেচ্ছা জনোৱা নাযায়*

মৃত্যুমুখী যাত্ৰী এগৰাকীক মৃত্যুৰ শুভেচ্ছা জনাব নোৱাৰি। জীৱনৰ পৰম সত্য বুলি গ্ৰহণ কৰিব লাগিব। দেখাত স্থূল ভাব বহন কৰা এই কবিতাটোৰ ব্যঞ্জনাই কিন্তু পাঠকৰ মৰ্মস্থলীত ঠিকেই আঘাত কৰিব। এটা জীৱনৰ, হয়তো এটা পৰিয়ালৰ অতিকৈ আপোন মানুহজনৰ জীৱনৰ অৱশ্যম্ভাৱী পৰিণতি ইমান মৰ্মস্পৰ্শীভাৱে বৰ্ণাব পাৰে– সেয়া পাৰে অগস্ত্য বৰুৱাই।

শৈশৱৰ অমলিন চিত্ৰ এখনৰ মুখামুখি হওঁ আহক—

"স্মৃতিৰ শেলুৰৈত
কৰ্ফাল খাই পৰি
বহি গ'লোঁ মোৰ শৈশৱৰ বুকুত
............................................
পঢ়াশালিৰ পানীখোৱা ছুটীত
ফৰ্মুটি মাৰিছোঁ মধুৰিৰ গছত
ৰামুকায়ে গা ধুই যোৱা বাল্টিৰে
নাদৰ পানী তুলি পিয়াহ গুচাইছোঁ
ঘৰলৈ যাঁও বুলি সোমাই গৈছোঁ
কুঁহিয়াৰশালত
অকমান লিকটীয়া গুৰ খাই
পেহীজনীৰ মৰমবোৰ মুখত সানি
ঘৰ পাইছোঁহি
................................................"

*- টাইম মেচিন*

চিত্ৰকল্পৰ সুন্দৰ ব্যৱহাৰেৰে সকলো পাঠককে কবিয়ে লৈ গৈছে নিজৰ নিজৰ শৈশৱলৈ, যি নিজস্ব একুঁকি স্মৃতিৰে ভৰুণ কিন্তু ক'ৰবাত একেডাল সূতাৰে গঁঠা। অগস্ত্য বৰুৱাৰ আন এটি কবিতাত লক্ষ্য কৰক চিত্ৰকল্পৰ প্ৰয়োগ–

"....................................
"হঠাতে এক মায়াময় সপোন
নামিলহি চহৰৰ চোতালত
_______________________"

*- ডেজা ভু*

আকৌ পঢ়ক

"....................................
প্ৰগল্‌ভ ভণ্টিজনী
মোৰ তৰ্জনী এৰি
গুচি যাব খোজে
এটা বাসন্তী বাঁহীৰ সুৰ খেদি
........................................"

*- মই আৰু মোৰ ঘৰখন*

কবি বৰুৱাই জীৱন বুটলিছে, জীৱনৰ বাটত এখুজি দুখুজিকৈ আগবাঢ়ি গৈছে। কিন্তু শৈশৱ-কৈশোৰৰ স্মৃতি হৃদয়ৰ গভীৰত প্ৰোথিত হৈ ৰৈছে আমৰণ অভগন–

"...................................
কৈশোৰৰ গোঁফ ঠুঁটিওৱা মুখখন দাপোণত চাই
সন্তুষ্টিৰে মৰা হাঁহিটো
উতনুৱা সপোন এটা হৈ উৰি গুচি যায়
................................................"

*- সাঁচিপতীয়া সাধু*

জীৱনৰ ৰূঢ় বাস্তৱ মৃত্যুৰে গৰকা সংসাৰ এখনত বৰুৱাই নিমজকৈ কল্পদৃষ্টি বুলাইছে–

"..........................................
অৰণ্যৰ মাজেদি গৈ পোৱা
এটা উজ্জ্বল বাট
এঢাপ গ'লেই সোণোৱালী হাট

নাছিল কোনো ঘাত-প্ৰতিঘাত
নে এয়া সপোন বিভ্ৰাট

দুয়োৰে ছবি থোৱাৰ
পাছৰেপৰা হৈছিল
সময়ৰ সংঘাত
..........................."

*— উকা দেৱাল*

হীৰেন ভট্টাচাৰ্য্যৰ দৰেই অগস্ত্য বৰুৱাই শব্দৰ খেল খেলে—

"লিখোঁ বুলিও লিখিব নোৱাৰোঁ
হৃদয়ৰ সকলো কথা

কেতিয়াবা সুখ
কেতিয়াবা দুখ
নতুবা হৃদয়ৰ ব্যথিত মুখ

মাত নলগোৱাকৈ গুচি যায়
এটা প্ৰিয় শব্দ
বিশ্বাস

জেকা মজিয়াত সৰি পৰে
সৰলতাৰ আহত নিশ্বাস।"

— *আবেলি*

অথবা

"কলিজাত এটা দাগ
তেওঁ ক'লে– জীৱন বিৰাগ
খুঁচৰি চালোঁ
এক সাঁচতীয়া ব'হাগ।"

— *অনুভৱ*

শব্দৰ কি অপূৰ্ব দ্যোতনা !

অগস্ত্য বৰুৱাই কবিতাৰ ব্যঞ্জনাৰে এক মায়াময় পৰিৱেশৰ সৃষ্টি কৰিব জানে—

"তেওঁ মোৰ পৰা এটা কবিতা বিচাৰিছিল
সুৰৰ মূৰ্চ্ছনাত
কুঁৱলীৰ আচ্ছাদনেৰে লুকাভাকু খেলা
জোনৰ কথা
আৱেগৰ জোৱাৰত
উটি যাব খোজা হৃদয়ৰ কথা"

— *জুপুৰীৰ কবিতা*

দোলায়িত পাঠকৰ মনে বুজোঁ বুজোঁ কৰিও কবিৰ মনৰ কথা বুজিব নোৱাৰে। ঠিক যেন চিকাৰ নিগনিক হাতোৰাত লৈ চিকাৰী মেকুৰীৰ মৰণ-খেলা। কিন্তু কিমান সময় পাঠকৰ মন লৈ কবিয়ে খেলা কৰিব ! এটা সময়ত দিওঁ নিদিওঁকৈ ধৰা দিয়ে—

"......................................
তোমাৰ বাবে
মোৰ কোঠাটোৰেইতো হ'ব পাৰে
এটা কবিতা

কবিতাৰ সলনি
মোৰ ঠিকনাটোকে দিলো

মন গ'লে
শব্দৰ বুকু গচকি পাৰ কৰিবা কেইটামান লহমা।"

— *জুপুৰীৰ কবিতা*

ঐতিহ্যপ্ৰীতি কবি অগস্ত্য বৰুৱাৰ অতি প্ৰখৰ। অতীতমুখিতাই তেওঁৰ কবিতা সমৃদ্ধ কৰিও তুলিছে। তেওঁৰ কবিতাৰ ঐন্দ্ৰ্যজালিক সন্মোহনে পাঠককো লৈ গৈছে কৈশোৰ-যৌৱনৰ হিৰন্ময় সময়ছোৱালৈ—

"চিঠি এখন পাম বুলি আশা পালি থকা
কিনকিনিয়া বৰষুণৰ আবেলিবোৰ
মনত পৰেনে লোপামুদ্ৰা
বৰষুণে কঢ়িয়াই অনা
মাটিৰ চিনাকি গোন্ধ
................................."

— *লোপামুদ্ৰাৰ নামত এটা আবেলি*

কবিৰ ঐতিহ্য-চেতনাৰ প্ৰৱল পৰাকাষ্ঠা দেখা যায়—

"........................................
চাইকেলৰ প্ৰতিটো টিলিঙাই তেতিয়া
ডাকোৱালৰ যেন লগা সময়
চিঠিবোৰ লাহে লাহে আহে
হেৰায়ো যায় নেকি কেতিয়াবা
অলিয়ে গলিয়ে বিলাই দি আৱেগৰ ধূলিকণা

চিঠি নোপোৱাকৈ পাৰ হোৱা সময়বোৰৰ উৎকণ্ঠা
লগ পোৱাৰ আশাৰ মাদকতা
এতিয়া মোৰ ব্লেক এণ্ড হোৱাইট এলবামত
বিবৰ্ণ আবেলি এটা হৈ মিউজিয়ামত পৰি আছে।"

— *লোপামুদ্ৰাৰ নামত এটা আবেলি*

ইতিহাসৰ এছোৱা ৰঙীন মোক তোল মোক তোল সময় কালৰ চকৰিত বিবৰ্ণ হৈ পৰা দুখ কবিয়ে সহিবলগীয়া হৈছে। কবিৰ মৰ্মভেদী হুমুনিয়াহ নিগৰি আহিছে —

"এণ্ড্ৰইড ফোনত বাজি উঠা ৰিং টনত
বৰষুণৰ আবেলিৰ মাটিৰ গোন্ধ বিচাৰি নাপাঁও লোপামুদ্ৰা
যেনেকৈ ভিডিঅ' কলত নাপাওঁ
তোমাৰ চুলিৰ শাৰদী শেৱালি গোন্ধ।"

— *লোপামুদ্ৰাৰ নামত এটা আবেলি*

জীৱনক মহিমামণ্ডিত, সুষমাময় কৰি তোলাৰ বাবে কবিৰ অনন্ত হেঁপাহ–

"নৈৰ পাৰত বহিলে
আজিও আচ্ছন্ন হওঁ তোমাৰ সুবাসত
হৃদয়ৰ বাসনাৰে
সুবাসিত কৰিম যেন মোৰ চৌকাষ"

— *সময়*

অগস্ত্য বৰুৱাৰ এক ব্যতিক্ৰমী আঙ্গিকৰ কবিতা– *টাইম মেচিনত এটা আবেলি*। কাফকাৰ *মেটামৰফছিচ,* মোপাঁছাৰ *নেকলেচ* আৰু মনোজ কুমাৰ গোস্বামীৰ গল্পৰ চৰিত্ৰ 'পৰমা'ৰ সংমিশ্ৰণত পূৰ্ণ হৈ উঠিছে এই কবিতাৰ শৰীৰ— য'ত গ্ৰেগৰ চামছা, মেথিল্ডে লইছেল আৰু পৰমা ক'ৰবাত একাকাৰ হৈ পৰিছে–

"এটা কোমল পদশব্দত চকিত হৈ
বিছনাৰ তলত কুঁচিমুচি সোমাই পৰিল গ্ৰেগৰ চামছা
.......................................................................
মুখখন উলিয়াওঁতেই চকুৰে চকুৰে পৰিল
এটি অপৰূপ সৌন্দৰ্যৰে
.........................................................
চামছাৰ হৃদয় ভৰি পৰিল
বৃহদাকাৰ শৰীৰটো হঠাৎ জোখলৈ আহিল
..........................................................
কোবাল গতিৰে গৈ য'ত ৰ'লগৈ
তাতেই মেথিল্ডেই কণ্ঠহাৰডাল পিন্ধিছিল
আৰু পংকিলতাত ডুবিছিল
সেইডাল তেওঁ সোলোকাই থ'লে
গ্ৰেগৰে এটা নতুন চাকৰি বিচাৰি ল'লে
....................................................
হাঁহি মাৰি তেওঁ ক'লে– মই পৰমা
ঔষধবোৰ এৰি আহিলোঁ, ভাটৌটো মোৰ লগতে থাকিল"

— *টাইম মেচিনত এটা আবেলি*

যদিও অগস্ত্য বৰুৱাই কবিতাক লৈ বিশেষ সম্পৰীক্ষা কৰা নাই, এই কবিতাটো সম্পৰীক্ষাৰে নামান্তৰ। কবিৰ বিস্তৃত অধ্যয়নৰ পৰিচয় এই কবিতাটিত পোৱা যায়।

আবতৰীয়া বৰষুণত কি কৰিবৰ মন যায় ! অলসভাৱে বহি বা শুই কল্পনাৰ ঘোঁৰা চেকুৰাবলৈ মন যায়। কবিৰো তেনে হয় আৰু তেতিয়াই কবিৰ কাপেদি নিগৰি ওলায়–

"বহুদিনীয়া খৰাঙৰ পিছত
ওন্দোলা আকাশ এখন হৈ
তেওঁ মোৰ সমুখত বহিছিল
......................................
কঢ়িয়াই আনিছিল
অতীতৰ স্মৃতি
নে
বৰ্তমানৰ বিধ্বস্ত স্থিতি

কিছু নীৰৱতাৰ পিছত
আকাশৰ পৰা হুৰ হুৰকৈ সৰিছিল বৃষ্টি
..................................................
অতীতৰ কবৰত ভৰ দি
আকাশলৈ চাই দুহাত মেলি দিলোঁ
দলদোপ হেন্দোলদোপ দৃষ্টি।"

— *আবতৰীয়া বৰষুণ*

কবিয়ে সাম্প্ৰতিক সময়ক উলাই কৰা নাই, দুঃসময়ৰ সৈতে মিতিৰালিও কৰা নাই, কিন্তু প্ৰৱহমান সময়ক ধৰি ৰাখিছে—

"চিঞৰ এটাৰ পম খেদি
গুচি গৈছিল এটা ফৰকাল ৰাতিপুৱা

গাঁওখনত এতিয়া সূৰ্যোদয় হয় নে
নাহৰৰ মাকোৰেদি পাৰ হয়নে
পানকটাৰ ৰঙা সূতা”

— *থেকেৰা ফুলা ৰাতি*

অসমীয়া ভাষাৰ চালিকা শক্তি কবি অগস্ত্য বৰুৱাৰ কবিতাৰ অন্যতম বৈশিষ্ট্য।

বৃত্তিত চিকিৎসক ডাঃ অগস্ত্য বৰুৱাৰ জীৱনবোধ অতি গভীৰ। জীৱনৰ ক্ষুদ্ৰাতিক্ষুদ্ৰ ঘটনা-পৰিঘটনাৰ প্ৰতি তেওঁ অতি সংবেদনশীল–

“উভালি পৰাৰ আগতে
সেইজোপা গছৰ ছাঁত দুয়ো বহিছিল
কথা পাতিছিল হাতত হৃদয়খন লৈ
................................................
আজি মধ্যবয়সীয়া মানুহগৰাকীৰ কথাবোৰ
সাধুকথা যেন লাগিল
কোননো তেওঁ
বাইদেউ বুলি মাতোঁতে
তেওঁৰ চকুদুটা চলচলীয়া হ'ল
চাদৰৰ আঁচলেৰে চকু মচি তেওঁ গ'লগৈ
.......................................................”

— *পাৰ্কিণছনৰ সাধু*

জীৱনৰ পোৱা-নোপোৱাৰ হিচাপ কবিয়েও কৰে। বৰ মৰ্মন্তুদ সেই এপিটাফ—

“কিছুমান সুহৃদ মোৰো আছিল
মদিৰাৰ পিয়লাত চুমুক দি
মোৰ কথাত মূৰ দুপিয়াইছিল

আপোন মানুহ কিছুমানো আছিল
এতিয়া ক'ত মই নাজানো

মোৰ হৃদয়ত কিছুমান মানুহে বাস কৰিছিল
আৰু
সময়বোৰ তেওঁলোকেই ভগাই লৈছিল”

— *জীৱন*

অগস্ত্য বৰুৱাৰ কবিতাবোৰ সময়ৰ, প্ৰাত্যহিকতাৰ একোটাহঁত মালিতা। বৰ সুচতুৰভাৱে তেওঁ লিপিবদ্ধ কৰে সময়ৰ অমোঘ দস্তাৱেজ—

“কোনেও সোধা নাছিল তন্দ্ৰালস চকুৰে
ঘৰ সোমোৱা দুপৰ ৰাতিৰ ল'ৰাটোক

শংখ-ঘণ্টাৰে মুখৰিত ঘৰখনত এতিয়া নীৰৱতা
কলেজীয়া ছোৱালীজনী ঘৰ পোৱাহি নাই

কথাটো কোনেও কাকো সোধা নাই
উৎকণ্ঠাই বান্ধি ৰাখিছে মধ্যবয়সীয়া মানুহহালক”

— *সময়*

ডাঃ অগস্ত্য বৰুৱাই ছবি আঁকে। সেই ছবি জীৱনৰ বাকৰিত সৰ্বস্ব হেৰুওৱা কোনোবা সুহৃদৰ অথবা কোনোবা অজান পথিকৰ নাইবা হেৰা পোৱা আনন্দৰ—

“সকলো কামেই পূৰ্ব নিৰ্ধাৰিত নহয় যদিও
এক শৃঙ্খলিত যাত্ৰাত পোৱা যায় নেকি প্ৰশান্তি
সপ্ৰতিভ মানুহজনে এটা মিঠা হাঁহিৰে
সম্ভাষণ জনাই ক'লে ‘বহক’
লগত অহা মহিলাগৰাকীয়ে ক'লে
‘আচৰিত কথা কিছুমান এওঁ কয়’
‘আচৰিত একো নাই, সেইবোৰ সঁচা কথা
নৈখনে মোৰ লগত কথা পাতে
বুকুত লৈ ফুৰা বেদনা, অনুতাপৰ কথা কয়
নৈৰ পাৰত বহি থকা ছোৱালীজনীৰ
দুচকুৰেদি তেজৰ নৈ বৈ আহে
নৈৰ বুকুত পৰি একোটা মাছ হৈ সাঁতুৰি গুচি যায়’
সপ্ৰতিভ মানুহজনৰ দৃষ্টিত চিনাকিবস্তু বিচাৰি পোৱাৰ আনন্দ”

— *স্কিজ'ফ্ৰেনিয়া*

কবি বৰুৱাই ছবি আঁকে নৈসৰ্গৰ। তেওঁ প্ৰকৃতি আৰু জীৱনৰ অঙ্গাঙ্গী সম্পৰ্কৰ ছবি আঁকে—

“নৈপৰীয়া বতাহজাকৰ
পোৱা পোৱা গোন্ধত
হেৰাব খুজিও উৰুলিটো

ওপঙি ফুৰে
সাঁচিপতীয়া পুথিৰ সুগন্ধি
এটা হৈ”

— *হেৰাই যোৱা মানুহবোৰ*

অগস্ত্য বৰুৱাই জীৱনৰ গান গাইছে। প্ৰেমৰ গানো গাইছে। কিন্তু জীৱনক প্ৰেমৰ ঊৰ্ধত থাপনা কৰিছে। সময়ৰ আঁচোৰ ব্যক্তি জীৱনৰ সমান্তৰালভাৱে সমাজ জীৱনতো লগাৰ কথা তেওঁ অকুণ্ঠভাৱে স্বীকাৰ কৰিছে। প্ৰকৃতিৰ গুণ-গানতকৈ জীৱনৰ সমাহিত ৰূপৰ প্ৰতি তেওঁৰ আকৰ্ষণ বেছি। কিন্তু বৰুৱাৰ কবিতাৰ অন্তৰ্লীন ভাব আমাৰ বোধেৰে অতীত-প্ৰীতি আৰু ঐতিহ্য-চেতনা। সেয়েহে হয়তো তেওঁৰ কবিতাত বাৰে বাৰে মূৰ্ত হয়হি শৈশৱ-কৈশোৰৰ সেউজীয়া ছবি—

“নাহৰৰ গুটিৰে জ্বলা শিখাত কিতাপৰ আখৰবোৰ
তোমালোকে নেদেখিলা
ঘৰৰ খুঁটাত সাঁচি থোৱা পইচাৰ জুনজুননিও নুশুনিলা
তাত জমা হৈছিল আমাৰ সেউজীয়া সপোন
ধুই ৰ'দত শুকুৱাই থোৱা ছিমনিয়েদি সৰকি আহে
আন্ধাৰ খেদোৱা পোহৰ
য'ত টগবগাই উঠে এসোপা পৰিতৃপ্ত মুখ
নাহৰ গুটিতকৈ এখোপ ওপৰৰ সুখ

অংকৰ ছাৰৰ কাণমলা খাই পাৰ হোৱা সময়
বাৰাণ্ডাত আঁঠু কাঢ়ি থকাৰ দুঃসময়
তোমালোকে পাৰ নকৰিলা

কুঁৱাৰ পানী খাই পাৰ হোৱা আমাৰ শৰীৰত
এতিয়াও লাগি আছে মাটিৰ গোন্ধ

হৃদয়খনো সেয়ে সেউজীয়া
বিলাই দিম যেন চাৰিওফালে মৰম-ভালপোৱা”

— *বুকুৰ সেউজীয়া*

কবি অগস্ত্য বৰুৱাই তেওঁৰ মৰম-ভালপোৱা বিলাই দিয়ক সেউজীয়া অনুভৱৰ মানুহৰ মাজত। তেওঁৰ কবিতাৰ সুগন্ধিৰে আমিও সুবাসিত হওঁ, আমিও ঋদ্ধ হওঁ !

অগস্ত্য বৰুৱাই জীৱনৰ গান গাইছে। প্ৰেমৰ গানো গাইছে। কিন্তু জীৱনক প্ৰেমৰ ঊৰ্ধত থাপনা কৰিছে। সময়ৰ আঁচোৰ ব্যক্তি জীৱনৰ সমান্তৰালভাৱে সমাজ জীৱনতো লগাৰ কথা তেওঁ অকুণ্ঠভাৱে স্বীকাৰ কৰিছে। প্ৰকৃতিৰ গুণ-গানতকৈ জীৱনৰ সমাহিত ৰূপৰ প্ৰতি তেওঁৰ আকৰ্ষণ বেছি।

প্ৰবন্ধ

হাজংসকল আদিতে অসমৰ হাজো-হাতীমূৰা পাহাৰৰ ওচৰৰ মানুহ। তেওঁলোকৰ হাজোৰ হয়গ্ৰীৱ মন্দিৰৰ লগত সম্পৰ্ক আছিল। তেওঁলোকৰ বাস্তু পূজাৰ দুটা মূৰ্তিৰ এটা ঘোঁৰাৰ, আনটো হাতীৰ। ঘোঁৰাৰ মূৰ্তি হয়গ্ৰীৱৰ চিন-- শক্তিৰ প্ৰতীক। হাতী হ'ল হাতীমূৰা পাহাৰৰ স্মৃতিসূচক-- গাম্ভীৰ্য্য আৰু মৰ্য্যাদাৰ প্ৰতীক।

# অসমীয়া মহাজাতি গঠনত হাজং জনজাতিৰ ভূমিকা

**অৰ্ণৱ জান ডেকা**

অসমীয়া মহাজাতি অতি ঐশ্বৰ্য্যশালী এইবাবেই যে এই মহাজাতি গঠন প্ৰক্ৰিয়াত বহু থলুৱা জনজাতিৰ অপৰিসীম অৱদান আছে। এই থলুৱা ভূমিপুত্ৰসকলৰ মাজত হাজংসকল এইবাবেই অনবদ্য আৰু জাকতজিলিকা যে তেওঁলোকে অসমৰ পৰা ভৌগোলিক আৰু ৰাজনৈতিক দূৰত্বত বাস কৰিবলগীয়া হোৱাৰ অজুহাততো কেতিয়াও নিজৰ অসমীয়া পৰিচয়টো পাহৰি যোৱা নাই। নিজৰ অসমীয়া পৰিচয়টোক হাজংসকলে ইমানেই শ্ৰদ্ধা আৰু গুৰুত্ব সহকাৰে গ্ৰহণ কৰি আহিছে যে মেঘালয়, অৰুণাচল প্ৰদেশ আৰু আনকি বাংলাদেশলৈকো কালৰ নিষ্ঠুৰ বিচাৰে আঁতৰাই পঠোৱা হাজং জনজাতিৰ লোকসকলে এতিয়াও অসমীয়া মাত-কথা আৰু উছৱ-পাৰ্বণ পালন কৰি অহাই নহয়, তেওঁলোকে এতিয়াও হাজং গাঁওবোৰত অসমীয়া মাধ্যমৰ বিদ্যালয়েই স্থাপন কৰি চলাই আহিছে আৰু নিজৰ আদৰৰ সতি-সন্ততিক অসমীয়া মাধ্যমতে শিক্ষালাভৰ ব্যৱস্থা কৰি ভৱিষ্যতে অসমীয়া ভাষা-সাহিত্যৰ উৎসৰ্গিকৃত ৰণুৱা সৃষ্টি-প্ৰক্ৰিয়াত পৰম গৌৰৱ আৰু নিষ্ঠাৰে অংশগ্ৰহণ কৰি আছে।

মানৱ সভ্যতাৰ আদিৰে পৰা সকলো জাতি বা জনগোষ্ঠীৰে উত্থান-পতন অনিবাৰ্য্যভাৱে ধৰা পৰে। পুৰণি কামৰূপ বা আজিৰ অসমত বাস কৰি অহা জনগোষ্ঠী সমূহৰ মাজতো যুগে যুগে বিৱৰ্তন ঘটিছে। অসমৰ ক্ষেত্ৰত মন কৰিবলগীয়া কথাটো হ'ল, 'অসমীয়া' বুলি নিৰ্দিষ্ট কোনো বিশেষ এটা জনগোষ্ঠী নাই। অসমৰ বিভিন্ন খিলঞ্জীয়া জনজাতিসমূহৰ শক্তিশালী মহাস্তম্ভৰ অৱলম্বনতহে অসমীয়া মহাজাতি গঢ় লৈ

প্ৰতিপালিত হৈ আছে। এই সহজ সত্যটোকে বহুতে পাহৰি থাকে বাবেই অসমীয়া জাতিগঠন প্ৰক্ৰিয়াটোত মাজে মাজে বাধা আহি পৰে। ‘প্ৰকৃত অসমীয়া’ৰ সংজ্ঞা বিচাৰি আজি হাবাথুৰি খোৱা অসমীয়া বুদ্ধিজীৱী আৰু ৰাজনীতিকে হাজংসকলে এতিয়াও পালন কৰি থকা ৰীতি, পৰম্পৰা, জীৱনবীক্ষা আৰু শিক্ষাৰ মাধ্যমৰূপে তাহানিৰে পৰা ব্যৱহাৰ কৰি অহা ভাষাটোলৈ মন দিয়া হ’লে বহু বিবাদ হয়তো কাহানিবাই অন্ত পৰিলেহেঁতেন। কিন্তু, অসমৰ উজনি-নামনিজুৰি সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ লগতে মেঘালয়, অৰুণাচল প্ৰদেশ আৰু বাংলাদেশলৈকে বিয়পি থকা হাজং জনজাতিৰ গাঁওসমূহলৈ গৈ তেওঁলোকৰ মনৰ বতৰা লোৱাৰ লগতে তেওঁলোকৰ জীৱনধাৰা কাষৰ পৰা অধ্যয়ন কৰিবলৈ মূলসুঁতিৰ কোনো অসমীয়া গৱেষক-পণ্ডিত ভাৰতৰ স্বাধীনতাৰ চাৰিটা দশক পাৰ হোৱালৈকে ওলাই নহা বাবে জাতি-গঠন প্ৰক্ৰিয়াত হাজংসকলৰ নীৰৱ অৱদান কুৰি শতিকাৰ প্ৰায় শেষ দশকটোলৈকে লুইতপৰীয়াৰ মাজত অজ্ঞাতেই থাকি গৈছিল। সেয়েহে, হাজং সম্বন্ধে ক্ষেত্ৰভিত্তিক গৱেষণা কৰাৰ সমল এতিয়াও তেনেই সীমিত। সেই সীমিত তথ্যসূত্ৰৰ আঁত ধৰি কৰা গৱেষণাত হাজং গাঁওসমূহলৈ গৈ সোশৰীৰে অৰ্জা অভিজ্ঞতা আৰু গোটোৱা সমলবোৰৰ অগ্ৰণী ভূমিকা আছে। ধেমাজিৰ জয়ৰামপুৰৰপৰা সদৌ অসম হাজং ছাত্ৰ সন্থাৰ সভাপতি সঞ্জীৱ কুমাৰ হাজঙৰ একান্ত আগ্ৰহ আৰু উদ্যোগত ‘উত্তৰ-পূব ভাৰতৰ হাজং জনগোষ্ঠী ঃ সমাজ আৰু সংস্কৃতি’ নামৰ ঐতিহাসিক গুৰুত্বপূৰ্ণ গ্ৰন্থখনি গুৱাহাটীৰ শংকৰদেৱ কলাক্ষেত্ৰৰ আন্তৰ্জাতিক সভাকক্ষত আঠাইশটা অসমৰ জনগোষ্ঠীৰ প্ৰতিনিধিৰ উপস্থিতিত সদৌ অসম ট্ৰাইবেল সংঘৰ সম্পাদক আদিত্য খাখলাৰী আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল ভট্টাচাৰ্যই আনুষ্ঠানিকভাৱে উন্মোচন কৰি হাজং জনজাতিক লৈ হোৱা সুদীৰ্ঘকাল জোৰা নীৰৱ গৱেষণা-কৰ্মক সামাজিক মান্যতা দিছিল।

> অসম আৰু মেঘালয়ত বিস্তাৰিত হৈ থকা হাজং জনগোষ্ঠীৰ বিষয়ে দীৰ্ঘকাল ক্ষেত্ৰভিত্তিক অধ্যয়ন-গৱেষণা কৰি বিশিষ্ট গৱেষক-পণ্ডিত অধ্যক্ষ ভৱানন্দ ডেকাই তেখেতৰ গৱেষণা-পত্ৰত সংগতভাৱেই লিখি থৈ গৈছে যে হাজংসকল অসমৰ আদিমতম জনগোষ্ঠীৰ এটা। হাজংসকলে অসমৰ বুকুত এসময়ত নতুন সভ্যতাৰ পাতনি মেলিছিল, লুইতৰ বুকুত নতুন ভাষা-কৃষ্টিৰ সোণালী পথাৰত নতুন শইচ ৰোপণ কৰিছিল।

**হাজোকেন্দ্ৰিক হাজংসকলৰ ঐতিহ্য**

হাজংসকল আদিতে অসমৰ হাজো-হাতীমূৰা পাহাৰৰ ওচৰৰ মানুহ। তেওঁলোকৰ হাজোৰ হয়গ্ৰীৱ মন্দিৰৰ লগত সম্পৰ্ক আছিল। তেওঁলোকৰ বাস্তু পূজাৰ দুটা মূৰ্তিৰ এটা ঘোঁৰাৰ, আনটো হাতীৰ। ঘোঁৰাৰ মূৰ্তি হয়গ্ৰীৱৰ চিন-- শক্তিৰ প্ৰতীক। হাতী হ’ল হাতীমূৰা পাহাৰৰ স্মৃতিসূচক-- গাম্ভীৰ্য্য আৰু মৰ্য্যাদাৰ প্ৰতীক। হাজোৰ হয়গ্ৰীৱৰ প্ৰতি তেওঁলোকৰ অবিচল নিষ্ঠা এতিয়াও ইমানেই প্ৰৱল যে হাজং জনজাতীয় লোক পৃথিৱীৰ য’তেই নাথাকক, তেওঁলোকে হাজোস্থিত হয়গ্ৰীৱৰ মুৰা হৈ এতিয়াও পূজা-অৰ্চনা কৰে।

হাজো অঞ্চলত এসময়ত বিৰাজ কৰা হাজ বা হাছ ৰাজ্য বা পৰগণাৰ পৰা গৈ অসমৰ থলুৱা হাজং জনজাতিৰ লোকসকল তাহানিৰ বৰঅসমৰ অবিচ্ছেদ্য অংগ গোৱালপাৰা, গাৰোপাহাৰ, ছিলেট, মৈমনসিং, শ্ৰীহট্ট জিলালৈকে বিয়পি পৰিছিল। ভাৰত স্বাধীন হোৱাৰ পৰৱৰ্তী পৰ্য্যায়ত অসম ৰাজ্যখন বহুবাৰ বিভাজিত হ’ল আৰু প্ৰতিবাৰেই অসমৰ ভৌগোলিক সীমাৰ পৰা বাহিৰত ৰৈ যোৱা থলুৱা প্ৰধান জনজাতিটোৱেই হ’ল হাজংসকল। বৰ্তমান হাজংসকল নামনি অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ দক্ষিণ-পশ্চিম ভাগৰ লগতে অসমৰ আন বহু ঠাইত বাস কৰে। অসমৰ থলুৱা অৰ্থনীতিৰ বাটকটীয়া গৱেষক-গ্ৰন্থকাৰ তথা আৱাহন-ৰামধেনু যুগৰেই খ্যাতনামা সাহিত্যিক অধ্যক্ষ ভৱানন্দ ডেকাই অসমৰ বাহিৰে-ভিতৰে হাজং গাঁওবোৰলৈ বহুবাৰ অতি কষ্টেৰে গৈ কৰা ক্ষেত্ৰভিত্তিক গৱেষণাত পোহৰলৈ আহিছিল যে গুৱাহাটীৰেই বোন্দাত প্ৰায় ১২০টা হাজং পৰিয়াল আছে। পানীখাইতিতো এখন হাজং গাঁও আছে, কিন্তু বৰ্তমান তাত হাজং মানুহ নাই। গোৱালপাৰা

জিলাৰ লক্ষীপুৰ, দুধনৈ, বিজনী অঞ্চল, কামৰূপৰ দক্ষিণভাগ, দৰঙৰ পানেৰী অঞ্চল, লক্ষীমপুৰ জিলাৰ (ক) নকাৰি (ৰেল ষ্টেচনৰ কাষত), (খ) সোৱণশিৰিৰ পাৰৰ চাউলধোৱা, (গ) মুৰ্কংচেলেঙৰ কাষৰ নলবাৰী, (ঘ) ধেমাজিৰ চিমেনচাপৰি অঞ্চলৰ অসমৰ প্ৰায় পুব সীমামূৰীয়া হাজং গাঁও শ্ৰীৰামপুৰ, তুলসীপুৰ, লক্ষ্মীসুঁতি, সাতগাঁও, জয়ৰামপুৰ, জোনাই, মাৰ্ঘেৰিটা আদিত হাজং লোক সিঁচৰতি হৈ আছে। গাৰোপাহাৰত বহু হাজং লোক আছে। অৰুণাচলপ্ৰদেশতো হাজং লোক ভাৰত চৰকাৰেই থাপিছে। বাংলাদেশৰ ছিলেট, মৈমনসিং, শ্ৰীহট্ট জিলাবোৰৰ কথা উল্লেখ কৰা হৈছেই।

হাজংসকলে পৰম্পৰাগত অসমীয়া থলুৱা সংস্কৃতি আৰু ধৰ্মীয় আচৰণ এৰিবলৈ ৰাজী নোহোৱা বাবে বৃটিছ শাসনকালত অনেক অত্যাচাৰ ভুগিব লগা হৈছিল। বৃটিছে খৃষ্টান মিছনেৰী ব্যৱহাৰ কৰিও আঁকোৰগোজ অসমীয়া হাজং জনজাতিৰ লোকসকলক অন্যান্য খাচি-জয়ন্তীয়া-গাৰো জনজাতিবিলাকৰ দৰে ধৰ্মান্তৰকৰণ কৰাব নোৱাৰি প্ৰতিশোধমূলকভাৱে হাজংসকলৰ সমৃদ্ধ ৰাজনৈতিক ইতিহাস লিপিৱদ্ধ হৈ থকা প্ৰায় সকলো ঐতিহাসিক গুৰুত্বপূৰ্ণ নথি-পত্ৰ, শিলালিপি, তাম্ৰপত্ৰ, সাঁচিপাতৰ পুথি ধ্বংস কৰি পেলাইছিল। সেইবাবেই, বৃটিছ ইতিহাসবিদ আৰ জি লাথামে *এথনোলোজী অৱ ইণ্ডিয়া* গ্ৰন্থ লিখিবলৈ লৈ হাজংসকলৰ বিষয়ে কোনো ঐতিহাসিক নথি-পত্ৰ নাপাই তেতিয়াৰ বৃটিছ শাসকৰ মৌখিক বক্তব্যৰ ওপৰতে সম্পূৰ্ণভাৱে নিৰ্ভৰশীল হ'ব লগা হৈছিল বুলি স্বীকাৰ কৰি গৈছে।

**হাজংসকলৰ অসমীয়া পৰিচয় আৰু সম্বন্ধটো**

ৰাজনৈতিক দুৰ্বিপাকত পৰি অসমৰপৰা আঁতৰি যোৱা মেঘালয়, অৰুণাচল প্ৰদেশ আৰু আনকি এতিয়াৰ বাংলাদেশতো বাস কৰি থকা হাজংসকলে নিজকে অসমীয়া বুলি দাবী কৰি অসমীয়া মাত-কথা বুকুত সাবটি লৈ থকাৰ লগতে এতিয়াও অসমীয়া মাধ্যমৰ বিদ্যালয় হাজং গাঁওসমূহত সগৌৰৱে চলাই থকা মনোমুগ্ধকৰ দৃষ্টান্তই বৃহত্তৰ অসমীয়া জাতিগঠন প্ৰক্ৰিয়াত আস্থা ৰখা সকলোকে আহ্লাদিত কৰে। বাংলাদেশত থকা সঞ্জীত কুমাৰ হাজঙৰ দৰে জনজাতিটোৰ প্ৰৱাসী নেতৃস্থানীয় ব্যক্তিত্বৰ সৈতে যোগাযোগ স্থাপন হোৱা বাবে হাজং জাতিৰ গৱেষণাই এক বিশিষ্ট মাত্ৰা অৰ্জন কৰিছে। সঞ্জীত কুমাৰ হাজঙে জনাইছে- "I live in Dhaka and work at Sacred Welfare Foundation. It is not significant number that we live in Bangladesh, it is near about 30000 only. But we live in four districts in Bangladesh-- Sherpur, Mymensingh, Netrokona and Sunamganj. The literacy rate is near about 45%, but the higher educated persons are few. Doctors and Engineers in our community are a few too. We are struggling for our existence."

অসম আৰু মেঘালয়ত বিস্তাৰিত হৈ থকা হাজং জনগোষ্ঠীৰ বিষয়ে দীৰ্ঘকাল ক্ষেত্ৰভিত্তিক অধ্যয়ন-গৱেষণা কৰি বিশিষ্ট গৱেষক-পণ্ডিত অধ্যক্ষ ভৱানন্দ ডেকাই তেখেতৰ গৱেষণা-পত্ৰত সংগতভাৱেই লিখি থৈ গৈছে যে হাজংসকল অসমৰ আদিমতম জনগোষ্ঠীৰ এটা। হাজংসকলে অসমৰ বুকুত এসময়ত নতুন সভ্যতাৰ পাতনি মেলিছিল, লুইতৰ বুকুত নতুন ভাষা-কৃষ্টিৰ সোণালী পথাৰত নতুন শইচ ৰোপণ কৰিছিল। মন কৰিবলগীয়া বিষয়টো হ'ল যে সেই সময়ত অসমৰ ভূভাগ পুবৰ ডিক্ৰং নদীৰপৰা পশ্চিমে কুশী নদীলৈকে বিস্তৃত আছিল। হাজংসকল বৃটিছ শাসনৰ আগৰ কামৰূপ ৰাষ্ট্ৰ বা অবিভক্ত অসম প্ৰদেশৰ গোৱালপাৰা, ৰংপুৰৰ পৰা মৈমনসিং জিলালৈ বিস্তৃত আছিল। যুগে যুগে আক্ৰমণকাৰী নতুন মানুহৰ আগমনত তেওঁলোকে নানা আহুকাল ভোগ কৰিব লগা হৈছিল। কালক্ৰমত আন জনগোষ্ঠীৰ হেঁচাত তেওঁলোকে ক্ৰমাৎ দক্ষিণ ফাললৈ লাহে লাহে আঁতৰি যাবলৈ ধৰে। গাৰোপাহাৰৰ নিৰাপদ এলেকাত বহু হাজংলোকে গৈ গাঁও পাতি বসবাস কৰিবলৈ লয়।

অসমীয়া জাতি আৰু সমাজ-সংস্কৃতিৰ ৰূপ দিওঁতে তেওঁলোকৰ অৱদান অতুলনীয়। হাজংসকলে অসমীয়া ভাষা-সংস্কৃতি আৰু সমাজ গঠনত বিশেষ অৰিহণা যোগাইছিল। "দিব আৰু নিব" এই আদৰ্শত লুইতৰ পাৰত সকলোৰে গ্ৰহণীয় এখন উমৈহতীয়া অসমীয়া সমাজ, সংস্কৃতি আৰু এটি সমন্বয়ৰ অসমীয়া ভাষা গঢ় দিছিল।

হাজংসকলে অসমীয়া ভাষা-কৃষ্টি ৰক্ষা কৰি আছে আৰু নিজৰ ল'ৰা-ছোৱালীকো 'অসমীয়া' মাধ্যমত শিক্ষা লোৱাই

আছে। তেওঁলোকৰ নিজা হাজং ভাষাৰ বৈশিষ্ট্য শব্দবোৰতে প্ৰকাশ পায়, যেনে--- চেঙৰা, চেঙৰী, চেকী চাবা লাগ্‌বো, লাগিব, পৰা নাই, বইনী, জাখা, কোদাল, ৰুৰা, ৰাতি কীৰ্ত্তন, ঢেকী, ভাত, পানী, খাৰ, আখে, খোল, ধুলুক, তাল, ধল পোহৰ, ঘুম, ক্ষণ, ৰাতি পুহাল, হাল-গৰু, তাৰাতাৰি, নয়া-ৰোৱা, পাকাধান, ভৰবো, চাং, বুইনীগিলা, জাখা মাৰং, বেলি উঠিল, শাক, পাঠানি (পাতিন), শাল, তুলসী, দাদা, খুৰা আদি। অসমীয়া ভাষাত, বিশেষকৈ অসমৰ প্ৰাচীনতম কামৰূপীয়া ভাষাত সোমাই পৰা হাজং মূলৰ শব্দসমূহে অসমীয়া ভাষাক সমৃদ্ধ কৰা বহুতো উপমা আছে।

**হাজং জনজাতিৰ স্বকীয় বৈশিষ্ট্যসমূহ**

হাজংসকলৰ নিজৰ চিনাকি দিব পৰা কিছুমান বৈশিষ্ট্য আছে ঃ

(১) তেওঁলোকৰ নিজা গঢ়-গঠন আছে।

(২) ভাব প্ৰকাশৰ নিজা মাত-কথা, নিজা ভাষা আছে।

(৩) নিজা কলা-সংস্কৃতি, ৰীতি-নীতি, ব্যৱহাৰ আছে। নাচ-গান, গীত-বাদ্য আছে।

(৪) নিজা সাজ-পাৰ, বোৱা-কটা পদ্ধতি আছে।

(৫) সাহিত্য আছে, কিন্তু লিখিত ৰূপত নাই। লোকসাহিত্য, লোকনৃত্য, লোকনাট আদিৰ ভঁৰাল চহকী।

(৬) হাজংসকল হিন্দু সম্প্ৰদায়ৰ লোক। তেওঁলোকৰ নিত্য-নৈমিত্তিক জীৱনত পালন কৰি অহা পূজা-পাৰ্বণ, আচাৰ নীতি, খোৱা-বোৱা, বিবাহ আদি আছে।

হাজংসকলৰ মাজত কেইবাটাও ফৈদ আছে। শ্ৰীপৰেশ হাজঙৰ মতে তেওঁলোকৰ একৈশটা ফৈদ আছে। কিন্তু নামবোৰ পোৱা টান। কিছুমানৰ মতে ফৈদ সাতটা। বৰ্তমান কেৱল তিনিটা ফৈদৰহে নাম পোৱা গৈছে- চোন্দী, বেন্দগইয়া, বলিআটি।

**হাজংসকলৰ অৰ্থনৈতিক অৱস্থা**

হাজংসকল কৃষিজীৱী। কৃষি হ'ল জীৱন-নিৰ্বাহৰ প্ৰধান ব্যৱসায়। ৰাজনীতি কৰা লোক বৰ কম। শিক্ষিত লোকৰ সংখ্যাও কম। চাকৰি কৰা লোকৰ সংখ্যাও কম। বৰ্তমান চাম ডেকা-গাভৰুৰ মাজত চাকৰি প্ৰয়াসী মন আছে। দুই-চাৰিজন উচ্চপদস্থ চাকৰিয়াল আছে। মেঘালয় চৰকাৰৰ মন্ত্ৰীসভাত স্থান পোৱা লোক আছে। বেহা-বেপাৰ কৰা লোক কম। সৰু-সুৰা কাৰবাৰ কৰা লোক কিছু ওলাইছে। কিন্তু একেবাৰে মুষ্টিমেয়। হাজংসকলে ব'হাগৰপৰা আহিনলৈকে মূৰৰ ঘাম মাটিত পেলাই গৰু-ম'হেৰে মাটি চহ কৰি খেতি কৰে। গৰু, ম'হ, ছাগলী, হাঁহ-পাৰ আদি ঘৰত পোহে। আঘোণ-পুহ মাহ হাজংসকলৰ বাবে শস্য পথাৰৰপৰা আনি মৰণা মৰাৰ সময়।

গাঁওবোৰত হাজং শিপিনীয়ে ঘৰুৱা পৰিৱেশতে তাঁতশাল লগাই বিবিধ বস্ত্ৰ বোৱে। তেওঁলোক হাজং পৰম্পৰাগত বস্ত্ৰ পাঠিন আৰু আগান বোৱা পদ্ধতিত অধিক আগ্ৰহী। তেওঁলোক নিজৰ ব্যক্তিগত চাহিদা পূৰণৰ লগতে অন-হাজং সমাজৰ পুৰুষ-মহিলাৰ বাবেও হাজং পৰম্পৰাগত শৈলী ব্যৱহাৰ কৰি বস্ত্ৰ বৈ বাণিজ্যিক দিশেৰে আৰ্থিকভাৱে লাভৱান হ'ব পাৰে। হাজং মহিলাই বোৱা আৰু ব্যৱহাৰ কৰা পাঠিনৰ দৰে বহুৰঙী আড়ম্বৰপূৰ্ণ পোছাক উপযুক্ত পদ্ধতিৰে বিশ্বৰ বজাৰলৈ উলিয়াই দিব পাৰিলে ফেশ্বনৰ জগতত তোলপাৰ লগাই হাজং শিপিনীৰ হস্তশিল্পলৈ বিশ্বজোৰা স্বীকৃতি অহাৰ লগতে আৰ্থিক প্ৰগতিৰ পথো মুকলি হ'ব।

হাজংসকলে কেৱল গৌৰৱময় ঐতিহ্যৰ ওপৰতে নিৰ্ভৰ কৰি নাথাকি বৰ্তমানৰ আধুনিক সমাজৰ প্ৰত্যাহ্বান আৰু প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ অৰ্থনৈতিক, শৈক্ষিক, সামাজিক, বাণিজ্যিক, বৌদ্ধিক, সাংস্কৃতিক দিশেৰে নিজকে শক্তিশালী কৰিবলৈ নতুন পৰিকল্পনা গ্ৰহণ কৰি হাতে-কামে লাগি আগবাঢ়ি আহিবই লাগিব। হাজং গাঁৱৰ ঘৰুৱা চৌহদবোৰত শাক-পাচলিৰ খেতি কৰি জৈৱিক শস্যৰে আখলঘৰ সমৃদ্ধ কৰাৰ লগতে বাহিৰৰ বিশাল বজাৰৰ চাহিদা পূৰণৰ বাবে আগবাঢ়ি আহিবলৈ সকলোকে উদ্বুদ্ধ কৰাৰ সময় সমাগত।

চিলাপথাৰ চহৰৰপৰা পঁয়ত্ৰিশ কিলোমিটাৰ আঁতৰৰ মুকলিমুৰীয়া চিমেনমুখ অঞ্চলত প্ৰায় বুঢ়ালুইতৰ পাৰতে অসমৰ প্ৰায় পূব সীমামূৰীয়া দুখন জোৰালগা ধুনীয়া হাজং গাঁও শ্ৰীৰামপুৰ-তুলসীপুৰৰ ভূমিস্থ জলভাগত যথেষ্ট লৌহপদাৰ্থই পানী ঘোলা কৰি ৰাখে। চৰকাৰে বিকল্প কোনো পানীযোগানৰ ব্যৱস্থা কৰা নাই। গতিকে তেওঁলোকে ভূমিজলকে শোধন কৰি ব্যৱহাৰ কৰে। প্ৰায়বোৰ হাজং

গাঁৱতেই এনে অৱস্থা।

হাজং জাতীয় পৰিষদ আৰু হাজং ছাত্ৰ সন্থাৰ দৰে সংগঠনে হাজং ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক আৰু বৌদ্ধিক অগ্ৰগতিৰ খতিয়ান লৈ থকাৰ এক স্থায়ী ব্যৱস্থা গঢ় দিব লাগে। ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশৰ লগতে আধুনিক প্ৰতিযোগিতামুখী বিশ্বত সফলতাৰে তিষ্ঠি থকাৰ বাবে বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণ দিয়াৰ বাবে চৰকাৰী সংস্থাৰ সহযোগত নিয়মিত কৰ্মশালা পাতিব লাগে।

ধেমাজি জিলাত ব্ৰহ্মপুত্ৰৰ পাৰত বাস কৰা হাজং মানুহখিনিৰ অৱস্থা অতি বেয়া। কেঁচা ৰাস্তাৰে গৈ লক্ষ্মীসুঁতি নামৰ এখন নৈপৰীয়া বান-অধ্যুষিত গাঁৱৰ কাষত ব্ৰহ্মপুত্ৰৰ পাৰত খৰালি কালতে ভয়ংকৰ খহনীয়া আৰম্ভ হৈছিল। আগৰটো শীতকালৰ ছমাহৰ ভিতৰতে ব্ৰহ্মপুত্ৰই সেই হাজং গাঁৱৰ কেইবাহাজাৰ বিঘা খেতিৰ মাটি নিজৰ বুকুত সামৰি লৈছিল। আহি থকা বাৰিষাৰ দিনকেইটাত ব্ৰহ্মপুত্ৰৰ প্ৰৱল ধলে সমগ্ৰ গাঁওখন উছন কৰিব বুলি এগৰাকী জ্যেষ্ঠ গাঁওবাসীয়ে কৈছিল। তেৰেঁই নদীৰ পাৰলৈ নি বালিচহীয়া পাৰৰ মাটি অতি হৃদয় কঁপোৱা শব্দেৰে ব্ৰহ্মপুত্ৰৰ বুকুত বিলীন হোৱা দেখুৱাইছিল। তেওঁৰ ভৱিষ্যতবাণীকে সত্য বুলি প্ৰমাণ কৰি সেই লক্ষীসুঁতি নামৰ হাজং গাঁওখন পৰৱৰ্তী বাৰিষাতে সম্পূৰ্ণকৈ খহাই নি ব্ৰহ্মপুত্ৰই নিজৰ বুকুত সুমুৱাই লৈ এই জনজাতীয় মানুহখিনিক ৰাতিটোৰ ভিতৰতে গৃহহীন কৰি পেলাইছিল।

কিন্তু আশাব্যঞ্জক কথাটো হ'ল এই যে আগন্তুক বানে গাঁওখন উছন কৰিব বুলি জনাৰ পিছতো গাঁওবাসীয়ে জীৱনৰ যাত্ৰা সাহস আৰু আশাবাদিতাৰে আগবঢ়াই নি আছিল। প্ৰকৃতিৰ সৈতে সহাৱস্থান কৰি, যুঁজি জীয়াই থাকিব পৰাকৈ হাজংসকল অন্তঃশক্তিৰে শক্তিশালী বুলি এই জীৱনযাত্ৰাৰ ইতিবাচকতাৰ পৰাই প্ৰতিপন্ন হয়। যুগসন্ধিৰ এই দোমোজাত হাজংসকলেও অস্তিত্ব ৰক্ষাৰ বাবে সদায় সংগ্ৰাম কৰিব লগা হৈছে। নতুন যুগৰ প্ৰত্যাহ্বান গ্ৰহণ কৰি আত্মবিশ্বাসেৰে আগবাঢ়ি গৈ হাজং স্বকীয়তাখিনি বিশ্বৰ আগত সগৌৰৱে তুলি ধৰিবলৈ তেওঁলোকেও নতুন সংগ্ৰামৰ বাবে শক্তি আৰু যোগ্যতা আহৰণ কৰিব লাগিব।

মুঠ কথাত, হাজং জনগোষ্ঠীক বাদ দি অসমীয়া মহাজাতি কেতিয়াও সম্পূৰ্ণ হ'ব নোৱাৰে। বড়ো, ৰাভা, মিছিং, কাৰ্বি, ডিমাছা, তিৱা, সোণোৱাল কছাৰী আদিৰ দৰেই হাজং অসমীয়া জাতিৰ অভিন্ন অংগ। তেওঁলোক অসম, ভাৰত বা পৃথিৱীৰ যিকোনো দেশতে বাস নকৰক কিয়, তেওঁলোকে চিৰকাল অসমীয়া থলুৱা জনগোষ্ঠীৰ ধ্বজা গৌৰৱেৰে উৰুৱাই জাতিটোক সমৃদ্ধ কৰি থাকিব।

শেষত, হাজং ভাষাৰ এটা গীতৰ দুটামান কলি আওৰাই এই ৰচনা সামৰিছোঁ--

*"ও জাতলা দেও তগে কৰে আমলা হেঙা*
*আমলা জাতলা এই মিলনদা ন জগ ভাঙিয়া।*
*জাতলা জীৱন জাতলা মৰণ*
*যিদা মাথাত ৰাখিছে*
*কাৰণি নিয়া মাথানি ৰাখিয়া কৰে তগে হেঙা।।*
*ও জাতলা দেও তগে কৰে আমলা হেঙা।*
*জাতলা ভালা জাতলা মন্দ বেলা নেখে জলুক*
*এই ভালা পোৱাই ভালা হাৱা চানলা জোহা ঢালুক।*
*ভাইলা মায়া ভাইলা মমতা না যাগ ভাঙিয়া।"*
*(হে জাতিৰ দেৱতা, আমি তোমাক কৰো সেৱা।*
*আমাৰ জাতিৰ এই মিলন নাযাওক ভাঙি।।*
*জাতিৰ জীৱন জাতিৰ মৰণ যিদৰে মূৰত ৰাখিছো।*
*কান্ধত নি মাথাত ৰাখি তোমাক কৰো সেৱা।*
*জাতি ভাল জাতি বেয়া- সূৰ্য্য-কিৰণৰ দৰে জ্বলক।*
*এই ভালপোৱা সন্তান আমাৰ জোনৰ কিৰণৰ দৰে*
*কিৰণ ঢালক ককাই-ভাইটিৰ মৰম ভণ্টিৰ মৰম নাযায়*
*যেন ভাঙি এই বন্ধন নাযাওক ভাঙি।)*

●



# মোৰ হিমালয় আৰোহণৰ কাহিনী কিছু অনুভৱ ঃ কিছু নষ্টালজিয়া

ডাঃ জগদীশ বসুমতাৰী

ঃ উৎপল, তোৰ কাৰণে মই দুটা পেপাৰ কাটিং ৰাখি থৈছোঁ। তই পঢ়ি ভাল পাবি।

মই স্কুলৰ পৰা ভাগৰত লেবেজান হৈ আহি ঘৰ সোমাই হাত মুখ ধুই আইয়ে যতনাই দিয়া ভাত খাবলৈ পিৰা পাৰি বহিছিলোঁ মাথোন ! তেনেতে আইৰ মাত শুনি, তেওঁৰ মুখলৈ চাই সন্মতিসূচক ইংগিত দিছিলোঁ।

স্কুলীয়া দিনত মোৰ বাবে দেশ বিদেশৰ বাতৰি, বিশেষকৈ খেল-ধেমালিৰ বাতৰিৰ ভু ৰখাৰ একমাত্ৰ উৎস আছিল ৰেডিঅ'টো আৰু অসমীয়া বাতৰি কাকত কেইখন। পিতাই 'দৈনিক অসম' আৰু 'অসম বাণী'খন নিয়মীয়াকৈ ৰাখিছিল। স্কুলীয়া দিনত ইংৰাজী কাকত পঢ়া মোৰ মনত নাই। আইয়ে মোক পাঠ্য পুথিৰ উপৰিও বাহিৰা কিতাপ আৰু বাতৰি কাকত পঢ়িবলৈ দঢ়াই দঢ়াই উপদেশ দিছিল। বাতৰি কাকতবোৰ আমি পঢ়ি অতোৰাৰ পিছত আইয়ে সেইবোৰ গেলামালৰ দোকানীক বেচিবলৈ জমা কৰি থৈছিল। খবৰ দিলে তেওঁলোকৰ মানুহেই আহি কিলোগ্ৰাম হিচাপত কিনি লৈ যায়। কিন্তু আইয়ে কাগজবোৰ দোকানীক বেচি দিয়াৰ আগতে

এটা বিশেষ কাম কৰিছিল। সেইটো আছিল, তেওঁ সংৰক্ষণৰ দৰকাৰী বুলি ভবা খবৰবোৰ ধুনীয়াকৈ পেপাৰ কাটিং কৰি ফাইলত সুমুৱাই থৈছিল। এই কাটিং কৰি থোৱা বেছিভাগেই আছিল কোনো মহৎ লোকৰ জীৱনী আৰু ফটো, মহিলাৰ শিতানত প্ৰকাশ হোৱা বিভিন্ন চিলাইৰ নমুনা, ৰন্ধন প্ৰণালী আৰু নানান খেলৰ খবৰ।

ভাত খাই উঠিয়েই মই পেপাৰ কাটিংখিনি উলিয়াই লৈছিলোঁ। বোধকৰো 'দৈনিক অসম'ৰ কাটিং আছিল। কাকতৰ প্ৰথম পৃষ্ঠাত বৰ বৰ হৰফেৰে লিখা শিৰোনামটোৱে অসমৰ এটি পৰ্বতাৰোহী দলে হিমালয়ত দুটা শৃংগ জয় কৰাৰ ৰোমাঞ্চকৰ কথা ঘোষণা কৰিছিল। তেতিয়া পৰ্বতাৰোহণ সম্বন্ধে মোৰ জ্ঞান একেবাৰে সীমিত আছিল। এটাই কথা জানিছিলো যে টেনজিং নৰ্গে আৰু এডমাণ্ড হিলাৰীয়ে পৃথিৱীৰ সৰ্বোচ্চ এভাৰেষ্ট শৃংগ জয় কৰিছিল। অসমীয়া পৰ্বতাৰোহী কেইজনমানে কেনেকৈ তুষাৰপাত, বৰফৰ ধুমুহা, avalanche আদি দুৰ্য্যোগৰ প্ৰত্যাহ্বান নেওচি অশেষ কষ্ট স্বীকাৰ কৰি গাঢ়োৱাল হিমালয়ত অৱস্থিত বেথাৰতলি আৰু মৃগথুনি নামৰ দুটা বৰফে ঢকা সুউচ্চ শৃংগত আৰোহণ কৰিবলৈ সক্ষম হৈছিল, তাৰেই বিৱৰণ এই বাতৰিত সন্নিৱিষ্ট আছিল। এই পৰ্বতাৰোহী কেইজনৰ এজনো কিন্তু এনে ধৰণৰ টেকনিকেল অভিযানৰ বাবে সম্পূৰ্ণৰূপে প্ৰশিক্ষিত নাছিল। বেথাৰতলি (২০,৭৩০ ফুট) আৰু মৃগথুনিয়েই (২২,৪৯০ ফুট) তেখেতসকলৰ প্ৰথম হিমালয় অভিযান আছিল। তথাপিও অদম্য মনোবল আৰু দুৰ্জেয় সাহসক সাৰথি কৰিয়েই ৰোহিনী কুমাৰ ভূএগা, খগেন্দ্ৰ নাথ বৰা, ভগৎ সিং আৰু অজিত শৰ্মা নামৰ অপ্ৰতিৰোধ্য এই অসমীয়া যুৱক কেইজনে এসপ্তাহৰ ব্যৱধানত এটা নহয় দুটাকৈ হিমালয়ৰ ভয়লগা শিখৰত পদাৰ্পণ কৰি এক বিৰল কৃতিত্বৰ অধিকাৰী হৈছিল। প্ৰকৃতাৰ্থত ১৯৭০ চনৰ ছেপ্টেম্বৰ-অক্টোবৰ মাহত পৰিচালনা কৰা অসমৰ এই দ্বৈত হিমালয় অভিযানেই অসমত পৰ্বতাৰোহণৰ বৰ্ণিল যাত্ৰাৰ সূচনা কৰিছিল বুলি ক'ব পাৰি। এই বিজয়ৰ পিছতেই ১৯৭২ চনত প্ৰয়াত ৰোহিনী কুমাৰ ভূএগাই (অসমৰ পৰ্বতাৰোহণৰ জনক) ভাৰতৰ তৃতীয় উচ্চতম কামেট শৃংগ (২৫,৪৪৭ ফুট) বগাবলৈ চেষ্টা কৰি প্ৰতিকূল বতৰৰ বাবে শিখৰৰ একেবাৰে ওচৰৰপৰা উভতিবলৈ বাধ্য হৈছিল। তাৰ ঠিক দুবছৰৰ পিছতেই হিমালয়ৰ বান্দৰপুঞ্চ শিখৰত (২০,৭২০ ফুট) অসমীয়াৰ ফুলাম গামোচা উৰিছিল। বাতৰি কাকতৰ পাতত এই খবৰসমূহ পঢ়ি লাহে লাহে মোৰ মনতো পৰ্বত বগোৱাৰ দুৰ্বাৰ হেঁপাহ জাগি উঠিছিল। মইয়ো এভাৰেষ্টত থিয় হোৱাৰ দিবাস্বপ্ন দেখিছিলোঁ। সুযোগৰ অপেক্ষাত ৰৈছিলোঁ। অদৃষ্টয়ো হয়তো মোৰ অজানিতেই মোৰ বাবে কিবা পৰিকল্পনা কৰি থৈছিল।

**প্ৰথম প্ৰশিক্ষণৰ সুযোগ ঃ**

সঁচাকৈয়ে মোলৈ এই সুযোগ আহিছিল কটন কলেজত পঢ়ি থকা সময়ত। মোৰ পৰ্বতাৰোহণৰ আনুষ্ঠানিক আদিপাঠ গ্ৰহণৰ বিষয়ে লিখিবলৈ লৈ মনত পৰিছে ১৯৭৬ চনৰ ডিচেম্বৰ মাহৰ এটা দেওবৰীয়া কাহিলি পুৱাৰ কথা। মই তেতিয়া কটন ছেকেণ্ড মেছৰ আৱাসী। সিদিনা ফেঁহুজালি দিওঁতেই লেপৰ আমেজ ত্যাগ কৰি শেতেলিৰ পৰা বহু কষ্টেৰে উঠিছিলোঁ। প্ৰাতঃকৃত্য সমাপন কৰিয়েই ঢাপলি মেলিছিলোঁ হোষ্টেলৰ একেবাৰে ওচৰতে থকা আমাৰ অতি আদৰৰ জজ ফিল্ডলৈ ! ইতিমধ্যে খেল পথাৰত প্ৰায় ডেৰশমান যুৱক যুৱতী সমবেত হৈছিলহি। আচলতে আমি আটায়ে পৰ্বতাৰোহণৰ প্ৰশিক্ষণ এটাত অংশ গ্ৰহণ কৰিবলৈ তাত গোট খাইছিলোঁ। প্ৰণিধানযোগ্য যে, পৰ্বতাৰোহণৰ দৰে এটা ৰোমাঞ্চকৰ ক্ৰীড়াৰ প্ৰতি অসমীয়া যুৱক যুৱতীক আকৰ্ষিত কৰিবলৈ উত্তৰ পূৰ্বাঞ্চলৰ বাটকটীয়া পৰ্বতাৰোহণ অনুষ্ঠান "অসম পৰ্বতাৰোহণ সন্থা" ই প্ৰতি বছৰে নৱেম্বৰ-ডিচেম্বৰ মাহৰ প্ৰতিটো দেওবাৰে প্ৰশিক্ষণৰ এটা সুপৰিচালিত কাৰ্য্যসূচী সম্পন্ন কৰি আহিছিল। এনে এটা কাৰ্য্যসূচীৰে আমি প্ৰশিক্ষাৰ্থী আছিলোঁ। জজ ফিল্ডত প্ৰশিক্ষকসকলৰ কঠোৰ তত্ত্বাৱধানত আমি প্ৰথমে পথাৰৰ

চাৰিওফালে বহু পাক দৌৰিছিলোঁ। তাৰ পিছত তেওঁলোকে আমাক নানান ধৰণৰ ব্যায়াম কৰাইছিল। আমাৰ কপালত বিন্দু বিন্দু ঘাম বিৰিঙিছিল। ব্যায়ামৰ অন্তত আমাক শাৰী পাতিবলৈ দি শৃংখলাবদ্ধভাৱে কাছাৰী ঘাটলৈ লৈ যোৱা হৈছিল। তাৰপৰা উত্তৰ গুৱাহাটীলৈ যাবলৈ সাজু হৈ থকা প্ৰথম ফেৰীখনতেই আমি গোটেইজাকেই উঠি দিছিলোঁ। এক প্ৰকাৰ প্ৰদূষণমুক্ত তেতিয়াৰ গুৱাহাটীত প্ৰচণ্ড শীতৰ প্ৰকোপ। ব্ৰহ্মপুত্ৰৰ বুকুত শীতৰ কুঁৱলীৰ ডাঠ আৱৰণ। লগতে ফেৰফেৰীয়া বতাহ। সিপাৰ পাই ফেৰীৰ পৰা নামি আমি আকৌ এবাৰ শাৰী পাতি থিয় হ'লো। তাৰ পিছত আমি দৌলগোবিন্দ মন্দিৰৰ পবিত্ৰ প্ৰাংগন হৈ দীৰ্ঘেশ্বৰী মন্দিৰ অভিমুখে বাট বুলিলোঁ। শতাধিক প্ৰশিক্ষাৰ্থীৰ ভৰিৰ গচকত গোটেই বাট ধূলিময় হৈছিল। মন্দিৰৰ সমীপতে ডাঠ গছ-গছনি আৰু জোপোহাৰ মাজত এটা শিলাময় অঞ্চল আছিল। ইয়াতেই হাবি মোকোলাই আমাৰ প্ৰশিক্ষণৰ কাৰ্য্যসূচী আৰম্ভ কৰা হৈছিল। সিদিনা আমাক ৰাতিপুৱাৰ পৰা গধূলিলৈকে বহু কৌশল শিকোৱা হৈছিল। তাৰে ভিতৰত আছিল- শৰীৰৰ ভাৰসাম্য নিয়ন্ত্ৰণ কৰি খালি হাতেৰে ওখ শিল বগোৱা, ৰছী আৰু বিশেষ সঁজুলিৰ ব্যৱহাৰ কৰি ওখ শিলৰ পৰা ক্ষিপ্ৰ গতিত তললৈ নামি অহা, কেবাজনো আৰোহীয়ে প্ৰত্যেকে কঁকালত ৰছী বান্ধি বিপজ্জনক ঠাই অতিক্ৰম কৰা, বিশেষ কৌশলেৰে শিলৰ ফাঁকেৰে আৰোহণ আৰু অৱৰোহণ কৰা ইত্যাদি। আমাৰ অভিজ্ঞ প্ৰশিক্ষকসকলে যথেষ্ট ধৈৰ্য্য আৰু নিষ্ঠা সহকাৰে আমাক এই কৌশলবোৰ শিকাবলৈ চেষ্টা কৰিছিল। ৰছী অবিহনে পৰ্বতাৰোহণ অকল্পনীয়। বিশেষ ধৰণে নিৰ্মিত এই ৰছীবোৰত বিভিন্ন গাঁঠি দিয়াৰ পদ্ধতি আৰু ৰছীৰ যতন কেনেকৈ ল'ব লাগে, তাকো শিকিছিলোঁ। প্ৰথম অৱস্থাত আমাৰ ভয় লাগিছিল। শৰীৰৰ য'তে ত'তে মাখিছাল ছিগিছিল। কিন্তু প্ৰশিক্ষকসকলৰ আপোচহীন চেষ্টা, আশ্বাস, অভয় প্ৰদান আৰু প্ৰয়োজনত দিয়া এজাউৰি গালিয়েই আমাৰ আত্মবিশ্বাস ঘূৰাই অনাত যাদুৰ দৰে কাম কৰিছিল। লাহে লাহে জেদ আৰু প্ৰতিদ্বন্দ্বিতাৰ মনোভাৱে আমি ক'ব নোৱৰাকৈয়ে আমাৰ মনত ক্ৰিয়া কৰিছিল। পৰ্বতত অৱশ্যে ই বৰ্জনীয়। বেলি লহিওৱাৰ লগে লগে সিদিনাৰ প্ৰশিক্ষণৰ অন্ত পৰিছিল। সকলো সা-সঁজুলি সামৰি সুতৰি আমি দীৰ্ঘেশ্বৰীৰপৰা খৰ খোজেৰে আহি যেতিয়া ফেৰী ঘাট পাইছিলোহি, তেতিয়া ডিচেম্বৰৰ শীতৰ আন্ধাৰে চৌদিশ আৱৰি ধৰিছিল। পুনৰ শেষ ক্ষেপৰ ফেৰীৰে ব্ৰহ্মপুত্ৰ পাৰ হৈ কাছাৰী পালোহি। সকলোৰেপৰা বিদায় লৈ এটা ক্লান্তিভৰা দিনৰ মধুৰ অভিজ্ঞতা লৈ নিশাৰ আহাৰ খোৱাৰ ঘণ্টা পৰাৰ ঠিক আগতে হোষ্টেলত প্ৰৱেশ কৰিছিলোহি। ইয়াৰ পিছৰ দেওবাৰবোৰত অৱশ্যে গুৱাহাটীৰ আশে পাশে থকা পাহাৰবোৰতে আমাৰ প্ৰশিক্ষণ অনুষ্ঠিত হৈছিল। এই প্ৰশিক্ষণৰ জৰিয়তেই মই অসম পৰ্বতাৰোহণ সন্থাৰ লগত এক সম্বন্ধৰ দোলেৰে বান্ধ খাই পৰিছিলোঁ। আজি প্ৰায় ৪৬ বছৰ অতিবাহিত হৈ যোৱাৰ পিছতো সেই দোলডাল আগৰ দৰেই কটকটীয়া হৈ আছে।

মোৰ দৰে শ শ যুৱক যুৱতীক পৰ্বতাৰোহী হিচাপে গঢ়ি তোলা অনুষ্ঠান পৰ্বতাৰোহণ সন্থাক প্ৰায় একক প্ৰচেষ্টাৰে ১৯৬৮ চনত প্ৰয়াত ৰোহিনী কুমাৰ ভূঞা নামৰ এজন নবীন পৰ্বতাৰোহীয়ে প্ৰতিষ্ঠা কৰিছিল। তেখেত কটন কলেজৰ স্নাতক শ্ৰেণীৰ ছাত্ৰ আছিল। তেখেতক দিহা পৰামৰ্শ দি সহায় কৰিছিল তেতিয়াৰ এজন বিশিষ্ট ক্ৰীড়া সংগঠক কটন কলেজৰ অধ্যাপক দেৱী চৰণ মহন্তই। ১৯৭০ চনত ৰোহিনী ভূঞাৰ বন্ধু অতনু প্ৰসাদ বৰুৱা তেওঁৰ লগ লাগেহি। অধ্যাপক দেৱী চৰণ মহন্ত আৰু ৰোহিনী কুমাৰ ভূঞাই অসম পৰ্বতাৰোহণ সন্থাৰ যথাক্ৰমে প্ৰথম সভাপতি আৰু প্ৰথম সাধাৰণ সম্পাদক হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰিছিল। এখেতসকলেই ১৯৭০ চনত বেথাৰতলি আৰু মৃগথুনী শিখৰত বিজয় ধ্বজা উৰুৱাই অসমত পৰ্বতাৰোহণৰ আনুষ্ঠানিক আৰম্ভণি কৰিছিল। অসমত পৰ্বতাৰোহণে ঠন ধৰি উঠাৰ সময়তে অসমৰ পৰ্বতাৰোহণৰ

জনকস্বৰূপ ৰোহিনী কুমাৰ ভূএগ্ৰাই ১৯৭৯ চনৰ ৫ অক্টোবৰত হিমালয়ৰ কেডাৰ ডোম শৃংগ জয় কৰি নামি আহোঁতে তুষাৰ ধুমুহাৰ কবলত পৰি কৰুণ মৃত্যুক সাবটি লৈছিল।

**উচ্চ প্ৰশিক্ষণৰ সুযোগ ঃ**

মই অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ সঞ্চালকালয়ৰ দ্বাৰা হিমাচল প্ৰদেশৰ মনোৰম শৈলাবাস মনালীত অৱস্থিত Institute of Mountaineering and Allied Sports নামৰ শিক্ষানুষ্ঠানটোত Basic Mountaineering Course কৰিবলৈ জলপানি পাইছিলোঁ। এইটো আছিল আশীৰ দশকৰ আগডোখৰৰ কথা। মনালী চহৰৰ এচুকত অৱস্থিত সৰল গছ, সেউজীয়া পৰ্বত, খৰস্ৰোতা Beas নদী আৰু মোক খা মোক খা কৈ লাগি থকা আপেল গছৰ বাগানেৰে পৰিবেষ্টিত এই শিক্ষানুষ্ঠানটোক এখন পবিত্ৰ আশ্ৰমৰ দৰেই লাগিছিল। Instituteৰ ওচৰতে নয়নাভিৰাম ধাননি পথাৰৰ সেউজীয়া দলিচা এখনিও আছিল।

Institute ত উপস্থিত হৈ দেখিছিলো ইতিমধ্যে ভাৰতৰ বিভিন্ন প্ৰান্তৰপৰা ভিন্ন চেহেৰা, ভিন্ন ভাষা, ভিন্ন সংস্কৃতি, ভিন্ন খাদ্যাভ্যাসৰ প্ৰশিক্ষাৰ্থীসকল আহি শিক্ষানুষ্ঠানটোত সমবেত হৈছেহি। আমি সকলোৱে ইজনে সিজনৰ লগত চা চিনাকি হৈছিলোঁ। বৰ ভাল লাগিছিল। যথা সময়ত আমাৰ প্ৰশিক্ষণ আৰম্ভ হৈছিল। গুৱাহাটীত শিকা বহুত কৌশল আমি আকৌ এবাৰ শিকিছিলোঁ। আমি অসমৰ ল'ৰা-ছোৱালীবোৰ শিল বগোৱাত (Rock climbing) অতি পটু বুলি এটা সুনাম আছিল। প্ৰশিক্ষণ ল'বলৈ অহা প্ৰতিটো বেটচৰ ল'ৰা-ছোৱালীয়েই এই সুনামৰ ধাৰা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছিল। দৰাচলতে, আমি গুৱাহাটীত লাভ কৰা ট্ৰেইনিং অতি উচ্চ মানদণ্ডৰ আছিল। Institute ৰ আশে পাশে থকা পৰ্বতবোৰত শিলাৰোহণ প্ৰশিক্ষণ শেষ হোৱাৰ পিছত আমাক মনালীৰপৰা কিছু দূৰৈত হিমালয়ৰ বক্ষত থকা এটা গ্লেচিয়াৰলৈ প্ৰায় বাৰ দিনৰ বাবে লৈ যোৱা হৈছিল। গ্লেচিয়াৰতেই আমাৰ শিবিৰ পতা হৈছিল। আমাক বৰফত তম্বু তৰিবৰ বাবে কেনেকৈ জেগা মোকোলাব লাগে, তাক প্ৰথমে শিকোৱা হৈছিল। তাৰ পিছত আমি নিজৰ তম্বুৰ লগতে আমাৰ প্ৰশিক্ষণৰ দায়িত্বত থকা Instructor সকলৰ তম্বুবোৰো সাজি দিছিলোঁ। জুই ধৰিবলৈ খৰি গোটাই দিয়া কামটোও আমাকেই কৰিব দিয়া হৈছিল। আমাক শিকাইছিল যে এজন ভাল পৰ্বতাৰোহী সকলো পিনৰ পৰাই স্বাৱলম্বী হ'ব লাগে।

বৰফত ট্ৰেইনিং কৰিবলৈ গৈ জীৱনত প্ৰথমবাৰ বৰফত খোজ কাঢ়ি এক বুজাব নোৱৰা আনন্দত মন ভৰি গৈছিল। মোৰ দৰে বাৰিষা পথাৰৰ বোকা পানী খচি ডাঙৰ হোৱা অসমৰ গাঁৱৰ ল'ৰা এজনৰ বাবে ই এক দুৰ্লভ অভিজ্ঞতা আছিল। ক্লাইম্বিং বুট পিন্ধি কঠিন বৰফৰ বুকুত খোজ কাঢ়োঁতে বহুবাৰ পিছলি পৰিছিলোঁ। পৰি হাত ভৰি, কঁকাল এনেকি মূৰতো দুখ পাইছিলোঁ। অতীতৰ স্মৃতি কিছুমানে মনত ভুমুকি মাৰিছিল। বাৰিষা বোকাময় আলিবাটত, আমাৰ চোতাল আৰু নাদৰ পাৰৰ শেলুৱৈ আবৃত অংশত শুদা ভৰিৰে খোজ কাঢ়োঁতে পিছল খালেও আমি তৎক্ষণাৎ ভাৰসাম্য বজাই ৰাখি নপৰাকৈ থাকিব পাৰিছিলোঁ। আচলতে আমাৰ অতি সংবেদনশীল ভৰিৰ তলুৱা আৰু ভূমিৰ মাজত থকা পোনপটীয়া সংযোগে পৰিব খুজিলেই মগজুৰ কোষবোৰক শৰীৰক চম্ভালিবলৈ নিমিষতে সতৰ্ক কৰি দিয়ে। সেইবাবেই আমি পৰিব খুজিও নপৰাকৈ থাকিব পাৰিছিলোঁ। এতিয়া ডাঠ তলুৱাৰ জোতা পিন্ধা বাবে, ভৰিৰ তলুৱা আৰু বৰফৰ মাজত কোনো পোনপটীয়া সংযোগ নথকাত এই বিড়ম্বনা। যাৰ পৰিণাম বৰ পীড়াদায়ক হৈছিল। বুটৰ তলুৱাত Ice axe ৰে Step কাটিবলৈ শিকোঁতে অক্সিজেনৰ অভাৱত বৰ ফোঁপাইছিলোঁ। বুট পিন্ধিলে ভৰিৰ চাইজ বুৰঞ্জী কিতাপত দেখা কনিষ্কৰ ভৰিৰ দৰেই বিয়াগোম দেখাইছিল।

নব্বৈৰ দশকত মই আকৌ এবাৰ Directorate of Sports and Youth Welfare, Assam ৰ অনুদান লৈ মনালীলৈ Advanced Mountaineering Course কৰিবলৈ যাবলৈ সুযোগ পাইছিলোঁ। সেইবাৰ আমি ভাৰতৰ

বিভিন্ন ঠাইৰ বছা বছা এঘাৰজন প্ৰশিক্ষাৰ্থীয়েহে এই প্ৰশিক্ষণ ল'বলৈ বাছনিত উঠিছিলোঁ। উচ্চ প্ৰশিক্ষণৰ বাবে আমাক মনালীৰপৰা বহু দূৰৈত হিমাচল লেহ সীমান্তৰ চন্দ্ৰভাগা নদীৰ তীৰৰ হিমালয়ান ৰেঞ্জলৈ লৈ যোৱা হৈছিল। প্ৰায় তিনি সপ্তাহ চলা এই কঠিন ট্ৰেইনিঙৰ কালছোৱাত আমাৰ কঠোৰ আৰু আপোচহীন প্ৰশিক্ষকসকলে তুষাৰপাত আৰু বৰফ ধুমুহাৰ মাজতো আমাক পৰ্বতাৰোহণৰ বহুতো কায়দা কিটিপ শিকাইছিল। আমি Search and Rescueৰ কৌশলবোৰো শিকিছিলোঁ। গভীৰ তুষাৰ গাঁতত (crevasses) দুৰ্ঘটনাবশতঃ যদি কোনোবা পতিত হয়, তেন্তে তেনে ব্যক্তিক আমি আমাৰ সা-সৰঞ্জাম আৰু ৰছীৰেই বৰফত Pulley বনাই ওপৰলৈ তুলি অনাৰ কৌশল আয়ত্ব কৰিছিলোঁ। হেজাৰ বছৰ পূৰ্বেই মহান গ্ৰীক বিজ্ঞানী আৰ্কিমিডিছে এই Pulley পদ্ধতিৰেই বন্দৰৰ বিশাল জাহাজকো লৰাই সকলোকে চমৎকৃত কৰাৰ বিষয়ে কিতাপত পঢ়াৰ কথা মনত পৰিছিল। এই টেকনিকবিলাক শিকিবলৈ পাই আমি প্ৰত্যেকেই ৰোমাঞ্চিত হৈছিলোঁ। প্ৰশিক্ষণৰ মানপত্ৰ প্ৰদানৰ ঠিক আগমুহূৰ্তত এটি সুখবৰে মোক আনন্দত আবেগবিহ্বল কৰি তুলিছিল। আমাৰ প্ৰশিক্ষকসকলে এই Advanced Mountaineering Course ৰ আমাৰ এঘাৰজনৰ ভিতৰত মোক দ্বিতীয় শ্ৰেষ্ঠ প্ৰশিক্ষাৰ্থী হিচাপে নিৰ্বাচিত কৰিছিল। এই বিজয়ৰ বাবে মোক মানপত্ৰৰ লগতে মোৰ বুকুত Keep the Himalaya Clean Badge পিন্ধাই দিয়া হৈছিল।

**জীৱনৰ প্ৰথম অভিযান ঃ**

১৯৮৫ চনৰ আগষ্ট-ছেপ্টেম্বৰ মাহত মই জীৱনৰ প্ৰথম পূৰ্ণাংগ হিমালয় অভিযানত অংশ গ্ৰহণ কৰিবলৈ সুযোগ পাওঁ। সিবাৰ অসম পৰ্বতাৰোহণ সন্থাই গাঢ়োৱাল হিমালয়ৰ ভাৰত-তিব্বত সীমান্তত অৱস্থিত আবি গামিন নামৰ ২৪,১৩০ ফুট উচ্চতাৰ শিখৰ আৰোহণৰ বাবে এটা বৃহৎ দল গঠন কৰিছিল। মোকো এই দলত অন্তৰ্ভুক্ত কৰা হৈছিল। আবি গামিন আৰোহণৰ বাটটো বৰ দীঘলীয়া আৰু বিপজ্জনক আছিল। বাটৰ এছোৱা East Kamet Glacier নামৰ হিমালয়ৰ আটাইতকৈ দীঘল বৰফৰ নদীটোৰ বুকুয়েদি বগাব লাগে। শিখৰ পাবলৈ base camp ৰ ওপৰত আৰু ছটা শিবিৰ লগাব লাগে। প্ৰায় এমাহ নেৰানেপেৰা চেষ্টাৰ অন্তত আমাৰ দলৰ ছজন সদস্যই আবি গামিন শিখৰত জাতীয় পতাকা, অসম পৰ্বতাৰোহণ সন্থাৰ পতাকা আৰু ফুলাম গামোচা উৰুৱাবলৈ সক্ষম হৈছিল। মইয়ো জীৱনৰ প্ৰথম অভিযানতেই ২৩,৫০০ ফুট উচ্চতাত স্থাপন কৰা শিবিৰত এনিশা কটোৱাৰ অভিজ্ঞতা আহৰণ কৰিছিলোঁ। এই অভিযানতেই আমাৰ এজন সদস্যৰ High altitude cerebral oedema হৈছিল। মই সম্ভৱপৰ সকলো চিকিৎসা প্ৰদান কৰিছিলোঁ। অৱশেষত তেওঁক তললৈ নমোৱাটো একান্ত জৰুৰী হৈ পৰিছিল। তাৰ বাবে আমি সেনা বাহিনীৰ সহায়ো বিচাৰিছিলোঁ। আমাৰ মেছেজ পোৱাৰ পিছতেই সেনা বাহিনীয়ে তৎপৰতাৰে ব্যৱস্থা গ্ৰহণ কৰি পোন্ধৰ হেজাৰ ফুট উচ্চতাত স্থাপন কৰা আমাৰ base camp লৈ এখন চেতক হেলিকপ্তাৰ প্ৰেৰণ কৰিছিল। এই হেলিকপ্তাৰ আমাৰ কেম্পৰ ওচৰত শিলাময় ঠাইতেই অৱতৰণ কৰিছিল। সঁচাকৈয়ে আমাৰ ভাৰতীয় পাইলটৰ দক্ষতা আমাৰ গৌৰৱৰ বিষয়। অৰ্ধচেতন অৱস্থাত থকা মৃদুল চহৰীয়াক তুলি লৈ হেলিকপ্তাৰখনে সেনাবাহিনীৰ চিকিৎসালয়লৈ উৰা মাৰিছিল। সেই দিনটো আছিল ১৫ আগষ্ট, ১৯৮৫ চন। নতুন দিল্লীত অসম চুক্তি স্বাক্ষৰিত হোৱাৰ পিছৰ দিনটো। আমি পিছত খবৰ পাইছিলো যে সমতল পোৱাৰ পিছতেই আমাৰ মৃদুলৰ স্বাস্থ্যৰ দ্ৰুত উন্নতি হৈছিল।

**এটা স্মৰণীয় অভিযানৰ কাহিনী ঃ**

মানুহৰ জীৱনলৈ কেতিয়াবা কিছুমান সুযোগ সম্পূৰ্ণ অপ্ৰত্যাশিতভাৱে আহে। কিছুমান উপযাচি অহাৰ দৰেও আহে। এনেকৈ অহা সুযোগ কেতিয়াবা বৰ বেছি চিন্তা ভাবনা নকৰাকৈ তৎক্ষণাৎ গ্ৰহণ কৰিলে ফল ভালেই হয়। মোৰ ক্ষেত্ৰত এবাৰ তেনেকুৱাই হৈছিল।

১৯৯৩ চনৰ আগষ্ট মাহত মই হঠাতে সৰ্বভাৰতীয় অভিযান এটাত অংশ গ্ৰহণ কৰিবলৈ আমন্ত্ৰণ পাইছিলোঁ। এটা মহিলা পৰ্বতাৰোহীৰ দলে গাঢ়োৱাল হিমালয়ত অৱস্থিত Twin Peak বুলি জনাজাত মাউণ্ট কামেট আৰু মাউণ্ট আবি গামিন নামৰ শিখৰ দুটা আৰোহণ কৰিবলৈ যো-জা কৰিছিল। এই অভিযানৰ নেতৃত্ব দিয়াৰ দায়িত্ব বহন কৰিছিল মাউণ্ট এভাৰেষ্ট আৰোহণ কৰা প্ৰথম ভাৰতীয় মহিলা হিচাপে খ্যাতি লাভ কৰা শ্ৰীমতী বাচেন্দ্ৰী পালে। প্ৰকৃততে বাচেন্দ্ৰী পালে সম্পূৰ্ণ মহিলাৰে গঠিত এটা দল লৈ ১৯৯৩ চন মানত এভাৰেষ্ট আৰোহণৰ বাবে পৰিকল্পনা কৰিছিল। তাৰেই প্ৰাৰম্ভিক অংশ হিচাপে এই কামেট আৰু আবি গামিন অভিযানৰ আয়োজন কৰা হৈছিল। সম্পূৰ্ণ মহিলাৰে গঠিত এনে এটা দলত এগৰাকী চিকিৎসক হিচাপে যোগ দিবলৈ অভিযানৰ লীডাৰ বাচেন্দ্ৰী পালে (Bachendri Pal) তাঁৰবাৰ্তা যোগে মোক অনুৰোধ কৰিছিল। এই তাঁৰবাৰ্তা পঢ়ি মই নিজৰ চকুকেই বিশ্বাস কৰিব পৰা নাছিলোঁ। মাউণ্ট এভাৰেষ্ট আৰোহণ কৰা সৰ্বপ্ৰথম ভাৰতীয় মহিলা বাচেন্দ্ৰী পালে নেতৃত্ব দিয়া অভিযান এটাত যোগ দিবলৈ পোৱাটো কিমান সৌভাগ্যৰ কথা হ'ব, সেই কথা ভাবিয়ে মই আনন্দত শিয়ৰি উঠিছিলোঁ। কিন্তু তাঁৰবাৰ্তাত উল্লেখ কৰা এটা নিৰ্দেশ পঢ়িহে মই বেচ চিন্তিত হৈছিলোঁ। তেখেতে মোক মালাৰী নামৰ বিশেষ ঠাই এখনত দলটোক যেনে তেনে লগ ধৰিবলৈ নিৰ্দেশ দিছিল। গাঢ়োৱাল হিমালয়ৰ এই অঞ্চলত মোৰ পূৰ্বে দুবাৰ আৰোহণ কৰাৰ অভিজ্ঞতা হৈছিল। গতিকে আৰোহণৰ বাটত পৰা অঞ্চলবোৰ মই নিজৰ হাতৰ ৰেখাৰ দৰেই চিনি পাইছিলোঁ। মহিলা দলটো ইতিমধ্যে অভিযানৰ বাবে নতুন দিল্লী ত্যাগ কৰি গাঢ়োৱালত প্ৰৱেশ কৰিছিলেই। মই হিচাপ কৰি দেখিছিলো যে মালাৰীত দলটোক লগ ধৰিবলৈ হ'লে মই দুদিনৰ ভিতৰতেই গুৱাহাটী এৰিব লাগিব। এইদৰে আচম্বিতে সাজু হৈ, ডিউটিৰপৰা, ঘৰৰপৰা, পৰিয়ালৰপৰা সহস্ৰ যোজন আঁতৰত গৈ এনে এটা বৃহৎ অভিযানত অংশ গ্ৰহণ মোৰ বাবে উজু কথা নাছিল। তাতে এনে অভিযানলৈ যোৱাৰ আগতে ব্যায়াম আদি কৰি, দেহৰ পৰিপুষ্টি বৃদ্ধি কৰি যেনেদৰে সাজু হ'ব লাগে, তাৰ একোৱেই মোৰ কৰা হোৱা নাছিল, তেতিয়া কৰিবলৈও মোৰ হাতত সময়ো নাছিল। কিন্তু মোলৈ অপ্ৰত্যাশিতভাৱে অহা এনে সন্মানজনক সোণালী সুযোগ গ্ৰহণ নকৰাটোও যে মূৰ্খামি হ'ব, সেইটোকো মই ভালদৰেই উপলব্ধি কৰিছিলোঁ। অৱশেষত মই বেছি ভবা চিন্তা কৰি নাথাকি অভিযানত অংশ গ্ৰহণ কৰাৰ সিদ্ধান্তই লৈছিলোঁ। কেনেকৈ সকলো মেনেজ কৰি মই দুদিনৰ ভিতৰতে মোটামুটি প্ৰস্তুত হৈ গুৱাহাটীৰ পৰা দিল্লীলৈ ৰাওনা হৈছিলোঁ, সেইবোৰ কথা মনত পেলাই মই এতিয়াও নিজেই আচৰিত হওঁ।

দিল্লীৰপৰা মই ১৮ ঘণ্টা অবিৰাম যাত্ৰা কৰি উত্তৰাখণ্ডৰ চমোলী জিলাৰ সদৰ জোশীমঠত উপস্থিত হৈছিলোগৈ। আমাৰ গুৰুজনা শ্ৰীমন্ত শংকৰদেৱ ৫০০ বছৰ পূৰ্বেই পদব্ৰজে জোশীমঠলৈ শংকৰাচাৰ্য্যৰ আশ্ৰম দৰ্শন কৰিবলৈ আহিছিল। দূৰৈৰ পৰাই গুৰুজনালৈ সেৱা এটা যাচিলোঁ। এই যোশীমঠৰ পৰাই বদ্ৰীনাথ ধামলৈও যাব পাৰি। ইয়াতেই Inner line Permit সংগ্ৰহ কৰিব লাগিব। ৰাতিটো কটাবলৈ যিখন হোটেলত সোমাইছিলোঁ, তাৰ মেনেজাৰৰ পৰা গম পাইছিলোঁ যে বাচেন্দ্ৰী পালৰ দলটো দুদিন আগতেহে তাৰ পৰা মালাৰী অভিমুখে যাত্ৰা কৰিছিল। মই তাৰমানে বেছি পাছ পৰা নাছিলোঁ। অলপ খেদিলেই তেওঁলোকক লগ ধৰিবগৈ পাৰিম। পিছদিনা ৰাতিপুৱা ১১ বজাত মই ডিষ্ট্ৰিক্ট মেজিষ্ট্ৰেটৰ অফিচৰ পৰা Inner line Permitখন সংগ্ৰহ কৰিয়েই মালাৰীলৈ যোৱা ১২ বজাৰ বাছত উঠি দিছিলোঁ। মালাৰী পাবলৈ ৮ কিঃমিঃ মান বাট বাকী থাকোঁতে পৰ্বতৰ পৰা শিল পৰি এডোখৰ ৰাস্তা বন্ধ হৈ থকাৰ বাবে বাছ আৰু আগবাঢ়িব নোৱৰা হ'ল। সকলো যাত্ৰীৰ লগতে ময়ো বাছৰ পৰা নামি দিলোঁ। সিপাৰত মালাৰীলৈ যাবলৈ মিলিটেৰী ট্ৰাক এখন ৰৈ আছিল। সেই ট্ৰাকখনতে উঠি মই ৭ বজাত

মালাৰীৰ সেনা বাহিনীৰ কেম্পতেই নামিলোগৈ। কেম্পৰ ওচৰতে সৰু গুমটি এটা আছিল, য'ত চাহ ভাত পায় বুলি মই জানিছিলোঁ। মই চাহ খোৱাৰ উদ্দেশ্যে তাত সোমাই ভিতৰত জ্বলি থকা লেমৰ খীণ পোহৰত কেইজনমান শ্বেৰপাক ভাত খাই থকা দেখিলোঁ। সুধি গম পালোঁ তেওঁলোক বাচেন্দ্ৰী পালৰ দলৰেই শ্বেৰপা। তেওঁলোকক দেখি মই স্বস্তিৰ নিশ্বাস পেলাইছিলোঁ। তেওঁলোকেও মোৰ পৰিচয় পাই আনন্দেৰে মোৰ আপডাল কৰাত লাগি গ'ল। মোৰ বাবেও ভাত আহিল। ভাত খোৱাৰ পিছত শ্বেৰপা কেইজনৰ লগত কথা পতাত লাগিলোঁ। শ্বেৰপাসকল অভিযানৰ সামগ্ৰীসমূহ কঢ়িয়াবলৈ ঠিক কৰা মালবাহক ঘোঁৰাৰ দলটো মালাৰী আহি পোৱালৈ অপেক্ষা কৰি আছিল। তেওঁলোকৰ পৰাই মই গম পালোঁ যে বাচেন্দ্ৰীহঁত সিদিনা অৰ্থাৎ মই মালাৰী গৈ পোৱাৰ দিনাহে ৰাতিপুৱা মালাৰীৰ পৰা নীতি নামৰ গাঁও অভিমুখে প্ৰস্থান কৰিছিল। ধুমুহাৰ গতিত ইমান দূৰ বাটকুৰি বাই আহিও অলপৰ কাৰণে বাচেন্দ্ৰীৰ নিৰ্দেশ মতে দলটোক মালাৰীত লগ ধৰাত ব্যৰ্থ হোৱাত মনটো কিছু সেমেকিছিল। শ্বেৰপা কেইজনে মোক এইটো খবৰো দিলে যে দলটোৱে পিছদিনাখন ৰাতিপুৱাই নীতিৰ পৰা প্ৰস্থান কৰি দুপৰীয়াৰ ভাগত চেপক নালাৰ পাৰত (চেপক নদী) শিবিৰ পাতিব আৰু, তাৰ পিছদিনা গোটেইজাকে চেপক নদী পাৰ হৈ সিপাৰে নন্দাখড়কত কেম্প লগাব। এইখিনি মোৰ বাবে বৰ দৰকাৰী খবৰ আছিল। মই অভিযানকাৰী দলটোৰ লগতেই চেপক নালা পাৰ হ'ম বুলি গুৱাহাটীৰ পৰাই ভাবি আহিছিলোঁ। কাৰণ, চেপক নালাৰ দৰে খৰস্ৰোতা পৰ্বতীয়া নদী অকলে পাৰ হ'বলৈ চেষ্টা কৰাটো আত্মঘাতী হ'বলৈ যোৱাৰ লেখীয়া কথা। গতিকে মোৰ বাবে মালাৰীৰ পৰা নীতি গাঁৱতে ৰাতি নকটোৱাকৈ একেদিনাই চেপকলৈ খোজ কঢ়াৰ বাহিৰে অন্য উপায় নাছিল। ভবাৰ দৰে কামটো পিছে ইমান সহজ নাছিল। মালাৰীৰ পৰা চেপকৰ দূৰত্ব প্ৰায় ২৫ কিলোমিটাৰ। সমুদ্ৰপৃষ্ঠৰ পৰা মালাৰী আৰু চেপকৰ উচ্চতা যথাক্ৰমে ৯ হেজাৰ ফুট আৰু ১৩ হাজাৰ ফুট। গতিকে মই ২৫ কিঃমিঃ খোজকঢ়াৰ লগতে ৪ হেজাৰ ফুট উচ্চতাও আৰোহণ কৰিব লাগিব, তাকো এদিনতে ! এনে কৰাত এটা ডাঙৰ ৰিস্ক আছিল। এইদৰে খৰধৰ কৰাৰ ফলত মই উচ্চতাৰ লগত acclimatised হ'বলৈ পৰ্য্যাপ্ত সময় নাপাম, যাৰ ফলত মোৰ acute mountain sickness হোৱাৰ সম্ভাৱনা বাঢ়ি যাব পাৰে। তদুপৰি মই অত্যন্ত ভাগৰিও আছিলোঁ। এইখিনি জানি শুনিও মই চেপকলৈ যোৱাটোকেই ঠিক কৰিলোঁ।

**এক কঠিন যাত্ৰা ঃ**

মই পিছদিনা ৰাতিপুৱা ৬ বজাতেই শ্বেৰপা কিজনৰপৰা বিদায় লৈ ট্ৰেকিং আৰম্ভ কৰিলোঁ। একা বেঁকা আৰু ক্ৰমান্বয়ে ওপৰলৈ উঠি যোৱা পৰ্বতীয়া ৰাস্তাৰে আপোন চিন্তাত বিভোৰ হৈ আগবাঢ়িছোঁ। পিঠিত গধুৰ Ruck-sack। বাটত দুটা ITBPৰ চেক পোষ্টত মোৰ Inner line Permit পৰীক্ষা কৰা হৈছিল। হিমালয়ৰ এই অঞ্চল চীন সীমান্তৰ গাতে লাগি থকা। সেইবাবে ইয়াত সোমাবলৈ বিশেষ অনুমতিৰ প্ৰয়োজন হয়। ওঠৰ কিলোমিটাৰ বাট খোজকাঢ়ি যেতিয়া নীতি গাঁৱৰ ওচৰ পাইছিলোগৈ, মোৰ ঘড়ীত তেতিয়া দুপৰীয়া ডেৰ বাজিছিল। ভাৰত-চীন সীমান্তত একেবাৰে শেষৰ এই নীতি গাঁওখন ৰাস্তাৰ পৰা প্ৰায় দুশ ফুট তলত এক সমতল ভূমিত অৱস্থিত। ওচৰেৰে এখন নৈ বৈ গৈছে। মাকৈ, গম, লাই, পালেং, মুলা আদিকে কৰি সকলো ধৰণৰ খেতি হয়। সকলোৱে ভেড়া ছাগলী পালন কৰে। গাঁৱত প্ৰাইমেৰি স্কুল এখন আছে। কিন্তু চিকিৎসালয় নাই। মই আগতে দুবাৰো এই গাঁৱৰ গঞাক চিকিৎসা সেৱা আগবঢ়াই ৰাইজৰ মৰম বুটলি গৈছোঁ। শীত কালত এই গোটেই অঞ্চল বৰফে ঢাকি ধৰে বাবে গাঁৱৰ সকলো বাসিন্দা তললৈ গুচি যায়। এই অঞ্চলতে বিখ্যাত নীতি পাছ আছে, যাৰ মাজেদি অতীজৰে পৰা ভাৰত আৰু চীনৰ মাজত বেহা বেপাৰ চলি আছিল। ১৯৬২ চনৰ ভাৰত-চীন যুদ্ধৰ পিছত এই পাছ সম্পূৰ্ণ

বন্ধ কৰি দিয়া হৈছিল আৰু তাৰ ওচৰত ভাৰতীয় সেনা মোতায়েন কৰা হৈছিল। মালাৰীৰপৰা ১৮ কিঃমিঃ বাট খোজকাঢ়ি মই ভাগৰি গৈছিলোঁ। তেতিয়াও চেপকলৈ আৰু প্ৰায় ৭ কিঃমিঃ যাবলৈ আছেই। লগতে আছে উচ্চতাৰ সমস্যাটো। সেয়ে এবাৰ নীতিত ৰাতি থকাৰ কথাও ভাবিছিলোঁ। কিন্তু মন ডাঠ কৰি আকৌ খোজ কাঢ়িব ধৰিলোঁ। উচ্চতা বৃদ্ধিৰ লগে লগে বতাহত অক্সিজেনৰ পৰিমাণ কমিবলৈ লৈছিল। শৰীৰ অৱস হৈ গৈছিল। খোজৰ গতি মন্থৰ হৈছে। এনেতে ভুচুংকৈ বিপৰীত দিশৰপৰা ঘোঁৰা এটা আহি মোৰ বাট ভেটি ধৰিলে। ঠেক ৰাস্তা। এপিনে হেজাৰ ফুট থিয় গড়া অইনপিনে থিয় পৰ্বতৰ প্ৰাচীৰ। মই তেনে সময়ত ভাগৰত বিধ্বস্ত দেহাৰে খোজকঢ়াটো মৃত্যুক হাত বাউল দিয়াৰ দৰেই। মই দেহাটোক একপ্ৰকাৰ চোঁচৰাই নিয়াৰ দৰে নিব ধৰিছিলোঁ। কেতিয়াবা বহি বহিও আগবাঢ়িছিলোঁ। মাজে মাজে অস্ফুট স্বৰেৰে আৰ্তনাদ কৰিছিলোঁ, এই স্বৰ কাৰো কৰ্ণগোচৰ নহ'ব বুলি জানিও। অৱশেষত অস্ত বেলিৰ হেঙুলীয়া আভাই ছানি ধৰা বিশাল দিগন্তৰ এটা বিন্দুত মই জীৱনৰ অৱস্থিতি দেখিবলৈ পাইছিলোঁ। এই বিন্দুবোৰ লাহে লাহে মানুহৰ আকাৰ লৈছিল। দেখিবলৈ পাইছিলোঁ পৰ্বতৰ বতাহ, বৰষুণ, বৰফ আৰু শীতৰ পৰা বচাই ৰখা আমাৰ আশ্ৰয়থলী বিভিন্ন আকাৰৰ তম্বুবোৰ। নিজৰ ইপ্সিত লক্ষ্যৰ নিচেই ওচৰত উপনীত হোৱাৰ আনন্দত মোৰ দুয়ো চকুৰ পৰা আনন্দাশ্ৰু নিগৰিছিল। ভৰি দুখনে সহযোগ কৰা নাছিল যদিও, দেহৰ শেষ শক্তিকণ ব্যৱহাৰ কৰি চুঁচৰি চুঁচৰিয়েই শিবিৰত প্ৰৱেশ কৰিছিলোগৈ। মই পৰো নপৰোকৈ তেনেদৰে সোমাই যোৱা

এটা কথা ঠিক যে আমি মূলতঃ এডভেঞ্চাৰৰ সোৱাদ ল'বলৈকে পৰ্বতাৰোহণ কৰোঁ। কিন্তু এইটো কৰিবলৈ যাওঁতে আমি প্ৰত্যেকেই হিমালয়ৰ প্ৰেমত পৰোঁ। এই প্ৰেম স্বৰ্গীয়, ইয়াক অনুভৱহে কৰিব পাৰি। হিমালয়ত প্ৰৱেশ কৰি মোৰ এক আধ্যাত্মিক জগতত প্ৰৱেশ কৰা যেন অনুভৱ হয়। হিমালয় ইমান বিশাল, ইমান সুন্দৰ, ইমান বিচিত্ৰ!

ঘোঁৰাটোক বাট এৰি দিবলৈ পৰ্বতৰ গাত লিপিত খাই দিলোঁ। ঘোঁৰাটো লাহেকৈ মোৰ কাষেৰেই ফালৰি কাটি নিজৰ ৰাস্তা ধৰিলে। ঘোঁৰাটো জ্ঞানী আছিল। সৰুতে পঢ়া দুটা জ্ঞানী ছাগলীয়ে দলং পাৰ হোৱা গল্পটোলৈ মনত পৰি গ'ল। এই ঘটনাটোৰ কথা সাহিত্যিক শ্ৰদ্ধেয় যোগেশ দাস খুড়াদেউলৈ অভিযানৰ পৰাই লিখা চিঠি এখনত লিখিছিলোঁ।

মই ভাৰত-চীন সীমান্তত হিমালয়ৰ প্ৰায় চাৰে বাৰ হাজাৰ ফুট উচ্চতাত সন্ধিয়াৰ মুনিচুনি বেলিৰ পোহৰত অকলশৰে খোজকাঢ়ি আছোঁ। মালাৰীৰ পৰা প্ৰায় ১০ ঘণ্টা অবিৰাম ট্ৰেক কৰি মোৰ ভৰি নচলা হৈ আহিছিল। জনমানৱহীন এনে পথত দেখিয়েই দুজনমানে মোৰ সহায়ৰ বাবে দৌৰি আহিছিল। মই আৰু থিয় হৈ থাকিব নোৱাৰি তেওঁলোকৰ বাহুৰ মাজতেই নিজকে এৰি দিছিলোঁ। তেওঁলোকে মোক একপ্ৰকাৰ ডাংকোলাকৈ নি খালি তম্বু এটাৰ ভিতৰত বহুৱাই দিলেগৈ। অস্ফুট মাতেৰে নিজৰ পৰিচয় দিছিলোঁ। নিমিষতে গোটেই শিবিৰতে মই অহাৰ বাতৰি বিয়পি পৰিছিল। অলপ পিছতেই বাচেন্দ্ৰী পাল উদ্বিগ্নভাৱে মোৰ ওচৰলৈ আহিছিল। আমাৰ দুয়োৰে পূৰ্বে কেতিয়াও দেখাদেখি হোৱা নাছিল। অতি আন্তৰিকতাৰে তেওঁ মোক দললৈ আদৰণি জনালে। কিছুপৰ পিছত দলৰ ডেপুটি লীডাৰ ৰীতা গম্বু মাৰোৱাও আহিছিল। ৰীতাৰ দেউতাক নৱাং গম্বু এভাৰেষ্ট দুবাৰ আৰোহণ কৰা বিশ্বৰ প্ৰথমজন পৰ্বতাৰোহী আছিল। মোমায়েক টেনজিং নৰ্গেতো এজন কিংবদন্তী ব্যক্তি। এই অভিযানকাৰী দলত অসমৰ তিনিগৰাকী ছোৱালীও আছিল। তেওঁলোক আছিল অৰ্চনা ভট্টাচাৰ্য, ভনিতা টিমুংপি আৰু ৰূপামণি দত্ত। অৰ্চনা

আৰু ভনিতাক মই আগৰেপৰা চিনি পাইছিলোঁ। মই অহা বুলি জানি মোক চাবলৈ আটাই কেইজনীয়েই উধাতু খাই আহিছিল। দলটোত মোৰ আৰু এজন সুহৃদ আছিল। মোৰ হিমালয় অভিযানবোৰৰ এজন বিশ্বস্ত সংগী। তেওঁ আছিল ছাংগে শ্বেৰপা। ইয়াতো তেওঁৰ সাহচৰ্য্য পাই মই হাততে স্বৰ্গ ঢুকি পাইছিলোঁ। এইদৰে সকলোৰে আদৰ যত্ন পাই পিছদিনা ৰাতিপুৱালৈ মই যথেষ্ট সুস্থ আৰু সতেজ অনুভৱ কৰিছিলোঁ।

পৰিকল্পনা মতেই আমি পিছদিনা চেপক নদী পাৰ হৈছিলোঁ। নদীৰ এটা তৰাং অংশত দুয়োপাৰ ৰছীৰে সংলগ্ন কৰা হৈছিল। এই ৰছীতেই প্ৰথমে প্ৰত্যেকে নিজকে পানীৰ তীব্ৰ সোঁতত উটি নেযাবলৈ anchor কৰি লৈছিল। তাৰ পিছত খোজকাঢ়ি নদী পাৰ হৈছিল। কিছুমান অংশত পানীয়ে কঁকাল ছুইছিল। আমাৰ মালবাহক ঘোঁৰাৰ দলটোও নিৰ্বিঘ্নে নদী পাৰ হ'ব পাৰিছিল। মোৰো আগদিনা কৰা শ্ৰম সাৰ্থক হৈছিল। আমাৰ অভিযান নিৰ্ধাৰিত সময়মতেই সন্তোষজনক ভাৱে আগবাঢ়িছিল। এদিন আমাৰ দলত আৰু দুজন অভিজ্ঞ পৰ্বতাৰোহী আহি যোগ দিছিলহি। দুয়োজনেই মনালীৰ পৰা আহিছিল। এগৰাকী মোৰেই advanced curseৰ শিক্ষক আছিল। মই তেখেতৰ এজন প্ৰিয় ছাত্ৰ আছিলোঁ। ছাৰক পাই মই মনত দুগুণ উৎসাহ পাইছিলোঁ। বাচেন্দ্ৰী পালে মোক এই অভিযানত এজন চিকিৎসক হিচাপে অন্তৰ্ভুক্ত কৰিছিল। তেওঁলোকে পৰ্য্যাপ্ত পৰিমাণৰ ঔষধ-পত্ৰ লৈ গৈছিল। এদিন তেওঁৰ নিৰ্দেশমতে মই base camp ত acute mountain sickness আৰু first aid ৰ ওপৰত এটা class লৈছিলোঁ। মোৰ হিন্দী ভাল নহয় বাবে ইংৰাজীতেই কৈছিলোঁ। এই classটোৱে কিনো যাদু কৰিছিল ক'ব নোৱাৰো; কিন্তু সিদিনাখনৰ পিছত বহুতেই মোক "চাৰ" বুলি মাতিবলৈ আৰম্ভ কৰিছিল। বাচেন্দ্ৰী পালে দলটো দুটা ভাগত ভাগ কৰিছিল। প্ৰথম অৱস্থাত তেওঁ মোক প্ৰথম দলত ৰাখিছিল। আমি আগে আগে গৈ শিবিৰ পাতি যাওঁ। বাকীবোৰে তলৰ শিবিৰৰ পৰা সামগ্ৰী যোগান ধৰে। কেতিয়াবা মোৰ বাবে হঠাতে সমস্যা একোটা আহি পৰিছিল। তলৰ শিবিৰত কাৰোবাৰ অসুখ হ'লে, মই ওপৰৰ পৰা তললৈ নামি আহি চিকিৎসা প্ৰদান কৰি আকৌ ওপৰলৈ উঠিব লগা হয়। এবাৰ তলৰ শিবিৰ এটাত খোদ বাচেন্দ্ৰী অসুস্থ হৈছিল। এবাৰ আমাৰ ভনিতা তিমুংপি শিলত কৰ্ফাল খাই পৰি কপালত বেয়াকৈ আঘাত পাইছিল। সন্ধিয়া পৰত ৰাকি টকিত জৰুৰী খবৰ পাই, তাইৰ চিকিৎসা কৰিবলৈ মই ওপৰৰ কেম্পৰ পৰা অকলে দৌৰি দৌৰি নামিছিলোঁ। ভনিতাই এই আঘাতৰ বাবেই সেই অভিযানটোত ওপৰলৈ যোৱাৰ পৰা বঞ্চিত হৈছিল। চিকিৎসক হোৱাৰ উপৰিও মই এজন উচ্চ প্ৰশিক্ষণপ্ৰাপ্ত পৰ্বতাৰোহী আছিলোঁ। তদুপৰি, অসম পৰ্বতাৰোহণ সন্থাৰ লগত মই পূৰ্বে দুবাৰ কামেট আৰু আবি গামিন শিখৰ অভিযানত অংশ গ্ৰহণ কৰি এই বাটেৰেই আৰোহণ কৰিছিলোঁ। সেয়ে দলক চিকিৎসা সেৱা আগবঢ়োৱাৰ উপৰিও, মোৰ প্ৰশিক্ষণ আৰু অভিজ্ঞতাক সাৰথি কৰি মই দলটোক আৰোহণত পাৰ্য্যমানে সহায় কৰিছিলোঁ। দলৰ নেতৃ বাচেন্দ্ৰী পালে এই কথাবোৰ হয়তো মোৰ অগোচৰে মন কৰি আছিল। এদিন তলৰ পৰা মই শ্বেৰপা তিনিজনৰ লগত প্ৰায় ১৫০০ ফুট বৰফ আৰু শিলৰ থিয় দেৱাল বগাই ২২,০০০ ফুট উচ্চতাত স্থাপন কৰা ৫ নং কেম্পত কিছু খোৱা বস্তু দিবলৈ গৈছিলোঁ। দুদিন আগতেহে দহজনী সদস্যাক লগত লৈ বাচেন্দ্ৰী পাল ৪ নং কেম্পৰ পৰা উঠি আহি ইয়াতে বাহৰ পাতি আছিল। শ্বেৰপাসকলৰ লগত মোকো ইমান উচ্চতালৈ সামগ্ৰী কঢ়িয়াবলৈ যোৱা দেখি তেওঁ খুব ভাল পাইছিল। বস্তুবিলাক পিঠিৰপৰা নমাই চাহ বিস্কুট খাই আমি পুনৰ তললৈ নামি আহিবলৈ সাজু হৈছিলোঁ। ঠিক তেতিয়াই, এভাৰেষ্ট আৰোহণ কৰা প্ৰথম ভাৰতীয় মহিলাগৰাকীয়ে মোক ওচৰলৈ মাতি আনি কৈছিল- ডাক্তৰ, তোমাৰ ক্লাইম্বিং দেখি সন্তুষ্ট হৈছোঁ। গতিকে যদিও মই তোমাক চিকিৎসক হিচাপেই দললৈ আনিছিলোঁ, এতিয়া তোমাক মই আমাৰ দ্বিতীয় ছোৱালীৰ দলটোক লীড

কৰি ওপৰলৈ অনাৰ দায়িত্ব দিলোঁ। দুটা স্নাতকোত্তৰ ডিগ্ৰীধাৰী উচ্চ শিক্ষিতা এই মহীয়সী পৰ্বতাৰোহীগৰাকীৰ প্ৰতি মোৰ শিৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতাত দোঁ খাই গৈছিল। মোৰ বাবে অইন এটা "অপ্ৰত্যাশিত সুযোগ"। ইয়াৰ পিছত কামবোৰ খৰতকীয়াকৈ আগবাঢ়িছিল। লীডাৰৰ নিৰ্দেশমতেই মই তিনিদিন পিছত ৪গৰাকী ছোৱালীক ২৩,০০০ ফুট উচ্চতাত স্থাপন কৰা ৬ নং শিবিৰলৈ লীড কৰি লৈ আনিছিলোঁ। এই চাৰিজনীৰ মাজত আমাৰ নিজৰ ৰূপামণি দত্তও আছিল। বহু হিমালয় অভিযানৰ অভিজ্ঞতাৰে পুষ্ট মোৰ পৰম বন্ধু ছাংগে শ্বেৰপা মোৰ গাৰ ছাঁৰ দৰেই মোৰ লগত লাগি আছিল। ভাৰতৰ তৃতীয় উচ্চতম শৃংগ কামেট (২৫,৫৭০ ফুট) আৰু আবি গামিন(২৪,৪৪৭ ফুট)ৰ মাজত বিৰাজ কৰা Mead's Col ত আমাৰ ৬ নং শিবিৰ স্থাপন কৰা হৈছিল। পুৰণি স্মৃতি এটাই মনত দোলা দি গৈছিল। অসম পৰ্বতাৰোহণ সন্থাৰ লগত ১৯৮৫ চনত আবি গামিন বগাবলৈ আহি এই মই Mead's Col ৰ পৰাই উভতি গৈছিলোঁ। সিবাৰ কিছুমান টেকনিকেল সমস্যাৰ বাবে শিখৰৰ ইমান ওচৰ চাপিও আমি দুজনমানে শিখৰলৈ যাব পৰা নাছিলোঁ। ৬ নং শিবিৰত শিখৰগামী গোটেইখিনি সদস্যই মিলিত হৈছিলহি চূড়ান্ত অভিযানৰ বাবে। প্ৰথমে বাচেন্দ্ৰী পালে এটা দল কামেট আৰোহণৰ বাবে লৈ গৈছিল। কিন্তু প্ৰতিকূল বতৰৰ বাবে দলটো কামেট শিখৰ কৰমৰ্দন কৰিব পৰা দূৰত্বৰ পৰা উভতি আহিবলগীয়া হ'ল। এইবাৰ তেখেতে মোক আৰু ছাংগে শ্বেৰপাক ইটো দল কামেটৰ সলনি আবি গামিনলৈ নিব দিছিল। ভগৱানৰ কৃপাত আমি দুয়ো ৰাতিপুৱা ৬ নং শিবিৰৰ পৰা আমাৰ তিনিজনী ছোৱালীক লগত লৈ প্ৰায় চাৰি ঘণ্টা ক্লাইম্ব কৰি চীন সীমান্তৰ গাতে লাগি থকা ২৪,৪৪৭ ফুট উচ্চতাৰ আবি গামিন শিখৰত ভৰি দিছিলোগৈ। বৰ আনন্দৰ কথা আছিল যে এই তিনিজনীৰ এজনী আছিল আমাৰ যোৰহাটৰ ৰূপামণি দত্ত। শিখৰত আমি আধা ঘণ্টামান অতিবাহিত কৰাৰ পিছত লাহে লাহে নামি আহি ২ ঘণ্টাৰ পিছতে ৬ নং শিবিৰ সোমাইছিলোহি। শিবিৰত দলপতি বাচেন্দ্ৰী পাল সমন্বিতে সকলোৱে আমাক উষ্ম আদৰণি জনাই ছিল। পিছদিনাখন ৰাতিপুৱাই আমি কেইজনমানে ৬ নং শিবিৰ ত্যাগ কৰিছিলোঁ। আৰু আগদিনা কামেট আৰোহণত বিফল হোৱা দলটোৱে আবি গামিন আৰোহণ কৰিছিলগৈ। ইয়াৰ প্ৰায় পাঁচদিনমান পিছত গোটেই দলটোৱেই ওপৰৰ পৰা নামি base campত মিলিত হৈছিলোহি। এইদৰে মোৰ জীৱনৰ এটা স্মৰণীয় অভিযানৰ সফল সমাপ্তি ঘটিছিল।

**মই পাহৰিব খোজা এটা অভিযান ঃ**

মোৰ পৰ্বতাৰোহী জীৱনৰ আটাইতকৈ দুখলগা ঘটনাটো ঘটিছিল ১৯৮৮ চনৰ ভাগীৰথী ১ শিখৰ অভিযানৰ সময়ত। মই অভিযানত থাকোঁতেই মোৰ মৰমৰ আইয়ে মোক নিঠৰুৱা কৰি কোকৰাঝাৰ চিভিল হস্পিটেলত চিৰদিনৰ বাবে চকু মুদিছিল। যিগৰাকী আইৰ পেপাৰ কাটিং পঢ়ি মই mountaineer হোৱাৰ প্ৰথম সপোন দেখিছিলোঁ, সেই আইকেই মই মৃত্যুৰ সময়ত দেখা নাপালোঁ। সেই দুখে মোক এতিয়াও খুলি খুলি খায়। তেতিয়াৰ দিনত নগৰবোৰৰ মাজতেই ট্ৰাংক কল কৰাৰ বাহিৰে টেলিফোন কৰাৰ অন্য ব্যৱস্থা নাছিল। গতিকে পাণ্ডৱবৰ্জিত হিমালয়ৰ এচুকত মোকনো লগে লগে খবৰ কেনেকৈ দিব? সেয়ে আইৰ মৃত্যুৰ বাতৰিটো মই পৰ্বতৰ মাজত বহু পলমকৈ পাইছিলোঁ। সেই দুখলগা মুহূৰ্তৰ কথা মনত পৰিলে মোৰ এতিয়াও চকুপানী ওলায়। আমাৰ অভিযানৰ ভৰপক সময় তেতিয়া। মই ২নং শিবিৰত আছোঁ। এদিন সন্ধিয়াৰ সময়। আমি সোনকালেই ভাত পানী খাই তম্বুৰ বাহিৰতেই নানান কথাৰ মহলা মাৰি আছিলোঁ। হঠাতে দূৰৈত তলৰ পৰা মানুহ এজনক আমাৰ শিবিৰৰ ফালেই লাহে লাহে আহি থকা দেখি আচৰিত হৈছিলোঁ। কিয়নো বিয়লি পৰত পৰ্বতৰ এনে উচ্চতালৈ অকলে অকলে কোনোবা আহিব পাৰে বুলি সপোনতো ভাবিব নোৱাৰি। যি কি নহওক, কিছু দেৰি পিছত ৪০ বছৰমান বয়সৰ গাঢ়োৱালী লোক এজন আমাৰ শিবিৰ পালেহি। কোনো ভূমিকা নকৰাকৈ তেওঁ কৈছিলহি যে তেওঁ ডাক্তৰৰ নামত অহা টেলিগ্ৰাম এখন আনিছে। কম্পিত হাতেৰে টেলিগ্ৰাম লৈ একে উশাহতে পঢ়িছিলোঁ। সৰু দুটা বাক্য। Mother serious. Come sharp. AMA. টেলিগ্ৰামখন অসম পৰ্বতাৰোহণ সন্থাই উত্তৰ কাশীৰ আমি থকা ভাণ্ডাৰী হোটেললৈ পঠিয়াইছিল। হোটেল কৰ্তৃপক্ষই অকণো সময় নষ্ট নকৰি এইজন অভিজ্ঞ high altitude guideৰ হাতত টেলিগ্ৰামখন মোৰ ওচৰলৈ পঠিয়াই দিয়াৰ ব্যৱস্থা কৰিছিল। অলপ আগলৈকে কোলাহলেৰে পূৰ্ণ হৈ থকা শিবিৰটো হঠাতে কাঁহ পৰি জীন যোৱাৰ দৰে

হৈছিল। মোৰ পৰৱৰ্তী কাৰ্য্যপন্থা ঠিক কৰিবলৈ মই ৰাকি টকিত আমাৰ লীডাৰ বিমল গোস্বামীৰ লগত কথা পাতিছিলোঁ। তেতিয়া তেওঁ আমাৰ ওপৰত ৩ নং শিবিৰত আছিল। মাৰ খবৰটো পাই walkie talkie ৰ সিটো মূৰত কিছু দেৰি তেওঁ মৌন হৈ গৈছিল। কিন্তু অলপ পিছতেই তেওঁ লীডাৰসুলভ দৃঢ়তাৰে মোক ঘৰলৈ পঠিয়াই দিয়াৰ সুবন্দোৰস্ত কৰিম বুলি আশ্বাস দিছিল। অজান আশংকাত মই সেই নিশাটো উজাগৰে কটাইছিলোঁ। পিছদিনা ৰাতিপুৱাই আমাৰ এজন জ্যেষ্ঠ সদস্য অজিত কলিতাৰ লগত বিমল গোস্বামীক লগ ধৰিবলৈ মই ৩ নং শিবিৰলৈ উঠি গৈছিলোঁ। শিবিৰৰ সকলো সদস্যই মোৰ প্ৰতি সহানুভূতি ব্যক্ত কৰিছিল। বিমলে মোক সংগ্ৰাম সিং নামৰ অভিজ্ঞ পোৰ্টাৰ এজনক লগত লৈ তললৈ নামিব ক'লে। লগতে দিল্লীৰ অসম ভৱনৰ OSD ক দিবলৈ এখন চিঠি লিখি দিছিল। চিঠিখনত মোৰ বাবে বিমানৰ টিকট কাটি দিয়াৰপৰা সম্ভৱপৰ সকলো সহায় কৰি দিবলৈ অনুৰোধ কৰা হৈছিল। সেইমতেই মই সংগ্ৰামৰ লগত পিছদিনা ভয়াবহ গংগোত্ৰী গ্লেচিয়াৰৰ ওপৰেৰে ট্ৰেক কৰি আহি ১২ ঘণ্টাৰ পিছত গংগোত্ৰী তীৰ্থধাম পাইছিলোহি। মোক থৈ সংগ্ৰাম আকৌ পৰ্বতৰ মাজলৈ গুচি গৈছিল। গংগোত্ৰীৰপৰা মই উত্তৰ কাশী পাইছিলোহি, তাৰপৰা নতুন দিল্লী। তাৰপৰা বিমানেৰে এদিন সন্ধিয়া গুৱাহাটীত অৱতৰণ কৰিছিলোহি। তাত আকৌ মোৰ আচৰিত হ'বলগীয়াৰ পাল। বিমান বন্দৰত মোক ৰিচিভ কৰিবলৈ অসম চৰকাৰৰ SBৰ এজন বিষয়া exit ৰ ওচৰতে ৰৈ আছিল। তেওঁলোকৰ গাড়ীতেই মই মালিগাঁৱত থকা মোৰ বাইদেউৰ ঘৰলৈ আহিছিলোঁ। মা যে আৰু ইহ সংসাৰত নাই বাইদেউৰ ঘৰত গম পাইছিলোঁ। পিছদিনা ৰাতিপুৱা SBৰ বিষয়াজনে মোক তেওঁলোকৰ চৰকাৰী গাড়ীখনেৰেই মালিগাঁৱৰপৰা কোকৰাঝাৰত থৈ আহিবলৈ সাজু হৈ আহিছিল। লগত আহিছিল অসম পৰ্বতাৰোহণ সন্থাৰ মোৰ দুজন অন্তৰংগ বন্ধু। কোকৰাঝাৰত তেতিয়ালৈকে পিতা কিছু প্ৰকৃতিষ্ঠ হৈছিল, কিন্তু মোক দেখি মোক সাবটি কান্দোনত ভাগি পৰিছিল। মোৰ আই চিৰাং জিলাৰ এখন ভিতৰুৱা গাঁৱত জন্মগ্ৰহণ কৰিছিল। তেখেতৰেই শেষ ইচ্ছা মতে আইক তাতেই কবৰ দিয়া হৈছিল। সিদিনাই পিতাৰ লগত মই মামাহঁতৰ গাঁৱলৈ আহিছিলোঁ। মাৰ মৃত্যুৰ তিনি সপ্তাহ পিছত মই ঘৰ আহি পাইছিলোঁ। শোকে মোক হেঁচা মাৰি ধৰিছিল। মাৰ কবৰত শিৰ থৈ হিয়া ধুনি কন্দাৰ বাহিৰে মাক শ্ৰদ্ধা জনাবলৈ তেতিয়া মোৰ অন্য উপায় নাছিল।

**হিমালয়ত মৃত্যুৰ সৈতে মুখামুখি ঃ**

হিমালয়ত বিপদে খাপ পিতি থাকে। যিকোনো সময়তেই পৰ্বতাৰোহী এজনৰ জীৱনলৈ ভাবুকি আহিব পাৰে। মই নিজেই এতিয়ালৈকে সৰু বৰ বহু বিপদৰ সন্মুখীন হৈছোঁ। তাৰে কেইটিমানৰ কথা লিখিব খুজিছোঁ। ১৯৯৩ চনত মই অসম পৰ্বতাৰোহণ সন্থাই পৰিচালনা কৰা গোৰীচেন ২ শৃংগ অভিযানত এজন ডেপুটি লীডাৰ হিচাপে অংশগ্ৰহণ কৰিছিলোঁ। আমাৰ চুবুৰীয়া অৰুণাচল প্ৰদেশৰ এটি দুৰ্গম অঞ্চলত একেবাৰে চীন সীমান্তৰ গাতে লাগি থকা গোৰীচেন ২ এটা ভয়াবহ শিখৰ। অভিযানৰ প্ৰাৰম্ভিক পৰ্য্যায়তেই মই অসুস্থ হৈছিলোঁ। এদিন ৰাতিপুৱাই তলৰ শিবিৰ এটাৰ পৰা ওপৰৰ শিবিৰলৈ কিছু মাল-পত্ৰ ফেৰী কৰিবলৈ গৈছিলোঁ। ওপৰত বস্তুখিনি থৈ তললৈ নামি আহি থকা অৱস্থাত মোৰ গা বেয়া লাগিবলৈ আৰম্ভ কৰিছিল। মোৰ খোজৰ গতি হ্ৰাস হৈছিল। সংগীসকল আগবাঢ়ি গৈছিল আৰু মই ক্ৰমান্বয়ে পিছ পৰি গৈছিলোঁ। পেট ওকালি মাৰি ধৰিছিল। বাটতেই মই টেঙা পানী উগাৰ মাৰি বতিয়াব আৰম্ভ কৰিছিলোঁ। বহুবাৰ এনে হৈছিল। লাহে লাহে dehydration ৰ বাবে খোজ কাঢ়িবলৈ মোৰ গাত শক্তিয়েই নোহোৱা হ'ল। এনে অৱস্থাতো ক'ৰবাত টিকা চোঁচোৰাই ক'ৰবাত বগুৱা বাইয়ো যাত্ৰা অব্যাহত ৰাখিলোঁ। আন্ধাৰ নামিল। পৰ্বতীয়া বাট পথ। একো মণিব পৰা নাছিলোঁ। তেনে পৰিস্থিতিত উপায়ান্তৰ হৈ এটা ডাঙৰ শিলৰ কাষতে অকলশৰীয়াকৈ ৰাতিটো কটাবলৈ বুলি বহি ললোঁ। পিছে মোৰ ভাগ্য সুপ্ৰসন্ন আছিল। দুঘণ্টামানৰ পিছতে মোৰ সংগীসকলে মোক বিচাৰি বিচাৰি সেইখিনি ওলাইছিলহি। তেওঁলোকৰ সহায়ত মই কোনোমতে শিবিৰ পালোগৈ। শিবিৰ পাইয়েই শৰীৰত দুবটল চেলাইন সুমুৱাই লোৱাৰ পিছতহে মই থিয় দঙা দিব পৰা হৈছিলোঁ। এই ঘটনাৰ প্ৰায় দুসপ্তাহ পিছতেই মই গোৰীচেন ২ শৃংগ ক্লাইম্ব কৰি শিখৰত ফুলাম গামোচা উৰুৱাইছিলোঁ।

**মুকলি আকাশৰ তলত ৰাত্ৰি যাপন ঃ**

মাইনাচ ১৭ ডিগ্ৰীত মুকলি আকাশৰ তলত ৰাত্ৰি যাপন কৰাৰ মোৰ অইন এটা ভয়লগা অভিজ্ঞতা হৈছিল। ২০০৫

চনৰ ১৪ আগষ্টৰ দিনা ৰাতিপুৱা ৫ বজাতেই আমি গাড়োৱাল হিমালয়ৰ ভাগীৰথী ২ শিখৰ আৰোহণ কৰিবলৈ অন্তিম শিবিৰৰপৰা যাত্ৰা আৰম্ভ কৰিছিলোঁ। শিবিৰৰপৰা শিখৰলৈ গোটেইছোৱা পথ বৰ থিয় আৰু বিপদজনক আছিল। এই সম্পূৰ্ণ দূৰত্ব আমি একেলেথাৰিয়ে ১৩ ঘণ্টা টেকনিকেল ক্লাইম্ব কৰি ভাগীৰথী ২ শিখৰত যেতিয়া সগৌৰৱে উপনীত হৈছিলোঁ, পশ্চিম আকাশত তেতিয়া বেলি লহিয়াব আৰম্ভ কৰিছিল। শিখৰত থিয় হৈ চকুৰে মণিব পৰা দূৰত্বলৈকে বৰফাবৃত বিশাল হিমালয়ৰ বুকুত অস্তগামী ৰবিৰ হেঙুলীয়া আভাই চৌদিশ বোলাই যোৱা ঐশ্বৰিক সৃষ্টি তন্ময় হৈ উপভোগ কৰি দেহৰ ভোক ভাগৰ সকলো পাহৰি বিভোৰ হৈ পৰিছিলোঁ। হঠাতে সকলোৰে সম্বিত ঘূৰি অহাত আমি ততাতৈয়াকৈ নামিব আৰম্ভ কৰিছিলোঁ। বিপদসংকুল ওভতনি যাত্ৰা। বিধিৰ বিপাক, শিবিৰ পাবলৈ আৰু বহু দূৰ থাকোঁতেই গাঢ় আন্ধাৰে চৌদিশ ছানি ধৰিছিল। উপায়হীন হৈ আমি এটা ডাঙৰ শিলৰ তলত বহিয়েই গোটেই ৰাতিটো পাৰ কৰাৰ সিদ্ধান্ত লৈছিলোঁ। সমুদ্ৰ পৃষ্ঠৰপৰা প্ৰায় কুৰি হেজাৰ ফুট উচ্চতাত এটা শিলৰ তলত আমি পাঁচজন পৰ্বতাৰোহীয়ে কোনোমতে কুঁচিমুচি বহি সময় কটাবলৈ ধৰিলোঁ। টোপনিৰ জালত তলত সৰি নপৰিবলৈ আমি প্ৰত্যেকে নিজকে শিলৰ লগত আমাৰ লগত থকা ৰছী আৰু অইন সঁজুলিৰে Anchor কৰি লৈছিলোঁ। মাজ নিশা আমাৰ ঘড়ীৰ তাপমান জোখা সূচকডালে তাপমান মাইনাচ ১৭ ডিগ্ৰীলৈ অৱনমিত হোৱা বুলি দেখুৱাইছিল। ভোক পিয়াহত সকলোৰে পেটৰ কেচু কুমটি মৰিছিল। কাৰো চকুত টোপনি নাই। অসীম ধৈৰ্য্যৰে আমি পোহৰ হোৱালৈ বাট চাইছিলোঁ। অৱশেষত আমাৰ কষ্টসহিষ্ণুতাৰেই জয় হৈছিল। দয়ালু ঈশ্বৰৰো আশীৰ্বাদ আমাৰ শিৰত আছিল। পুৱাৰ ফেঁহুজালি দিছিল আৰু আমিও নামিবলৈ আৰম্ভ কৰিছিলোঁ। ভাগৰ, অনাহাৰ আৰু অনিদ্ৰাই লেবেজান কৰা দেহ লৈয়েই কিন্তু আমি আটায়ে নিঘুণী ভাৱেই তলৰ শিবিৰত উপস্থিত হ'বলৈ সক্ষম হৈছিলোঁ। ভাগীৰথী জয়ৰ আনন্দৰ সমান্তৰালকৈ আমি ভাৰতৰ স্বাধীনতা দিৱস উপলক্ষে শিবিৰত পতাকা উত্তোলনো কৰিছিলোঁ।

**বৰফ বন্দী হোৱাৰ অভিজ্ঞতা ঃ**

পুনৰ মৃত্যুৰ কিৰীলি অতি ওচৰৰপৰা শুনিছিলোঁ ২০০৯ চনৰ সতোপন্থ শিখৰ অভিযানৰ সময়ত। সতোপন্থ শব্দৰ অৰ্থ হ'ল সত্যপথ। গাড়োৱালত অৱস্থিত এই শৃংগটো বৰ ভয়াবহ বুলি সকলোৰে পৰিচিত। আমি ১৮ হেজাৰ ফুট উচ্চতাত ৰংবিৰঙৰ সৰু সৰু ডোম আকৃতিৰ টেণ্ট তৰি আটোম-টোকাৰিকৈ আমাৰ এক নং শিবিৰ বনাই লৈছিলোঁ। তেতিয়া আমি ঘুণাক্ষৰেও জনা নাছিলো যে ইয়াতেই আমি এক বিভীষিকাময় পৰিস্থিতিত প্ৰায় এসপ্তাহ বিনিদ্ৰ ৰজনী কটাব লাগিব। ঘটনাবোৰ এটি এটিকৈ মনত পৰিছে। সিদিনাখন আছিল ৫ ছেপ্টেম্বৰ। শিক্ষক দিৱস। ৰাতিপুৱাৰে পৰা ফৰকাল হৈ থকা বতৰটো হঠাতে ওন্দোলাই দিছিল। সন্ধিয়ালৈ যি তুষাৰপাত আৰম্ভ হৈছিল, থমাৰ যেন নামেই নাই। দিনে ৰাতিয়ে সমান তীব্ৰতাৰে প্ৰায় এসপ্তাহ চলিছিল প্ৰকৃতিৰ এই তাণ্ডৱ। আমাৰ চাৰিওফালে থকা চিনাকি শিলবোৰ, মুখ মেলি থকা তলি নেদেখা গভীৰ crevasse বোৰ, আমাৰ পানীৰ উৎস বৰফৰ জুৰিবোৰ.... সকলোবোৰ বৰফৰ ডাঠ চামনিয়ে ঢাকি পেলাইছিল। তম্বুৰ চালত জমা হোৱা বৰফৰ হেঁচাত তম্বুবোৰ ভাগি পৰাৰ উপক্ৰম হৈছিল। নিদ্ৰামগ্ন অৱস্থাত তম্বুৰ ভিতৰতেই সমাধিস্থ হোৱাৰ বিপদ ঘনীভূত হৈছিল। পৰিত্ৰাণ পাবলৈ ৰাতি পাল পাতি সাৰে থাকোঁ। সময়ে সময়ে শ্লিপিং বেগৰপৰা অনিচ্ছা সত্বেও বাহিৰলৈ ওলাই আহি অবিৰতভাৱে হৈ থকা তুষাৰপাতৰ মাজতে চচপেনৰ ঢাকনি, বহল হেতা, ভাত খোৱা থাল আদিৰেই তম্বুৰ চাৰিওফালে জমা হোৱা বৰফ আঁতৰাই দিওঁ। বৰফ পৰিষ্কাৰ কৰা বেলচা আমাৰ লগত নাছিল। হাত মোজা তিতি আঙুলিৰ আগত frost bite হোৱাৰ ভয় থাকেই। কাম শেষ কৰি ভাগৰত বিধ্বস্ত হৈ তিতি বুৰি তম্বুৰ ভিতৰলৈ সোমাই আহিলে তম্বুৰ ভিতৰখন আৰু শ্লিপিং বেগ তিতি নতুন পয়মাল এটাৰ সৃষ্টি হয়। কেৱল এঘণ্টা, তাৰ পিছত একে ঘটনাৰ পুনৰাবৃত্তি। আমাৰ শ্বাস-প্ৰশ্বাসৰ পৰা ওলোৱা উত্তাপে তম্বুৰ ভিতৰৰ চালত পানীৰ টোপালৰ সৃষ্টি কৰে। ৰাতি চিলমিলিয়াকৈ টোপনি যোৱা অৱস্থাত এই টোপাল নাকত পৰিলে সাৰ পাই যাওঁ। সাৰ পাইয়েই চালত বৰফ পৰি থকাৰ শব্দ শুনিবলৈ কাণ থিয় কৰোঁ। কেতিয়াবা এই শব্দ নুশুনিলে, বৰফ পৰা বন্ধ হ'ল বুলি মনক প্ৰবোধ দিওঁ। আচলতে তেনেকৈ ভাবি প্ৰতাৰিতহে হওঁ। কিয়নো শুকান উকা চালত বৰফ পৰিলেহে ভিতৰৰ পৰা শুনাকৈ মিহি শব্দ

হৈ থাকে। চালত বৰফ জমা হৈ থাকিলে শব্দনো হ'ব ক'ৰ পৰা? সেয়েহে নিশ্চিত হ'বলৈ ভিতৰৰ পৰাই তম্বুৰ চালত টুকুৰিয়াই দিওঁ; ফলত চালৰ পৰা কিছু বৰফ সৰি পৰে, সেই উন্মুক্ত হোৱা অংশত বৰফ পৰাৰ মিহি শব্দৰ ঝংকাৰে আমাক সকীয়াই দিয়ে যে, তুষাৰপাত থমা নাই। আমাৰ মনবোৰ সেমেকি যায়। কৰঙনলৈ পোত যোৱা বৰফত থিয়হৈ কোনোমতে সৰুপানী চুব পাৰিছিলোঁ। কিন্তু টিকা পাৰিব নোৱাৰা বাবে শৌচ কৰাটো একপ্ৰকাৰ অসম্ভৱ আছিল। অবিৰাম বৰফ পৰি থকাৰ বাবে গাঁত খান্দি ল'বও পৰা নাছিলোঁ। এই দুৰ্য্যোগৰ সময়ত ওপৰৰ শিবিৰ এটাত বাহৰ পাতি থকা আমাৰ আৰু তিনিজন সংগীৰ নিৰাপত্তাৰ কথা ভাবি আমি দুশ্চিন্তাত পৰিছিলোঁ। তেওঁলোকৰ লগত খোৱা বস্তু আৰু ইন্ধনো সিমান নাছিল। তলৰপৰা সৰবৰাহ কৰাটো তেনে বতৰত একপ্ৰকাৰ অসম্ভৱ আছিল। ৰাকি টকিত আমাৰ মাজত কথা হয়। তেওঁলোকেও আমাৰ নিৰাপত্তাৰ কথা ভাবি আমাকহে ওলোটাই সময় থাকোঁতেই তললৈ নামি যাবলৈ কাতৰ অনুৰোধ কৰে। এতিয়াও হৃদয়ত জীৱন্ত হৈ থকা এই বিভীষিকাময় ক্ষণৰ এই কথোপকথনবোৰ মনত পৰিলে গাৰ নোম শিয়ৰি উঠে। লাহে লাহে প্ৰত্যাৱৰ্তনৰ সকলো ৰাস্তা আমাৰ বাবে বন্ধ হৈ গৈছিল। প্ৰিয়জনলৈ মনত পেলাই আমি চকুপানী টুকিছিলোঁ। আমি আনকি কাগজত আমাৰ শেষ ইচ্ছা ব্যক্ত কৰি বটলৰ ভিতৰত সুমুৱাই থৈ যোৱাৰ কথাও ভাবিছিলোঁ। আশা কৰিছিলোঁ, ভৱিষ্যতে সেইবোৰ কোনোবাই পাব আৰু আমাৰ পৰিয়ালক গটাই দিব। এদিন ৰাতিপুৱা হঠাতে আকাশত হেলিকপ্তাৰৰ শব্দ শুনি আমি তম্বুৰ বাহিৰলৈ আহিছিলোঁ। সঁচাকৈয়ে সেনাবাহিনীৰ দুখন হেলিকপ্তাৰে আমাৰ শিবিৰৰ চাৰিওফালে দুবাৰমান চক্কৰ মাৰি পুনৰ গুচি গৈছিল। আমাৰ অৱস্থান নিৰ্ণয় কৰিবলৈকে সেনাবাহিনীৰ কৰ্তৃপক্ষই হেলিকপ্তাৰ দুখন প্ৰেৰণ কৰিছিল। আমাৰ মনত আশাৰ সঞ্চাৰ জাগিছিল। অৱশ্যে একে সময়তে প্ৰকৃতিও আমাৰ প্ৰতি সদয় হৈছিল। বতৰ পুনৰ ফৰকাল হৈ উঠিল। ওপৰৰ শিবিৰৰ সংগী কেইজনেও বহু কষ্টেৰে তললৈ নামি আহি আমাৰ লগ লাগিলেহি। আমাৰ কেবাটাও টেণ্ট আৰু সা-সঁজুলি প্ৰায় ৫ ফুট বৰফত পোত খাই গৈছিল। সেইবোৰ খান্দি উলিওৱা হ'ল। ইতিমধ্যে তলৰ পৰা চতুৰ্থ গাঢ়োৱাল সেনাৰ ডাঙৰ দল এটাও ওপৰলৈ অভিযান চলোৱাৰ উদ্দেশ্যে আমি থকা ঠাইডোখৰ পালেহি। তেওঁলোকেও তাতেই শিবিৰ লগাব। এইবাৰ আমি অভিযান সিমানতে সামৰি তালি-টোপোলা লৈ তললৈ নামিবলৈ আৰম্ভ কৰিলোঁ। বিপদ-সংকুল পথ। ক'ৰবাত ক'ৰবাত বৰফত কঁকাললৈকে সোমাই যাওঁ। অভিজ্ঞতা আৰু দক্ষতাক কামত লগাই লাহে লাহে নামি আমি সন্ধিয়াৰ আগে আগে base camp পাইছিলোহি। base campতো আমাক বিপদে এৰা দিয়া নাছিল। এদিন এটা ভূমিকম্পই বেছ কেম্প জোকাৰি গৈছিল। ইয়াৰ কম্পন আমাৰ গুৱাহাটীতো অনুভূত হৈছিল।

**বৰ ভূঁইকঁপৰ কবলত ঃ**

ৰাখে হৰি মাৰে কোনে, মাৰে হৰি ৰাখে কোনে! এই আপ্ত বাক্যশাৰীৰ যথাৰ্থতা আমি ২০১৫ চনৰ অসম এভাৰেষ্ট অভিযানৰ সময়ত মৰ্মে মৰ্মে অনুভৱ কৰিছিলোঁ। ঘটনাটোৰ বিষয়ে লিখিবলৈ লৈ মোৰ গাৰ নোম ভয়ত ডাল ডাল হৈছে। এভাৰেষ্ট আৰোহণ কৰাৰ উদ্দেশ্যে ২০১৫ চনৰ ১৮ এপ্ৰিলৰ পৰাই আমি অসমৰ এঘাৰজন পৰ্বতাৰোহীয়ে Everest Base Camp ত বাহৰ পাতি আছিলোহি। প্ৰণিধানযোগ্য যে, এইটো অসমৰ পৰ্বতাৰোহীৰ দ্বাৰা পৰিচালনা কৰা প্ৰথম এভাৰেষ্ট অভিযান আছিল আৰু এই অভিযানৰ সমুদায় খৰচ তদানীন্তন অসম চৰকাৰে বহন কৰিছিল। অভিযানটো পৰিচালনা কৰিছিল অসম পৰ্বতাৰোহণ সন্থাই। এই এভাৰেষ্ট অভিযানৰ ডেপুটী লীডাৰ হিচাপে মোৰ কান্ধতো গধুৰ দায়িত্ব আছিল। আমি acclimatisationৰ বাবে বেছ কেম্পৰ ওচৰে পাজৰে থকা শৃংগবোৰত মাজে মাজে উঠা নমা কৰিছিলোঁ। বিভিন্ন কামৰ মাজতে মোৰ এটা প্ৰয়োজনীয় কাম আছিল ওপৰৰ কেম্পবোৰত ব্যৱহাৰৰ উপযোগীকৈ ঔষধৰ বেলেগ বেলেগ টোপোলা একোটা বনাই লেবেল মাৰি সাজু কৰি থোৱা। আমি প্ৰত্যেকে নিজৰ নিজৰ আৰোহণৰ সা-সঁজুলিবোৰো ঠিক ঠাক কৰি লৈছিলোঁ। Crevasse ৰে ভৰপূৰ খুম্বু গ্লেচিয়াৰৰ এটা দীঘলীয়া অঞ্চল সামৰি এভাৰেষ্ট অভিযানৰ দলবোৰে তেওঁলোকৰ কেম্পসমূহ প্ৰতিষ্ঠা কৰিছিল। পৃথিৱীৰ বিভিন্ন দেশৰপৰা অহা পৰ্বতাৰোহী, তেওঁলোকৰ সহায়কাৰী শ্বেৰপাসকল, ৰান্ধনিশালৰ লোকসকল, পোৰ্টাৰসকল, আন্তঃৰাষ্ট্ৰীয় মেডিকেল টীম আৰু মোবাইল টাৱাৰ বহুৱা কোম্পানীৰ মানুহক সাঙুৰি প্ৰায় এহেজাৰমান মানুহ সেই সময়ত বেছ কেম্পত বিৰাজমান

আছিল। গোটেই এভাৰেষ্ট বেছ কেম্প যেন এখন মিনি ৱৰ্ল্ডলৈ ৰূপান্তৰিত হৈছিল। আমাৰ কেম্পৰ ওচৰতেই ৬ জনীয়া ভাৰতীয় পৰ্বতাৰোহীৰ দল এটাও আছিল। তেখেতসকলৰ তিনিগৰাকী ভাৰতীয় প্ৰশাসনিক সেৱাৰ (IAS) আৰু বাকী তিনিগৰাকী ভাৰতীয় পুলিচ সেৱাৰ (IPS) বিষয়া আছিল। তাৰে মাজৰ একমাত্ৰ মহিলাগৰাকী পুলিচ সেৱাৰ বিষয়া আছিল। আটাই কেইজনৰ বয়স ৩০ বছৰৰ বেছি নহ'ব। মাতৃভূমিৰপৰা সহস্ৰ যোজন আঁতৰত স্বদেশী এই সাহসী উচ্চপদস্থ চৰকাৰী বিষয়াসকলক সতীৰ্থ এভাৰেষ্ট সহযাত্ৰী হিচাপে পাই গৌৰৱ বোধ কৰিছিলোঁ।

এতিয়া আচল কথালৈ আহোঁ। ২৪ এপ্ৰিল তাৰিখে শ্বেৰপাসকলে বেছ কেম্পত এভাৰেষ্টৰ আশীৰ্বাদ কামনা কৰি এটা বিৰাট পূজাৰ আয়োজন কৰিছিল। শ্বেৰপাৰ মাজৰে এজন লামাই ধূপ-ধূনা জ্বলাই বৌদ্ধ মন্ত্ৰোচ্চাৰণ কৰি পূজা আগবঢ়াইছিল। প্ৰায় দুঘণ্টা চলা পূজাৰ অন্তত শ্বেৰপাসকলে পৰস্পৰে পৰস্পৰৰ হাত ধৰি সমূহীয়া নৃত্য কৰিছিল। এই নৃত্যত আমিও ভাগ লৈছিলোঁ, পূজাৰ প্ৰসাদৰ লগত বিলাতী সুৰা আৰু আমি বড়োসকলে চাউলৰপৰা বনোৱা "জুমাই"ৰ দৰে এবিধ মদো বিতৰণ কৰা হৈছিল। মইয়ো এই মদৰ সোৱাদ লৈছিলোঁ, খাই ভালেই লাগিছিল। এইদৰে আমি ৰং ধেমালিৰে দিনটো অতিবাহিত কৰি ৰাতি সোনকালে ভাত খাই নিজৰ নিজৰ তম্বুত শ্লিপিং বেগৰ ভিতৰত সোমাই পৰিছিলোঁ। সমগ্ৰ এভাৰেষ্ট বেছ কেম্পলৈ এক গভীৰ নীৰৱতা নামি আহিছিল। নিদ্ৰামগ্ন হৈ থকা আমি এটা প্ৰাণীয়েই গম পোৱা নাছিলোঁ পিছদিনা অদৃষ্টই আমাৰ বাবে কপালত কি লিখি থৈছিল !

শেষ নিশা মোৰ তম্বুৰ নিচেই ওচৰত কাৰোবাৰ ভৰিৰ খোজৰ মৃদু শব্দ শুনি মই সাৰ পাই গৈছিলোঁ। তাৰ অলপ পিছতে আমাৰ ওচৰৰ প্ৰশাসনিক বিষয়াসকলৰ কেম্পৰ দিশৰপৰা অহা কিছু কথোপকথন মোৰ কাণত পৰিছিল। কোনোবা শ্বেৰপা এজনে আন এজনক এইবুলি কৈছিল যে, বতৰ বৰ সুবিধাজনক নহয়, গতিকে ৰাতিপুৱাই ওপৰলৈ যোৱাৰ প্লেনটো বাতিল কৰাই ভাল হ'ব। অলপ পিছত কথোপকথন বন্ধ হৈছিল আৰু সেই একেই নীৰৱতা ঘূৰি আহিছিল। মোৰ কিন্তু ভগা টোপনি আৰু জোৰা নালাগিল। পৰ্বতত বতৰ বেয়া হ'লেই আমাৰ উৎকণ্ঠা বাঢ়ে।

২৫ এপ্ৰিল, ২০১৫ খৃষ্টাব্দ। ৰাতিপুৱা টেণ্টৰ জীপাৰ খুলি বাহিৰলৈ ডিঙি উলিয়াই দেখিছিলো যে বতৰ গোমা। কুঁৱলীৰ আচ্ছাদনে গোটেই অঞ্চল ছানি ধৰিছে। মিহি মিহি তুষাৰপাত হৈ আছে। ৰাতি শ্বেৰপাজনে কোৱা কথাখিনি মনত পৰিল। আমাৰ দলৰ আটাইতকৈ অভিজ্ঞ শ্বেৰপাজনৰ নাম আছিল লাকপা ৰাংডু শ্বেৰপা। ইতিমধ্যে ১১ বাৰ এভাৰেষ্ট শিখৰত আৰোহণ কৰা এই অমায়িক শ্বেৰপাজনক আমি বৰ সন্মান কৰিছিলোঁ। ব্ৰেকফাষ্ট খোৱাৰ পিছত আমি তেওঁৰ লগত সিদিনাৰ বাবে কি কাম হাতত লোৱা ভাল হ'ব, তাকেই আলোচনা কৰিব ধৰিলোঁ। লাকপা শ্বেৰপাই আমাক খুম্বু গ্লেচিয়াৰত ট্ৰেইনিং কৰাবলৈ নিয়াৰ ইচ্ছা প্ৰকাশ কৰিলে।

সেইমতেই ৰাতিপুৱা ৯ বজাত আমি নজন সদস্যই লাকপাৰ আমাৰ শিবিৰৰপৰা আধা ঘণ্টা খোজকাঢ়ি গ্লেচিয়াৰৰ মাজডোখৰত উপস্থিত হলোগৈ। লাকপাৰ লগৰ আৰু ৫ জন শ্বেৰপা আমাৰ লগত গৈছিল। এই অভিজ্ঞ পৰ্বতাৰোহী কেইজনৰ তত্ত্বাৱধানত আমি front pointing, jhumering, ladder crossing, overtaking in a fixed rope ইত্যাদি লাগতিয়াল কৌশলসমূহ নিজে সন্তুষ্ট নোহোৱালৈকে অনুশীলন কৰি থাকিলোঁ। মাজতে গৰম নেমুৰ চৰ্বত খাবলৈ সকলোৰে দহ মিনিটৰ break লৈ আকৌ কামত লাগি গৈছিলোঁ। মই front pointing আৰু jhumering কৰি প্ৰায় ৪০ ফুট উচ্চতাৰ এখন বৰফৰ দেৱালৰ ওপৰ পাইছিলোগৈ। মোৰ পিছত পৰাগ দাস নামৰ আমাৰ কনিষ্ঠতম সদস্যগৰাকী উঠি আহিছিল। এইবাৰ মই দেৱালৰ ওপৰৰ পৰা তললৈ ওলমাই দিয়া ৰছীত descender যুক্ত কৰি নামি আহিবলৈ সাজু হৈছিলোহে মাথোন। সময় নেপালৰ সময়মতে ৰাতিপুৱা ১০ বাজি ৪৫ মিনিট। তেনেতে এটা গুম গুম গুৰু গম্ভীৰ আৱাজ কাণত পৰিছিল। তাৰ পিছতেই অনুভৱ কৰিছিলো মোৰ ভৰিৰ তলৰ বৰফখিনি বৰ জোৰেৰে লৰিব ধৰিছে। মই মানুহজনো লৰিব ধৰিছিলোঁ। ঘাটত বান্ধি থোৱা তুলুঙা নাওখনত লৰালৰিকৈ থিয়ৈ থিয়ৈ উঠিলে যেনেকৈ হিলিব ধৰে, ঠিক তেনেকৈ হিলিব ধৰিছিলোঁ। আমি ভূমিকম্পৰ দেশৰ মানুহ। গতিকে নিমিষতে নিশ্চিত হৈছিলো যে আমি এটা শক্তিশালী ভূমিকম্পৰ কবলত পৰিছোঁ। কিংকৰ্তব্যবিমূঢ় নহৈ ধৈৰ্য্য ধৰি

ওপৰৰ পৰা তললৈ সৰি নপৰাকৈ থাকিব যত্ন কৰিছিলোঁ। ওপৰৰ পিটনত নিজকে anchor কৰি থোৱাৰ বাবে কিছু বিপদমুক্ত অনুভৱ কৰিছিলোঁ। অৱশ্যে বৰফৰ দেৱাল কেনেবাকৈ খহি পৰিব লাগিলে, বৰফৰ স্তুপৰ মাজত নিৰ্ঘাত সমাধিস্থ হ'লোহেঁতেন। অসমৰ অভিজ্ঞতাৰে ভাবিছিলোঁ যে ৩০ ছেকেণ্ডমানৰ পিছত কম্পন বন্ধ হ'ব। কিন্তু নহ'ল। বৰং ভূঁইকঁপে এটা নতুন প্ৰাণঘাতী বিপদৰহে সৃষ্টি কৰিলে। ভূমিকম্পনৰ তীব্ৰ জোকাৰণিয়ে বেছ কেম্পৰ ওচৰতে থকা সুউচ্চ পুমোৰী পৰ্বতৰ থিয় গাত লিপিট খাই থকা বৰফ স্তৰবোৰ খহাই দিলে। ফলত, এটা বিস্ফোৰণৰ দৰে প্ৰচণ্ড শব্দ কৰি হেজাৰ হেজাৰ টন বৰফ তড়িৎ গতিৰে বেছ কেম্পৰ পিনে ঢপলিয়াই আহিবলৈ ধৰিলে। এই বৰফৰ ধলে বাটত যাকে য'তে পাইছিল, মষিমূৰ কৰি আহিছিল। এই দৃশ্য দেখি আমি গম পাইছিলোঁ, আমাৰ মৃত্যু নিশ্চিত। আমাৰ পিনে আহি থকা এই avalanche ৰপৰা পৰিত্ৰাণ পোৱাৰ কোনো ৰাস্তা আমাৰ বাবে খোলা নাই। আমি ইয়াৰ আগতেও হিমালয়ত মৃত্যুৰ সন্মুখীন হৈছোঁ। কিন্তু প্ৰতিবাৰেই বাচি আহিবলৈ সক্ষম হৈছিলোঁ। সেয়েহে মৃত্যু ভয়ত বিতত নহৈ আত্মৰক্ষাৰ বাবে শেষ চেষ্টা কৰিলোঁ। মই তৎক্ষণাৎ বৰফত আঁঠু কাঢ়ি সাষ্টাংগে প্ৰণিপাত কৰাৰ লেখীয়া পজিচন লৈছিলোঁ। হাত দুখনেৰে যিমান পাৰো নিজৰ মূৰটোক ঢাকিবলৈ চেষ্টা কৰিলোঁ। অৱশেষত অৱশ্যম্ভাৱীটোৱেই ঘটিছিল। avalanche এ আমাক hit কৰিলেহি। মই গোটেই মুখমণ্ডলত হিমশীতল বৰফৰ আঘাত অনুভৱ কৰিব ধৰিলোঁ। বিষত কেঁকাই উঠিছিলোঁ। শৰীৰৰ বাকী অংশ গৰম কাপোৰে ঢাকি ৰখা বাবে বিষ আৰু শীত অনুভৱ কৰা নাছিলোঁ। মুহূৰ্তৰ ভিতৰতে মোৰ সৰ্বশৰীৰ বৰফে ঢাকি ধৰিছিল। এইবাৰ কিন্তু মই প্ৰমাদ গণিছিলোঁ। প্ৰিয়জনলৈ মনত পৰি চকুপানী ওলাইছিল। ঈশ্বৰক স্মৰণ কৰিছিলোঁ। কিন্তু, এইবেলিও ঈশ্বৰ আমাৰ প্ৰতি সদয় হৈছিল। বৰফৰ তলত আমাৰ জীৱন্ত সমাধি হোৱাৰ আগতেই avalanche অহা বন্ধ হৈ গৈছিল। কিছু সময় তলকা মাৰি থকাৰ পিছত মই সাৱধানে বৰফৰ গধুৰ আৱৰণ ভেদি বাহিৰলৈ ওলাই আহিছিলোঁ। আঁৰ চকুৰে দেখিছিলো, পৰাগ আৰু শ্বেৰপা দুজনো ওলাই আহিবলৈ সক্ষম হৈছে। আমাৰ আটাই কেউজনকেই polar bear ৰ দৰে দেখাইছিল। কিছু সুস্থিৰ হোৱাৰ পিছত পৰাগ আৰু মই তললৈ নামি আহিছিলোঁ। তলত প্ৰেকটিচ কৰি থকা আমাৰ লগৰীয়াবোৰৰ অৱস্থা আমাতকৈও শোচনীয় আছিল। avalancheএ তেওঁলোকক বেয়াকৈ পুতি পেলাইছিল। কিন্তু আটাই কেইজনকে কোনো আঘাত নোপোৱাকৈ সুৰক্ষিত হৈ থকা দেখি এজন চিকিৎসক হিচাপে মই স্বস্তিৰ নিশ্বাস পেলাইছিলোঁ। লাকপা ৰাংডু সমন্বিতে আমাৰ বাকী শ্বেৰপা ভাইসকলো কোনো শাৰীৰিক আঘাত নোপোৱাকৈ ৰক্ষা পৰিছিল। এইবাৰ সকলোটি লগ হোৱাৰ পিছত আমি শিবিৰ অভিমুখে খোজ পোনালোঁ।

শিবিৰ পাবলৈ কিছু বাট থাকোঁতেই আমি ভূমিকম্প আৰু avalanche এ মষিমূৰ কৰি থৈ যোৱা বেছ কেম্পৰ অৱস্থা প্ৰত্যক্ষ কৰি শিয়ৰি উঠিছিলোঁ। ৰাতিপুৱালৈকেহে ৰঙা, নীলা, হালধীয়া শ শ তম্বু আৰু বতাহত হালি জালি উৰি থকা ৰঙীন prayer flag ৰে জিলিকি থকা শিবিৰবোৰৰ কোনো চিন মোকামেই দেখিবলৈ পোৱা নাছিলোঁ। সৰহ সংখ্যক তম্বুৱেই ভাগি পৰিছিল। বিস্তীৰ্ণ এলেকা জুৰি বৰফৰ ওপৰত য'তে ততে ভগা তম্বু, ভগা তম্বুৰ pole, বাচন-বৰ্তন, গেছৰ চিলিণ্ডাৰ, জোতা চেণ্ডেল ইত্যাদি সিঁচৰিত হৈ পৰি থকা দেখিবলৈ পাইছিলোঁ। তাৰ লগতে avalancheত আঘাতপ্ৰাপ্ত পৰ্বতাৰোহীসকলক অক্সিজেন মাস্ক লগাই ষ্ট্ৰেচাৰত দাঙি তললৈ নিয়া দৃশ্য দেখি মোৰ চিকিৎসক হৃদয়ে কান্দি উঠিছিল। শতাধিক লোকক ভীতিগ্ৰস্ত হৈ শিবিৰ এৰি তললৈ যোৱা দেখি আমিও চিন্তিত হৈছিলোঁ। ধ্বংসস্তুপৰ মাজত আমাৰ শিবিৰ বিচাৰি পাবলৈকে আমাৰ দিগদাৰ হৈছিল। যেতিয়া বিচাৰি পাইছিলোঁ, শিবিৰৰ অৱস্থা দেখি আমি মূৰে কপালে হাত দিছিলোঁ। এভালেন্সৰ ঢৌৱে আমাৰ প্ৰায় ১৪ টা মান টেণ্ট স্থানচ্যুত কৰিছিল। মোৰ ডোম টেণ্টটো প্ৰায় ১৫০ ফুট আঁতৰলৈ উফৰি গৈ ওলোটা হৈ থকা কাছটোৰ দৰে চিতভেলেঙা খাই পৰি আছিল। টেণ্টৰ পিঠিটো তলত, pole বোৰ ওপৰত। এভালেন্সৰ সময়ত মই তম্বুৰ ভিতৰত থকা হ'লে এই লেখা লিখিবলৈ মই বাচি নেথাকিলো হয়। ভোকে পিয়াহে জৰ্জৰিত হৈছিলোঁ যদিও আমি তম্বুবোৰ থান থিত কৰি ল'বলৈ হাতে কামে লাগিব ধৰিলোঁ। ঠিক সেইখিনি সময়তে মোক বিচাৰি বিচাৰি কাজী শ্বেৰপা নামৰ ছিকিমৰ এজন শ্বেৰপা আমাৰ শিবিৰত উপস্থিত হ'লহি। কাজী শ্বেৰপা আমাৰ IAS officer ৰ দলটোৰ গাইড আছিল।

তেখেতে মোক ওপৰৰ শিবিৰলৈ লৈ যাবলৈ আহিছিল, য'ত কেইজনমান আঘাতপ্ৰাপ্ত লোক চিকিৎসাৰ বাবে ৰৈ আছিল। মই কিছু মেডিচিন আৰু ড্ৰেচিঙৰ সৰঞ্জাম লৈ কাজী শ্বেৰপাৰ পিছে পিছে সাৱধানে খোজ দিব ধৰিলোঁ। চাৰিওপিনে কেৱল ধ্বংসলীলা। অলপ দূৰ গৈয়েই কাজী আৰু মই বৰফত আধা পোত গৈ থকা মানুহ এজন দেখিলোঁ। আমি দুয়ো মানুহজনক সাৱধানে বৰফৰ ভিতৰৰ পৰা টানি উলিয়াই আনিলোঁ। শ্বেৰপা যেন লগা লোকজনৰ ইতিমধ্যে মৃত্যু হৈ rigor mortis আৰম্ভ হৈছিল। তথাপি মই কাজীৰপৰা মোবাইলটো লৈ তাৰ পোহৰত মানুহজনৰ চকু পৰীক্ষা কৰি নিশ্চিত হৈ ললোঁ। মৃতদেহটো আমি ওচৰতে পৰি থকা তম্বু এটাৰে ভালদৰে ঢাকি দিছিলোঁ। আমাৰ ওচৰতে বিদেশী Medic এজনে অকলে অকলে এজন লোকৰ থেতেলি যোৱা কপালৰ আঘাত চিলাই আছিল। মই আগবাঢ়ি গৈ অলপ সহায় কৰি দিছিলোঁ, ফলত তেওঁ কামটো সোনকালে শেষ কৰিব পাৰিছিল। এইবোৰ কৰি থকাৰ মাজতে কাজীয়ে মোক জনাইছিল যে কেইজনমান আঘাতপ্ৰাপ্ত লোক আমাৰ শিবিৰত মোৰ বাবে অপেক্ষা কৰি আছে। মই ততাতৈয়াকৈ নামি আহিবলৈ খোজ দিছিলোঁ। তেনেতে, অভিজ্ঞ এভাৰেষ্টৰ কাজী শ্বেৰপাই মোৰ নিৰাপত্তা নিশ্চিত কৰিবলৈ এটা মূল্যবান পৰামৰ্শ দিছিল। কাজীয়ে মোক কৈছিল, ডক্তৰ চাব ! আমি ওপৰলৈ উঠি আহোঁতে বৰফত যিবোৰ খোজ পেলাই আহিছিলোঁ, আপুনি সেই খোজ অনুসৰণ কৰিয়েই নামি যাব। অবাটে গলে crevasseত পৰাৰ সম্ভাৱনা আছে। মই নিৰাপদেই আমাৰ শিবিৰ পাইছিলোহি। মোৰ বাবে ৬ জন স্থানীয় লোক অপেক্ষা কৰি আছিল। তাৰে এজনৰ বুকুৰ দুডালমান কামিহাড় ভাগিছিল। এইটো এটা চিৰিয়াচ আঘাত। মই সাৱধানে বুকুত strapping লগাই দিছিলোঁ। লগতে বিষৰ বেজী এটা মাৰি তেওঁক পিঠিত কোনো ওজন নোলোৱাকৈ ততালিকে একেবাৰে কাঠমাণ্ডুলৈ নামি যাবলৈ কলোঁ। বাকী কিজনকো আঘাত অনুযায়ী যাৱতীয় চিকিৎসা প্ৰদান কৰি বিদায় দিছিলোঁ। সৰ্বশেষত এজন কোমল বয়সীয়া ল'ৰাই মোক লগ ধৰিবলৈ আহিছিল। তাৰ সোঁহাতৰ তিনিটা আঙুলিত পানী জ্বলা ফুটিছিল। ল'ৰাজনে বিষত কষ্ট পাইছিল। তাৰ কথাৰ পৰা গম পাইছিলোঁ যে সি এটা দলৰ ৰান্ধনি। ৰাতিপুৱা সি frying pan ত কিবা ভাজি থাকোঁতেই ভূমিকম্প আহিছিল। সি ভয়তে kitchenৰপৰা দৌৰি বাহিৰলৈ ওলাব খোজোঁতেই frying pan ৰ হেণ্ডেলত তাৰ হাত লাগি frying pan লুটি খাই গৈছিল আৰু তাৰ আঙুলি তিনিটাত গৰম তেল ছিটিকি পৰিছিল। সেইখন হাতেৰেই সি এতিয়া আকৌ দলটোৰ বাবে এই দুৰ্য্যোগৰ মাজতো ভাত ৰান্ধিবগৈ লাগিব। গতিকে সি মোক কন্দনামুৱা হৈ কাবৌ কৰিছিল যে মই তাৰ আঙুলিকেইটা কিছু হ'লেও আৰাম কৰি দিব লাগে। এই সৰু ল'ৰাটোৰ দায়িত্ববোধ দেখি তাৰ প্ৰতি মৰমত মোৰ অন্তৰ উথলি উঠিছিল। মই সাৱধানে তাৰ জ্বলা ফুটা আঙুলি কেইটাৰ পৰা পানী খিনি উলিয়াই ভালদৰে ড্ৰেচিং কৰি দিছিলোঁ আৰু খাবলৈ বড়ি কেইটামান দি বিদায় দিছিলোঁ।

ইতিমধ্যে আমি Everest Base Camp ত হোৱা ক্ষয় ক্ষতিৰ কিছু কিছু বিৱৰণ পাবলৈ আৰম্ভ কৰিছিলোঁ। আটাইতকৈ দুখৰ কথা আছিল যে, বিধ্বংসী avalanche এ সিদিনা ৰাতিপুৱা মুঠ ওঠৰজন লোকৰ প্ৰাণ হৰি নিছিল। এগৰাকী চীনা ছোৱালীক এভালেন্সে ওফৰাই আনি আমাৰ শিবিৰৰ ওচৰতে পেলাইছিল। মূৰত আঘাত পাই তাইৰ লগে লগেই মৃত্যু হৈছিল। অষ্ট্ৰেলিয়াত বসবাস কৰা NRI মহিলা পৰ্বতাৰোহী এগৰাকীও এভালেন্সৰ চেপাত পৰি মৃত্যুমুখত পৰিছিল। আৰু এগৰাকী আমেৰিকান গাভৰু ছোৱালীৰ প্ৰাণ এই সৰ্বনাশী ভূঁইকঁপে অকালতে হৰি নিছিল। বেচেৰী! তাই লণ্ডনত high altitude medicine ৰ course এটা কৰি দুদিনৰ আগতেহে আহি Base Camp ত নিজৰ দলত যোগ দিছিলহি। চৰণেহে জানে মৰণৰ ঠাই। Google বিষয়া এজন সিদিনা ৰাতিপুৱা হেলিকপ্টাৰেৰে Base Camp লৈ আহিছিল। তেওঁকো এভালেন্সে নিজৰ চিকাৰ কৰি লৈছিল। মৃত্যুৰ এই ঘটনাবোৰ দেখি শুনি আমাৰ হৃদয় শোকত থানবান হৈ গৈছিল।

আমি কোনোমতে আমাৰ মনক প্ৰবোধ দিছিলোঁ আৰু নিজৰ নিজৰ ভাগি পৰা তম্বুবোৰ ঠিক কৰাত পুনৰ ব্যস্ত হৈ পৰিছিলোঁ। তেনেতে হঠাৎ শিবিৰৰ মানুহবোৰে লৰা ধপৰা কৰা আমাৰ দৃষ্টিগোচৰ হৈছিল। লাকপা শ্বেৰপাই ঘটনাৰ উৰাদিহ লৈ আহি আমাক যিটো খবৰ দিলেহি, সেইটো শুনি আমি আৰু ভীতিগ্ৰস্ত হৈ পৰিছিলোঁ। ৰাতিলৈ কেইবাটাও ভূমিকম্পৰ after shock আহিব পাৰে বুলি কাঠমাণ্ডুৰ বতৰ

বিজ্ঞান কেন্দ্ৰৰপৰা সকীয়নি বাৰ্তা জাৰি কৰা হৈছিল। বাৰ্তাটো পোৱাৰ পিছতেই মানুহবোৰে তললৈ নামি যাবলৈ ব্যস্ত হৈ পৰিছিল। আমিও ভগ্নাৱশেষৰ মাজত ৰাতি কটোৱাটো কোনোপধ্যে নিৰাপদ নহ'ব বুলি জানি, য'ৰ কাম ত'তে এৰি Rucksack ত অলপ বস্তু ভৰাই আমি এঘাৰজন সদস্যই তললৈ নামিবলৈ আৰম্ভ কৰি দিলোঁ। আমাৰ শ্বেৰপাৰ দলটো কিন্তু শিবিৰটো থান থিত লগাবৰ বাবে তাতে থাকি গৈছিল। বেছ কেম্পৰপৰা কিছু তলত গোৰেকচেপ নামৰ ঠাই এখন আছিল, য'ত ট্ৰেকাৰবিলাক থাকিব পৰা কিছু সংখ্যক ট্ৰেকাৰ হাট আছিল। আমি Base Camp ত্যাগ কৰি দুঘণ্টা খোজকঢ়াৰ পিছতেই গোৰেকচেপত উপস্থিত হৈছিলোঁ। ইতিমধ্যে তাত বহু মানুহ গোট খাইছিল। তাৰে কিছু সংখ্যক তলৰ পৰা ওপৰলৈ অহা ট্ৰেকাৰ কিন্তু সৰহখিনিয়েই ওপৰৰ পৰা নামি অহা আতংকিত মানুহখিনি। মানুহৰ ভিৰৰ মাজত আমি ভাৰতীয় অফিচাৰৰ দলটোৰ আটাইকেইজন সদস্যকেই সুস্থ অৱস্থাত দেখিবলৈ পাই স্বস্তিৰ নিশ্বাস পেলাইছিলোঁ। মোক দেখি মহিলা IPS বিষয়াগৰাকীয়ে মোৰ ওচৰলৈ আহি তেখেতে কেনেকৈ নিশ্চিত মৃত্যুৰপৰা ৰক্ষা পৰিছিল, তাৰ এটা ভয়াৱহ বৰ্ণনা দিছিল। তেখেতে কৈছিল ঃ ছাৰ, মই উশাহ ল'বলৈ অলপ কষ্ট পাই আছিলোঁ। সেই কাৰণে আপোনাক দেখুৱাবলৈ লগৰীয়া এজনৰ লগত আপোনাৰ টেণ্টলৈ আহিছিলোঁ। কিন্তু আপোনালোক গ্লেচিয়াৰত ট্ৰেইনিং কৰিব যোৱা বুলি জানি, আমি আমাৰ কেম্পলৈ উভটিবলৈ লওঁতেই ভূমিকম্পটো আহিছিল। কোনোমতে এটা ডাঙৰ শিলৰ আঁৰত বহি avalanche ৰ খুন্দাৰ পৰা ৰক্ষা পাইছিলোঁ। ঘটনাটো বৰ্ণনা কৰোঁতে এইগৰাকী উচ্চপদস্থ সাহসী আৰক্ষী বিষয়াৰ চকুৰে মুখে ত্ৰাসৰ চিন ফুটি উঠিছিল। গোৰেকচেপতহে আমি ভূমিকম্পৰ ভয়াবহ ধ্বংসলীলাৰ বাতৰিবোৰ পাবলৈ আৰম্ভ কৰিছিলোঁ। ৰিখতাৰ স্কেলত এই ভূমিকম্পটোৰ তীব্ৰতা আছিল ৭.৮। আমি দেখি আচৰিত হৈছিলোঁ যে এভাৰেষ্ট বেছ কেম্পৰ ওচৰতে আছিল যদিও গোৰেকচেপত ভূমিকম্পৰ বিশেষ প্ৰভাৱ পৰা নাছিল। কাৰো প্ৰাণ হানি হোৱাতো নাছিলেই, ঘৰ বাৰী বেছি ভঙা নাছিল। প্ৰাৰম্ভিক অনুসন্ধানৰ মতে এই ভূমিকম্পই নেপালৰ বিস্তীৰ্ণ অঞ্চলত তাণ্ডৱ চলাই প্ৰায় আঢ়ৈ হেজাৰ মানুহৰ প্ৰাণ নাশ কৰিছিল। দিন যোৱাৰ লগে লগে মৃতকৰ সংখ্যা বাঢ়ি গৈ দহ হেজাৰ অতিক্ৰম কৰিছিল। আমাৰ পেটত তেতিয়ালৈকে খুদ কণ এটাও পৰা নাছিল। ভাগ্যৰ বলত গোৰেকচেপত নুডল জাতীয় কিবা অলপ পেটত পৰিছিল। তাকে খাই মুকলিতে হাত ভৰি মেলি দি বহি লৈছিলোঁ। ৰাতিপুৱাৰে পৰা ঘটি অহা ঘটনাবোৰ এটা এটাকৈ মনত পৰিছিল। এভাৰেষ্ট বেছ কেম্পত প্ৰাণ হেৰুৱা সেই ওঠৰজন দুৰ্ভগীয়াৰ মাজত আমাৰোতো কোনোবা এজন দুজন থাকিব পাৰিলেহেঁতেন! ট্ৰেইনিঙলৈ নগৈ আমি টেণ্টত সোমাই থকা হ'লেতো আমাৰ আইধা পৰিল হয়। ভিতৰত ইমানবোৰ বস্তু থকা সত্বেও মোৰ তম্বুটো প্ৰায় ডেৰশ ফুট দূৰত ছিটিকি পৰা ঘটনাটোৱেই এই আশংকা প্ৰতীয়মান কৰে। অমৰ আৰু শৈলেন আমাৰ Base Camp মেনেজাৰ আছিল। সিহঁত চাৰে নবজালৈকে কেম্পতেই আছিল। তম্বুৰ ভিতৰত বহি বহি আমনি লগাত দুয়ো ভূঁইকঁপ অহাৰ ৪৫ মিনিটমান আগত ফ্লাস্কত আমাক খুৱাবলৈ গৰম লেমন জুস ভৰাই আমি ট্ৰেইনিং কৰি থকা ঠাই টুকুৰালৈ আহিছিল। ভূমিকম্পৰ পিছতেই কেম্পত মোবাইল, ইণ্টাৰনেট আদি সকলো ধৰণৰ যোগাযোগৰ সাধনবোৰ বিকল হৈ গৈছিল। আমি আটায়ে নিৰাপদে থকা খবৰটো গুৱাহাটীত জনাবলৈ আমাৰ ছেটেলাইত ফোনটো কাৰ্য্যক্ষম কৰিবলৈ চেষ্টা কৰি বাৰে বাৰে বিফল হৈছিলোঁ। কিন্তু সেইটোও হঠাতে এবাৰ সাৰ পাই উঠিছিল আৰু আমি কোনোমতে ‘‘আমি আটায়ে নিৰাপদে আছোঁ’’ কথাষাৰ কৈ শেষ কৰিছিলোহে, ফোনটো আকৌ নিতাল মাৰিলে। এইবোৰ ঘটনা সিদিনাখনৰ পৰিস্থিতিত নিতান্তই কাকতালীয় বুলি উৰাই দিব পৰা নাছিলোঁ। অদৃষ্টইহে যেন আমাক ৰইখা কৰিছিল। গোৰেকচেপত কটোৱা নিশাটোত দুবাৰমান মজলীয়া বিধৰ ভূমিকম্প আহিছিল। আমি গোৰেকচেপলৈ শুদা মানুহকেইটাহে আহিছিলোঁ। আমাৰ বস্তু বেহানি, লাম লাকটু বোৰ Base Camp ত ভগ্নাৱশেষৰ মাজত উন্মুক্তভাৱে পৰি আছিল। সেইবোৰ গোটাবলৈকে বিপদজনক বুলি জানিও আমি পুনৰ ওপৰলৈ উঠি আহিছিলোঁ। ওপৰত আহি দেখিছিলোঁ যে আমাৰ বিশ্বাসী শ্বেৰপাৰ দলটোৱে আমাৰ লাম-লাকটুবোৰ গোটাই তম্বুৰ ভিতৰত ভৰাই থৈছে। হিমালয়ৰ বন্ধু শ্বেৰপাসকলক তেওঁলোকৰ শাৰীৰিক সক্ষমতা, ক্ষমতা আৰু দায়িত্বশীলতাৰ বাবে সকলোৱে সন্মান কৰণি ॥

কৰে। Base Campত তেতিয়াও কিছুমান অভিযান দলৰ সদস্যই এভাৰেষ্ট আৰোহণৰ আশাত ৰৈ আছিল। আমিও তেনেকুৱা এটা দল আছিলোঁ। কিন্তু ভূঁইকঁপৰ প্ৰায় এসপ্তাহ পিছত নেপালৰ টুৰিজিম মন্ত্ৰালয়ে পৰ্বতাৰোহীসকলৰ জীৱনৰ নিৰাপত্তাৰ কথা বিবেচনা কৰি এটা চৰকাৰী নিৰ্দেশযোগে সেইবাৰলৈ সকলো দলৰে এভাৰেষ্ট অভিযানৰ অনুমতি বাতিল কৰি দিয়ে। উপায়ান্তৰ হৈ আমি সকলোৰে এভাৰেষ্টৰ পৰা বিদায় লৈ ঘৰলৈ ঘূৰি আহিছিলোঁ।

**উপসংহাৰ ঃ**

মোৰ পৰ্বতাৰোহণৰ দীঘলীয়া পৰিক্ৰমাৰ কথা লিখিবলৈ লৈ বহুতো স্মৃতিয়ে মনত অগা-দেৱা কৰিছে। কটনত পঢ়ি থাকোঁতে আৰম্ভ কৰা সেই নিচাই আজিকোপতি সমান প্ৰাৱল্যৰেই মোৰ ওপৰত ক্ৰিয়া কৰি আছে। আজি মই এজন চিনিয়ৰ চিটিজেন। গাৰ বল শক্তিও যথেষ্ট কমিছে, কিন্তু মনটো এতিয়াও ডেকা হৈয়ে আছে। সৌ সিদিনাহে (জানুৱাৰী) লাডাখ হিমালয়ত মাইনাচ কুৰি ডিগ্ৰী তাপমান সহ্য কৰি অভিযান এটা সম্পন্ন কৰি আহিলোঁগৈ ! মই যোৱা ৩৭ বছৰত অসম পৰ্বতাৰোহণ সন্থা, Indian Mountaineering Foundation আৰু চতুৰ্থ অসম পুলিচ বেটেলিয়নৰ লগত বিভিন্ন অভিযানত অংশ গ্ৰহণ কৰিবলৈ সুযোগ পাইছিলোঁ। কাশ্মীৰৰপৰা আমাৰ চুবুৰীয়া অৰুণাচল প্ৰদেশলৈকে বিস্তৃত হৈ থকা এই বিশাল হিমালয় শ্ৰেণীত বিচৰণ কৰাৰ বিচিত্ৰ অভিজ্ঞতা মোৰ হৈছিল। হিমালয়ৰ তুষাৰাবৃত বিভিন্ন শৃংগ যেনে আবি গামিন, গোৰীচেন ২, মুলকিল্লা ১, বি চি ৰয়, কাং ইয়াটচে, ইয়ুনাম আদি শিখৰত পদাৰ্পণ কৰি আনন্দাশ্ৰু টোকাৰ মোৰ সৌভাগ্য হৈছে। তদুপৰি ভাগীৰথী ১, গংগোত্ৰী ১ আৰু সতোপন্থ অভিযানত অংশ গ্ৰহণ কৰিও যথেষ্ট অভিজ্ঞতা সংগ্ৰহ কৰিছিলোঁ। মাউণ্ট এভাৰেষ্ট আৰোহণ কৰিব নোৱৰাৰ দুখ অৱশ্যে থাকি গ'ল। সৰ্বনাশী ভূঁইকঁপৰ কবলত নপৰা হ'লে ২০১৫ চনত নিশ্চিতভাৱে এই সপোনো পূৰণ হ'লহেঁতেন। তাৰ বাবে মোৰ কোনো আক্ষেপ নাই। মই এজন সুখী পৰ্বতাৰোহী।

বহুতেই মোক ইমান কষ্ট কৰি, ইমান ৰিস্ক লৈ হিমালয়লৈ কিয় যাওঁ বুলি প্ৰশ্ন কৰে। বহুতেই আকৌ আক্ষেপ কৰে, তেওঁলোকৰ ধনবল থকা সত্বেও গাৰ বল নথকা কাৰণে হিমালয়ৰ নৈসৰ্গিক সৌন্দৰ্য্য উপভোগ কৰিব যাব নোৱাৰে। এটা কথা ঠিক যে আমি মূলতঃ এডভেঞ্চাৰৰ সোৱাদ ল'বলৈকে পৰ্বতাৰোহণ কৰোঁ। কিন্তু এইটো কৰিবলৈ যাওঁতে আমি প্ৰত্যেকেই হিমালয়ৰ প্ৰেমত পৰোঁ। এই প্ৰেম স্বৰ্গীয়, ইয়াক অনুভৱহে কৰিব পাৰি। হিমালয়ত প্ৰৱেশ কৰি মোৰ এক আধ্যাত্মিক জগতত প্ৰৱেশ কৰা যেন অনুভৱ হয়। হিমালয় ইমান বিশাল, ইমান সুন্দৰ, ইমান বিচিত্ৰ! গতিকে ইয়াক নিশ্চয় কোনোবা এজন সৰ্বশক্তিমান সৃষ্টিকৰ্তাই স্ৰজিছে বুলি মোৰ বিশ্বাস ওপজে।

আমাৰ দেশৰ উত্তৰে বিৰাজ কৰা হিমালয় নামৰ পৃথিৱীৰ নৱীনতম বিশাল পৰ্বতশ্ৰেণীটোৱে অতীজৰে পৰা আমাৰ দেশক বিদেশী শত্ৰুৰ আক্ৰমণৰপৰা ৰক্ষা কৰি আহিছে। হিমালয় নথকা হ'লে roof of the world বুলি কোৱা পামীৰ মালভূমিৰ হিমশীতল শুষ্ক বতাহে আমাৰ দেশখন খৰাং কৰি তুলিলেহেঁতেন। আমি প্ৰত্যেকেই হিমালয়ক ভাল পাব লাগিব, হিমালয়ক সকলো ধৰণৰ অনিষ্টৰ পৰা ৰক্ষা কৰিব লাগে। আমাৰ সাৰ্বভৌমতা, আমাৰ সভ্যতা সংস্কৃতিৰ ৰক্ষাৰ খাতিৰতে।

●

সাজপাৰৰ ক্ষেত্ৰত, সত্তৰৰ দশকটো আছিল বেলব'ট'মৰ যুগ আৰু কলেজত বেলব'ট'ম পেণ্ট আছিল এটা সহজলভ্য দৃশ্য। সেইটো দশকে সাংস্কৃতিক ক্ষেত্ৰত, ডিস্কো মিউজিকো জনপ্ৰিয় কৰিছিল আৰু প্ৰধানতঃ বলীউডৰ মাধ্যমেৰে ছাত্ৰ-ছাত্ৰীসকলৰ মাজতো ইয়াৰ প্ৰচলন হৈছিল

# কটন কলেজ, হোষ্টেল, নষ্টালজিয়া ইত্যাদি

**দীপক গোস্বামী**

ছেকেণ্ড মেছত প্ৰথমবাৰৰ বাবে পদাৰ্পণ কৰিছিলোঁগৈ ১৯৭৬ চনৰ সম্ভৱতঃ জুলাই মাহত নামভৰ্তি হৈ যোৱাৰ দিনাই পিছবেলা। মই মৰাণৰ ঘৰৰপৰা অকলেই বাছত আহি ভৰলুমুখৰ বাইদেউৰ ঘৰত থাকি পিছদিনা কটন কলেজলৈ আহিছিলোঁ। নামভৰ্তি প্ৰক্ৰিয়াটোৰ বিষয়ে এতিয়া সবিশেষ মনত নাই যদিও ইউনিয়ন হলতেই হৈছিল আৰু এটা শৃংখলাবদ্ধ ধৰণেৰে ই সম্পন্ন হৈছিল। সম্ভৱতঃ নামভৰ্তিৰ পিছতেই বেলেগ এখন টেবুলত হোষ্টেলৰ আবণ্টন কৰা হৈছিল আৰু আমাক সংশ্লিষ্ট হোষ্টেলৰ চুপাৰক লগ ধৰিবলৈ পৰামৰ্শ দিয়া হৈছিল। সেইমতেই, তেতিয়াৰ চুপাৰ বীৰেন বৰুৱা চাৰক লগ কৰি ৰুমৰ আবণ্টন পাইছিলোঁ। যিমান দূৰ মনত পৰে, দ্বিতীয় ব্লকৰ চাৰি নম্বৰ ৰুমৰ এটা চীট মই পাইছিলোঁ। তাত ইতিমধ্যে জ্যেষ্ঠ ৰুমমে'ট গুণনিধি মহন্ত আৰু কনিষ্ঠ ৰুমমে'ট লোকনাথ ভূঞা আছিল। গুণদা আছিল স্নাতক দ্বিতীয় বৰ্ষৰ (মানে তেতিয়া চূড়ান্ত বৰ্ষৰ) ছাত্ৰ আৰু ভূঞা আছিল প্ৰী-ইউনিভাৰ্চিটিৰ দ্বিতীয় বৰ্ষৰ ছাত্ৰ। মই বিজ্ঞান শাখাৰ স্নাতক প্ৰথম বৰ্ষত নামভৰ্তি কৰিছিলোঁ। পদাৰ্থবিজ্ঞান, ৰসায়নবিজ্ঞান আৰু গণিত মূল বিষয় হিচাপে লৈছিলোঁ (লগত ইংৰাজী আছিল)। কিছুদিনৰ ভিতৰতে, মই বিচৰা দৰেই পদাৰ্থবিজ্ঞানত অনাৰ্চ ল'বলৈ পালোঁ।

দৰাচলতে, কটন কলেজত পদাৰ্থবিজ্ঞানত অনাৰ্চ লৈ পঢ়া আছিল মোৰ এটা

সপোন। ইয়াৰ বাবে, তথাকথিত উত্তম বিকল্পও মই বাদ দি আহিছিলোঁ। দৰাচলতে, মই হায়াৰ ছেকেণ্ডাৰীৰ চূড়ান্ত বৰ্ষত, ৰাষ্ট্ৰীয় শৈক্ষিক আৰু গৱেষণা পৰিষদ(NCERT)এ তেতিয়া অনুষ্ঠিত কৰা ৰাষ্ট্ৰীয় বিজ্ঞান প্ৰতিভা অনুসন্ধানী পৰীক্ষা(NSTSE)ত অৱতীৰ্ণ হৈছিলোঁ আৰু দেশৰ ভিতৰতে ৭৮-তম স্থান লাভ কৰিবলৈ সক্ষম হৈছিলোঁ। ইয়াৰ ফলত, ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান(IIT), খড়গপুৰ আৰু বিৰলা প্ৰযুক্তিবিদ্যা আৰু বিজ্ঞানৰ প্ৰতিষ্ঠান(BITS), পিলানিত অধ্যয়ন কৰিবলৈ পোনপটীয়াকৈ সুবিধা পাইছিলোঁ। কিন্তু, ঘৰৰপৰা কম বয়সতে মোক অসমৰ বাহিৰলৈ পঠিয়াবলৈ আগ্ৰহী নাছিল; ময়ো সেই সময়ত গম পোৱা নাছিলোঁ এই প্ৰখ্যাত প্ৰযুক্তিবিদ্যাৰ প্ৰতিষ্ঠানবিলাকত বিজ্ঞান পঢ়াৰ সুবিধা আছিল নে নাই। গতিকে, সাতে পাঁচে ভাবি এইবিলাক বিকল্পলৈ পিছ দি, কটনত পদাৰ্থবিজ্ঞানত অনাৰ্চ লৈ পঢ়িবলৈ সিদ্ধান্ত কৰিছিলোঁ। প্ৰসংগক্ৰমে, উল্লেখযোগ্য যে সত্তৰৰ দশকৰ মাজভাগত NSTS পৰীক্ষাৰ বিষয়ে জ্ঞান অসমৰ সকলো ঠাইতে অতি সীমিত আছিল; মোৰ দেউতা মৰাণৰ নিচিনা এখন সৰু ঠাইৰ ব্যৱসায়ী হোৱা সত্ত্বেও, অতি বিদ্যোৎসাহী আছিল আৰু তেখেতৰ অৱদান আমাৰ জীৱনত আছিল অপৰিসীম।

হোষ্টেলত আমাৰ সময়তো ৰেগিং হৈছিল; অৱশ্যে তাৰ মাত্ৰা আছিল বহুত কম। মই ৰেগিং বিশেষ ভুগিবলগীয়া নহ'ল; কিয়নো মোৰ দাদাৰ এজন জুনিয়ৰ বন্ধু সেই সময়ত ছেকেণ্ড মেছত আমাৰ চিনিয়ৰ হিচাপে আছিল। দাদাই কৈ দিয়াৰ বাবে, মই ৰেগিঙৰ পৰা নিস্তাৰ পাইছিলোঁ।

(২)

ছেকেণ্ড মেছ আমাৰ সকলো অৱাসীৰ বাবেই প্ৰথম ঘৰৰপৰা বাহিৰৰ পৰিৱেশ আছিল; অৱশ্যে, সৈনিক স্কুল আদি আৱাসীয় শিক্ষানুষ্ঠানৰ পৰা অহা দুজনমানৰ কথা আছিল সুকীয়া। গতিকে সকলোৰেই নতুন পৰিৱেশত লাহে লাহে নিজকে খাপ খুৱাই লোৱাৰ দৰকাৰ হৈছিল। ডাইনিং হলৰ সময়, ক্লাছৰ ৰুটিন আদিৰ লগত সময় মিলোৱাৰ প্ৰয়োজন হৈছিল। আহি পোৱাৰ কেইমাহমানৰ ভিতৰতে ঘটা এটা শোকাবহ ঘটনা আছিল মোৰ ৰালমে'ট এজনৰ মৃত্যু; ভূগোল বিষয়ৰ অনাৰ্চৰ ক্লাছৰ আৰু কলেজৰ সৰ্বশ্ৰেষ্ঠ ঢুলীয়া ৰমা গগৈৰ চেৰিব্ৰেল মেলেৰিয়া হৈ হঠাৎ মৃত্যু হয়। তেখেতৰ ঘৰ আছিল শিৱসাগৰৰ ওচৰত। সেইটো আমাৰ সকলোৰে বাবে আছিল এটা ভয়ানক বাৰ্তা। তাৰ পিছৰ পৰা সম্ভৱতঃ আঠুৱা নোলোৱাকৈ শোৱাৰ ঘটনা একেবাৰে কমি গৈছিল।

হোষ্টেলত নৱাগত আদৰণি আৰু বিদায় সভা আছিল বিশেষ উল্লেখযোগ্য ঘটনা। এই দুয়োটাতে বিশেষ খাদ্যৰ আয়োজন হৈছিল যিটো আছিল আমাৰ সকলোৰে এক আকৰ্ষণ। তদুপৰি, এই অনুষ্ঠানসমূহত, অন্য বেলেগ নহ'লেও, গানসমূহৰ লগত তবলা সংগত কৰাটো আছিল মোৰ এটা দায়িত্ব। বীৰেন বৰুৱা চাৰৰ দিনতেই এবাৰ কিবা এটা অনুষ্ঠানত, জ্ঞানপীঠ বঁটাবিজয়ী বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যদেৱক আমাৰ হোষ্টেললৈ নিমন্ত্ৰণ কৰা হৈছিল। তেখেতে আন কথাৰ লগতে, "মই মানুহটো সদায় অসীমৰ সন্ধানত থাকোঁ" বুলি কোৱা মনত আছে। হোষ্টেলত, সাংস্কৃতিক ক্ষেত্ৰত অৰূপ দত্তৰ নিচিনা কণ্ঠশিল্পী, জগদীশ কলিতাৰ দৰে মেণ্ডোলিন বাদক, জগদীশ বসুমতাৰীৰ দৰে মাউথ-অৰ্গেন বাদক আছিল। ক্ৰীড়াৰ জগতখন অলংকৃত কৰা ল'ৰাও কে'বাজনো আছিল; ইয়াতে পৰ্বত-আৰোহণকাৰী, পেৰাট্ৰুপাৰ/ অপৰম্পৰাগত খেলৰ খেলুৱৈও আছিল।

ছেকেণ্ড মেছত নথকা এজন ভূগোল অনাৰ্চৰ ছাত্ৰ আছিল অভিনৱ প্ৰকাশ মহন্ত; তেওঁ মোৰ ৰুমমে'ট গুণদাৰ সম্পৰ্কীয় আছিল আৰু মাজে মাজে তেখেতক লগ কৰিবলৈ আহিছিল। তেওঁ আছিল যোৰহাটৰ এটা সংস্কৃতিৱান পৰিয়ালৰ ল'ৰা আৰু সলসলীয়াকৈ সংস্কৃত ক'ব পাৰিছিল। মই সিমান ভালকৈ ক'ব নোৱাৰিলেও, সংস্কৃতত কিছু দখল আছিল আৰু দশম শ্ৰেণীলৈ এই বিষয়টো পঢ়ি মেট্ৰিকত লেটাৰ পাইছিলোঁ; তদুপৰি, আমাৰ স্কুলৰ সংস্কৃত চাৰৰ

অনুগ্ৰহত  তেতিয়াই সংস্কৃতৰ বাতৰিকাকত নিয়মীয়াকৈ পঢ়াৰ অভ্যাস আছিল (সেই সময়ত গীতাখনো কণ্ঠস্থ আছিল)। গতিকে, অভিনৱ প্ৰকাশৰ লগত মই প্ৰায়ে সংস্কৃতত কথা পাতিছিলোঁ। অভিনৱ প্ৰকাশৰ আন এটা আমোদজনক হ'বি আছিল- ভাৰতীয় ৰেল সম্পৰ্কে সৰু-ডাঙৰ সকলো খবৰ ৰখা; আনকি তেওঁ প্ৰায়ে ৰেলৰ উঁকি দি দি হোষ্টেলৰ ক'ৰিডৰেদি গৈ থকা সকলোৰে দেখিছিল।

অলপতে, আমাৰ সময়ৰ দুটামান বেটচৰ এটা WhatsApp গ্ৰুপ খোলা হ'ল। তাত অন্য কথাৰ লগতে, আমাৰ বেটচৰ নৱাগত আদৰণি সভাৰ লগতে  অনুষ্ঠিত আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰ কথাও ওলাল। আচৰিত হলোঁ যে ছয়চল্লিছ বছৰৰ পিছতো কেইবাজনেও মই সেই ছয়সত্তৰৰ জুলাই মাহৰ  কোনোবা এটা সন্ধিয়া ছেকেণ্ড মেছৰ ক'ৰিডৰত দিয়া সম্ভৱতঃ দহ মিনিটৰ এটা আকস্মিক বক্তৃতাৰ কথা মনত ৰাখিছে। দুজনমানে মনত ৰাখিছে- মই কেনেকৈ বক্তৃতাটো আৰম্ভ কৰোঁতে, "বিষয়টো অলপ গহীন, গতিকে ময়ো অলপ গহীন হ'ব লাগিব" বুলি আৰম্ভ কৰিছিলোঁ; বা মই বোলে বিপ্লৱ শব্দটোৰ সংস্কৃতত ব্যুৎপত্তিগত অৰ্থ বুজাই দিছিলোঁ। মোৰ নিজৰে অৱশ্যে এনে ধৰণৰ কথাবোৰ এতিয়া মনত নাই; কিন্তু বক্তৃতাটোৰ কথা মনত আছে। সেইদিনা মোৰ ভাগত পৰা বিষয়টো আছিল "সাংস্কৃতিক বিপ্লৱ"। দৰাচলতে, তেতিয়াও (মানে, ১৯৭৬ চনত) চীনত প্ৰায় এক দশকৰ আগতে আৰম্ভ হোৱা সাংস্কৃতিক বিপ্লৱ চলিয়েই আছিল আৰু সেইবাবেই ই আছিল এটা সাময়িক বিষয়েই। হোষ্টেলৰ সমাজ-সচেতন চিনিয়ৰ আৱাসী অসীম দত্ত (তেখেত দুৰ্ভাগ্যজনকভাৱে এবছৰমানৰ আগতে কোৱিডত ঢুকালে)ৰ নিচিনা কোনোবাই নিশ্চয় এনে এটা বিষয় অন্তৰ্ভুক্ত কৰিছিল। এই বিষয়টোৰ ওপৰত মোৰ মোটামুটি এটা সম্যক ধাৰণা আছিল কাৰণ মৰাণত দ্বাদশ শ্ৰেণীত পঢ়ি থাকোঁতেই মই প্ৰখ্যাত বৃটিছ অৰ্থনীতিবিদ জোৱান ৰ'বিন্সনৰ (Joan Robinson) সেই সৰু আৰু সুখপাঠ্য কিতাপখন (The Cultural Revolution in China )পঢ়িছিলোঁ আৰু লেখিকাই উপস্থাপন কৰা ধৰণেৰেই মাও-জে-ডঙক সমৰ্থন কৰি সাংস্কৃতিক বিপ্লৱৰ বিষয়ে কৈছিলোঁ (পিছত অৱশ্যে গম পাইছিলোঁ যে এই তথাকথিত বিপ্লৱত বহুতো আতিশয্যও চলিছিল আৰু মাওৰ বিৰোধিতা কৰা সকলোৰে ওপৰত অতি সৰলীকৰণ কৰি যধে মধে নিৰ্য্যাতন নমাই অনাটো উচিত নাছিল)। এই দহ মিনিটীয়া বক্তৃতাটোৰেই মই এজন অখ্যাত নৱাগত ছাত্ৰ হোষ্টেলৰ ভিতৰত বিখ্যাত হৈ পৰিছিলোঁ। মই সম্ভৱতঃ প্ৰথম পুৰস্কাৰো লাভ কৰিছিলোঁ। ইয়াৰ অন্য এক তাৎপৰ্য্য আছে এই কাৰণেই যে সেইখিনি সময়ত অসমৰ শিক্ষানুষ্ঠান, ছাত্ৰাৱাস আদিত বৌদ্ধিক ক্ষেত্ৰত এক মুকলি পৰিৱেশ বিৰাজ কৰিছিল আৰু যিকোনো ইজম বা বাদৰ বিষয়ে মুকলি আলোচনা বা বাদানুবাদ হ'ব পাৰিছিল। অথচ সেই সময় আছিল জৰুৰী অৱস্থাৰ মাজৰ সময়; এহাতেদি চৰকাৰ-বিৰোধিতাক অতি নৃশংশভাৱে দমন কৰা হৈছিল কিন্তু "সাংস্কৃতিক বিপ্লৱ" জাতীয় কিছু আপাততঃ বিমূৰ্ত আৰু নিৰামুহীয়া যেন লগা বিষয়বোৰৰ ক্ষেত্ৰত চৰকাৰে বৰ পৰোৱাই কৰা নাছিল। জৰুৰী অৱস্থা অৱশ্যে তাৰ পিছৰ বছৰতেই (১৯৭৭) উঠাই লোৱা হৈছিল। কিন্তু অসমত মুক্ত চিন্তাৰ ওপৰত দমন নিৰ্য্যাতন নামি আহিছিল অসম আন্দোলনৰ মাজত অন্য শক্তিসমূহৰ তৰফৰ পৰাহে।

(৩)

আমি কটন কলেজত থাকোঁতেই, দেশ আৰু বিশ্বৰ সমসাময়িক ঘটনাৰাজিৰ প্ৰভাৱ আমাৰ চাৰিওকাষে কেনেকৈ পৰিছিল তাৰ বিষয়ে দুই এটা কথা উনুকিয়াব খুজিছোঁ। সাজপাৰৰ ক্ষেত্ৰত, সত্তৰৰ দশকটো আছিল বেলব'ট'মৰ যুগ আৰু  কলেজত বেলব'ট'ম পেণ্ট আছিল এটা সহজলভ্য দৃশ্য। সেইটো দশকে সাংস্কৃতিক ক্ষেত্ৰত, ডিস্কো মিউজিকো জনপ্ৰিয় কৰিছিল আৰু প্ৰধানতঃ বলীউডৰ মাধ্যমেৰে ছাত্ৰ-ছাত্ৰীসকলৰ মাজতো ইয়াৰ প্ৰচলন হৈছিল (অৱশ্যে, চিৰনতুন অসমীয়া আৰু হিন্দী গানবোৰৰ জনপ্ৰিয়তা অক্ষুণ্ণ আছিল; মোৰ মনত আছে, আমাৰ লগৰ

কটনৰ শ্ৰেষ্ঠ গায়িকা গীতিমা লহকৰে, ১৯৫৮ চনৰ মধুমতী নামৰ হিন্দী চিনেমাৰ "আজা ৰে পৰদেশী, মৈঁই তো কব চে খড়ী ইচ পাৰ" শীৰ্ষক গানটো গাই প্ৰভূত বাহ বাহ বুটলিছিল)। বিশ্বজোৰা প্ৰৱল প্ৰতিবাদৰ ধলত মাৰ্কিন-সাম্ৰাজ্যবাদে ভিয়েটনাম যুদ্ধ শেষ কৰিবলৈ বাধ্য হৈছিল (১৯৭৫)। ছাত্ৰসমাজে কোনো ধৰণৰ অবিচাৰ মানি লোৱাৰ পক্ষত নাছিল। আমি থকাৰ সময়তে, কটন কলেজ ইউনিয়ন হলটোৰ নাম সলনি কৰিবলৈ কলেজ কৰ্তৃপক্ষৰ পৰা এটা প্ৰস্তাৱ আগবঢ়োৱা হৈছিল। ইয়াৰ তুমুল প্ৰতিবাদ হৈছিল আৰু মোৰ যিমান দূৰ মনত আছে, এই প্ৰতিবাদৰ সন্মুখত আছিল ৰঞ্জিত কলিতা আদি বামপন্থী ছাত্ৰনেতা; এই প্ৰস্তাৱৰ বিৰোধিতা কৰিবলৈ যুক্তি দেখুওৱা হৈছিল যে যিদৰে সাম্ৰাজ্যবাদী বৃটিছৰ নামত দিয়া কটন কলেজৰ নামটো সলনি কৰিবলৈ প্ৰস্তাৱ কৰিলে সেইটো গ্ৰহণযোগ্য নহ'ব আৰু ইয়াৰ এটা ঐতিহ্য আছে বুলি যুক্তি দেখুওৱা হ'ব সেইদৰে কটন কলেজ ইউনিয়ন হলটোৰো নাম সলনিৰ প্ৰস্তাৱ গ্ৰহণযোগ্য নহয় কিয়নো ইয়াৰো এটা ঐতিহ্য আছে। মোৰ যিমান দূৰ মনত পৰে, পিছত ছাত্ৰসকলৰে বিজয় সাব্যস্ত হৈছিল।

অন্য এটা ৰাজনৈতিক ঘটনায়ো কটন কলেজ তোলপাৰ লগাইছিল। জৰুৰী অৱস্থাৰ মাজতে, জাজ ফিল্ডত হোৱা তেতিয়াৰ শাসকদল কংগ্ৰেছৰ এখন সভাত সেই সময়ৰ কলেজৰ সাধাৰণ সম্পাদক প্ৰদ্যুত বৰদলৈয়ে ভাগ লৈছিল। ইয়াৰ ঔচিত্যৰ ওপৰত প্ৰশ্ন তুলি, কলেজৰ ইউনিয়ন হলত এক তুমুল বিতৰ্ক হৈছিল আৰু সম্ভৱতঃ বৰদলৈয়ে পদত্যাগ কৰিবলৈ বাধ্য হৈছিল। নিশ্চিতভাৱেই ই আছিল অতি আশ্চৰ্য্যজনক কথা (আজিৰ পৰিপ্ৰেক্ষিতত) কিয়নো ইয়াকে লৈ কোনো ধৰণৰ মাৰপিট আদি সংঘটিত হোৱাৰ কথা মোৰ মনত নপৰে।

প্ৰযুক্তিৰ ক্ষেত্ৰত, সত্তৰৰ দশকটো আছিল মাইক্ৰপ্ৰচেছৰৰ বিকাশৰ যুগ। ইণ্টেল নামৰ চিপ-বনোৱা কোম্পানীটোৱে ৪০০৪ নামৰ মাইক্ৰপ্ৰচেছৰ এটা দশকটোৰ আগভাগতে নিৰ্মাণ কৰি উলিয়াইছিল আৰু ইয়াৰ ফলত লাহে লাহে মাইক্ৰ-কম্পিউটাৰবিলাকৰ বিকাশ হৈ এই যন্ত্ৰসমূহক সাধাৰণ মানুহৰ ওচৰ চপাই আনিলে। আমি পঢ়ি থাকোঁতেই, অসমৰ তথ্য-প্ৰযুক্তি উদ্যোগৰ এজন অগ্ৰণী ব্যক্তি অংকুশ ভূঞাই আই-আই-এম আহমেদাবাদৰপৰা এম-বি-এ কৰি আহি মূলতঃ কম্পিউটাৰৰ ওপৰত পদাৰ্থবিজ্ঞানৰ গেলেৰীত এটা বক্তৃতা দিয়া মোৰ মনত আছে। মোটামুটি একে সময়তে, ড° অমৰজ্যোতি চৌধুৰীয়ে সম্ভৱতঃ ইংলেণ্ডৰপৰা লেজাৰৰ ওপৰত গৱেষণা কৰি আহি পদাৰ্থবিজ্ঞানৰ গেলেৰীত লেজাৰৰ ওপৰত বক্তৃতা দিছিল।

মনত ৰেখাপাত কৰা শিক্ষক কেইজনমানৰ বিষয়ে দুআষাৰ নক'লে এটা ডাঙৰ শূন্যতা ৰৈ যাব। পদাৰ্থবিজ্ঞানৰ অধ্যাপক কমলেন্দু দেৱ ক্ৰোৰি চাৰৰ অপূৰ্ব শিক্ষণ পদ্ধতি চিৰজীৱন মনত থাকি যাব। অনিল কুমাৰ গোস্বামী চাৰৰ আন্তৰিকতাই আমাক ছুই গৈছিল আৰু কূলেন্দু পাঠক চাৰৰ বিষয়বস্তুৰ ওপৰত ব্যাপক দখল অতি আকৰ্ষণীয় পাইছিলোঁ। সেইদৰে, গণিতৰ বিশ্বজিত ভাগৱতী আৰু তৰুণ চিৰকাৰ চাৰৰ শিক্ষণ পদ্ধতি বৰ ভাল পাইছিলোঁ। অৰ্থনীতিৰ দিলীপ বৰুৱা চাৰে পৰিচালনা কৰা কুইজৰ অনুষ্ঠান আছিল অতি আকৰ্ষণীয় আৰু সেইবোৰৰপৰা জ্ঞানৰ ক্ষেত্ৰখনৰ বিবিধতা আৰু বিশালতাৰ বিষয়ে কিঞ্চিৎ উমান পাইছিলোঁ। পৰিসংখ্যা বিজ্ঞানৰ অধ্যাপক বিশ্বজিত চক্ৰৱৰ্তীৰপৰা সামাজিক সংগঠন গঢ়াৰ কৌশল আৰু ইতিহাসৰ অধ্যাপক উদয়াদিত্য ভৰালী চাৰৰপৰা প্ৰগতিশীল মতাদৰ্শৰ কিছু প্ৰাথমিক আভাস পাইছিলোঁ। ইংৰাজীৰ অধ্যাপক দেৱেন দত্ত চাৰৰ পৰা ইংৰাজী ভাষাটো যে কষ্ট কৰি শিকিব লাগে তাৰ শিকনি পাইছিলোঁ। অধ্যাপক বীৰেন বৰুৱা চাৰ পদাৰ্থবিজ্ঞানৰ হ'লেও, তেখেতে আমাক পঢ়োৱা নাছিলে; কিন্তু চাৰ আছিল ছেকেণ্ড মেছৰ চুপাৰ; গতিকে চাৰক প্ৰায়ে পাইছিলোঁ; মই মেছ চেক্ৰেটাৰী আছিলোঁ বাবে সপ্তাহত এবাৰকৈ চাৰক লগ পাইছিলোঁ। চাৰ বৰ মৰমিয়াল আছিল। চুপাৰ হিচাপে লগ পোৱা অন্য এজন চাৰ আছিল জীৱবিজ্ঞান বিভাগৰ বলিত কুমাৰ ডেকা। তেখেতৰ লগতো আমাৰ অতি ঘনিষ্ঠ সম্পৰ্ক গঢ়ি উঠিছিল। চাৰ এন-চি-চিৰ এজন উচ্চ খাপৰ বিষয়াও আছিল; চাৰে জাজ ফীল্ডত পোন্ধৰ আগষ্টত পেৰেড কমাণ্ড কৰাও দেখিছিলোঁ।

মুঠতে, কটন কলেজত কটোৱা দুবছৰ সময় বৰ বেছি নহ'লেও, তাৰেই পৰৱৰ্তী জীৱনত প্ৰয়োজন হোৱা বহুতো দৰকাৰী গুণ আৰু শিক্ষা আয়ত্ত কৰাত পৰম সহায়ক হৈছিল।

# কবিতা

পূৰ্ণেন্দু শৰ্মা

## ১
## স্নেহলতা

স্নিগ্ধোজ্জ্বল আকাশ ধিয়াই
বই যায়
দূৰণিবটীয়া এছাটি সুৰীয়া বা
কঁহুৰা আৱেগ লাহী ডেউকাত সানি,
স্বপ্নালু পথাৰখনৰ নিজম কোণত
উবুৰি খাই পৰে
যেন, ঋতুগানৰ স্নেহসিক্ত ছবি।
ৰৌদ্ৰস্নাত বালিহাঁহজাকো
যাওঁ নেযাওঁকৈ
কেনি লুকাল
কোনোবা নিজান পৰৰ
কোমল কুঁৰলী হেঁচুকি।
দূৰণিৰ নিৰিবিলি বাটলে'
এইদৰেই নামি আহে
লিহিৰী এন্ধাৰ
এটি দুটি গধূলিগোপালৰ
আঁৰ লই
জোনাক এমুঠিৰ সপোন ৰচি।

## ২
## নিজম পৰৰ সুৰ

পাৰে পাৰে ঠেকা খাই
উমলি উমলি
গুচি যোৱা ঢৌবোৰে
কঢ়িয়াই লই ফুৰে নিৰলে
তলিয়ৰি পানীৰ
শিলুৰা বিষাদ।
মেঘালী সুৰেও কেতিয়াবা
মেলি দিয়ে জানা
সুদূৰত ওলমি থকা
শ্ৰাৱণী আকাশৰ
কুঁহিপাত সুবিমল
কপাহী হেঁপাহ।

কবিতা

# জীৱনৰ ৰং

**ডাঃ অগস্ত্য বৰুৱা**

সপোন এটা খেদি গুচি নাযায়
টোপনিতে খোজ কঢ়া মানুহজন

ফুট জেপৰ মানুহজনো অজানিতে সোমাই নাযায়
বিলাসী ৰেষ্টোৰাঁত

ধূলিয়ৰি ভৰিৰ মানুহজনে আশা নকৰে
পাৰ হৈ যোৱা বিলাসীগাড়ীৰ কৰুণা

বিকাৰ আৰু জীৱন তেনেকুৱাই

মাজে মাজে কবিৰ দৰে সপোন দেখুৱায়

নোহোৱা কথাবোৰ হোৱা কৰি
ওপৰেৰে উৰি যায়

জিঞ্জা এটা হৈ।।

# দুখবোৰ মোৰ কোলাৰ কেঁচুৱা

**ৰুমিমা দাস**

দুখবোৰ মোৰ কোলাৰ কেঁচুৱা
বোকোচাত বান্ধি থোৱা ধনৰ টোপোলা
সদ্যজাত শিশুটিৰ নিচিনা নিষ্পাপ,
কোমল আৰু থুনুকা
চুই দিলেই চকুলো হৈ সৰি পৰিব খোজা
দুখবোৰ মোৰ আলসুৱা
আটোমটোকাৰিকৈ সজোৱা
অচিন জনৰ পৰশতো
জীপাল হৈ নাচি নাচি ভাগৰি নপৰা।
মনটোহে কেতিয়াবা নিস্বাৰ্থ হ'ব নোৱাৰে
অনুভৱৰ শিকলিডাল পিছলি পৰে
বুজাবলৈ অপাৰগ
জানোচা দুখখিনিয়ে দুখ পাই
উচুপি উঠে...
মাতৃত্বৰ আনন্দত উথলি উঠে মন-প্ৰাণ।
নাচনী মনটোৱে যদি বগৰাই দিব খোজে
বোকোচাৰ দুখখিনিয়ে
জানো দুখ নেপাব
সিহঁত যে মোৰ সন্তান, বুকুৰ ধন।

কবিতা

# এদিন আহিবা

ডাঃ কঙ্কন শৰ্মা

আহিবাচোন এদিন..
এইছোৱা বাট তোমাৰ চিনাকি..
তেতিয়াৰ জাতিস্কাৰ দুয়োকাষ..
এতিয়াতো নুফুলে জোনাক ফুল !

শেলুৱৈ বুকুত সেমেকা গধূলি......
প্ৰৌঢ় ৰাতি পুৰঠ সময়ে
খোদিত কৰে
জীৱনৰ সপোনবোৰ।

আহিবা এদিন...
জীৱনৰ কিছু চিহ্ন
অ'ত ত'ত..
চিনাকি বাটটোৰেই
আহিবা সোমাই
থৈ আহিবা আশা-আকাংক্ষা...
চিলাই থোৱা
কলিজাতেই আছে দুৱাৰমুখ !
সেইপিনেৰে আহিবা সোমাই..
মজিয়াৰ কঠিন আঁচবোৰ
এতিয়া আৰু নাযায় মচ।

গৰম সেই উশাহবোৰ
দুৱাৰমুখতেই নিশ্চিহ্ন
সোমাওঁতেই পাবা
তাৰে উম বিচ্ছিন্ন !

মই ক'ৰবাত আছো
চুই চাবা আগৰদৰে
কিন্তু ভিন্ন !
যাওঁতে খুলি থৈ যাবা দুৱাৰ
চিৰন্তন নৈসৰ্গই
অহাযোৱা কৰক !
অতৃপ্তিৰ এইছোৱা পথ
চিৰন্তন হওক !

ফেঁহুজালিত
বুকুত হাত থৈ
অনুভৱ কৰিবা...
ইয়ালৈ এবাৰ আহিছিলা !!

কবিতা

# অৰুন্ধতী

**ৰত্নকান্ত শৰ্মা**



স্মৃতিৰ হাচনাহানা
গুঁজি দিছিলোঁ যে
তোমাৰ খোপাত
আজিও আছেনে
সুবাস বিলাই
বুকু পিছলা
চাদৰৰ আঁচলত
লুকুৱাই থোৱা জোন
আছেনে তেনেকৈয়ে
জোনাক বিলাই
বুকুৰ উপকূলত
পলস পেলাই
বৈ যোৱা নৈখন
ঢৌৱে তাৰ খলকনি
তোলেনে আজিও চকুৰ পতাত
কৃষ্ণচূড়া ফুলা আবেলি

তোমাৰ দুচকুৰ
সোণাৰুৰ হালধীয়া হাঁহি
তোমাৰ গোলাপী ওঁঠত
বাখৰুৱা সপোন
নিশা দুপৰৰ
তোমাৰ নিশ্বাসৰ
আজিও আছেনে
শেৱালি শেৱালি গোন্ধ
জানা অৰুন্ধতী
কোনোবাই কওক বা নকওক
মনে মনে হওক বা
খোলাকৈয়ে হওক
সকলোৰে হৃদয়ত
এটাইতো শব্দ প্ৰেম
তাকে লৈ বুকু জুৰি থাকে বৈ
মন জুৰাই
মৰমৰ নৈ।



# বন ফৰিঙৰ মৃত্যু

**ৰাতুল বৰুৱা**

'মৃত্যুওতো এটা শিল্প, জীৱনৰ কঠিন শিলত কটা নির্লোভ ভাস্কর্য্য।' কবি হীৰেন ভট্টাচাৰ্য্যৰ বহু পঠিত আৰু বহু চৰ্চিত এই কবিতাৰ পংক্তিটো ময়ো আওৰাইছো বহুবাৰ। কিবা এটা ভাল লাগে মৃত্যুক এটা ভাস্কৰ্য্যৰ লগত তুলনা কৰি। সেইটো কৰোঁতে মনলৈ আহে বগা কাপোৰেৰে ঢাকি থোৱা এটা মৃতদেহৰ ছবি। ধূপ ধূনাৰ গোন্ধেৰে এক সুকীয়া পৰিৱেশত ৰৈ ৰৈ অহা উচুপনিৰ শব্দ। বগা কাপোৰৰ ওপৰত ফুলৰ এক আচ্ছাদন, চৌদিশে কেৱল মৃতজনৰ গুণানুকীৰ্তন। তেনে অৱস্থাত নীৰৱ, নিথৰ প্ৰাণহীন দেহটোক ঠিকেই ভাস্কৰ্য্য যেন লাগে। মোৰ মা, দেউতাৰ প্ৰাণহীন দেহক চোতালত শুৱাই থওঁতে দুয়োৰে এক গভীৰ প্ৰশান্তিৰে ভৰা মুখ দুখন ভাস্কৰ্য্যৰ লগত তুলনা কৰি অন্তৰত এক গভীৰ সুখানুভূতিৰ সৃষ্টি হৈছিল দুখৰ মাজতো।

কিন্তু সকলো মৃত্যুৰেই জানো ভাস্কৰ্য্যৰ অন্য এটা ৰূপ! এই যে যোৱা ৰাতি নবাৰুণ বৰুৱাৰ মৃত্যু হ'ল তাকো জানো এটা নিৰ্লোভ ভাস্কৰ্য্যৰ লগত তুলনা কৰিব পাৰি! নবাৰুণ বৰুৱাৰ মৃত্যুক মই অপঘাট মৃত্যু বুলিহে ক'ব খোজো। পথৰ কাষত ক্ষত বিক্ষত হৈ পৰি আছিল তেওঁৰ মৃতদেহ। মূৰৰ সোঁফালৰ অংশটো চেপেটা খাই গৈছিল। সোঁহাতখন ছিগি ওলমি আছিল। ভৰিটোও কেইবা টুকুৰা হৈছিল। তেওঁৰ নিত্য সহচৰ ভগা ছিগা চাইকেলখন কেইবা টুকুৰা হৈ অ'ত ত'ত সিঁচৰিত হৈ পৰি আছিল। আচলতে কেতিয়া কেনেকৈ তেওঁৰ মৃত্যু হ'ল কোনেও ক'ব নোৱাৰে। অথচ এটা জনবহুল এলেকাৰ নাতিদূৰতে পৰি আছিল তেওঁৰ প্ৰাণহীন দেহটো গোটেই ৰাতি। ৰাতিপুৱা প্ৰাতঃভ্ৰমণত যোৱা লোকৰ দৃষ্টিগোচৰৰ পাচতহে খবৰটো বিয়পিল।

মই প্ৰাতঃভ্ৰমণকাৰীসকলৰ ভিতৰত নপৰো। পুৱা শুই উঠি নিজে চাহ একাপ কৰি দুটা নিমখীয়া বিস্কুটৰ সৈতে খাই দেহাটো সজীৱ কৰি লওঁ। তাৰ পিছত পাতলীয়া ব্যায়াম

কৰোঁ। সেইখিনি শেষ কৰি উঠোঁতে পুৱাৰ কাকতখন দি যায়হি। কাকতখন পঢ়ি শেষ কৰো মানে অফিচলৈ যোৱাৰ বাবে প্ৰস্তুতি চলাবলৈ সময় হয়েই। এই কাৰ্য্যসূচী হীনদেঢ়ী নোহোৱাকৈ কেইবাবছৰ ধৰি চলি আছে।

আজিও ব্যায়াম কৰিবলৈ লওঁতেই মবাইল ফোনটো বাজি উঠিল। কোনেনো ইমান ৰাতিপুৱাই ফোন কৰিছে বুলি সামান্য বিৰক্তিৰে ফোনটো দাঙি ধৰি চাওঁতেই স্ক্ৰীণত দেখিলো সেইটো ৰমিল- খুৰাৰ ল'ৰা। কি বা হ'ল তাৰ ইমান ৰাতিপুৱাই! মনটো এক অজান আশংকাত কঁপি উঠিল। কোনো কথাৰ অৱতাৰণা নকৰাকৈ সি ক'লে– 'দাদা- নবাৰুণ মাষ্টৰ মৰিল। মই হা বুলি কওঁতেই সি পুনৰ ক'লে- 'ৰাণী পুখুৰীৰ ওচৰত ৰাস্তাৰ কাষত ডেডবডীটো পৰি আছে। মুখখনৰ চিন-মোকাম প্ৰায় নাইকিয়া। হাত তাত ছিগি গৈছে। মই পুলিচক খবৰ দিছো। তয়ো আহচোন।' মোৰ পৰা কোনো প্ৰত্যুত্তৰ নিবিচাৰি সি ফোনটো কাটি দিলে। তাৰ মাতত এটা ঈষৎ উত্তেজনা লুকাই থকাটো মই মন কৰিছিলো। সি প্ৰাতঃভ্ৰমণকাৰী দলৰ এজন বুলি মই জানো। মোকো লগ ধৰিছিল সি বহুদিন। কিন্তু মই ব্যায়াম কৰি শেষ কৰো মানে প্ৰাতঃভ্ৰমণকাৰীসকল ওভতেই।

খবৰটো পাই কিছু হতভম্ব হৈছিলো। পিছ মুহূৰ্ততে সম্বিত ঘূৰাই পাই যি পিন্ধি আছিলো, তেনেকৈয়ে ৰাণী পুখুৰীৰ দিশে খৰ খোজেৰে আগবাঢ়িলো। দূৰৈৰপৰা দেখিলো কিছুলোক গোট খাইছে। বোধকৰো সেই সকল প্ৰাতঃভ্ৰমণকাৰীয়েই।

ওচৰ পোৱাত ৰমিল কেইখোজমান আগবাঢ়ি আহিল। 'বুইছ, বৰ বেয়াকৈ মৰিল মানুহটো। পুলিচ আহি নোপোৱালৈ ৰ'ব লাগিব।' মৃতদেহটো চাওঁ বুলি কাষচাপি গৈ চকু দুটা মুদি দিলো। কি বীভৎস দৃশ্য। মূৰৰ সোঁফালটো চেপেটা লাগি চকুটো ওলাই গৈছে। জিভাখনো কিছু ওলাই আছে। সোঁহাতখন ছিগি কোনোমতে এঠাইত ওলমি আছে। পিছলৈ আহি ঘূৰি চাই দেখিলো প্ৰায়সকল মহিলাই চকু চাদৰৰ আঁচলেৰে ঢাকি লৈছে। বোধকৰো এই অপঘাট মৃত্যুৰ কদৰ্য্য ৰূপটো তেওঁলোকৰ অন্তৰাত্মাই মানি ল'ব পৰা নাই।

ঘটনাস্থলীত গোট খোৱাসকল নিজৰ ভিতৰতে ভিন্ন কথোপকথনত ব্যস্ত আছিল। কোনোবাই জগৰীয়া কৰিছিল সেইটো পথেৰে ৰাতিৰ ভাগত অহা-যোৱা কৰা বালি কঢ়িওৱা ট্ৰাকবোৰক, কোনোবাই বনবিভাগৰ মুণ্ডপাত কৰিছিল। কোনোবাৰ মন্তব্য আছিল এই মৃত্যু নবাৰুণ বৰুৱাই নিজে মাতি অনা। কোনোবাই পুলিচ আহি নোপোৱাত আক্ষেপ কৰিছিল। ইত্যাদি। পিছে মোৰ মনত সেই কবিতাটোৰ পংক্তিটোহে দোলা দি আছিল। কি তেনেহ'লে নবাৰুণ বৰুৱাৰ এই অপঘাট মৃত্যুও এটা নিৰ্লোভ ভাস্কৰ্য্য ! বেছি ভাবিবলৈ ভয় লাগিল। চকু দুটা মুদি দিলো।

কিছুসময়ৰ পাচত পুলিচ আহি পালে। তেওঁলোকে চুৰৎহাল সমাপ্ত কৰি প্ৰথমে মৃতদেহটো দেখাসকলৰ জবানবন্দী ল'লে। ইতিমধ্যে ঘটনাস্থলীত উপস্থিত হোৱা পত্নী আৰু কন্যাৰ দ্বাৰা চিনাক্তকৰণ পৰ্ব যথাবিহিত সমাপ্ত কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে মৃতদেহটো বান্ধিকুন্ধি গাড়ীত তুলি দিলে। মৃতদেহৰ লগত পত্নী আৰু কন্যাও বা আন কোনোবা আত্মীয় যাব লাগিব বুলি পুলিচে মৌখিকভাৱে জনালে। 'এই মানুহজন এনেকৈহে গ'লগৈ' বুলি এজন পুলিচ কনিষ্ঠবলে আক্ষেপৰ সুৰত ক'লে।

ঠিক সেই সময়তে এখন বাইকত দুজন স্থানীয় বৈদ্যুতিন চেনেলৰ সংবাদদাতা উপস্থিত হ'লহি। লগে লগে কেইবাজনো অত্যুৎসাহী তেওঁলোকৰ ফালে আগবাঢ়ি গ'ল। তেওঁলোকৰপৰা কিছুকথা শুনি মাইক লৈ থকাজন ৰমিলৰ ফালে আগবাঢ়ি আহিল। অঞ্চলটোত ৰমিল বেছ সৰবৰহী আৰু সামাজিক কামত আগৰণুৱা ব্যক্তি। তাৰ বাইট্‌টো লৈ সংবাদদাতাজন পুলিচ বিষয়াজনৰ ওচৰলৈ এক প্ৰকাৰ দৌৰিয়েই গ'ল আৰু বেচ উম্মাৰে নবাৰুণ বৰুৱাৰ মৃত্যুৰ কাৰণ কি জানিব খুজিলে। পুলিচ বিষয়াজন কৌশলী ব্যক্তি। তদন্তৰ পাচতহে সেয়া সঠিককৈ জানিব পৰা হ'ব বুলি তেওঁ ফালৰি কাটিলে। ইয়াৰ পাচত ইজন সিজনকৈ বহুকেইটা চেনেলৰ সাংবাদিকসকল আহি ইমান পৰে নিতাল পৰি থকা ঠাইখিনি মুখৰ কৰি তুলিলে। ইয়াৰ ভিতৰতে পুলিচো মৃতদেহ লৈ গুচি গ'ল। কিছুসংখ্যক টি ভিত মুখ দেখুৱাবলৈ উদ্‌গ্ৰীৱ হৈ থকা লোক আৰু সংবাদসেৱীসকল থাকি গ'ল।

অফিচলৈ আহিও কামত মন বহুৱাব নোৱাৰিলো। প্ৰথমে বনাঞ্চলিক বিষয়াই মাতি ক'লে- 'বৰুৱা, টি ভি চেনেলৰ পৰা ফোনৰ উপৰি ফোন। অলপ পাচত পাবহিয়েই। তেওঁলোকৰ মতে বালি কঢ়িওৱা ট্ৰাকৰ খুন্দাত নবাৰুণ বৰুৱাৰ মৃত্যু হৈছে। বনবিভাগৰ দৌৰাত্ম্য চলোৱা ট্ৰাকবিলাকৰ লগত সনাপোতকা, ইত্যাদি ইত্যাদি। মই পুলিচ বিষয়াজনে কোৱা কথা কেইযাৰ দোহাৰিলো। বনাঞ্চলিক

বিষয়াই ভাল পালে আৰু সাংবাদিকসকলক তাকেই ক'লে পাচত অফিচৰ সকলোৱে বনাঞ্চলিক বিষয়াৰ বুদ্ধিমত্তাক তাৰিফ কৰিলে। মই একো মন্তব্য নকৰিলো।

অঞ্চলটোৰ এজন জনা শুনা শিক্ষকৰ জ্যেষ্ঠ সন্তান আছিল নবাৰুণ বৰুৱা। পঢ়া শুনাতো ভালেই আছিল। কিন্তু একেবাৰে সৰুতেই এটা পোকে ধৰিলে নবাৰুণক- তাক এটা হাৰ্মনিয়াম লাগে। সি সঙ্গীত শিকিব। কণমাণি জ্যেষ্ঠসন্তানৰ আবদাৰ এৰাব নোৱাৰি তাকৰীয়া দৰমহাৰ ধনেৰেই শিক্ষক ভৱকৃষ্ণ বৰুৱাই নবাৰুণক এখন কাৰোবাৰ পুৰণি হাৰ্মনিয়াম কিনি দিলে। সেয়াই আৰম্ভণি। নিয়মীয়া পঢ়া-শুনাৰ লগে লগে নবাৰুণৰ সঙ্গীত শিক্ষাও সমান্তৰালভাৱে চলি থাকিল। প্ৰকৃতাৰ্থত অঞ্চলটোৰ প্ৰায় সংখ্যক লোকৰে সাহিত্য আৰু সংগীতত এটা স্বাভাৱিক ৰাপ আছিল। নাথাকিবনো কিয়! নাতিদূৰৈত আছে ভোলাগুৰি চাহবাগিচা য'ত সেই তাহানিতে চিত্ৰবন ষ্টুডিঅ' পাতি জ্যোতিপ্ৰসাদ আগৰৱালাই নিৰ্মাণ কৰিছিল প্ৰথম অসমীয়া কথাছবি 'জয়মতী'। কাষৰ ব্ৰহ্মাজান নদীৰ পাৰতে আছিল আনন্দচন্দ্ৰ আৰু চন্দ্ৰকুমাৰ আগৰৱালাৰ পৈত্ৰিক বাসস্থান। থালি পকৰীয়াত আছিল খ্যাতনামা সাহিত্যিক লম্বোদৰ বৰাৰ পিতৃগৃহ। জ্যোতিপ্ৰসাদৰ উপৰিপুৰুষ। নৱৰঙ্গৰাম আগৰৱালাই কুঠি পুতিছিলহি কিছুদূৰৈৰ গমিৰিত।

নবাৰুণে যথাসময়ত আই এ পাছ কৰি পঢ়িবলৈ ইচ্ছা নকৰি উচ্চাঙ্গ সংগীতৰ চৰ্চা কৰিব খুজিলে। বৰপুত্ৰৰ ইচ্ছা দেখি শিক্ষক পিতৃয়ে সেই সময়ত বিশেষ অসুবিধা নোহোৱাকৈ প্ৰাইমাৰী স্কুলত নবাৰুণৰ শিক্ষকৰ চাকৰি এটা যোগাৰ কৰিলে যাতে পুতেকৰ এই উচ্চাংগ সংগীত শিক্ষাৰ আকাঙ্ক্ষাত যতিও পৰে আৰু ভাত মুঠিও যোগাৰ হয়। পিতৃৰ ইচ্ছাক সন্মান জনাই নবাৰুণে শিক্ষকৰ চাকৰিত সোমাল যদিও মনৰ ভিতৰৰ পৰা পোকটো নোলাল।

কেইবছৰমানৰ পাচত নবাৰুণে এক প্ৰকাৰ বিদ্ৰোহ ঘোষণা কৰিলে। সি শিক্ষকৰ চাকৰি এৰি দি লক্ষ্ণৌৰ ভাতখাণ্ডে সংগীত মহাবিদ্যালয়ত উচ্চাংগ সংগীতৰ শিক্ষা গ্ৰহণ কৰিববলৈ যাব। দেউতাক ভৱকৃষ্ণ বৰুৱা বিমোৰত পৰিল। শেষত কিছু লোকৰ চেষ্টাত বিনাবেতনে নবাৰুণৰ ছুটী মঞ্জুৰ হ'ল আৰু স্থানীয় লোকসকলেও এটা সংগীতানুষ্ঠানৰ আয়োজন কৰি কিছু ধনৰ ব্যৱস্থা কৰি দিলে। নবাৰুণৰ অন্য এটা জীৱন আৰম্ভ হ'ল। ঠিকনা লক্ষ্ণৌৰ ভাতখাণ্ডে সংগীত মহাবিদ্যালয়।

যথাসময়ত নবাৰুণ শিক্ষা সমাপ্ত কৰি নিজ গৃহলৈ উভতি আহিল। কিন্তু আকৌ সেই পুৰণি ঘটনাৰ পুনৰাবৃত্তি। সি শিক্ষকতা নকৰে। বৰং নিজে এখন সংগীত বিদ্যালয় স্থাপন কৰি উচ্চাংগ সংগীতৰ শিক্ষা দিব ল'ৰা-ছোৱালীক। মনত তাৰ অযুত আশা যিবোৰ তাৰ মনত অংকুৰিত হৈছিল শৈশৱতে।

এইবাৰ দেউতাক ভৱকৃষ্ণ বৰুৱা কিছু কঠোৰ হ'ল। নবাৰুণে চাকৰি এৰিব নোৱাৰিব। বৰঞ্চ ঘৰতে এখন স্কুল আৰম্ভ কৰি উচ্চাংগ সংগীতৰ শিক্ষা দিয়ক। সচেতন দেউতাকে ভালদৰে জানিছিল অঞ্চলটোত সংগীতৰ অনুৰাগী ব্যক্তিৰ অভাৱ নাই, কিন্তু উচ্চাংগ সংগীত শিকিবলৈ কিমান ছাত্ৰ-ছাত্ৰী ওলাব সেই সম্পৰ্কে তেওঁ সন্দিহান আছিল। তেওঁৰ দৃঢ় মত- নিজৰ ঘৰখন গঢ়ি নোলোৱাকৈ কল্পনা নিৰ্ভৰ হোৱাটো ভুল। দেউতাকৰ এই কঠোৰ সিদ্ধান্তত নবাৰুণ একপ্ৰকাৰ ভাগি পৰিল। শেষত বহুতৰে বুজনিত নবাৰুণে ঘৰতে আৰম্ভ কৰিলে 'নবাৰুণ সংগীত বিদ্যালয়।' প্ৰথমে কিছু ছাত্ৰ-ছাত্ৰী আহিল। কিন্তু সকলোৱে প্ৰথমে কিছু প্ৰাৰম্ভিক শিক্ষা লৈ উচ্চাংগ সংগীতৰ পৰিৱৰ্তে লঘু সংগীত শিকিবলৈহে আগ্ৰহী হ'ল। উচ্চাংগ সংগীতৰ প্ৰতি কাৰো অনুৰাগ নাই। এইবাৰ নবাৰুণ একেবাৰে ভাগি পৰিল। লাহে লাহে ছাত্ৰ-ছাত্ৰীও নাইকিয়া হ'ল। নবাৰুণৰ সপোনৰ অকল মৃত্যু হ'ল। ইয়াৰ পিছৰ ঘটনাক্ৰম অতি চমু। ভাতখাণ্ডেত উচ্চাংগ সংগীতৰ শিক্ষা লৈ উভতি অহা নবাৰুণ বৰুৱা সুৰাসক্ত হৈ পৰিল। সংগীতৰ প্ৰতি থকা তাৰ গভীৰ অনুৰাগ প্ৰচণ্ড ক্ষোভলৈ ৰূপান্তৰিত হ'ল। কোনো সংগীতানুষ্ঠানত তাক দেখা এটা দুৰূহ দৃশ্য হ'ল। বাদ্য যন্ত্ৰবোৰ এটা সময়ত নষ্ট হৈ গ'ল। সুৰাসক্ত হৈ য'তে ত'তে পৰি থকা হ'ল সি।

সেই সময়তে তাৰ পিতৃ ভৱকৃষ্ণ বৰুৱাও ঢুকাল। যদিও পিতা-পুত্ৰৰ মাজত সকলোৱে মতান্তৰ দেখা পাইছিল, কিন্তু প্ৰকৃততে সেয়া নাছিল। দুয়ো দুয়োকে প্ৰাণভৰি ভাল পাইছিল। মতানৈক্য হৈছিল নবাৰুণৰ ভাবোচ্ছাসক লৈহে। সি উচ্চাংগ সংগীতৰ চৰ্চা কৰি জীৱনটো কটোৱাৰ যি পৰিকল্পনা কৰিছিল পিতৃয়ে সেইটো মানি লোৱা নাছিল। তেওঁৰ মাতে সংগীতৰ চৰ্চা কৰি শিল্পীয়ে সেই সময়ত ঘৰ চলোৱা অতি কঠিন কাম। গতিকে চাকৰি কৰি

সমান্তৰালভাৱে সংগীতৰ চৰ্চা কৰি যাওক সি। যিটো নেকি নবাৰুণে প্ৰথমে মানি লোৱা নাছিল যদিও পিতৃ আৰু তেওঁৰ শুভাকাঙ্ক্ষীসকলৰ বুজনিত মানি ল'বলৈ বাধ্য হৈছিল। তাত যে প্ৰচণ্ড ক্ষোভ এটা লুকাই আছিল সেইটো তাৰ শান্ত শিষ্ট আৰু নিৰ্বিকাৰ মুখখন চাই কোনেও একো উমান ল'ব পৰা নাছিল। দেউতাকৰ মৃতদেহৰ কাষত সি হিয়া ধাকুৰিয়াই কান্দিছিল আৰু কৈছিল- 'দেউতা তুমি মোক জীৱনৰ বাটটো কিয় খুলি দি নগ'লা।' তাৰ কান্দোনত গোট খোৱা মানুহৰ চকুতো পানী বিৰিঙিছিল। সংগীতক প্ৰাণ ভৰি ভালপোৱা ল'ৰাটোৱে কোনটো বাটৰ কথানো কৈছে দেউতাকক, কোনেও বুজি নাপালে।

দিন বাগৰিল। নবাৰুণৰ স্বভাৱৰ সলনি নহ'ল। বৰঞ্চ দিনে দিনে সি উদভ্ৰান্ত হৈহে উঠিল। চাইকেলখনত উঠি স্কুললৈ যোৱা শান্ত শিষ্ট মুখখন আৰু অমায়িক মাত কথাৰ নবাৰুণ বৰুৱাক দেখি কোনেও ক'ব নোৱাৰে যে একেটা মানুহেই সন্ধিয়া হৈ পৰে এটা লাগবান্ধ নোহোৱা কথাৰে দুৰ্ঘোৰ মদাহী। স্কুলত তাৰ পাঠদান আৰু ছাত্ৰ-ছাত্ৰীৰ লগত ব্যৱহাৰত কোনো হীন-দেঢ়ি নাই। ছুটীৰ পাচত চিধাই সোমায়গৈ সস্তীয়া মদৰ খোলাত আৰু তাতে উদৰলৈকে গেলা মদ পান কৰি ঢলং পলংকৈ চাইকেলখন টানি টানি সন্ধিয়াৰ আগে আগে মোহনবাৰীৰ চকটোত উপস্থিত হয়হি। আহিয়েই চাইকেলখন ঠেলি পেলাই দি তাৰ দৈনন্দিন নাটকখন আৰম্ভ কৰে। অস্ফুট মাতেৰে কাৰোবাক গালি পাৰে, ৰাষ্ট্ৰীয় ঘাইপথেৰে পাৰ হৈ যোৱা যানবাহনক ট্ৰেফিক চিগনেল দিয়ে, কাষেৰে পাৰ হৈ যোৱা পথচাৰীকো দুই এষাৰ গালি সোধায়। তাৰ এই নাটকখন দৈনিক ৰাতি ৮ মান বজালৈকে চলি থাকে। যেতিয়া চকটোৰ দোকান বজাৰসমূহ এখন এখনকৈ বন্ধ হৈ শেষৰজন দোকানীয়ে বন্ধ কৰিবলৈ লয় তেতিয়া উকি মাৰি কয়- 'হ'ল আৰু, ঘৰলৈ যা এতিয়া।' কোনোবাই চাইকেলখন তুলি দিয়ে আৰু হুহ্ বুলি নবাৰুণ বৰুৱাই সেইদিনাৰ নাটক সামৰি ঢলং পলংকৈ চাইকেলখন টানি টানি ঘৰলৈ ৰাওনা হয়।

কেতিয়াবা বেমাৰত পৰি চ'কটোলৈ নাহিলেও দোকানীসকলৰ মাজত আলোচনা হয়। আজিবা এইটো ক'লৈ গ'ল। কেতিয়াবা তাৰ কথাকাণ্ডই চূড়ান্ত ৰূপ পালে কোনোবা দোকানীয়ে তাক টানি আনি নিজৰ দোকানত মৃদু ধমক এটা দি বহুৱাই থয়। সি তেতিয়া চুপ মাৰি গুম হৈ বহি থাকে। সেইটো মানুহেই যে অলপ আগলৈকে উদ্‌ভ্ৰান্ত হৈ আছিল বিশ্বাসেই কৰিব নোৱাৰি, অৱশ্যে নবাৰুণক জনা কোনো মানুহেই তাক বেয়া ব্যৱহাৰ নকৰিছিল। কেতিয়াবা কোনোবা অচিনাকি মানুহে কিবা ক'লেও ওচৰৰ দোকানীজন ওলাই আহি মাত দিছিল- 'তেনেকৈ নক'ব। সি এজন নিৰ্জু মানুহ। জীৱনত কিবা এটা বিচাৰি নাপাইহে তাৰ এইখন কাণ্ড। অচিনাকি মানুহজনো নবাৰুণৰ বিষয়ে তাৰ পাচত জানিবলৈ উৎসুক হৈ পৰে।

অফিচৰপৰা আহি একোতে মনটো বহা নাছিল। বাৰেপতি নবাৰুণদাৰ কথাকে মনত পৰি আছিল। উচ্চাংগ সংগীতৰ দৰদী শিল্পী হ'ব খোজা নবাৰুণ বৰুৱা হ'লগৈ কাৰোবাৰ বাবে নবাৰুণ মাষ্টৰ, কাৰোবাৰ মতে নবাৰুণ মদাহী, কাৰোবাৰ মতে নবাৰুণ পাগল। সৰুতে শিকো বুলি তেজপুৰৰপৰা তবলা এজোৰ লৈ মোহনবাৰীৰ চকত বাছৰ পৰা নামোতেই দৈনন্দিন নাটকত ব্যস্ত হৈ থকা নবাৰুণদাৰে ভেটাভেটি হৈছিল। মোৰ ফালে ঘোপাকৈ চাই কৃত্ৰিম খঙেৰে নাটকীয় ভংগীৰে মোৰ ফালে চাই ক'লে- 'একো নহ'ব, একো নহ'ব। যুঁজাৰ শক্তি নাথাকিলে একো নহ'ব। যুঁজিব লাগিব। দৰকাৰ হ'লে হাতত হেংদান লৈ অসুৰৰ লগত যুঁজিব লাগিব। নোৱাৰিলে নবাৰুণ বৰুৱা হ'বি, আল্লৰ খা হ'ব নোৱাৰিবি।' সেইদিনাই মই তেওঁৰ অন্তৰত জ্বলি থকা জুইকুৰাৰ উমান পাইছিলো।

সন্ধিয়া ৰমিলৰ ফোন পালো। 'আহ, ডেডবডী আহি পালে। অলপ পাচতে চিতাত উথাম আৰু।' লৰালৰিকৈ ওলাই গ'লো। ঘৰৰ বাৰীখনৰ এচুকতে দাহনৰ ব্যৱস্থা কৰিছে। বহুকেইজন বয়োজ্যেষ্ঠ লোকক দেখা পালো। দোকানীসকলৰ কোনো বাকী নাই, দোকান বন্ধ কৰি সকলো আহিছে। আজি যে দৈনন্দিন নাটকৰ ভাৱৰীয়াজনেই নাই। হৰিবোল ধ্বনিৰ মাজত ছোৱালীজনীয়ে মুখাগ্নি কৰিলে।

কিছু দেৰি পাছত নবাৰুণদা জ্বলন্ত অঙঠাত পৰিণত হ'ল। মনতে বিৰবিৰালো বিদায় বন ফৰিং, বিদায়।

গল্প

ধ্ৰুৱই গাড়ীখন ষ্টাৰ্ট কৰি বন্দনাৰ ফালে চালে, দুয়োৰে আকৌ চকুৱে চকুৱে পৰিল। তাৰ পিছত সি এইমাত্ৰ বৰযুণজাক পৰি নিকা হোৱা ৰাজপথলৈ গাড়ীখন উলিয়াই লৈ গ'ল।

# বাঁজী

## শৰৎ বৰকাকতি

'কিন্তু তুমি বিয়া নেপাতিলা কিয়'- বন্দনাই মটৰ গেৰেজটোৰ প্লাষ্টিকৰ চকী এখনত বহি, নিজৰ মোবাইলত মেছেজ লিখি লিখি প্ৰশ্নটো কৰিছিল। মেৰামতি কৰি থকা তাইৰ নিজৰ মাৰুতি কাৰখনলৈ পিঠি দি, নাতিদূৰত তাই বহি আছিল। সেইবাবে ধ্ৰুৱই যে ইতিমধ্যে বস্তা এটা পাৰি গাড়ীখনৰ তলত চিত হৈ সোমাই গৈছিল, তাই গম পোৱা নাছিল। সেয়ে উত্তৰটো দূৰৰ পৰা অহা দৈৱবাণী যেন শুনি, তাই একপ্ৰকাৰ উচপ খাই উঠিল- 'কাৰোবাৰ বাবে বৈ থাকোঁতে সময়ে দেখোন জীৱনৰ হেঁপাহবোৰ তেনেই শুহি পেলালে।'

কৰুণ চাৱনিৰে ধ্ৰুৱৰ ফালে চাই বন্দনাই গাড়ীৰ তলৰপৰা ওলাই থকা, কেনভাছৰ জোতা পিন্ধা ভৰি দুটাহে দেখিলে। সি হাতৰ ৰেঞ্চৰ খুটুং খাটাং শব্দৰ লগে লগে গীতৰ সুৰ গুণগুণাবলৈ লাগি গৈছে।

এৰা, তাৰ মাতটো কলেজত থাকোঁতেও এনেকুৱাই আছিল, সুৰীয়া অথচ গভীৰ। তাইৰ দৰে ওচৰৰ বিভিন্ন গাঁৱৰপৰা কলেজৰ স্নাতক মহলাত নাম ভৰ্তি কৰিবলৈ অহা সহপাঠীবোৰৰ এজন আছিল ধ্ৰুৱ। তাৰ গাঁৱৰ লগৰবোৰে হেনো আদৰণি সভাত গান গাবলৈ মনে মনে তাৰ নামটো লোকগীতৰ শিতানত লিখাই দিছিল। সেই সন্ধিয়াই তাৰ লগত তাইৰ প্ৰথম চিনাকি হৈছিল গ্ৰীনৰুমতে। তাই জ্যোতিসংগীতটো গোৱাৰ পিছত সি লাজ লাজকৈ তাইৰ গীতৰ শলাগ লৈছিল। - বন্দনাৰ গোটেই দৃশ্যপট চকুৰ আগত এনেকৈ ভাহি উঠিল যেন বিশ বছৰৰ পুৰণি নহয়, সিদিনাৰহে কথা।

ইতিমধ্যে ধ্ৰুৱৰ গেৰেজৰ চুটি চাপৰ মিঠা বৰণীয়া ল'ৰা এটাই ষ্টিলৰ

থাল এখনত চাহ আনি, দূৰে দূৰে কাম কৰি থকা চাৰিজনক বিলাই, প্ৰথমে বন্দনাক আৰু শেহত ধ্ৰুৱৰ কাষত থৈ তাক মাতি দিলে। ধ্ৰুৱই চুঁচৰি গাড়ীৰ তলৰ পৰা ওলাই, কাপোৰ এখনেৰে হাত দুখন মচি মচি, চাহকাপ হাতত লৈ তাইৰ ফালে চালে। বন্দনাই চকীখন ঘূৰাই লোৱাত তাৰ চকুৰে চকুৰে পৰিল আৰু সি মিচিককৈ অকণমান হাঁহিলে।

চাহ খাই ধ্ৰুৱ গাড়ীৰ তলত সোমাই পুনৰ কামত লাগিল, কিন্তু তাৰ হাঁহিটোৱে তাইৰ চকুত বহুপৰলৈ খোপনি পুতি ৰৈ থাকিল। গোফকোছা আগতকৈ শকত গৈছে, গাড়ীৰ তেল-মবিল-ঘাম লাগি মুখখন মলিন হৈছে, কিন্তু হাঁহিটোৱে হেডলাইটৰ দৰে এতিয়াও হিয়াৰ ভিতৰলৈ সোমাই পোহৰাব

> সন্ধিয়া হৈ আহিছিল। হঠাতে আকাশৰ ডাৱৰবোৰ গলি দপদপীয়া বৰষুণ এজাক নামি আহিল। ঠাণ্ডা ফেৰফৰিয়া বতাহ এজাক বলি, তাইৰ গাটো কঁপাই তুলিলে।

পাৰে। এৰা, তাই মনত পেলাব নোৱাৰে, তাই আচলতে তাৰ প্ৰেমত পৰিছিল নে হাঁহিটোৰ।

দ্বিতীয় বাৰ্ষিকৰ পৰীক্ষাৰ পিছতে কলেজত সিহঁতৰ গাঁৱৰ কোনোবাই আহি খবৰ দিয়াতহে তাই গম পাইছিল যে ধ্ৰুৱ হেনো কলেজলৈ আৰু কেতিয়াও নাহে। তাৰ বৰলা বাপেকে গাভৰু ছোৱালী এজনী পলুৱাই আনি ঘৰ সুমুওৱাৰ পিছত, কিবা কথাত তৰ্কাতৰ্কি হওঁতে, মদৰ নিচাত বাপেকে ন-কইনাৰ সন্মুখতে, একমাত্ৰ পুতেকক চৰিয়ালে। সেই অপমানতে ধ্ৰুৱ হেনো ঘৰৰ পৰা গুচি গ'ল। সি বোলে দিল্লীৰ ফালে ক'ৰবাত কোনোবা বন্ধুৰ লগত কামত সোমালগৈ। বন্দনাৰ জীৱনটো শেষ হৈ যোৱা যেন লাগিছিল। লগৰ বান্ধৱীবোৰৰ সাহস আৰু সহানুভূতি নোপোৱা হ'লে তাইৰ বাবে নিজৰ পঢ়াশুনাৰ প্ৰতি থকা হেঁপাহ ঘূৰাই অনা সম্ভৱ নহ'লহেতেন। সময়ৰ ঢৌৱে বালিৰ মাজত বহুতো কাহিনী পুতি পেলায়। তাইৰ মধুৰ, পৰিপূৰ্ণ অথচ খন্তেকীয়া প্ৰেমকাহিনীৰ নায়ক ধ্ৰুৱও তাইৰ মনৰপৰা সোনকালেই হেৰাই গৈছিল।

প্ৰথম শ্ৰেণীৰ স্নাতক হৈ, গুৱাহাটী বিশ্ববিদ্যালয়ত ভৰ্তি হওঁতে তাইৰ মনত এটা সপোনে আহি বাহ লৈছিল- কোনোবা মিচিকিয়া হাঁহিৰ গৰাকী আকৌ আহিব তাইৰ জীৱনলৈ। আহিল, পিছে চিধাই বৰমালাডাল হাতত লৈ। এম. এ ফাইনেল পৰীক্ষাৰ আগতেই, ওচৰৰে গাঁৱৰপৰা, জলসিঞ্চন বিভাগত কাম কৰা জুনিয়ৰ ইঞ্জিনিয়াৰ এজনৰ মাক-দেউতাক ঘৰলৈ আহিল। বন্দনাক পছন্দ কৰাৰ চাৰিমাহৰ ভিতৰতে দৰাই বৰমালা লৈ আহিয়েই গ'ল। কিন্তু সেই হাঁহি!

'বিচাৰি পালিনে বাবলু, হেডলাইটৰ স্ক্ৰুকেইটা ক'ত থ'লো'- ধ্ৰুৱৰ চিঞৰত বন্দনা আহি যেন ধুপুচকৈ বৰ্তমানত সৰি পৰিল। ধ্ৰুৱই এবাৰ তাইৰ ওচৰলৈ আহি আধাঘণ্টাত গাড়ী লৈ যাব পাৰিব বুলি সান্ত্বনা দিয়াৰ সুৰত কৈ বাবলুৰ সৈতে আকৌ কামত ধৰিলেগৈ।

বন্দনাৰ মুখেৰে ওলাবই খুজিছিল- 'একো কথা নাই ধ্ৰুৱ, মোৰ গাড়ীখন ৰেডি কৰি দিয়াৰ পিছতো তোমাৰ সৈতে বহি কথা পাতিবলৈ মই সময় লৈ আহিছোঁ।' নক'লে, কাৰণ বহু যুগৰ পিছত ঘূৰাই পোৱা হাঁহিটো তাই এচিপ এচিপকৈ উপভোগ কৰিব খোজে, সন্তৰ্পণে আগবাঢ়িব খোজে, ধ্ৰুৱই তাইৰ মনটো বুজি নাপালেও নাই। এদিনতো বুজিব... কোনো কথা নাই, তাই বাট চাব।

ঈশ্বৰৰ ইচ্ছাতেইতো তাই আকৌ তাক বিচাৰি পালে। কটন কলেজৰ প্ৰবক্তা হিচাপে এৰিয়াৰ পাই কিনা তাইৰ নতুন গাড়ীখনৰ চাৰ্ভিচিং কৰিবলৈ নো তাই এই গেৰেজটোলৈহে আহিব লাগিছিলনে !

ধ্ৰুৱক সেইদিনা গেৰেজত দেখা পাওঁতে দুয়ো দুয়োকে কেনেকৈ চিনি পাইছিল, তাইৰ এতিয়াও ভাবিলে আচৰিত লাগে। চাৎকৈ গোটেই ছবিখন তাইৰ মনত পৰিল। প্ৰথমে বন্দনাই 'আপুনি' সম্বোধন গুচাই 'তুমি' আৰম্ভ কৰিলে আৰু পিছত ধ্ৰুৱকো 'তুমি' বুলিবলৈ বাধ্য কৰিলে। সেইদিনা তিনিঘণ্টা গেৰেজত বহি থাকোঁতেই ধ্ৰুৱই দিল্লীত মটৰ মেকানিকৰ কাম হাতে-কামে শিকি কেনেকৈ ঘূৰি আহি

এজন বন্ধুৰ সৈতে মিলি, এই গেৰেজটো গুৱাহাটীত আৰম্ভ কৰিলে, বন্ধুজন কলিকতালৈ গুচি যোৱাৰ পিছত সি কেনেকৈ লাহে লাহে ডাঙৰ কৰিলে, সকলো কথা ক'লে।

যোৱা প্ৰায় এবছৰ বহুবাৰ তাই গাড়ীৰ চাৰ্ভিচিং বা অন্য অজুহাত লৈ ইয়ালৈ আহিছে, ধ্ৰুৱৰ ব্যস্ততাৰ মাজতো এঘণ্টা-দুঘণ্টা ধৰি কথা পাতিছে। ধ্ৰুৱই কিন্তু তাৰ অতীতৰ কথা, গাঁৱৰ ঘৰৰ কথা বা তাৰ নিজৰ জীৱনৰ কথাৰ প্ৰসংগ সদায় এৰাই চলে। বন্দনাই কুৰুকি কুৰুকি উলিয়াব খোজে- 'বিশ বছৰৰ আগৰ সেই মোহ বাৰু তাৰ বুকুত এতিয়াও আছেনে! নে সি কাৰোবাক সেয়া ভগাই দিলে!' কিন্তু সি সদায় সচেতন, কৃপণ। আনকি বন্দনাৰ ব্যক্তিগত জীৱনৰ বিষয়েও ধ্ৰুৱই কেতিয়াও একো সোধা নাই। তাই নিজেহে তাইৰ বিশ্ববিদ্যালয়ৰ জীৱনৰ কথা, লগে লগে বিয়া হোৱাৰ কথা, কটন কলেজত শিক্ষকতা কৰা কথা প্ৰসংগক্ৰমে উলিয়ায়। আজি তাই দৃঢ়মনা, নিজৰ জীৱন বৃত্তান্ত তাৰ সন্মুখত দাঙি ধৰিব- খোলোচাকৈ, একো নুলুকুৱাকৈ। তাইৰ ভাব হ'ল উচ্চ শিক্ষিতা, কলেজৰ প্ৰবক্তা, দেখাত অভিজাত যেন লগা বন্দনাৰ জীৱনৰ এলান্ধু লগা দুৰ্ভাগ্যৰ কাহিনীবোৰ গম পালে হয়তো ধ্ৰুৱৰ হীনমন্যতা আঁতৰিব আৰু অন্ততঃ অন্তৰৰ ব্যৱধান কমি যোৱাত সহায় হ'ব।

ধ্ৰুৱই বাবলুৰ সৈতে তাইৰ গাড়ীখনৰ কামবোৰ শেষ কৰি, সঁজুলিবোৰ চিজিলকৈ থৈ, হাত মুখ ধুই আহি তাইৰ কাষৰ চকীখনতে বহিল। সন্ধিয়া হৈ আহিছিল। হঠাতে আকাশৰ ডাৱৰবোৰ গলি দপদপীয়া বৰষুণ এজাক নামি আহিল। ঠাণ্ডা ফেৰফৰিয়া বতাহ এজাক বলি, তাইৰ গাটো কঁপাই তুলিলে। লাইট জ্বলাই দি গেৰেজৰ গোটেইকেইটা ল'ৰাই কাম সামৰি, দূৰত গেৰেজৰ চুক এটাত বহি তাছ খেলিবলৈ লাগিল। ধ্ৰুৱই নিঃশব্দে চকীখনত বহি যেন বাহিৰৰ বৰষুণহে উপভোগ কৰিবলৈ ধৰিলে। বন্দনাৰ ভাব হ'ল সিও যেন তাই এতিয়াই গুচি নোযোৱাটোৱেই বিচাৰিছে।

'তুমি চাগে ভাবিছা মই নিজৰ সংসাৰ এৰি ইয়াত এই সন্ধিয়াৰ পিছতো কিয় এনেকৈ বহি আছোঁ।' ধ্ৰুৱই চকুত প্ৰশ্ন লৈ চোৱাত তাই কৈ গ'ল- 'মোৰ সংসাৰ শেষ হৈ গ'ল ধ্ৰুৱ, এবছৰ আগতেই আমাৰ বিবাহ-বিচ্ছেদ হ'ল, মই ভাড়াঘৰত অকলে থাকোঁ। কিয় জানা?' এইবুলি নিজৰ বৈবাহিক জীৱনৰ অসহনীয় সংঘাতবোৰ, অফিচৰপৰা আহোঁতেই সদায় মাতাল হৈ অহা, কথাই কথাই সন্দেহ কৰা, গালিতো বাদেই হাত তুলিবলৈও কুণ্ঠাবোধ নকৰা চৰিত্ৰহীন স্বামীৰ সৈতে তাইৰ জীৱনৰ নাৰকীয় অধ্যায়টো তাই দাঙি ধৰিলে। 'তথাপি মই সহ্য কৰিছিলোঁ, মা-দেউতাৰ অপবাদ হ'ব বুলি ভাবি, সমাজত, কলেজত মোক মানুহে হাঁহিব বুলি ভাবি, কিন্তু...!' ধ্ৰুৱৰ মুখৰ পৰাও ওলাই আহিল- 'কিন্তু কি?' 'কাৰণ, মোৰ শিক্ষিত স্বামী, স্কুলশিক্ষক শহুৰৰ পত্নী শাহুয়ে মোক সুবিধা পালেই ককৰ্থনা কৰিবলৈ ধৰিলে- মই হেনো.........বাঁজী।' বন্দনা উচুপি উঠিল- 'মই মাক হ'বলৈ বিচাৰিছিলোঁ ধ্ৰুৱ, ডাক্তৰৰ ওচৰলৈ স্বামীক লৈ গৈ পৰামৰ্শ ল'ব খুজিছিলোঁ। কিন্তু নিনিলে সি.....মিছা কথা, আচলতে তাৰ এক অবৈধ সম্পৰ্ক আছিল, যিটো সি বিয়াৰ পিছতো অব্যাহত ৰাখিছিল। মই সেইকথা গম পাই আপত্তি কৰাত মোক অত্যাচাৰ চলাবলৈ ধৰিলে। ছমাহ আগতে সেইজনীক বিয়াও কৰালে সি।' এইবাৰ কান্দোনটো চেঁপি ৰখাৰ ফলত বন্দনাৰ শৰীৰটো হেন্দুলি উঠিল।

ধ্ৰুৱ বহাৰপৰা উঠিল। মৰমেৰে বন্দনাৰ বাউসীত ধৰি ক'লে- 'ব'লা, মই তোমাক তোমাৰ ভাড়াঘৰত থৈ আহিম।' বন্দনাই একো নকৈ উঠি ড্ৰাইভাৰৰ কাষৰ চিটটোত বহিলগৈ। ধ্ৰুৱই গাড়ীখন ষ্টাৰ্ট কৰি বন্দনাৰ ফালে চালে, দুয়োৰে আকৌ চকুৱে চকুৱে পৰিল। তাৰ পিছত সি এইমাত্ৰ বৰষুণজাক পৰি নিকা হোৱা ৰাজপথলৈ গাড়ীখন উলিয়াই লৈ গ'ল।

●

গল্প

# জীৱনৰ দস্তাৱেজ

## দীপালী ডেকা

চাওঁতে চাওঁতে কেবা বছৰ পাৰ হ'ল। বায়েকৰ ল'ৰা দুটাই চাকৰি পালে ক্ৰমে গুৱাহাটী আৰু পুনেত। ছোৱালী দুজনীকো বিয়া দিলে। এজনী থাকে ডিব্ৰুগড়ত আৰু আনজনী তেজপুৰত। বায়েকৰ শাৰীৰিক অৱস্থা দিনক দিনে বেয়াৰ ফালে ঢাল খাইছে। ভিনদেৱেক হতাশাত ভাগি পৰিছে।

খিৰিকীখনেৰে তাই নাতিদূৰৈত থকা পথাৰখনলৈ চাই থাকিল। এছাটি মলয়া বতাহে তাইৰ গোটেই শৰীৰটোত বা বুলাই গ'ল। বতাহজাকে তাইৰ মনটো পুলকিত কৰিব লাগিছিল যদিও নোৱাৰিলে। তাইৰ অশান্ত মনটোক বৰ্তমান একোৱে শান্তি দিব পৰা নাই। সৰু সৰু তিনিটা কোঠাৰ ভিতৰত তাই ইফালৰপৰা সিফালে ঘূৰি ফুৰিলে, সাংঘাতিক নীৰৱতা। মনটোক অলপ সুস্থিৰ কৰি তাই পাকঘৰলৈ গ'ল আৰু একাপ ফিকা চাহ কৰিলে। দুখন বিস্কুটেৰে সৈতে চাহকাপ লৈ তাই আগফালৰ বেলকনিত থকা চকীখনত বহিল আৰু সন্মুখলৈ চাই পঠিয়ালে। চোতালখন পাৰ হৈয়েই চাৰিটা এচলীয়া কোঠা। সেইকেইটা তাইয়ে বন্ধন বেংকৰপৰা লোন লৈ বনাইছে- জীৱিকাৰ পথ হিচাপে। ফিকা চাহকাপ খাই শেষ কৰাৰ পিছতো তাই চকীখনৰ পৰা উঠা নাই, কিয় জানো চকীখনৰ পৰা উঠিবলৈ মন যোৱা নাই। পিছফালে আউজি লৈ তাই জীৱন বুৰঞ্জীৰ পাত এখিলা এখিলাকৈ ৰোমন্থন কৰিব ধৰিলে।

যোৰহাটৰ ওচৰৰ সোণতলী গাঁৱত তাইৰ জন্ম, মাক-দেউতাক, ককায়েক-বাইদেৱেকৰ সৈতে সিহঁতৰ এটা পাঁচজনীয়া পৰিয়াল। সুখী পৰিয়াল। নিজৰ বুলিবলৈ থকা ঘৰটোৰ বাহিৰে খেতিৰ মাটি অলপো নাই যদিও দেউতাকে আনৰ মাটিত আধি খেতি কৰি পৰিয়ালটোক লঘোণ নপৰাকৈ দুবেলা দুসাঁজৰ যোগাৰ কৰি আছিল। তাইৰ ৰিণি ৰিণিকৈ মনত পৰিবলৈ ধৰিলে– ককায়েক আৰু বায়েকে হাইস্কুলত পঢ়ি থকা সময়তে ওচৰৰ প্ৰাইমাৰী স্কুলখনত তাইক নাম লগাই দিলে। এনেকৈয়ে দিনবোৰ পাৰ হ'ল। ককায়েকে বহু চেষ্টা কৰিও মেট্ৰিকৰ দেওনা পাৰ হ'ব নোৱাৰি দেউতাকৰ লগত হালত ধৰিলে। বায়েককো ওচৰতে থকা পাণ দোকানীজনৰ লগত মন্দিৰতে বিয়া পাতি দিলে। তাই প্ৰাইমেৰী স্কুলখন পাৰ কৰি হাইস্কুলৰ দুটা শ্ৰেণী অতিক্ৰম কৰিছিলহে মাথোন, তেতিয়াই ঘৰলৈ বিপৰ্য্যয় নামি আহিল। কোনোদিনে বানে ছুব নোৱৰা গাঁওখন সেইবছৰ প্ৰলয়ংকৰী বানে ধুই একেবাৰে ছাৰখাৰ কৰি থৈ গ'ল। দেউতাকে আধিত কাম কৰা মহাজনৰ লগতে গাঁওখনৰ আটাইৰে লাউলোৱা অৱস্থা হ'লগৈ। দেউতাকে পৰিয়ালটোক পোহপাল দিব নোৱাৰি মানসিকভাৱে ভাৰাক্ৰান্ত হৈ পৰিল। গোটেই ঘৰখনৰে পানীত হাঁহ নচৰা অৱস্থা হ'ল। তেনে সময়তে চহৰৰপৰা তাইৰ সম্বন্ধীয় বায়েক এজনীৰ

ভিনদেৱেক আহিল সিহঁতৰ ঘৰলৈ। অলপ টকা দি সহায় কৰাৰ লগতে ভিনদেৱেকে দেউতাকক এটা অনুৰোধ কৰিলে। বায়েক শয্যাগত হৈ থকা বাবে তেওঁৰ শুশ্রূষা কৰিবৰ বাবে তাইক চহৰলৈ লৈ যোৱাৰ প্ৰস্তাৱ ৰাখিলে। মাক-দেউতাকৰ নুমলীয়া জীজনীক পঠাবৰ ইচ্ছা নাছিল যদিও বৰ্তমান ঘৰৰ অৱস্থাটোৰ কথা ভাবি উপায় নাপাই মান্তি হ'ল।

চহৰীয়া জীৱনৰ আদৰ কায়দাত খাপ খাবলৈ তাইক কিছু সময়ৰ প্ৰয়োজন হ'ল। বায়েকৰ দুটা ল'ৰা আৰু দুজনী ছোৱালী, ল'ৰা দুজন কলেজত পঢ়ে আৰু ছোৱালী দুজনী হাইস্কুলত। পঢ়াশুনা আধাতে সামৰি আহিব লগা হোৱাত তাইৰ দুখ লাগিছিল যদিও এতিয়া এইখন ঘৰৰ প্ৰতিটো দিশতে নিজকে খাপ খুৱাই ল'লে। দুবেলা দুসাঁজ পেট ভৰাই খাবলৈ পাইছে, দুযোৰ ভাল কাপোৰ পিন্ধিব পাৰিছে, ইয়াতকৈ তাইক আৰু বেছি একো নালাগে। তদুপৰি এই নাটনিৰ দিনত ভিনদেৱেকে তাইৰ গাঁৱৰ ঘৰখনকো পাৰ্য্যমানে সহায় কৰি আছে- এয়াই তাইৰ শান্তি। চাওঁতে চাওঁতে কেবা বছৰ পাৰ হ'ল। বায়েকৰ ল'ৰা দুটাই চাকৰি পালে ক্ৰমে গুৱাহাটী আৰু পুনেত। ছোৱালী দুজনীকো বিয়া দিলে। এজনী থাকে ডিব্ৰুগড়ত আৰু আনজনী তেজপুৰত। বায়েকৰ শাৰীৰিক অৱস্থা দিনক দিনে বেয়াৰ ফালে ঢাল খাইছে। ভিনদেৱেক হতাশাত ভাগি পৰিছে। পুতেক-জীয়েকহঁতে মাজে মাজে খবৰ কৰি যায়। বায়েকৰ সমস্ত দায়িত্ব তাইৰ ওপৰত। বায়েকক এৰি তাই ক'লৈকো যাব নোৱৰা হ'ল। আনকি নিজৰ দেউতাকৰ মৃত্যুতো তাই দহা-কাজৰ পিছতে ঘূৰি আহিব লগা হৈছিল। তাইৰ ককায়েকেও বিয়া পাতিলে আৰু মাক বৰ্তমান ককায়েকৰ লগতে আছে। এতিয়া তাইৰ নিজৰ ঘৰখনৰ আৰ্থিক অৱস্থা অলপ ভাললৈ আহিছে যদিও তাই এইখন ঘৰৰ দায়িত্ব আধাতে সামৰি যাবও নোৱৰা হ'ল। বায়েকৰ এই অৱস্থাৰ মাজতে দুয়োজন পুতেকৰ বিয়া পাতি দিলে। তাই অলপ সকাহ পাম বুলি ভাবিছিল যদিও সেয়া হৈ নুঠিল। পুতেকহঁতে নিজৰ নিজৰ পৰিয়াল লৈ নিজ নিজ ঠাইলৈ গুচি গ'ল। বেমাৰী বায়েক আৰু বৃদ্ধ ভিনদেৱেকৰ দায়িত্ব পুনৰ তাইৰ মূৰত পৰিল। পল পলকৈ সময় গৈ থাকিল। বিয়াৰ বয়স তাইৰো আহিল। কেইবাজনো ল'ৰাৰ খবৰ পালে। তথাপিও তাই দায়িত্বৰপৰা মূৰ পোলোকা মাৰি সংসাৰ কৰাৰ চিন্তা কৰিব নোৱাৰিলে।

ব্যস্ততাপূৰ্ণ দিনবোৰৰ মাজতে এদিন বায়েক ঢুকাই থাকিল। পুত্ৰ-বোৱাৰী, জী-জোঁৱাই আহি ঘৰ ভৰি পৰিল। কন্দা-কটা, দুখ-বেজাৰৰ মাজতে মৃতকৰ কৰ্মবোৰো শেষ হ'ল আৰু এদিন আটাইবোৰ নিজ নিজ গন্তব্য স্থানলৈ গুচি গ'ল। পাকে প্ৰকাৰে ভিনদেৱেকৰ দায়িত্ব কোনেও ল'ব নিবিচৰাত পুনৰ তাইৰ মূৰতে দায়িত্বৰ ভাৰ পৰিল। প্ৰথম কেইবছৰমান ঠিকেই চলিল। ভিনদেৱেকো লাহে লাহে বেমাৰী হৈ আহিল। কিন্তু হঠাৎ এদিন সকলো ওলট-পালট হৈ গ'ল। দুই পুতেকে আহি সকলো সম্পত্তিৰ ভাগ বাটোৱাৰা কৰিব বিচাৰিলে। দেউতাকক থাকিবলৈ এই তিনিটা কোঠাৰ ঘৰটো দি বাকীবোৰ বিক্ৰী কৰি নগদ টকাকেইটা লৈ নিজ নিজ ঠাইলৈ গুচি গ'ল। লাহে লাহে ভিনদেৱেকৰ আৰ্থিক অৱস্থাও বেয়া হ'বলৈ ধৰিলে। পুতেক-জীয়েকহঁতেও কোনো খবৰ নকৰা হ'ল। মান-অভিমানত দগ্ধ হৈ তায়ো আঁতৰি যাব বিচাৰিছিল যদিও নোৱাৰিলে। কিয়নো বায়েকে মৰিবৰ সময়ত স্বামীৰ দায়িত্ব তাইকে দি গৈছিল আৰু তায়ো মৃতপ্ৰায় বায়েকক প্ৰতিশ্ৰুতি দিছিল যে কোনো দিনে ভিনদেৱেকৰ দুখ হ'ব নিদিয়ে। অভাৱ-অনাটন, দুখ-কষ্টৰ মাজেৰে দিনবোৰ গৈ থাকিল। ঘৰখন চলাবলৈ তাইৰ অসুবিধা হ'ল। বন্ধন বেংকৰপৰা ঋণ লৈ চোতালৰ দাঁতিতে চাৰিটা এচলীয়া কোঠা বনাই ভাড়াত দিলে। তদুপৰি তাই কাপোৰ চিলাই কৰিও দুপইচা উপাৰ্জন কৰিবলৈ ধৰিলে। মুঠৰ ওপৰত লঘোণ নপৰাকৈ দুজনীয়া পৰিয়ালটো চলি থাকিল। লাহে লাহে ভিনদেৱেকৰ শাৰীৰিক অৱস্থা একেবাৰে বেয়া হ'ল। শয্যাগত হৈ বহুদিন থাকিল যদিও এদিন বায়েকৰ দৰে তেৰোঁ চিৰদিনলৈ চকু মুদিলে। আকৌ পো-বোৱাৰী, জী-জোঁৱাই আহি দেউতাকৰ শ্ৰাধৰ কামফেৰা কৰি গুচি গ'ল। কেৱল তাই ৰৈ গ'ল এই তিনিকোঠীয়া ঘৰটোত অকলশৰে। এতিয়া আৰু তাইৰ জীৱনত একো আশা-আকাংক্ষা নাই। বয়সো ভাটী দিলে- সংসাৰ কৰাৰ সময়কণো পাৰ হ'ল। নিজৰ আৱেগ-অনুভূতি জলাঞ্জলি দি আনৰ দায়িত্ব পালন কৰি কৰি তাই ৰৈ গ'ল মানৱতাৰ সাক্ষী হৈ।

●

গল্প



# ফিৰিঙতি

**ডাঃ অমিয় কুমাৰ শৰ্মা**

সন্ধিয়া হোৱাৰ আগতেই চোতালৰ তুলসীজোপাৰ তলত বন্তি এগছি নিদিয়াকৈ সত্যই কোনো কামতে হাত নিদিয়ে। বন্তিগছ জ্বলাই থাকোঁতেই কোনোবাই আহি পিছফালে থিয় হৈ কিবাকিবি কৈ আছিল যদিও তাইৰ  কাণত পিছে কোনো কথাই প্ৰৱেশ কৰা নাছিল, কাৰণ এইখিনি সময়ত যদি কিবা মহাপ্ৰলয়ো হয়, তাই নিৰ্বিকাৰ হৈ তেৰাৰ ওচৰতে দেহ মন সপি আৰাধনাত ব্যস্ত থাকে। বন্তিগছি দি উঠি পিৰালিলৈ গৈ থাকোঁতেই সত্যই  মানে সত্যভামাই তেওঁক উদ্দেশ্যি কোৱা কথাখিনি আকৌ শুনি ল'লে। কেঁকাই কেঁকাই বনো মানে বনানীয়ে ইমান পৰে কোৱা কথাখিনিৰ তাৎপৰ্য্য এইটোৱেই যে অহা সোমবাৰ-মঙ্গলবাৰৰ ভিতৰত তাই আগৰবাৰৰ ধাৰৰ সৈতে এইবাৰৰ ছয় টেমা চাউল নিশ্চিতভাৱে পৰিশোধ কৰিব। "তই বাৰে বাৰে সেই একে কথাকে আওৰাবি। চলিমখা  জন্ম দিছ বছৰি বছৰি আৰু এতিয়া খুজি মাগি ডাঙৰ কৰি লাট চাহাব বনাবি।" সত্যৰ কথাখিনি শুনি বনানীৰো কিবা এটা উত্তৰ দিবলৈ মন গ'ল "কি কৰিবি আই, সব ওপৰৱালাৰ হাতত। মই দুটাতে লেঠা মাৰিম বুলি চহৰৰ হস্পিতাললৈ গৈছিলোৱেই। কিন্তু দেউতাকৰ মতে ঘৰখনত হেনো ছোৱালী এজনীৰ বৰ আৱশ্যক। কিবা বোলে ছোৱালী এজনী বিবাহ দান কৰিব নোৱাৰিলে আত্মাই শান্তি নাপায়। তাকে চাওঁতে

চাওঁতে সাতোটাকৈ ল'ৰাৰ মাক হ'লোহি। সকলো নেদেখাজনৰ ইচ্ছা আই। সকলো কপালৰ লিখন।'' কথাখিনি শুনি সত্যই মুখ টিপি হাঁহিলে, কাৰণ ঠিক একেই উত্তৰকে বনানীয়ে ইমান দিনে দি আহিছে যেতিয়াই এনেকুৱা প্ৰশ্নৰ উদয় হয়। সত্যৰ হাঁহি উঠে তাইৰ নিজৰ কথাবোৰ ভাবি। বাহিৰত চাকৰিৰত পৰাণৰ বাবে সত্যৰ কি যে অধীৰ অপেক্ষা! প্ৰতি শনিবাৰ পৰাৰ লগে লগে সত্যৰ গাটো ইখন সিখন লাগিব ধৰে, কাৰণ সন্ধিয়া সময়ত পৰাণ হাজিৰ হ'বহি এটা সপ্তাহৰ অন্তত। দুটা দিন পৰিয়ালৰ লগত কটাই আকৌ ঘূৰি যায় সোমবাৰৰ ৰাতিপুৱাই। সেই দুটা দিন ঘৰটোত যেন এখন সবাহহে চলে। কত যে মানুহ, চিনাকি অচিনাকি আহি হাজিৰ হয় পৰাণক লগ পাবলৈ! আশা, কিবা সুবিধা আদায় কৰিব পাৰে নেকি পৰাণৰ পৰা। গোটেই দিনটো ব্যস্ততাৰ বাবে কেৱল ৰাতিৰ নীৰৱ সময়খিনিত পৰাণক এখন্তেক লগ পাবলৈ তাই অধীৰ আগ্ৰহেৰে বাট চাই থাকিব লগা হয়।

বনানীক কোৱা কথাখিনি আকৌ ৰোমন্থন কৰি তাই ভাবিলে আকোৰগোঁজ নোহোৱা হ'লে তাইৰো চাগে বনানীৰ দৰে একে গতি হ'লহেঁতেন। ভাগ্য ভাল সত্যৰ গিৰিহঁত মানে পৰাণেও আপত্তি কৰা নাছিল সংসাৰখন বেছি নবঢ়াবলৈ। এনেকুৱা কাল সন্ধিয়াৰ পৰত মাজে মাজে বনানীৰ দৰে চুবুৰীটোৰ কোনো কোনো তিৰোতা সত্যভামাৰ ঘৰলৈ কিবা এবিধ ধাৰলৈ নিবলৈ অহা এক অঘোষিত নিয়ম। কেতিয়াবা একাপ চেনি বা দুচামুচ চাহপাত, কেতিয়াবা এচাকি কেৰাচিন বা এবটল সৰিয়হ তেল ইত্যাদিৰ হঠাৎ নাটনি হ'লেই বেছিভাগ তিৰোতাই সত্যভামাৰ ওচৰলৈকে ধাৰ ল'বলৈ আহে। সত্যভামাই ধাৰ লোৱা প্ৰতিবিধ বস্তু আৰু ধৰুৱাবোৰক মনত ৰাখে যদিও কোনোদিন ধাৰ পৰিশোধৰ কথা নকয়, কোনোবাই পৰিশোধ কৰিলে কৰে, নহলে তাই পাহৰি যায়। কাৰণ, চুবুৰিটোৰ ভিতৰতেই আৰ্থিকভাৱে সচ্ছল আৰু একমাত্ৰ চৰকাৰী চাকৰিয়ালৰ ঘৰ হ'ল সত্যভামাৰ গিৰিহঁত পৰাণ শৰ্মাৰ পৰিয়াল। বাকী পৰিয়ালকেইটা খেতিবাতি বা সৰু সুৰা বেপাৰ বণিজ কৰিয়ে চলিছিল। সৰুৰে পৰা অতি মেধাৱী যদিও যথেষ্ট কষ্টসহিষ্ণু পৰাণ পিতৃ-মাতৃহাৰা হৈও আইতাকৰ তত্বাৱধানত ডাঙৰ হৈ সেই সময়ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত জিলাৰ ভিতৰতেই সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। সেয়া আছিল স্বাধীনতাৰ দুবছৰ আগৰ কথা। পৰাধীন ভাৰতৰ শিক্ষালয়ত শিক্ষা লাভ কৰি স্বাধীন ভাৰতত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱা পৰাণ শৰ্মাহতেই পোন প্ৰথম ক্লাছ টেনৰ শ্ৰেণী। পৰাণ শৰ্মাই গণিত বিষয়ত লেটাৰ মাৰ্ক লৈ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ সকলোৰে দৃষ্টি আকৰ্ষণ কৰায়েই নহয়, পৰাণৰ ৰিজাল্ট দেখিয়ে সেই সময়ৰ সংস্কৃত পণ্ডিত যজ্ঞেশ্বৰ শাস্ত্ৰীয়ে ভৱিষ্যতে পৰাণৰ পঢ়াৰ সমস্ত দায়িত্ব বহন কৰিবলৈও সন্মত হৈছিল। চৰ্ত মাত্ৰ এটাই, পৰাণে ভৱিষ্যতে তেখেতৰ ডাঙৰ ছোৱালীজনী অৰ্থাৎ সত্যভামাৰ পাণিগ্ৰহণ কৰিব লাগিব। কোনোমতে খুজি মাগি প্ৰৱেশিকা পৰীক্ষাটো উত্তীৰ্ণ হোৱা পৰাণে সেই চৰ্তত ৰাজি নোহোৱাৰ কোনো কাৰণেই নাছিল, যিহেতু তেওঁৰ আৰ্থিক অৱস্থা অতি শোচনীয় আছিল বাবে ভৱিষ্যতে পঢ়া মাচুল যোগাৰ কৰা অসম্ভৱ আছিল। গতিকে সেই সময়ৰ যজ্ঞেশ্বৰ শাস্ত্ৰীৰ দৰে এজন আঢ্যৱন্ত আৰু প্ৰখ্যাত সংস্কৃত অধ্যাপকৰ চৰ্তত মান্তি নোহোৱাকৈ থকাৰ কোনো কাৰণেই নাছিল।

সন্ধিয়াৰ সময়তে চাউল ধাৰ নিবলৈ অহা বনানীৰ কথাখিনিয়ে সত্যৰ মনটো কিছু কোমলালে। কিছু নৰম সুৰেৰে সত্যই ক'লে– ''হওঁতে কথাটি তই ঠিকেই কৈছ, দেখা নাইনে সেই জাহ্নৱী আৰু নন্দনৰ সংসাৰখন! দুয়োজনেই চাকৰিয়াল, টকা সম্পত্তিৰে জয় জয় - ময় ময় অৱস্থা। হ'লে কি হ'ব, খাওঁতা পিন্ধোতা কোনো নাই। কিমান যে চেষ্টা কৰিলে, কত যে টকা কড়ি চিকিৎসাৰ নামত উৰুৱালে! তৎসত্বেও কিন্তু সন্তান এটাৰ মুখ দেখা নাপালে। এনেয়ে

কয়নে বোলো দাতাই দিলেও বিধাতাই নিদিয়ে। কণা বিধাতাৰ বিধান কি যে অবুজ সাঁথৰ!" বনানীয়ে সত্যৰ মনটো ভালদৰে বুজি পায়, প্ৰথমে অলপ কঠোৰ কথা শুনালেও সত্যই তাইক কাহানিও না কৰা নাই। চাউলখিনি ডুলিটোৰপৰা উলিয়াই সত্যই ছয় টেমা চাউল জুখি থাকোঁতে কথাখিনি ঠিক কাক উদ্দেশ্য কৰি কলে বনানীয়ে বুজিবলৈ যত্ন কৰি চাউল নিবলৈ অনা মোনাখন আগুৱাই দিলে। তাই জানে সত্যই তাহাঁতৰ নিচিনা দুখীয়া নিছলাবোৰক কাহানিও নিৰাশ নকৰে। প্ৰতিবাৰেই কিবা ধাৰলৈ নিবলৈ আহিলে এনেকুৱা কথা বতৰা বা আলোচনাবোৰত প্ৰায়েই তাই কিছু কথা শুনিব লগা হয়। অৱশ্যে তাৰ বাবে তাইৰ কোনো আক্ষেপ বা অভিযোগো নাই। দুই এটা টান মাত শুনিব লগা হ'লেও সত্যভামাইয়ে তাহাঁতৰ নিচিনা দুখীয়াবোৰৰ শেষ আশা। যি কোনো সহায়ৰ বাবে হাত পাতিব লগা হ'লেই চুবুৰীৰ প্ৰায় সকলো পৰিয়ালৰে মাত্ৰ এটাই আশ্ৰয়, সত্যভামা আৰু পৰাণ শৰ্মা। সেই সময়ত চাকৰি সূত্ৰে ঘৰৰ বাহিৰত থকা সত্বেও শৰ্মাৰ কৰ্মদক্ষতা আৰু ওপৰৱালাৰ লগত থকা সুসম্পৰ্কৰ কথা অঞ্চলটোৰ সকলোৰে জ্ঞাত আছিল। সেই অঞ্চলৰ প্ৰায় প্ৰতি ঘৰৰে ডেকা ল'ৰা কেইবাজনকো কিবা নহয় কিবা এটা সৰু সুৰা হ'লেও চৰকাৰী চাকৰিত নিয়োজন কৰি পৰাণ শৰ্মাই বহুকেইটা পৰিয়ালক আৰ্থিক সকাহ দিছিল। তদুপৰি চুবুৰীৰ প্ৰায়বোৰ ল'ৰা ছোৱালীয়ে সত্যক বেছ সমীহ কৰাৰ কাৰণ হ'ল তাইৰ এক গাম্ভীৰ্য্যপূৰ্ণ অথচ মৰমিয়াল আচৰণ। সেয়েহে চুবুৰীৰ ডাঙৰৰ বাবে তেওঁ আছিল সত্য বাইদেউ আৰু সৰুবোৰৰ বাবে সত্যখুৰী। এনেবোৰ কাৰণতে যিকোনো পৰিস্থিতিতে সত্যক ইটো সিটো সহায়ৰ হাত আগবঢ়াই দিবলৈ কোনো এজনী ছোৱালীয়েই হেলা নকৰিছিল। যেতিয়াই তেতিয়াই আহি তাইৰ ঘৰত হাজিৰ হয়হি। সত্যভামাৰ ঘৰখন সকলোৰে বাবে প্ৰিয় হোৱাৰ অন্য এক কাৰণ হ'ল চাকৰি সূত্ৰে পৰাণ শৰ্মা প্ৰায়ে ঘৰৰ বাহিৰত থকাত তিনিটাকৈ এমাডিমা ল'ৰা-ছোৱালীৰে সৈতে সত্যভামা অকলে থাকিব লগা হৈছিল। গতিকে সত্যভামাৰ ঘৰখনত সকলোৰে অবাধ প্ৰৱেশ। সৰুবোৰৰ লগতে ডাঙৰবোৰৰো খেলা ধূলা আৰু আড্ডাৰ স্থল হ'ল সত্যভামাৰ ঘৰখন। এনেহেন এখন আদৰৰ ঘৰত আপদে বিপদেও চুবুৰীৰ আটায়ে আহি হাজিৰ হৈছিলহি।

এটা সময় আছিল যেতিয়া প্ৰায়বোৰ পৰিয়ালৰ হাতত অন্ততঃ কেইবিঘামান হ'লেও খেতি মাটি আছিল। চুবুৰীটোৰ প্ৰায়বিলাক গোসাঁই ব্ৰাহ্মণ পৰিয়ালে নিজে খেতি বাতি কৰাৰ সলনি কোনোবা আধিয়াৰৰ হতুৱাইহে খেতি কৰিছিল। ইয়াৰ ভিতৰত দুই এক উচ্চ বৰ্ণৰ এনে পৰিয়াল আছিল যাৰ বছৰি উপাৰ্জনেৰে খোৱাটো কোনোমতেই নুজুৰিছিল। ফলত তেনেবোৰ পৰিয়ালে হালৰ মুঠিত ধৰিবলৈ একোজন হালুৱৈৰ বাহিৰে বাকী সমস্ত কাম নিজৰ মতা বা ডেকা ল'ৰাবোৰৰ দ্বাৰাই কৰাইছিল। আনকি ঘৰৰ ডেকাবোৰে কোৰ মাৰি হ'লেও পথাৰত খেতি কৰাত সহায় কৰিছিল। সেই সময়ত প্ৰতিখন ঘৰতে কিবা হ'লেও এবিধ মূল খেতিৰ লগতে শাক পাচলিৰ খেতি কৰা প্ৰথাৰ প্ৰচলন আছিল। আজিকালিৰ নিচিনা জলকীয়া এটাৰ বাবেও বজাৰলৈ ওলাই যোৱা নীতি তেতিয়া কোনো ঘৰতেই নাছিল। যিবোৰ ঘৰে পথাৰত নিজৰ তত্বাৱধানত খেতি কৰিছিল, তেওঁলোকৰ বাবে সমস্যা হৈছিল তেতিয়া যেতিয়া কিবা কাৰণত হালুৱৈজন অনুপস্থিত থাকে। ব্ৰাহ্মণৰ ঘৰত কৰ্মঠ ডেকা ল'ৰা থকা সত্বেও হালৰ মুঠিত ধৰিলে জাত যাব বুলি কোনেও তেনে প্ৰয়াস কৰা নাছিল। এনেকুৱা এখন ঘৰ আছিল বনানীহঁতৰ ঘৰখন। সাতোটাকৈ দংদঙীয়া ল'ৰা আৰু পাঁচ বিঘাকৈ খেতি মাটি থকা সত্বেও তাহাঁতক বছৰি খাবলৈ নোজোৰে। তাৰেই পৰিণতিত মাজে মাজে মাক বনানীয়ে অ'ৰ ত'ৰ পৰা চাউল ধাৰ কৰি হ'লেও ভাত মুঠি যোগাৰ কৰিব লগাত পৰে। এনেদৰেই দিনৰ পিছত দিন, সপ্তাহ আৰু

সপ্তাহৰ পিছত মাহবোৰ বাগৰি বছৰবোৰ পূৰ হয়। কিন্তু বনানীহঁতৰ নিচিনা পৰিয়ালবোৰৰ সমস্যাৰ একো পৰিৱৰ্তন নহয়।

যোৱাটো বছৰত অতিপাত খৰাং হোৱা বাবে অইন খেতিৰ লগতে ধানৰ উৎপাদনো অধিক হ্ৰাস পালে। ফলত এইটো বছৰত সকলোৱে আশা পালি আছে কেনেকৈ সময়ত কঠীয়া সিঁচি আৰু ধান ৰুই অধিক পৰিমাণে উৎপাদন কৰিব পাৰে। বনানীৰ পৰিয়ালো ইয়াৰ ব্যতিক্ৰম নহ'ল। বিশেষকৈ দ্বিতীয় আৰু তৃতীয় পুত্ৰ ধৰণী-তৰণী দুয়োজনৰ লগতে সৰুবোৱেও কিবা নহয় কিবা প্ৰকাৰে খেতিৰ পথাৰত দেহে কেহে লাগি গ'ল। সমস্যা হৈছে কেৱল নাঙলখনকলৈ। ৰঙা আৰু ক'লা দুটা মিলি মস্ত বলদহাল থকা সত্ত্বেও মাজে সময়ে সিহঁত বৰ বিপদত পৰে। যিহেতু নাঙলৰ মুঠিত ধৰা নিষেধ, সেয়েহে প্ৰতি বছৰে ওচৰৰ গাঁৱৰে হালোৱা এজনক দুমাহৰ বাবে ৰখাৰ বন্দোৱস্ত কৰে। সময়ত শাওণ মাহ পৰাৰ লগে লগে দলে দলে খেতিয়কবোৰ পথাৰত নামি পৰে। এইবাৰো তাৰ ব্যতিক্ৰম নহ'ল।

আগদিনাখন ৰাতিৰ আকাশখনলৈ চাই ৰাতি ধৰণী ভাতৰ পাতৰ পৰা উঠি আহি ভায়েক তৰণীক মাতিবলৈ ধৰিলে, "হেৰ তৰণী, চাহিচোন আকাশখন কেনেদৰে ওন্দোলাই আহিছে। মই কৈছিলো নহয় দুই এদিনতে বৰষুণ নামিব।" তৰণী আধা খোৱা পাতৰ পৰা উঠি আহি চায় যে সঁচাকৈয়ে আকাশখন ক্ৰমে ক'লা মেঘে আগুৰি ধৰিছে। সঁচাকৈয়ে বতাহ ঢেৰেকণিৰ শব্দই বৰষুণৰ জাননী প্ৰমাণ কৰিলে। তেনেহ'লে কালিলৈ পুৱাৰাতিতেই উঠি এইবাৰ গাঁৱৰ শ্মশান ঘাটৰ মাটিখিনি বাব লাগিব। সেইখিনি মাটি যোৱা বছৰো ছন পৰি থাকিল আগতীয়াকৈ চহাব নোৱৰাৰ বাবে। ধৰণীয়ে কথাখিনি বুজাই বঢ়াই আগত দিনটোৰ পৰিকল্পনাৰ বিষয়ে তৰণীক বুজাই বঢ়াই ল'লে। সাধাৰণতে ধৰণীয়ে কিবা এটা কৈ থকাৰ সময়ত বাকী ল'ৰাকিটাই পৰাপক্ষত চুপ হৈয়ে থাকে। তথাপি সেইদিনা মাজুৱে আগুৱাই আহি সুধিলে, "দাদা, তই যে ইমান পৰিকল্পনা কৰিছ, হালুৱৈ ক'ত? বীৰেনকা দেখোন ঘৰৰ পৰা কালিয়েই অহা কথা আছিল, আজিও আহি নেপালে।" তৰণীৰ তেতিয়াহে মনত পৰিল যে যোৱা সপ্তাহতে বীৰেন মানে সিহঁতৰ হালুৱাজন নিজৰ ঘৰলৈ গৈছে। গোটেই সপ্তাহ খৰাং চলি থকা বাবে ভাবিলে দুদিনমান ঘৰতে কটাই আহিব।

"সি কি আজিও আহি পোৱা নাই নেকি?"

দুদিনৰ বাবে ধৰণীও বাহিৰত থকা বাবে বীৰেন ঘৰত নথকা কথা মনলৈ অহা নাছিল। এতিয়া চন্দ্ৰৰ মুখে বীৰেন নথকা বুলি জানি মনটো খং আৰু উত্তেজনাত ছটফটাব ধৰিলে। "তহঁতকিটাই কি কৰি আছিলি অতদিনে? কোনে আহি চহাই দিব তহঁতৰ মাটিডৰা? খকুৱা মখা কেৱল খাব হে জান; বাকী কোনো চিন্তা নাই তহঁতৰ।" খঙৰ ভমকতে সি বাকী ভায়েককেইটাকে গালি দিবলৈ আৰম্ভ কৰিলে। বনানীয়েও সিহঁতৰ

> সকলোৱে চকু মাত্ৰ বিশাল পথাৰখনলৈ, অ'ত তত হালবাই থকা হালুৱৈবোৰলৈ আৰু লগতে পথাৰৰ বিশেষ এক কোণলৈ। সকলোৱে যেন মাতবোৰ ক'ৰবাত হেৰাই গ'ল, কেৱল কিবা এক অজান আশংকাত ইজিনে সিজনৰ পিনে চোৱা-চুই কৰিছে।

হুলস্থূল শুনি কি হ'ল বুলি বাহিৰলৈ ওলাই আহি বুজিবলৈ বাকী নাথাকিল ক'ৰ পৰা কিখন হৈছে। "ব্ৰাহ্মণৰ ঘৰত জনম লৈয়ে তহঁতকিটাই ভুল কৰিলি। দংদঙীয়া ল'ৰাকিটা থাকিও নথকাৰ নিচিনা হৈছে। সাধাৰণ হালৰ মুঠিত ধৰিব নোৱৰাৰ বাবেই অতবোৰ জ্বালাযন্ত্ৰণা সহিব লগা হৈছে। আজি ব্ৰাহ্মণ কুলত নহৈ কোনোবা অন্য কুলত জন্ম হোৱা হ'লে এনেকৈ মগনিয়াৰ দৰে তহঁতকিটাইও চলিব লগা নহ'লহেঁতেন আৰু ময়ো। ভাগ্য ভাল যে বাপেৰটোৱে এইবোৰ দেখা পোৱাৰ আগতেই সিপুৰী পালেগৈ।" মাকৰ কথাখিনিয়ে আটাইকেইটাকে যেন কিবা

জোকাৰি গ'ল। ৰাতিৰ ভাত সাঁজটোৱে যেন সিহঁত আটাইকিটাৰ বাবে এক অমানিশা কঢ়িয়াই আনিলে। এক অনিশ্চয়তা আৰু ক্ষোভৰ তাড়নাই পৰিয়ালটোক ক্ষণিকতে গ্ৰাস কৰিবলৈ উপক্ৰম হ'ল। বহু ৰাতিলৈ পিৰালিতে বহি বহি একো উৰাদিহ নাপাই ধৰণীয়ে উজাগৰে কটালে। বাহিৰত মুষলধাৰে হোৱা বৰষুণ জাকলৈ কাণসাৰ নকৰি সি কেতিয়া টোপনিৰ জালত পৰিল সেয়া চাবলৈ তাৰ পৰিয়ালৰ কোনো এজন তেতিয়ালৈ ৰৈ থকা নাছিল।

আগৰাতিৰ ডবাপিটা বৰষুণজাকে পথৰাখন ওপচাই পেলোৱাৰ লগে লগে উলাহতে পথাৰত খেতিয়কসকল ফেঁহুজালিতেই উঠি হাতে হাতে কোৰ-নাঙল লৈ নামি পৰিল। আজি দুসপ্তাহ পিছত বতৰে অকণ মূৰ দাঙিছে, গতিকে তাৰ সুযোগ ল'বলৈ সকলো খেতিয়ক আগ্ৰহী। বাকী যিবোৰ ঘৰত খেতি বাতিৰ ব্যৱস্থা নাই, তেনেবোৰ পৰিয়ালৰ ল'ৰা-ছোৱালীবোৰে বতৰৰ সুবিধা লৈ সিদিনাখন দেৰিলৈকে শোৱাপাটীতে পৰি থাকিল।

দোকমোকালিতে হঠাতে যেন কিবা এটা হুলস্থূলে চুবুৰীটোৰ ইমূৰৰ পৰা সিমূৰলৈ প্ৰতি ঘৰতে এক খলকনিৰ সৃষ্টি কৰিলে। প্ৰায়বোৰ ঘৰৰে ডেকা বুঢ়াৰ লগতে জীয়ৰী বোৱাৰী সকলোৱেই ইঘৰৰ পিছত সিঘৰৰ পদূলিলৈ ওলাই আহিছে। লাহে লাহে চুবুৰীৰ প্ৰায়বোৰ মানুহ ৰাজহুৱা দমকলৰ চ'কত গৈ এক গোট হ'লহি। সকলোৰে চকু মাত্ৰ বিশাল পথাৰখনলৈ, অ'ত তত হালবাই থকা হালুৱৈবোৰলৈ আৰু লগতে পথাৰৰ বিশেষ এক কোণলৈ। সকলোৰে যেন মাতবোৰ ক'ৰবাত হেৰাই গ'ল, কেৱল কিবা এক অজান আশংকাত ইজিনে সিজনৰ পিনে চোৱা-চুই কৰিছে। "কলিযুগ আৰম্ভ হ'ল আই বোপাইহঁত! এয়া ঘোৰ কলিকাল। সকলো শেষ হৈ গ'ল, সকলোকে ইহঁতে সৰ্বনাশ কৰি পেলালে।" চুবুৰীৰ আটাইতকৈ বয়োজ্যেষ্ঠ হৰকান্ত আতৈৰ কথাযাৰৰ তাৎপৰ্য্য বুজাত কাৰো অসুবিধা নহ'ল। চকুৰ সমুখতে বিনাদ্বিধাই দুজন ব্ৰাহ্মণৰ সন্তানে নাঙলৰ মুঠিত ধৰি মাটি চহাই থকা দেখি সকলোৰে মুখৰ মাত ইতিমধ্যে হেৰাই গৈছে। সকলোৰে অন্তৰত কেৱল এটাই প্ৰশ্ন, ক'ত হেৰাই গ'ল কৌটিকলীয়া পৰম্পৰা? নিমিষতে মাটিত মিহলি হৈ পৰিল সকলো সংস্কাৰ, ধৰ্ম, সমাজৰ বান্ধোন। কেনেকৈ যে কি হৈ গ'ল!

বেলি দুপৰলৈকে পথাৰত হাল বাই থকা বাবে দুই ভায়েক ধৰণী আৰু তৰণীক ভোকে ভাগৰে আগুৰি ধৰিছিল। তথাপি কিবা এক আক্ৰোশৰ তাড়নাত দুয়োজনে মাটিডৰা সম্পূৰ্ণকৈ চহ নোহোৱা পৰ্য্যন্ত থমকি ৰোৱা নাছিল। সৰুৰে পৰাই খেতি পথাৰত হালুৱৈৰ সৈতে খেতি কৰাৰ অভ্যাস থকা বাবে দুই ভায়েক ককায়েকৰ কাৰণে হাল বোৱা বা মাটি চহোৱা বিশেষ কঠিন কাম নাছিল। সেয়েহে হালুৱৈ বীৰেন নোহোৱা সত্ত্বেও সিহঁত দুটাৰ অকণো অসুবিধা হোৱা নাছিল।

বিছনাত গাটো ঘেলাই আগদিনা ৰাতিৰ কথাখিনি ধৰণীয়ে পুনৰ জুকিয়াই চাবলৈ ধৰিলে। মুহূৰ্ততে দুই ভায়েকে কি এক আচৰিত সংকল্প লবলৈ বাধ্য হৈছিল এক পৰম্পৰাৰ বিপৰীতে, এক সংস্কাৰৰ বিপৰীতে য'ত নিহিত হৈ আছিল এক সামাজিক পৰিৱৰ্তনৰ বিপ্লৱ।

"কি হ'ল? একেবাৰে নিমাত নিতাল মাৰিলি দেখোন? চা দাদা, এতিয়া সমাজলৈ ভয় কৰি লাভ নাই। যিটো কৰাৰ প্ৰয়োজন আছিল, দুইটাই বহুত ভাবি গুণিয়ে কৰিলোঁ। যি হ'ব লগা আছিল হৈ গ'ল। গতিকে ইয়াৰ পৰিণতিলৈ একো ভয় নকৰোঁ। সমাজে যি ব্যৱস্থা লয় ল'ব।" তৰণীৰ কথাত ধৰণী সচকিত হৈ উঠিল। কিমান সময় যে সি একেইবোৰ কথাৰ মাজতে বুৰ গৈ আছিল। হঠাৎ তৰণীৰ মাতত সি যেন সম্বিৎ ঘূৰাই পালে। "মই নিজৰ বা আমাৰ ঘৰৰ কথা ভবাই নাই, মোৰ ভয় হৈছে মামাৰ একমাত্ৰ ছোৱালী অলকাৰ বাবে, কাৰণ এই মাহতে তাইৰ বিয়া"। ধৰণীৰ কথাখিনিয়ে তৰণীকো এবাৰ ছুই গ'ল। কাৰণ সিহঁতৰ পৰিয়ালটোক গাঁওখনৰ পৰা একাষৰীয়া কৰা বুলি ইতিমধ্যে খবৰটো ৰাষ্ট্ৰ হৈছে। ইয়াৰ লগতে সিহঁতৰ পৰিয়ালৰ লগত ঘনিষ্ঠ সম্পৰ্ক থকাসকলৰ ওপৰতো যে প্ৰভাৱ পৰিব সেয়া ধ্ৰুৱপ। বিশেষকৈ বহুতো অপেক্ষাৰ অন্তত থিৰাং হোৱা অলকাৰ বিয়াখন সিহঁতৰ বাবে যদি পৰিব লগা হয়, তেন্তে গোটেই জীৱন সিহঁতে অনুতপ্ত হৈ থাকিব লাগিব। কথাটো ইমান পৰে তৰণীয়ে এবাৰো ভবা নাছিল, অথবা তাৰ মনলৈ অহা নাছিল। "চা দাদা, আমিতো কাৰো একো অন্যায় কৰা নাই। নাইবা চুৰি ডকাইতিও কৰা নাই, নিজৰ দেহাৰ শক্তিৰে

খেতি পথাৰত পৰিশ্ৰম কৰিছো। পেটৰ ভোকৰ তাড়নাত আৰু পৰনিৰ্ভৰতাৰ পৰা মুক্তি বিচাৰি ব্ৰাহ্মণৰ সন্তান হৈও নাঙলৰ মুঠিত ধৰিব লগা হ'ল। সেয়া জানো এনেকুৱা দোষণীয় কাম হ'ব পাৰে, যাৰ বাবে গোটেই সমাজ আজি আমাৰ বিপক্ষে থিয় হৈছে।" কথাখিনি কৈ থাকোঁতে তৰণী কিছু আবেগিক হৈ পৰিল। ধৰণীয়ে সান্ত্বনা দিয়াৰ সুৰত কিবা এটা ক'ব খুজিও ৰৈ দিলে। জানোচা কিবা ন'কবলগীয়া কথা মুখৰ পৰা ওলাই যায়। "তৰণী, এবাৰ যেতিয়া হালৰ মুঠিত ধৰিলোয়েই খেতি খোলা নুঠালৈকে মাটিখিনি চহাওঁদে। যিবোৰে সিদিনা আমাক নাঙলৰ মুঠিত ধৰা দেখা নাছিল সেইবোৰেও ভালকৈ চাই লওক। পঢ়া শুনা কৰি শিক্ষিত হ'ব নোৱাৰিলেও অন্তত শাৰীৰিক পৰিশ্ৰমৰ অধিকাৰী হৈও যে পৰনিৰ্ভৰশীলতাৰ পৰা মুক্তি লাভ কৰিব পাৰি, তাৰেই এক উদাহৰণ হৈ ৰ'ম।" ধৰণীৰ কথাখিনিত সমাজৰ প্ৰতি আৰু পৰম্পৰাৰ প্ৰতি এক বিদ্ৰোহ আৰু বিতৃষ্ণা যেন প্ৰকাশ পালে। যোৱা তিনিদিন ধৰি দুয়োজন ভায়েক বাহিৰৰ ঘৰ এটাত আছেহি, খোৱা বোৱাৰ লগতে বাকী আনুষংগিক কামসমূহ সিহঁত দুটাই বেলেগে কৰিছে যদিও ঘৰৰ আনবোৰ সদস্যই সিহঁত দুইটাৰ লগত সম্পূৰ্ণ সহযোগ কৰি গৈছে। ধৰণীয়ে ভবা দৰে এইবাৰ সিহঁতে নিজে বীৰেণৰ সহায় নোলোৱাকৈ পথাৰৰ আটাইবোৰ মাটিতে নিজে খেতি কৰিলে। ওপৰৱালাৰ কৃপাত ধাননিড়ৰাৰ উৎপাদনো আশানুৰূপভাৱে ভালেই হ'ল। সেয়াই এক আৰম্ভণি, এক বিপদসংকুল যাত্ৰাৰ। এফালে সমাজৰ নীতি নিয়ম আৰু আনফালে জীৱন-জীৱিকাৰ তাড়না। ধৰণী আৰু তৰণীয়ে দেখুৱাই দিয়া পথেৰে ইজনৰ পিছত সিজনে কঠোৰ পৰিশ্ৰমকে জীৱনৰ ব্ৰত হিচাপে লৈ এটাৰ পিছত এটাকৈ বিভিন্ন কৰ্মক্ষেত্ৰত নিয়োজন হৈ সমাজ আৰু দেশৰ বাবে এক চানেকি হ'ব পাৰিছে।

এনেকুৱা এক পৰম্পৰাৰ পৰিপন্থী কৰ্মত লিপ্ত হোৱা বাবে সমাজৰ চকুত সিহঁতৰ মানে বনানীৰ ঘৰখন এক পৰিত্যক্ত স্থান হিচাপে পৰিগণিত হ'ল, যাৰ বাবে প্ৰায় তিনিটা দশক সিহঁতৰ ঘৰৰ লগত গাঁওখনৰ কোনোৱে মিলা মিচা কৰিবলৈ সাহস কৰা নাছিল।

বছৰবোৰ এটা এটাকৈ বাগৰিগৈ থাকিল আৰু এয়া সময় ২০২২ চনৰ। কৰ্মসূত্ৰে বহু বছৰ গাঁওখনৰ পৰা আঁতৰি থকা বাবে বহুবোৰ মানুহৰ খবৰ লোৱাৰ সুযোগ পোৱা নাছিলোঁ। হঠাৎ এদিন ঘৰলৈ গৈ হেঁপাহৰ গাঁওখন ইমূৰৰ পৰা সিমূৰ মৰাৰ সুযোগতে গাঁওবোৰৰ আমূল পৰিৱৰ্তন দেখি কিছু আবেগিক আৰু কিছু নষ্টালজিক হৈ পৰিছিলো। ইটো সিটো খবৰ লৈ গম পাইছিলো কিছু বছৰ আগতে বনানী পেহী ঢুকাল। কিন্তু বনানীহঁতৰ আজিৰ ঘৰবাৰী দেখি যোৱা তিনি চাৰি দশকত হোৱা গাঁওবোৰৰ আমূল পৰিৱৰ্তন বাৰুকৈ উপলব্ধি হ'ল। সেই চুবুৰীয়া ঘৰৰ পৰা চাউল তেল ধাৰলৈ লোৱা বনানীহঁতৰ ঘৰখনেই গাঁওখনৰ ভিতৰতে সবাতোকৈ দেখনিয়াৰ। আটাই কিজন ল'ৰাৰে আৰ্থিকভাৱে নদন-বদন অৱস্থা। আজি বনানীৰ আটাইকিটা সন্তানেই বিভিন্ন ব্যৱসায় বাণিজ্যৰ যোগেদি সুপ্ৰতিষ্ঠিত। কোনোবাজনে যদি কাপোৰৰ ব্যৱসায় কৰিছে, কোনোজনে ঔষধ বা গাড়ীৰ ব্যৱসায় কৰিছে। মুঠৰ ওপৰত কোনো এজনেই এলেহুৱা বা অকামিলা হৈ থাকিব লগা হোৱা নাই, কাৰণ ঘৰখনৰ প্ৰতিজন সদস্যই হৃদয়ংগম কৰিছিল সেই মহান সত্য- কৰ্মই মানুহৰ প্ৰধান ধৰ্ম। বাৰে বাৰে মনলৈ আহিছিল সেই সত্তৰৰ দশকৰ ঘটনাটোলৈ, যাৰ বাবে দুজন কৰ্মঠ যুবকৰ প্ৰতি শ্ৰদ্ধা আৰু আবেগত মোৰ শিৰ নত হৈ পৰে। হিতাধীকাৰী হৈ সামান্য অনুগ্ৰহৰ বাবে শাৰী পতা আজিৰ যুৱ চামক দেখি হতাশাৰ মাজতে বনানীৰ ঘৰখনলৈ চাই কিছু সন্তোষ অনুভৱ কৰোঁ।

আজিৰ পৰা পাঁচ দশক আগতেই দুজন কুৰি বছৰৰ অনুৰ্ধৰ যুৱকে প্ৰচলিত সমাজ ব্যৱস্থাৰ বিপৰীতে গৈ এখন ভিতৰুৱা অঞ্চলত যি এক ফিৰিঙতিৰ সৃষ্টি কৰিলে, সিয়ে চিৰাচৰিত পৰম্পৰাৰ বিপৰীতে এক নতুন সাহসী প্ৰত্যাহ্বান হিচাপে পৰিগণিত হ'ল। ভৱিষ্যত প্ৰজন্মৰ বাবে হয়তো এদিন ইয়ে এক নতুন যাত্ৰাৰ সূচনা কৰিব।

●

# অনুবাদ গল্প

সময়বোৰ একেবাৰে জৰাগ্ৰস্ত হৈ পৰিছে আৰু আপুনি বা মই তাক ঠিক কৰিব নোৱাৰোঁ। সমাজখনো বৰ দুৰ্বল হৈ পৰিছে। লওক এই টকাকেইটা ৰাখক। আমি সেই মানুহজনক সলনি কৰিব নোৱাৰোঁ। আপুনি চাগৈ শিক্ষকবোৰৰ ধুনীয়া গাড়ী ঘৰ আদি দেখিছে। আমি যদি নিজৰ দুখ চিন্তা আদি এৰিব খোজোঁ বহু সময়ত একো নেদেখা বা নুশুনা ভাও জুৰি আগবাঢ়ি যাব লাগিব।

# ইন্সপেকছন ৰিপৰ্ট

**ৰঞ্জনা দত্ত**

মূল ঃ মণিপুৰী
লেখক ঃ লামাবাম ভিৰমণি
ইংৰাজী ঃ ৰবীন এচ নাংগম

লেখক পৰিচয়

*লামাবাম ভিৰমণি (জন্ম-১৯৪৯) মণিপুৰৰ এজন স্বনামধন্য লেখক। তেওঁ কেইবাখনো চুটিগল্পৰ কিতাপ, ভ্ৰমণ কাহিনী আদি ৰচনা কৰিছে। তেওঁ ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় স্তৰত কেইবাটাও পুৰস্কাৰেৰে সন্মানিত হৈছে। ১৯৮০ চনত প্ৰকাশিত তেওঁৰ প্ৰথমখন কিতাপ 'পিকনিক পিকনিক' খন বহুলভাৱে সমাদৃত হৈছিল। ১৯৮১ চনত লিখা তেওঁৰ দ্বিতীয় কিতাপখনৰ বাবে ১৯৮৪ চনত সাহিত্য একাডেমি বঁটা প্ৰদান কৰা হয়। ইয়াৰ বাহিৰেও বিভিন্ন সময়ত আন বহুতো পুৰস্কাৰেৰে তেওঁ সন্মানিত হৈছে।*

এটা চাকৰি বা পদোন্নতিৰ হিচাপ যেতিয়া চাউল, দাইল, নিমখ আৰু তেলৰ দামৰ দৰে নিৰ্ধাৰিত হয় তেতিয়াই এটকাও খৰচ নকৰাকৈ মোৰ হাতত পৰা পদোন্নতিৰ কাগজখন লৈ মই কিছু সন্দিগ্ধ হৈ পৰিলোঁ। কাকো তেল মালিচ নকৰাৰ মোৰ কিছুমান নিজস্ব কাৰণ আছিল। মোৰ সকলো বন্ধু মোতকৈ বহুত আগুৱাই গ'ল। মই বিশ্বাস কৰো যে মোক অকলশৰীয়া নকৰিবলৈ তেওঁলোকেই এইবাৰ মোৰ নামটো ভৰাই দিছে। এদিন এজন মানুহ আহিছিল এটা টোপ দিবলৈ-

" টম্বা মহাশয়, তেওঁলোকে সোনকালেই কিছুমান শিক্ষকক সহ পৰিদৰ্শকলৈ পদোন্নতি দিব বুলি শুনিছোঁ। গতিকে মহাশয় আপুনিও দেখোন কামটো কৰাই ল'ব

পাৰে''।

অৱসৰ ল'বলৈ মাত্র কেইটামান দিন বাকী থকাৰ সময়ত মোৰ এতিয়া পদোন্নতি বা আন একোলৈ লোভ নাই। তদুপৰি এই কামবোৰ কৰাবলৈ মোৰ হাতত ইমান টকাও নাই। সেইবাবে মই উত্তৰ দিলোঁ-

"মোৰ পদোন্নতি হওক বা নহওক মোৰ কথা চিন্তা নকৰিলেই ভাল পাম।"

মানুহজন হতাশ হৈ ঘূৰি গৈছিল আৰু কেতিয়াও এইমুখ হোৱা নাছিল। কেইদিনমান পিছতে মই খবৰ পালোঁ যে মোৰ নামটো পদোন্নতিৰ তালিকাত অন্তর্ভুক্ত হৈছে। এইবাৰ কাণে কাণ মাৰি কোনোমতে নামটো সোমাল। পদোন্নতি হোৱা বুলি শুনিলে কোন চাকৰিয়ালে বাৰু আনন্দিত নোহোৱাকৈ থাকিব পাৰে ! সাধাৰণ ক্লার্ক এজনৰ হাততো বাৰম্বাৰ অপদস্থ হ'ব লগা সাধাৰণ "স্কুল মাষ্টৰ" এতিয়া মই আৰু নহয়। চিন্তাবোৰ কৰি মনটো ভাল লাগি গ'ল। তাতোকৈ ভাল লাগিছে এইটো কথা ভাবি যে এতিয়াৰ পৰা কাম ফাকি দিয়া অস্থায়ী শিক্ষক, সুবিধাবাদী আৰু অনুপস্থিত শিক্ষকবোৰৰ ওপৰত চকু ৰখাৰ অধিকাৰ পাম। সৎ আৰু পৰিশ্রমী শিক্ষকক কৰা বিদ্রূপ আৰু কটাক্ষৰ বাণ মোৰ কাণত এতিয়াও ঠহঠহাই বাজি আছে -

"এই কথাটো সর্বসন্মতিক্রমে গৃহীত হৈছে যে এইবছৰৰ শিক্ষকৰ ৰাষ্ট্রীয় বঁটা লাভ কৰা শিক্ষকজন হৈছে 'ওজা টম্বা''.. এতিয়া তেওঁলোকক প্রত্যুত্তৰ দিয়াৰ সম্ভাৱনা থকা ধুনীয়া সুযোগটোৰ কথা ভাবিয়েই পদোন্নতি পত্র গ্রহণ কৰিলোঁ। আজি ইমানদিনে স্কুল শিক্ষক হিচাপে কাম কৰাৰ পিছত অফিচত সোমাই একেবাৰে বেলেগ ধৰণৰ ভাব এটা আহিল। মই নতুন কামটোৰ দায়িত্বভাৰ হাতত লোৱাৰ লগে লগে মোৰ কর্মক্ষেত্রৰ ভিতৰত পৰা আটাইকেইখন স্কুল এসপ্তাহৰ ভিতৰতে পৰিদর্শন কৰিলোঁ। মোৰ প্রথম যোৱাটো সকলোৰে মুখবোৰ চিনাকি হ'বলৈ যোৱাৰ দৰেহে আছিল। মই স্কুলত অনিয়মীয়া কেইবাজনো শিক্ষক লগ পালোঁ। মই কেৱল তেওঁলোকক সকীয়নি দিলোঁ - "মই অহাবাৰ কিন্তু কোনোপধ্যে ক্ষমা নকৰোঁ।"

মই মিছাকৈ পৰিদর্শন ৰিপর্ট জমা দিয়াজনৰ দৰে হ'ব নোখোজোঁ, এনেকুৱা পৰিদর্শন যিয়ে য'ৰে ত'ৰে পৰা তথ্যবোৰ বুটলি পৰিদর্শন টোকা যুগুত কৰে। এই বিষয়ত মোৰ অজ্ঞতা বা অযোগ্যতা আছে বুলি মই নাভাবোঁ কিয়নো শিক্ষক হৈ থকা সময়তো মই এইধৰণৰ কামৰ লগত জড়িত আছিলোঁ। সেইবাবে অতি সোনকালেই মই দ্বিতীয় পৰিদর্শনটোৰ বাবে সাজু হ'লোঁ।

মোৰ প্রথম পৰিদর্শনৰ সময়ত মই লক্ষ্য কৰিছিলোঁ যে অতি শোচনীয় অৱস্থাত থকা বিদ্যালয়সমূহৰ ভিতৰত অন্যতম আছিল মধ্য জিলা প্রাথমিক বিদ্যালয়খন। গতিকে মই তালৈকে প্রথম গ'লোঁ। মই ৰাতিপুৱাতে ঘৰৰপৰা ওলালোঁ আৰু ৰাতিপুৱা ঠিক সাত বজাৰ পিছতেই স্কুলত উপস্থিত হ'লোঁগৈ। কিন্তু তেতিয়াও সেই স্কুলখনৰ বাবে সময়টো বহুত সোনকাল হৈ আছিল। মই কোনো ফালে এজনো শিক্ষক দেখা পোৱা নাছিলোঁ। সৰু সৰু ল'ৰা-ছোৱালী কিছুমানে বাহিৰত খেলা-ধূলা কৰি আছিল। পঢ়াশালিৰ বাৰাণ্ডাত চক পেন্সিলেৰে ঘৰ ঘৰ বনাই জঁপিয়াই জঁপিয়াই কিছুমানে খেলি আছিল আৰু আন কিছুমান পঢ়াশালিৰ ভঙা বেৰৰ ফুটাৰে ওলোৱা সোমোৱা কৰি লুকা ভাকু খেলাত ব্যস্ত আছিল।

মই সৰু ল'ৰা এটাক সুধিলোঁ-

"অ'ই তহঁতৰ শিক্ষকবোৰ ক'লৈ গ'ল ?"

"চাহৰ দোকানলৈ"।

দুজন শিক্ষক সেই সময়ত উপস্থিত হ'লহি।

"নমস্কাৰ মহাশয়।"

হেড পণ্ডিতে ল'ৰা-ছোৱালীবোৰ খেদি নি কোঠালি এটাত সুমুৱালেগৈ।

"আপোনালোকে বিদ্যালয়খন কেই বজাত খোলে ক'বনে ?"

" পুৱা ৬.৩০ বজাতে খোলোঁ। আজি কিছু পলম হ'ল।"

কাষৰ কোঠাটোৰ পৰা সৰু ল'ৰা এটাই চিঞৰিলে-

"আজি বোলে বন্ধ, সিহঁত ঘৰলৈ গুচি গ'ল চাৰ।"

প্রধান শিক্ষকজন দৌৰাদৌৰিকৈ বাহিৰলৈ গৈ কিছুসময় পিছত ঘূৰি আহিল।

-"সিহঁত ঘৰলৈ গুচি গ'ল। আপুনি সিহঁতক বেজী দিবলৈ অহা বুলি ভাবিলে।"

মই পুনৰ জেৰা আৰম্ভ কৰিলোঁ।

"এতিয়া কওকচোন আপোনালোকৰ ইয়াত কেইজন শিক্ষকে কাম কৰি আছে?"

"পাঁচজন", হেড মাষ্টৰে উত্তৰ দিলে।

"বাকী তিনিজনক দেখা নাই যে?"

"চাৰ আৰু এজন আহি আছে। সৌৱা ৰাস্তাতে আছে।"

কিছু দূৰৈত মই পিঠিত কেঁচুৱা এটা লৈ মাইকী মানুহ এগৰাকী এইফালে আহি থকা দেখিবলৈ পালোঁ। হেড মাষ্টৰজনে ক'লে "তেওঁ থাৰো মাষ্টৰনী, আমাৰ গাঁৱৰ প্ৰধানজনৰ বোৱাৰীয়েক।"

হেড মাষ্টৰে মোৰ লগত চিনাকি কৰি দিলে -

"এখেত টম্বা মহোদয়, আমাৰ চাৰ্কলৰ সহ পৰিদৰ্শক।"

শিক্ষয়িত্ৰীগৰাকী কিছু অপ্ৰস্তুত হ'ল। তেওঁ কোনোমতে মোক নমস্কাৰ কৰিলে। মই প্ৰতি নমস্কাৰ জনাই তেওঁক সুধিলোঁ-

"আপুনি সদায় এনেদৰে দেৰিকৈ আহে নেকি?"

এইগৰাকী শিক্ষয়ত্ৰী অন্ততঃ সৎ আছিল। তেওঁ উত্তৰ দিলে-

"মই পোহৰ হোৱাৰ আগতেই উঠি ঘৰৰ সকলো কাম মোৰ সাধ্যমতে সোনকালে কৰিবলৈ চেষ্টা কৰোঁ। কিন্তু সদায় মোৰ দেৰি হৈ যায়।"

তেওঁ উপস্থিতি বহীখনত আঠ দিন চহী কৰা নাছিল। মই আকৌ সুধিলোঁ -

"আপুনি যোৱা আঠ দিন কামলৈ অহা নাছিল?"

তেওঁ ভয় খাই তৎক্ষণাৎ উত্তৰ দিলে-

"মই সইত্ সইত্ খাই কৈছোঁ- মই দেৰি হ'লেও সদায় স্কুললৈ আহি আছোঁ। মাত্ৰ মই চহীটোহে কৰা নাই।"

তেওঁৰ কথা বতৰাৰ পৰা ধৰিব পাৰিলোঁ তেওঁ মিছা কোৱা নাই।

"অনুগ্ৰহ কৰি এতিয়া নিজৰ চহীটো কৰক আৰু ভৱিষ্যতে কেতিয়াও দেৰি নকৰিব।"

ইতিমধ্যে আঠ বাজি গৈছিল। দুয়োজন শিক্ষকে নিজৰ শ্ৰেণীকোঠাত সোমাইছিলগৈ। কিন্তু বাকী দুজনৰ তেতিয়ালৈকে কোনো দেখাদেখি নাছিল। তেওঁলোকে উপস্থিতি বহীখনত ৩৫ দিন ধৰি চহী কৰা নাছিল।

"এখেতক কি কৰা যায়?" মই বহীখনত থকা নাম এটালৈ আঙুলিয়াই সুধিলোঁ।

"মোৰ তেওঁৰ বিষয়ে একো ক'ব লগা নাই। মহোদয় আপুনি যি ভাল দেখে তাকে কৰক।"

হেড মাষ্টৰে উত্তৰ দিলে।

"তেওঁ এই গোটেই মাহটোত এবাৰো অহা নাই নেকি?"

"মই সেইটো সঠিককৈ ক'ব নোৱাৰিম, কাৰণ তেওঁ হঠাতে কেতিয়াবা আহি ওলায়হি। আৰু ইয়াত কেইটামান চহী কৰি ওলাই গুচি যায়।"

"তেওঁৰ শ্ৰেণীবোৰৰ কি হয়?"

"আমি কেতিয়াবা অলপ চাই মেলি দিওঁ। নহ'লে শিক্ষক নোহোৱাকৈয়ে চলি থাকে।"

"আপুনি পাঁচজন শিক্ষকৰ কথা কৈছিল অন্য শিক্ষকজন ক'ত?"

"অহ্ তেওঁ ইম্ফলত থাকে। তেওঁ এবাৰেই মাত্ৰ আহিছিল। তাৰ পিছত আৰু ঘূৰি অহা নাই। শুনিবলৈ পাইছিলোঁ তেওঁ ইম্ফলৰ স্কুল এখনত সোমাইছে। তেওঁৰ সলনি ইয়াত কোনো নতুন নিযুক্তি দিয়া নাই। কিন্তু তেওঁ হেনো নিয়মিত অফিচলৈ আহি মাহিলি দৰমহাটো লৈ যায়হি।"

সেই সময়তে সৰু ছোৱালী এজনী দৌৰি সোমাই আহি ক'লে -

"চাৰ, চাওবাই পিশ্বাকৰ ছালখন চিকুটি দিছে।"

হেড মাষ্টৰজনে চিঞৰি উঠিল -

"তহঁতৰ কোঠাত কোনো শিক্ষক নাই নেকি?"

"নাই।"

তেওঁ হাতত বেত এডাল লৈ ওলাই গ'ল। মই সিটো কোঠালিত বেত ডালেৰে কোবোৱা শব্দ শুনিবলৈ পালোঁ। তেওঁ ভিতৰলৈ সোমাই আহি ক'বলৈ ধৰিলে -

"এই বেতডালৰ কোব নিদিয়াকৈ বান্দৰৰ পোৱালি ঠাণ্ডা কৰিব নোৱাৰি"

হেড মাষ্টৰে এজনক ভিতৰলৈ মাতি আনি সুধিলে -

"থাৰো ক'ত?"

"তেওঁ টম্বা মহাশয়ৰ বাবে চাহৰ ব্যৱস্থা কৰিবলৈ অলপ ওলাই গৈছে।"

মই শ্ৰেণী কোঠাবোৰ চাওঁ বুলি ওলাই গৈ কোঠা এটাত সোমালোঁ। চাৰিটা ডাঙৰ কোঠালিৰে বিদ্যালয়খন যথেষ্ট আহল বহল। কিন্তু মাজত ভাল বেৰা নথকাত সেইটো এটা ডাঙৰ কোঠালি যেনহে ভাব হৈছিল। আমি সোমোৱাৰ লগে লগে ছাত্ৰ-ছাত্ৰীবোৰ একেলগে থিয় হ'ল। কোঠালিটো লগে লগে ধূলিৰে ভৰি পৰিল। তলত ফটা কাগজৰ দ'ম, চক মাটিৰ টুকুৰা, সৰু সৰু শিলগুটি আৰু ভঙাছিঙা পকা- 'গোহালি এটাও চাগৈ ইয়াতকৈ বহুত চাফা হ'ব,' মই মনে মনে ভাবিলোঁ।

"ইয়াৰ বেঞ্চবোৰ ক'লৈ গ'ল?"

"ভাঙিলে। কিছুমান চুৰি হ'ল।"

"কিয় চকীদাৰজন নাই জানো?"

"নাই। এজন আগতে আছিল। তেওঁ যোৱা বছৰ ঢুকুৱাৰ পিছত নতুন কোনোৰে কামত যোগ দিয়া নাই।"

পিছফালৰ পৰা কোনোবা এটাই চিঞৰিলে-

"চাৰ, মই বাহিৰলৈ যাওঁ" (সি বোধহয় পেছাব কৰিবলৈ যোৱাৰ কথা কৈছিল)।

একো উত্তৰ শুনাৰ আগেয়েই সি বেৰৰ মাজত থকা ফুটা এটাৰে ওলাই বাহিৰলৈ লৰ মাৰিলে। কোঠালিত থকা কেঁচুৱা এটাই কান্দিবলৈ আৰম্ভ কৰিছিল। শ্ৰেণী কোঠাৰ একেবাৰে পিছফালে বহা ছোৱালী এজনীৰ বোকোচাত কেঁচুৱা এটা দেখিবলৈ পালোঁ।

"সেইটো কাৰ কেঁচুৱা?"

"তাই পঞ্চম শ্ৰেণীত পঢ়ে। মই তাইক কেঁচুৱাটো স্কুললৈ নানিবলৈ কেইবাবাৰো কৈছোঁ, কিন্তু তাই নুশুনে। ঘৰত কেঁচুৱাটো ৰাখিবলৈ কোনো মানুহ নাই। ঘৰৰ মানুহে তাইক স্কুলত পঢ়া বাদ দিবলৈ কৈছে কিন্তু তাই তাৰ সলনি কেঁচুৱাটোকে স্কুললৈ লৈ আনে।"

সেই সময়তে থাৰো মাষ্টৰনী হাতত কিছু খোৱা বস্তু লৈ কোঠালিত প্ৰৱেশ কৰিলে। তাইৰ লগত বয়সীয়া মানুহ এজনো সোমাই আহিল। তেওঁ মোক ক'লে যে এইজন গাঁৱৰ প্ৰধান। ভিতৰলৈ সোমাই আহিয়েই তেখেতে মোক নমস্কাৰ জনালে। দুয়োজনে প্ৰায় একেলগেই ক'লে-

"এছ আই চাহাবৰ বাবে চাহ তাহ আনা।"

সুবিধাটো পাই মই আৰম্ভ কৰিলোঁ-

"প্ৰধান খুৰা, এই ভঙা আৰু ফুটা বেৰা, অনুপস্থিত শিক্ষক, এইবোৰ দেখি এনে লাগিছে যেন এইবোৰলৈ কোনেও একো চকু কাণ নিদিয়ে!"

"অহ্! শিক্ষিত মানুহবোৰে আমাৰ কথা ক'ত শুনিব! এইখন এখন চৰকাৰী বিদ্যালয়। চৰকাৰ আছে, আপোনাৰ দৰে লোক আছে।"

"ঠিকেই কৈছে চৰকাৰী বিদ্যালয়। তথাপি প্ৰধান চাহাবৰ ল'ৰা-ছোৱালী, তেওঁৰ নাতি নাতিনীসকলো এইখন বিদ্যালয়তে নপঢ়ে জানো। মই মাত্ৰ আপোনাক অকণমান চকু দিবলৈ কৈছোঁ"।

প্ৰায় খং উঠা ধৰণেৰে প্ৰধানে ক'লে-

"ল'ৰা-ছোৱালী কেইটাক ইয়াত পঢ়ুৱাই জীৱন নষ্ট কৰাতকৈ সিহঁতক চৰকাৰী বিদ্যালয়লৈ পঠোৱাকে বন্ধ কৰি দিলোঁ। যোৱা বছৰ গাঁৱৰ মানুহখিনিৰ লগ লাগি এম এল এ চাৰক চেয়াৰমেন হিচাপে লৈ এখন ইংৰাজী স্কুল খুলিলোঁ, মই তাৰে ভাইচ চেয়াৰমেন আৰু হেড পণ্ডিত তাৰ ছেক্ৰেটেৰী।"

"আমাৰ হেড মাষ্টৰৰ ল'ৰা-ছোৱালীও তাতে পঢ়ে নেকি?"

অকণো সঙ্কোচ নকৰাকৈ তেখেতে উত্তৰ দিলে -

"যোৱা বছৰলৈকে সিহঁত ইয়াতে পঢ়িছিল। এই বছৰৰ পৰা সিহঁতক ইংৰাজী স্কুলখনত নাম লগাই দিলোঁ।"

সেই সময়তে থাৰো মাষ্টৰনী সোমাই আহিল।

"চাৰ আহক, অলপ চাহ খাই ল'ব।"

"মই চাহ নাখাওঁ। আপোনালোকে আৰম্ভ কৰক" মই ক'লোঁ।

মই শ্ৰেণী কোঠাৰ পৰা বাহিৰলৈ ওলাই আহিলোঁ। প্লেটত ক্ৰীম ৰ'ল আৰু চাহ সজাই থোৱা আছিল।

"চাৰ আমাৰ গাঁৱত ইয়াতকৈ আৰু একো ভাল বস্তু পোৱা নাযায়। এখনো ভাল ৰেষ্টুৰেণ্ট নাই ইয়াত।"

হেড মাষ্টৰে যোগ দিলে-

"আগতে খবৰ এটা পোৱা হ'লে ভাতৰ যা-যোগাৰ

কৰিব পৰা গ'লহেতেঁন।"

প্ৰধানে ক'লে–

"আমাৰ হাতত এতিয়াও সময় আছে। আমি এতিয়াও আয়োজন কৰিব পাৰোঁ।"

তেওঁলোক আটাইকেইজন খুব উদগ্ৰীৱ হৈ আছিল। মই তেওঁলোকক বাধা দিলোঁ-

"মই ইতিমধ্যে বহুত খালো। চিন্তা নকৰিব।"

সেই সময়তে দুটা সৰু ল'ৰা সোমাই আহিল।

"চাৰ, এইখিনি ক'ত থওঁ?"

ল'ৰা দুটাই দীঘল বাঁহ এডালত কেইবাটাও বন্ধাকবি বান্ধি ওলোমাই লৈ আনিছিল। থাৰো মাষ্টৰনীয়ে ক'লে– "এইকেইটা এইমাত্ৰ বাৰীৰপৰা ছিঙি অনা। চাৰে এইকেইটা লৈ গ'লে আমি বৰ ভাল পাম।"

মই একে সময়তে কিছু আমোদ আৰু কিছু বিৰক্তি বোধ কৰিলোঁ। মই উত্তৰ দিলোঁ -

"মই ইয়াৰ পৰা বাহিৰে বাহিৰে অফিচলৈ যাব লাগিব। বেয়া নাপাব, মই এইকেইটা লৈ যাব নোৱাৰিম।"

কথা পাতি থকাৰ মাজতে দেৱাল ঘড়ীটোত দহ বজাৰ কোব মাৰিলে। মই তেওঁলোকক খোলাখুলিকৈ ক'লোঁ-

"অনুপস্থিত থকা এই শিক্ষকজনৰ ওপৰত আমি ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।"

মই "কাৰণ দৰ্শোৱা" ফৰ্মখন পূৰাই তাৰে এখন হেড মাষ্টৰৰ হাতত দিলোঁ।

"তেওঁক মোৰ কাৰ্য্যালয়লৈ পাঁচ দিনৰ ভিতৰত যেনে তেনে আহিবলৈ কৈ দিব।"

মই ইয়াৰ পাছত আৰু কথা নবঢ়ালোঁ। চাইকেলত উঠি চিধা অফিচ পালোঁগৈ। একেবাৰে পাগলখানা, সেই স্কুলখন। শেষৰ ফালে অফিচত উপস্থিত হোৱাৰ সময়লৈ মোৰ উশাহ বন্ধ হৈ যাব যেন লাগিছিল। সেইটো পৰিৱেশত শিশুৱে কেনেকৈ শিক্ষাগ্ৰহণ কৰিব পাৰিব ! মই অফিচতো বেছি সময় নাথাকিলোঁ। অফিচত ইন্সপেক্টৰৰ হাতত কাগজখন জমা দি চিধা ঘৰলৈ গুচি আহিলোঁ। মোৰ অৱস্থা বেয়া হৈ গৈছিল। ইমান দূৰ চাইকেলেৰে অহা যোৱা কৰাৰ ভাগৰ লগতে পেটত প্ৰচণ্ড ভোক।

ঘৰ পাওঁতে প্ৰায় এক বাজিলে। ঘৰৰ গেটৰ মুখত এখন স্কুটাৰ ৰাখি থোৱা আছিল। ঘৰৰ মুখত বন্ধাকবিৰ দ'ম এটা দেখি আচৰিত হ'লোঁ।

"এইবোৰ ক'ৰপৰা আহিল?"

"এই মানুহজনে আনিছে।" মোৰ পত্নীয়ে উত্তৰ দিলে।

মোৰ বহা কোঠালিত মানুহ এজন বহি আছিল। মোক দেখাৰ লগে লগে তেওঁ নমস্কাৰ কৰিলে। মোৰ ভাব হ'ল মই আগতে তেওঁক ক'ৰবাত দেখিছোঁ। মই কিবা ক'বলৈ পোৱাৰ আগতে তেওঁ আৰম্ভ কৰিলে-

"মই যদুমণি মাষ্টৰ। চাৰে আমাৰ স্কুলখন পৰিদৰ্শন কৰিবলৈ আহিছিল বুলি তেওঁলোকে মোক ক'লে। এম এল এ চাহাবৰ ঘৰত মোৰ কাম এটা আছিল বাবে মই আপোনাক লগ নাপালোঁ। চাৰে আমাৰ তাত চাহ ভাত একো নোখোৱাকৈ গুচি অহা বুলি শুনি বেয়া লাগিল।"

মই সকলো বুজি পালোঁ। সম্পূৰ্ণ এমাহ স্কুলত অনুপস্থিত থকা এইজনেই সেই শিক্ষকজন। মই তেওঁক ক'লোঁ-

"এইটো কেৱল আজিৰ কথা নহয় ডাঙৰীয়া। মই দেখা পাইছোঁ যে আপুনি গোটেই মাহটো স্কুলত অনুপস্থিত আছে।"

"এইটো নিশ্চয় আপোনাক বুঢ়া হেড মাষ্টৰটোৱে কৈছে। আচলতে তেওঁহে স্কুলত অনুপস্থিত আছে"– শিক্ষকজনে ক'লে।

কথাটো ভালদৰে বুজাবলৈ মই ৰেজিষ্টাৰ বহীখন উলিয়াই তেওঁক ক'লোঁ-

"কোনেও আপোনাক দোষ দিয়া নাই। এই ৰেজিষ্টাৰ বহীখনতে সকলো আছে।"

"অ' সেইখন ! আচলতে মই তাত চহী কৰা নাছিলোঁ। মই ভাবিছিলোঁ সময় সুবিধা হ'লে কোনোবা এদিন একেলগে কৰি থ'ম।"

শিক্ষকজনে তেতিয়াও স্বীকাৰ কৰা নাছিল আৰু কোনো সুৰুঙা নথকা সত্বেও পলাবলৈ চেষ্টা চলাই গৈছিল। মোৰ ভোকত অৱস্থা নাইকিয়া হৈছিল আৰু এইধৰণৰ কথাবোৰ শুনিবলৈ অলপো ইচ্ছা নাছিল। কিন্তু যিহেতু

এইটো মোৰ ঘৰ মই বহু কষ্ট কৰি নিজকে কিছু সংযত কৰি তেওঁক সুধিলোঁ-

"আপুনি কি ভাবি ইয়ালৈ আহিছে মোক ক'বনে?"

মুখত হাঁহি এটা লৈ তেওঁ ক'লে-

"আমি সকলো চাকৰিয়াল। এই কথাবোৰ চিঠি, জবাবদিহি এইদৰে বহলাই গৈ থকাতকৈ মই আপোনাক কথাটো ইয়াতে শেষ কৰি পেলাবৰ বাবে ক'বলৈ আহিছিলোঁ।"

এইবাৰ তেওঁ যিবোৰ কথা আৰম্ভ কৰিলে সকলোবোৰ মোৰ নীতি বিৰুদ্ধ কথা আছিল। কিন্তু যিহেতু এইটো তৰ্ক কৰাৰ বাবে উপযুক্ত ঠাই নাছিল, সেইবাবে মই মনে মনে থাকিলোঁ। মই তেওঁক ক'লোঁ-

"চাওক, আমি এইবোৰ কথা অফিচতে পাতিমগৈ। যদিও ইতিমধ্যে মই অফিচত কাগজখন জমা দি থৈ আহিছোঁ।"

শিক্ষকজনে মই কি কৈ আছোঁ ভালদৰে শুনিবলৈ চেষ্টা নকৰিলে। তেওঁ মোক ধমকি দি কথা ক'বলৈ আৰম্ভ কৰিলে-

"কোনো লাভ নাই এছ আই চাহাব, আপুনি তাতকৈ বিষয়টো ইয়াতে নিষ্পত্তি কৰক। আমি যদি বহলাই গৈ থাকোঁ পৰিণতি কিন্তু ভাল নহ'ব।"

মইও এজন মানুহহে! যদিও মই মোৰ খংটো নিয়ন্ত্ৰণত ৰাখিবলৈ চেষ্টা কৰিলোঁ তেওঁৰ কথাৰ ধৰণে মোক বিৰক্ত কৰি তুলিছিল। মই তেওঁক গালি পাৰি উঠিলোঁ-

"অনুগ্ৰহ কৰি এই মুহূৰ্ততে মোৰ ঘৰ এৰি যাওক। আমি যদি এইদৰে লাগি থাকোঁ সেইটো আপোনাৰ বাবে বৰ ভাল কথা নহ'ব। আপোনাৰ যি কৰিবৰ মন আছে কৰকগৈ।"

ইয়াৰ পাছতো মানুহজন লৰচৰ নহ'ল। গা জ্বলি যোৱা হাঁহি এটা মাৰি তেওঁ উত্তৰ দিলে-

"তেনেহ'লে আপোনাৰ বেয়া দিনৰ বাবে সাজু হওক। মইও ভৱিষ্যতে কি কৰিব পাৰি চাওঁ।"

তেওঁৰ স্পৰ্ধা দেখি আচৰিত হ'লোঁ। মোৰ মনৰ সেই খেলিমেলি অৱস্থাটোতে তেওঁ কেতিয়া ঘৰৰপৰা ওলাই গ'ল মই মন নকৰিলোঁ।

দুদিন পিছত এজন বয়সীয়াল লোক আমাৰ ঘৰলৈ আহিল। কিছু চিনাকি যেন লগা মানুহজন আমাৰ অফিচলৈ প্ৰায়ে আহি থাকে। তেওঁ মোক একেই আক্ৰমণাত্মক সুৰেৰে কথা ক'বলৈ আৰম্ভ কৰিলে। মোৰ বাবে দেখিছোঁ সকলো চিন্তিত।

তেওঁ আৰম্ভ কৰিলে-

"এছ আই চাহাব, সময় বৰ বেয়া বুজিছে। তেওঁলোকৰ কথা চিন্তা নকৰিব। সময়বোৰ একেবাৰে জৰাগ্ৰস্ত হৈ পৰিছে আৰু আপুনি বা মই তাক ঠিক কৰিব নোৱাৰোঁ। সমাজখনো বৰ দুৰ্বল হৈ পৰিছে। লওক এই টকাকেইটা ৰাখক। আমি সেই মানুহজনক সলনি কৰিব নোৱাৰোঁ। আপুনি চাগৈ শিক্ষকবোৰৰ ধুনীয়া গাড়ী ঘৰ আদি দেখিছে। আমি যদি নিজৰ দুখ চিন্তা আদি এৰিব খোজোঁ বহু সময়ত একো নেদেখা বা নুশুনা ভাও জুৰি আগবাঢ়ি যাব লাগিব। মাত্ৰ আপোনাৰ দৰমহাটোৰ বাবেহে চিন্তা ৰাখিব।"

তেওঁৰ কথাৰ ধৰণে মোৰ খং আৰু বঢ়াই তুলিছিল। তেওঁ মোৰ ঘৰলৈ অহা বাবে তেওঁৰ লগত গালি পাৰি কথা নাপাতি কিছু ভদ্ৰ ভাবেৰেই তেওঁক ক'লোঁ-

"যদি সেই শিক্ষকজনৰ বিষয়ে কিবা ক'বলৈ আহিছে তেনেহ'লে অনুগ্ৰহ কৰি আপুনি যাওকগৈ। মই আগতে যি কৈছিলো তাকে কৰিম। বাকীবোৰ কাম মোৰ ওপৰৰ কেইজনে কৰিব।"

বয়সীয়া মানুহজনে বৰ এটা গুৰুত্ব নিদিলে। তেওঁৰ মুখত কোনো লাজ পোৱাৰ ভাবো দেখা নাপালোঁ-

"ঠিক আছে, আপুনি যেতিয়া মোৰ কথা নুশুনিলে মই যাওঁগৈ আৰু"- তেওঁ ক'লে।

আজি 'জবাবদিহি' কৰাৰ অন্তিম দিন আছিল, সময় দিয়া হৈছিল দুপৰীয়া এক বজাৰ আগতে। কিন্তু তাৰ পাছতো তেওঁ দেখা দিবলৈ নাহিল। তেওঁ আৰু তেওঁ পঠিওৱা মানুহজনৰ ইতিকিংজনক কথা আৰু আজিৰ এই অনুপস্থিতিয়ে মোক বৰ বেয়াকৈ অপমানিত কৰিছিল। মই চিধা ইন্সপেক্টৰৰ কোঠালিত সোমালোঁগৈ। মই তেখেতক গোটেই কাহিনীটো ক'লোঁ। তেখেতে মোৰ কথাখিনি ভালদৰে শুনি ক'লে-

"তেওঁৰ দৰমহা বন্ধ কৰি দিয়ক।"

প্ৰায় লগে লগে "দৰমহা বন্ধ"ৰ বিজ্ঞপ্তিখন প্ৰেৰণ কৰা হ'ল। মই বিজয়ী মনোভাবেৰে ঘৰলৈ ঘূৰি আহিলোঁ।

মই মনতে ক'লোঁ, "দেখা যাওক কিমান দিন তেওঁ আঁতৰি থাকিব পাৰে।"

কিন্তু মানুহজন অসম্ভৱ গোঁৰাৰ আছিল। তেওঁ এদিনৰ বাবেও অফিচলৈ নাহিল। মই মাত্ৰ তেওঁ খবৰটো পাইছে বুলি শুনিবলৈ পালোঁ। দৰমহাৰ দিনটো আহিল। মই অফিচত বহি মোৰ দৰমহাটো ল'বৰ বাবে অপেক্ষা কৰি আছিলোঁ। অফিচৰ পিয়ন কুল্লু সোমাই আহিল-

"চাৰে আপোনাক তেওঁৰ কোঠালৈ মাতিছে।"

মই ইন্সপেক্টৰৰ কোঠালিলৈ সোমাই গ'লোঁ। প্ৰাইমাৰী স্কুলৰ শিক্ষকজন মাজত বহি আছিল। আনজন মানুহ আছিল মোৰ ঘৰলৈ অহা বয়সীয়া মানুহজন। মোক সোমাই অহা দেখি ইন্সপেক্টৰে ক'লে-

"বহক। যদুমণি মাষ্টৰে হেনো আমাক আজি ফলৰ ৰস খুৱাব।"

মোৰ চকুৰ সমুখত সকলো পৰিষ্কাৰ হৈ পৰিল। সেই সময়তে ল'ৰা এজনে ফলৰ ৰসৰ গিলাচকেইটা ভিতৰলৈ লৈ আনিলে।

মই কিবা কোৱাৰ আগতেই শিক্ষকজনে ইন্সপেক্টৰক ক'লে-

"চাৰ, অৰ্ডাৰটো নোহোৱাকৈ যদি.............প্লীজ।"

কোনো সঙ্কোচ নোহোৱাকৈ ইন্সপেক্টৰে কিবা এটা লিখি তেওঁৰ হাতত দিলে। তাৰ পিছত তেওঁ মোৰ ফালে ঘূৰি ক'লে-

"এছ আই চাহাব, যদুমণি মাষ্টৰক এইবাৰলৈ ক্ষমা কৰি দিয়ক।"

তেখেতে অনুমান কৰিছিল যে মই কিবা এটা ক'বলৈ ওলাইছোঁ গতিকে মোক কোনো সুযোগ নিদি তেখেতে মোৰ হাতত কাগজ কিছুমান গুঁজি দিলে। খুব সম্ভৱ তিনিখন কাগজ- এখন এম এল এ চাহাবৰ, এখন গাঁৱৰ প্ৰধানজনৰ আৰু তৃতীয়খন হেড মাষ্টৰ আৰু অন্য শিক্ষকসকলৰ— য'ত কোৱা হৈছে যে যদুমণি মাষ্টৰ স্কুললৈ নিয়মিত আহে।

ইন্সপেক্টৰে কৈ গ'ল-

"এই কাগজ কেইখন ফাইলটোত ভৰাই থওক আৰু ইন্সপেকছন ৰিপৰ্টটো নষ্ট কৰি পেলাওক।"

নতুন চকী এখনত বহাৰ সময়তে মই এইটো এটা ডাঙৰ শিক্ষা পালোঁ। মই আৰু এক মুহূৰ্তও নোৰোৱাকৈ বাহিৰলৈ ওলাই আহিছিলোঁ। পিছফালৰপৰা ইন্সপেক্টৰে মাতিছিল-"টম্বা চাহেব- ফলৰ ৰসখিনি থাকিল...."

মই মাত্ৰ কৈছিলোঁ- "থাকিব দিয়ক চাৰ"

খুব বেছি চাৰি পাঁচ খোজ দিওঁতেই বয়সীয়া মানুহজনৰ মাত কাণলৈ আহিছিল

"ইয়াকে কয় নকইনাই ঘৰ মোছা ষ্টাইল, সময়ত লাহে লাহে শিকিব।"

তিনিওজনে মিলি অট্টহাস্য কৰি উঠিছিল। মই ভিতৰলৈ জাঁপ মাৰি গৈ তিনিওজনকে ডিঙি চেপি ধৰিমগৈ যেন লাগিছিল। সেই সময়তে, কুল্লু পিয়ন আহি মোক কৈছিল- "কেছিয়াৰ চাৰে আপোনাক দৰমহাটো ল'বৰ বাবে মাতিছে।"

বয়সীয়া মানুহজনে মোৰ ঘৰত কোৱা কথাবোৰ মনত পৰিছিল-

"আজিৰ দিনত আমি যদি শান্তিৰে থাকিব বিচাৰোঁ আমি একো নুশুনা বা একো নেদেখা ভাও জুৰিব লাগিব। আমি মাত্ৰ আমাৰ দৰমহাটো ঠিকেই পাই থকা কথাটোতহে মন দিব লাগিব।"

মোক কৰা ইতিকিংযুক্ত ব্যৱহাৰৰ কথা ভাবি এটা বিষাদৰ হুমুনিয়াহ ওলাই আহিল। কেছিয়াৰৰ টেবুলৰ ওচৰলৈ আগবাঢ়ি গ'লোঁ আৰু চিন্তা কৰিলোঁ-

"মই আকৌ সেই বিদ্যালয়খনলৈ পৰিদৰ্শনৰ বাবে যোৱা উচিত হ'বনে !"

●

# ‘ফ’ৰ মান্থছ, থ্ৰি উইকছ এণ্ড টু ডে’জ’

**বিনয় মোহন শইকীয়া**

দ্যা গাৰ্ডিয়ান কাকতৰ এগৰাকী চলচ্চিত্ৰ আলোচক বেঞ্জামিন লীৰ ‘মোৰ প্ৰিয় কান বিজয়ী’ নামৰ ৰচনাত লেখকে এখন বিশেষ চলচ্চিত্ৰৰ কথা কৈছে, যিখন “কমিউনিষ্ট ৰোমানিয়াৰ পটভূমিত নিৰ্মিত, চাই থাকোঁতে কদৰ্য্য সামাজিক ব্যৱস্থাৰ এখন নিৰ্দয় চলচ্চিত্ৰ হ’ব যেন বোধ হয়। যিখন আচলতে হয়ো। কিন্তু লগতে আশ্চৰ্য্যজনকভাৱে এইখন এখন শ্বাসৰূদ্ধকাৰী থ্ৰিলাৰো।” চলচ্চিত্ৰখন হৈছে ‘ফ’ৰ মান্থছ, থ্ৰি উইকছ এণ্ড টু ডে’জ’। ২০০৭ চনত মুক্তিপ্ৰাপ্ত এই ৰোমানিয়ান চলচ্চিত্ৰখনৰ চিত্ৰনাট্য আৰু নিৰ্দেশনা ক্ৰিষ্টিয়ান মুংগিউৰ। কাহিনীৰ সময় ১৯৮৭ চন। দুগৰাকী বিশ্ববিদ্যালয়ৰ ছাত্ৰী অটিলিয়া আৰু গেবিটা এটা হোষ্টেলৰ ৰুমমেট। তেওঁলোক দুয়ো হোষ্টেলৰপৰা বাহিৰৰ কোনো এখন ঠাইলৈ দুই তিনিদিনৰ বাবে যাবলৈ প্ৰস্তুতি চলাইছে, তাৰ বাবে প্ৰয়োজনীয় চাবোন, চিগাৰেট আদি সাধাৰণ বস্তুবোৰ হয় হোষ্টেলৰ আন আবাসীসকলৰ পৰা ধাৰে লৈছে, অথবা নোৱাৰিলে কিনিও লৈছে। গেবিটাই এই সময়খিনি সৰুসুৰা কাম কৰি কোঠাতে কটাইছে, তেওঁক যথেষ্ট নাৰ্ভাছ যেন লগা হৈছে আৰু বস্তু গোটোৱাৰপৰা ধন ধাৰে লোৱালৈকে সকলো কাম অটিলিয়াই কৰি গৈছে। ধনৰ জোৰা মাৰিবৰ বাবে অটিলিয়াই তেওঁৰ প্ৰেমিক আডিক লগ ধৰিছে। আডিয়ে সেইখিনি সময়তে অটিলিয়াক জনাইছে যে সেইদিনা সন্ধিয়ালৈ তেওঁলোকৰ ঘৰত মাকৰ জন্মদিন উপলক্ষে আয়োজিত পাৰ্টিলৈ অটিলিয়া যেন যেনে তেনে আহে। প্ৰথমে অটিলিয়াই সেই নিমন্ত্ৰণ ৰক্ষা কৰিব নোৱাৰিব বুলি কয় যদিও আডি অত্যন্ত বিমৰ্ষ হৈ পৰাত তেওঁ তালৈ যাবলৈ সন্মতি প্ৰদান কৰে।

আডিৰ কাষৰপৰা এইবাৰ অটিলিয়াই গেবিটাই বুক কৰি থোৱা হোটেল এখনলৈ যায় আৰু তাত কোঠাৰ সন্ধান কৰে। কিন্তু তাত তেওঁৰ নামত কোনো কোঠা বুক কৰা হোৱা নাই বুলি জানিব পাৰি অটিলিয়াই নিজাববীয়াকৈ অন্য এখন হোটেললৈ গৈ খুব অনুনয় বিনয় কৰি এটা বেছি ভাড়াৰ কোঠা বুক কৰিবলৈ বাধ্য হয়। এইবাৰ অটিলিয়াই বেবে নামৰ লোক এজনৰ সন্ধানত এখন নিৰ্দিষ্ট ঠাইলৈ যায়। এই বেবেক অটিলিয়াই চিনি নাপায়, গেবিটাইহে তেওঁৰ লগত আগতে যোগাযোগ কৰিছিল। অৱশেষত অটিলিয়াই পথৰ কাষত ৰখাই থোৱা কাৰত এজন

মানুহ দেখা পায় আৰু তেৱেঁই বেবে বুলি জানি আশ্বস্ত হয়। কিন্তু বেবেই অটিলিয়াৰ পৰিচয় পাই তেওঁৰ ওপৰত ক্ষুণ্ণ হৈ পৰে, কাৰণ গেবিটাইহে তেওঁক নিজে লগ কৰাৰ কথা। লগতে যিখন হোটেল বেবেই নিৰ্বাচন কৰিছিল তাৰ সলনি অন্য এখন হোটেলহে ঠিক কৰা হৈছে বুলি জানি তেওঁৰ খঙৰ মাত্ৰা চৰি যায়। ইয়াৰ পাছত অটিলিয়াই বেবেৰ সৈতে গৈ গেবিটাক সেই নিৰ্দিষ্ট কোঠাটোত লগ পায় আৰু তেতিয়াই তেওঁলোকৰ সেই বিশেষ আয়োজনৰ বিষয়ে গম পোৱা যায়। তেওঁলোকৰ এই আয়োজন হৈছে গেবিটাই ধাৰণ কৰা অনাকাংক্ষিত গৰ্ভৰ অন্ত পেলোৱা। কিন্তু ৰোমানিয়াত যিহেতু গৰ্ভপাত কৰাটো আইনতঃ নিষিদ্ধ, গতিকে তেওঁলোক বেবেৰ দৰে লোকৰ ওচৰত শৰণাপন্ন হৈছে যাতে গোপনে সেই কাম সম্পন্ন কৰিব পৰা যায়।

এই পটভূমিত কাহিনী আগবাঢ়িছে। গেবিটা, বেবে আৰু অটিলিয়াৰ মাজৰ আলোচনাত এই কথা পৰিষ্কাৰ হৈছে যে যদিও গেবিটাই তেওঁৰ গৰ্ভধাৰণৰ সময় দুমাহ বুলি বেবেক জনাইছিল, তেওঁ প্ৰকৃততে চাৰি মাহৰ ওপৰকাল গৰ্ভধাৰণ কৰিছে। সময় বাঢ়ি যোৱাৰ বাবে আগৰ যি পৰিমাণৰ ধন বেবেক দিব লাগিব বুলি চুক্তি হৈছিল সেই পৰিমাণ বাঢ়ি গ'ল আৰু তেওঁলোকৰ হাতত অতিৰিক্ত ধন নথকাত বেবেই সেই ৰিস্ক ল'বলৈ অমান্তি হ'ল। কাৰণ চাৰি মাহৰ ওপৰকাল গৰ্ভধাৰণ হোৱা মানে বিপদৰ আশংকা বহুখিনি বাঢ়ি যোৱা। বেবেই অকণো লুক-ঢাক নকৰাকৈ কৈ গ'ল যে তেওঁ যি পদ্ধতিৰে গৰ্ভপাত কৰিব ওলাইছে তাত অতিপাত ৰক্তক্ষৰণ হ'ব পাৰে, ভয়ানক সংক্ৰমণ হ'ব পাৰে আৰু সৰ্বোপৰি, হোটেলৰ কৰ্মচাৰীয়ে কেনেবাকৈ এই কথা গম পালে আটাইৰে জেলযাত্ৰা যে হ'বই তাত কোনো সন্দেহ নাই। গেবিটাই সকলো ধৰণৰ বিপদৰ সন্মুখীন হ'বলৈ সাজু হ'ল যদিও ধনৰ জোৰা মৰাৰ কোনো গ্ৰহণযোগ্য সমাধানৰ পথ পোৱা নগ'ল। অৱশেষত তেওঁলোক এটা বুজাপৰালৈ আহিল আৰু সেই মতে বেবেৰ ওচৰত অটিলিয়াই নিজকে সমৰ্পণ কৰিবলগীয়া হ'ল। বেবেৰ ওচৰত নিজকে সমৰ্পণ কৰাৰ গ্লানি আৰু গেবিটাই গৰ্ভধাৰণৰ সময়ৰ লগতে কোৱা আন দুটামান মিছা আৰু সন্দেহজনক কথাই অটিলিয়াৰ মন তিক্ত কৰি তোলে যদিও তেওঁ বান্ধৱীগৰাকীক এই বিপদত সহায় কৰাৰ পৰা নিজকে আঁতৰ কৰিব নোৱাৰে। বেবেই নিজৰ পদ্ধতিৰে গেবিটাক গৰ্ভপাত কৰাৰ কাম সম্পন্ন কৰিলে আৰু ফল পাবৰ বাবে অপেক্ষা কৰিবলৈ নিৰ্দেশ দিলে। তেওঁ গেবিটাক যেনেদৰে বিছনাত শুৱাই থৈ গ'ল তাৰ যাতে হীনডেঢ়ি নহয় তাক বাৰম্বাৰ সোঁৰৰাই থৈ তাৰপৰা তেওঁ প্ৰস্থান কৰিলে। পৰিস্থিতি যিমানেই বেয়া নহওক কিয় কেতিয়াও যাতে হোটেলৰ কোনো কৰ্মচাৰীক মতা বা এম্বুলেন্স বিচৰাৰ দৰে কাম কৰা নহয়, সেই বিষয়ে যোৱাৰ সময়ত সাৱধান কৰি দিবলৈ বেবেই নাপাহৰিলে। মানসিক গ্লানি আৰু সম্ভাব্য ভয়ানক বিপৰ্য্যয়ৰ মুখামুখি হ'বলৈ দুই বান্ধৱী হোটেলৰ কোঠাত অপেক্ষা কৰিলে। হোটেলৰ কোঠাৰ ভিতৰখনৰ আন আচবাববোৰৰ দৰে দুটা প্ৰাণীও নিঠৰ হৈ ৰ'ল। এটা সময়ত অটিলিয়াই গেবিটাৰ বিছনাৰ কাষত হাতে ঢুকি পোৱা দূৰত্ব এগিলাচ পানী থৈ আডিৰ মাতৃৰ জন্মদিনৰ পাৰ্টিলৈ যাবলৈ ওলাল। ট্ৰামে বাছে গৈ অটিলিয়াই যেতিয়া আদিৰ ঘৰত উপস্থিত হ'ল, ফুলৰ থোপা নিনিয়াৰ বাবে তেওঁ আডিৰ কথা শুনিবলগীয়া হ'ল। পাছত তাত গোট খোৱা আডিৰ পিতৃ-মাতৃ আৰু অতিথিসকলৰপৰা পুতৌ আৰু মৃদু ককৰ্থনাৰো সন্মুখীন হ'বলগীয়া হ'ল অটিলিয়া। আডিৰ ওচৰত থাকোঁতেও অটিলিয়াৰ মন হোটেলৰ কোঠাৰ সম্ভাব্য ঘটনাক লৈ আচ্ছন্ন হৈ থাকিল আৰু গেবিটাৰ সৈতে সংযোগ স্থাপন কৰিবলৈ দুবাৰ চেষ্টা কৰিও তেওঁ ব্যৰ্থ হ'ল। অতিথিসকলৰ মাজৰপৰা আহি আডিৰ কোঠাত দুয়ো লগ হ'ল আৰু তেওঁ আডিক গেবিটাৰ গৰ্ভপাতৰ কথা জনালে। এইবাৰ অটিলিয়াই আডিৰপৰা এই কথা জানিব বিচাৰিলে যে যদি অটিলিয়া অন্তঃসত্বা হয় তেওঁ কি কৰিব। আডিৰপৰা কোনো সদুত্তৰ নাপাই ক্ষুণ্ণ অটিলিয়া গেবিটাৰ কাষলৈ যাবলৈ সাজু হ'ল। জনপ্ৰাণীহীন পথেৰে বাছ ট্ৰাম বিচাৰি অটিলিয়া গেবিটাৰ কাষলৈ আগবাঢ়িল। যিয়েই নহওক, বান্ধৱীৰ সহায়ৰ অৰ্থে অটিলিয়াই স্বআৰোপিত দায়িত্ব যে পালন কৰিবই সেই কথা তেওঁৰ চকুৱে মুখে ফুটি উঠা দেখা গ'ল।

ইয়াৰ পাছত কাহিনীয়ে দৰ্শকে কল্পনা কৰাতকৈ ভিন্ন ধৰণে এক অনাকাংক্ষিত পথেৰে অন্তিম দৃশ্যৰ দিশে আগবাঢ়িছে। পূৰ্বে উল্লেখিত আলোচকগৰাকীয়ে তেওঁৰ লেখাৰ শেষত কৈছে, "আমি সকলোৱে অটিলিয়া আৰু গেবিটাৰ সৈতে দুঘণ্টা সময় সেই অসহ্যকৰ পৰিস্থিতিত কটাই দিলো আৰু অকণমানো আশাৰ ৰেঙণি থকা ভৱিষ্যতৰ ছবি আমি তাত দেখা নাপালো। থ্ৰিলাৰবোৰত তাৰ

চৰিত্ৰবোৰে প্ৰায়ে ভয়ানক পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হয়, কিন্তু এনে থ্ৰিলাৰ খুব কমেইহে আছে যি সন্মুখত কি ভয়ানক পৰিস্থিতিয়ে অপেক্ষা কৰিছে সেই কথাৰ ভাবনাই আপোনাকো আচ্ছন্ন কৰি ৰাখিব পাৰে।"

এজন বন্ধুৰ মুখত শুনা এটা সঁচা কাহিনীৰপৰাই চলচ্চিত্ৰখনৰ কাহিনীটোৰ পৰিবৰ্ধন ঘটাইছে বুলি নিৰ্দেশকগৰাকীয়ে উল্লেখ কৰিছে। যদিও গৰ্ভপাতক কেন্দ্ৰ কৰি কাহিনীটো গঢ় লৈ উঠিছে এই সমস্যাটোতকৈ সেই সময়ৰ ৰাজনৈতিক পৰিস্থিতি আৰু সেই পৰিস্থিতিত পিষ্ট জনসাধাৰণৰ অসহায়তাৰ চিত্ৰখনহে বেছিকৈ উপস্থাপন কৰিব বিচাৰিছে বুলি অনুভৱ কৰিব পাৰি। এগৰাকী আলোচকে চলচ্চিত্ৰখনক 'মিনিমেলিষ্ট' ষ্টাইলৰ বুলি কৈছে য'ত 'কমেই বেছি' হৈ ধৰা দিছে। ইয়াৰ কেমেৰাৰ কাম ইমান সৰল অথচ পৰিপূৰ্ণ যে কেতিয়াবা হাতেৰে ধৰি তোলা ছবিও শ্বাসৰূদ্ধকাৰী হৈ পৰিছে। বিছনাত ভৰি দুখন কোঁচাই অলৰ-অচৰকৈ শুই থকা গেবিটা, তেওঁৰ পৰা অলপ আঁতৰত এখন চকীত বহি থকা অধোমুখী অটিলিয়া আৰু কিছু দীঘলীয়া সময়ৰ বাবে স্তব্ধ হৈ ৰোৱা সময়ৰ এই দৃশ্যটোত দৰ্শকো স্তব্ধ নহৈ নোৱাৰে। ঠিক সেইদৰে শেষৰফালৰ বাথৰূমৰ দৃশ্যটো যেনেদৰে বৈ গৈছে, তাত গোটেই সময়খিনি দৃষ্টি ৰাখিব পৰা দৰ্শকো নিশ্চয় কমেই ওলাব। অন্য এগৰাকী আলোচকে ইয়াক 'সমাজ-বাস্তৱিক ৰহস্যেৰে আবৃত দুঃস্বপ্ন' বুলি উল্লেখ কৰিছে। যথেষ্ট পোহৰত তোলা সুন্দৰ ছবিৰ যি হলিউডী ষ্টাইল তাৰ সম্পূৰ্ণ বিপৰীত ৰূপত নিৰ্মাণ কৰা আন্ধাৰ পোহৰৰ এই চলচ্চিত্ৰখন পৰম্পৰাৰ বিপৰীতে অকলশৰে জিলিকি আছে নিজা পোহৰত। এগৰাকী সাংবাদিকে চলচ্চিত্ৰখনক হিচককক ষ্টাইলৰ বুলি মন্তব্য কৰি কৈছে যে প্ৰতি মুহূৰ্ততে আমি বোমাটো বিস্ফোৰণৰ বাবে অপেক্ষা কৰি থকাৰ দৰে লাগিছে, যিকোনো সময়তে ঘোষণা হ'ব পাৰে দীঘলীয়া কাৰাদণ্ডৰ ৰায়, অথবা লাহে লাহে আগবাঢ়ি আহিব পাৰে অৱধাৰিত মৃত্যু। তাৰ যেন কাউণ্ট ডাউন আৰম্ভ হৈ গৈছে, ৪ (মাহ), ৩ (সপ্তাহ), ২ (দিন), ...।

চলচ্চিত্ৰখনৰ কৃতিত্বৰ সিংহভাগ নিৰ্দেশক গৰাকীলৈকে যাব যদিও, চলচ্চিত্ৰখনত কৰা অটিলিয়াৰ অভিনয়ে চলচ্চিত্ৰখন চাই থকাৰ সময়ত আৰু তাৰ পাছৰ সময়তো দৰ্শকক এনেদৰে আৱৰি ৰাখে যে তাৰপৰা ওলাই আহিবলৈ বেছ কিছু সময়ৰ প্ৰয়োজন হয়। এই কথাও স্বীকাৰ কৰিবই লাগিব যে চলচ্চিত্ৰখনৰ সফলতাত কেমেৰা, পোহৰ নিয়ন্ত্ৰণ, সম্পাদনা, আদিৰ দায়িত্বত থকাসকলো কম কৃতিত্বৰ অংশীদাৰ নহয়।

২০০৭ চনৰ কান ফিল্ম ফেষ্টিভেলৰ শ্ৰেষ্ঠ চলচ্চিত্ৰৰ বঁটা লাভ কৰা চলচ্চিত্ৰখনে ইউৰোপিয়ান ফিল্ম এৱাৰ্ডতো শ্ৰেষ্ঠ চলচ্চিত্ৰৰ বঁটা লাভ কৰিবলৈ সক্ষম হয়। সেই বছৰৰ অস্কাৰৰ বিদেশী ভাষাৰ চলচ্চিত্ৰত ইয়াক মনোনয়নৰ পৰ্য্যায়লৈ উন্নীত নকৰাৰ বাবে যথেষ্ট বিতৰ্কৰ সৃষ্টি হয় আৰু এই বিতৰ্কৰ পাছত অস্কাৰৰ মনোনয়ন প্ৰক্ৰিয়াটোকে কিছু সাল-সলনি কৰিবলৈ একাডেমিৰ মুৰব্বীসকল বাধ্য হয়। একৈশ শতিকাৰ ১০০ খন শ্ৰেষ্ঠ চলচ্চিত্ৰৰ তালিকাত পঞ্চদশ স্থানত অধিষ্ঠিত চলচ্চিত্ৰখন আৰু বহুকেইটা আন্তৰ্জাতিক বঁটাৰে বিভূষিত হৈছে।

*টোকা ঃ ৰোমানিয়াৰ কমিউনিষ্ট দলৰ মুৰব্বী, দেশখনৰ একনায়কত্ববাদী শাসক নিকোলাই চিউছেস্কুয়ে ১৯৬৬ চনত এখন অধিসূচনা জাৰি কৰি দেশখনত সকলো ধৰণৰ গৰ্ভপাত নিষিদ্ধ কৰে। এই অধিসূচনাৰ মূল লক্ষ্য আছিল দেশখনৰ ক্ৰমহ্ৰাসমান জনসংখ্যাৰ বৃদ্ধি ঘটোৱা। ইয়াত ধৰ্মীয় বাধা-নিষেধ, সদা প্ৰচলিত সামাজিক বিধি অথবা নৈতিকতা আদিৰ কোনো প্ৰভাৱ নাছিল। চৰকাৰৰ নাগৰিকৰ ওপৰত থকা অখণ্ড অধিকাৰ সাব্যস্ত কৰিয়ে এই আইন চালু কৰা হৈছিল। ইয়াৰ ফলত দেশখনত গৰ্ভপাতৰ বাবে নাগৰিকে বিভিন্ন ধৰণৰ বেআইনী ব্যৱস্থা গ্ৰহণ কৰিবলগীয়া হৈছিল আৰু তাৰ প্ৰায়বোৰ ফলেই আছিল বিষম; ধৰা পৰিলে হত্যাকাণ্ডৰ সম পৰ্য্যায়ৰ দণ্ড আৰু অন্যহাতে আসুৰিক পদ্ধতিৰ ফলত হোৱা অকাল আৰু ভয়ানক মৃত্যু। ৰোমানিয়াৰ গৰ্ভপাত নিষিদ্ধ আইন লাগু হৈ থকা সময়খিনিত (১৯৬৬-৮৯) অবৈধ আৰু আসুৰিক গৰ্ভপাতৰ ফলত প্ৰায় পাঁচ লাখ লোকৰ মৃত্যু হৈছিল বুলি কোৱা হয়। চিউছেস্কুৰ পতনৰ পাছত ১৯৮৯ চনত এই আইন বাতিল কৰা হয়।*

অভিজ্ঞতা

১৮৩৬ ৰ মাৰ্চ মাহত শদিয়ালৈ আহি আমেৰিকান বেপ্তিষ্ট মিছ্নৰ ৰেভ্ নাথান ব্ৰাউন আৰু ৰেভ্ আলিভাৰ কাৰ্টাৰ এই স্কুলৰ লগত জড়িত হৈ পৰিছিল। শেষলৈ তেওঁলোক জয়পুৰ, তাৰ পিছত শিৱসাগৰলৈ যায়গৈ।

# শদিয়াৰ অখ্যাত গাঁওখন

**ড° সমূদ্ৰ গুপ্ত কাশ্যপ**

মই শেষবাৰৰ কাৰণে শদিয়ালৈ গৈছিলো ২০১৭ চনৰ ১৭ মে'ত, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্ৰহ্মপুত্ৰৰ ওপৰত ৯.১৫ কি.মি ঢলা-শদিয়া সেতু উদ্বোধন কৰাৰ ঠিক ৯ দিন আগতে। সেইটো আছিল এক চমু যাত্ৰা। সেই সময়ৰ তিনিচুকীয়াৰ উপায়ুক্ত ৰঞ্জন চক্ৰৱৰ্তীয়ে সেতুখনৰ নিৰ্মাণকাৰী সংস্থা নৱযুগ ইঞ্জিনিয়াৰিং কোম্পানী লিমিটেডৰ মুখ্য প্ৰবন্ধকজনৰ লগত যোগাযোগ কৰি দিয়াৰ ফলত সংস্থাটোৰ ফালৰপৰা এজন কৰ্মচাৰী পঠাই দিছিল। সেই সময়ত সেতুখনত শেষ পৰশটো দিয়াৰ কাম চলি আছিল। সেইদিনা কাকপথাৰত মায়ামৰা হাতীগড় মুতনি সত্ৰৰ সত্ৰাধিকাৰ শ্ৰী চক্ৰেশ্বৰ মহন্ত প্ৰভুৰে বৰুণ দেৱতাক সন্তুষ্ট কৰিবলৈ আগবঢ়োৱা 'পূজা'ৰো মই প্ৰত্যক্ষদৰ্শী আছিলো। সেতুত থকা ১ ঘণ্টাৰ সময়ত য'তে ইচ্ছা ত'তে ৰৈছিলো আৰু মোৰ সৈতে যোৱা ফটোগ্ৰাফাৰ শ্ৰী দশৰথ দাসে যিমান পাৰে সিমান ফটো তুলিছিল। সেতু মুকলি কৰাৰ দিনা মোৰ ফেচবুক পেজত দিয়া ফটোসমূহো তেৰেঁই তুলিছিল।

সেতুখন পাৰ হৈ সিটো মূৰ পাই ন-শদিয়া নামৰ ঠাইখনত আমি ৰ'লো আৰু বিভিন্নজনৰ লগত সেতু সম্পৰ্কে কথা-বাৰ্তা হ'লো। সাত মাইলত গেলা-মালৰ দোকানী কৈলাস শৰ্মাই ক'লে যে তেওঁৰ আজো ককাক ব্ৰীজলাল শৰ্মা ৰাজস্থানৰ ফটেহপুৰ নামৰ ঠাইৰপৰা আহি ১৯০৯ চনত শদিয়াত দোকান পাতিছিল। ১৯৫০ চনৰ বৰ ভূঁইকম্পত শদিয়া নগৰখন ধ্বংসপ্ৰাপ্ত হোৱাত ১৯৫২ চনত দেউতাক দুৰ্গা শৰ্মাই দোকানখন বৰ্তমানৰ ঠাইলৈ স্থানান্তৰিত কৰিলে। দোকানী গাঁৱত বাসন্তী চুতীয়াৰ বাসগৃহত ধনেশ্বৰী চাবুকধৰা আৰু কেইবাগৰাকী মহিলাৰ লগতো কথা পাতিলো। তেওঁলোকৰ মতে চিকিৎসা সেৱাৰ বাবে ডিব্ৰুগড় বা তিনিচুকীয়ালৈ যাব লগাসকল প্ৰকৃততে উপকৃত হ'ব। যাঠিত ভৰি দিয়া ধনেশ্বৰী শিৱসাগৰ জিলাৰ জাঁজীত থকা মাকৰ ঘৰলৈ সঘন যাতায়তৰ সম্ভাৱনীয়তাত বেছ উত্তেজিত হৈ আছিল। গাঁওখনৰ অন্য এজন বাসিন্দা দেবানন্দ গগৈ অৱশ্যে সংযোগী পথত পৰ্য্যাপ্ত কালভাৰ্ট নথকাত

আগলৈ পানী জমা হৈ ডাঙৰ সমস্যা হোৱাৰ আশংকাত ভুগিছিল।

অৱশ্যে মোৰ মনটো আকৰ্ষিত কৰিছিল দোকানী গাঁৰৰ কিছু আগত পথৰ সোঁফালে থকা এখন বিদ্যালয়ে। ন শদিয়া চৰকাৰী প্ৰাথমিক বিদ্যালয় বুলি লিখা নাম-ফলকখনৰ মতে ১৮৩৪ চনতে বিদ্যালয়ৰ প্ৰতিষ্ঠা হৈছিল। মিলচৰ- 'দি ৰিপৰ্ট অন দি প্ৰভিঞ্চ অৱ আচাম'ত উল্লেখ থকা ১৮৩৫ চনত গুৱাহাটীত প্ৰতিষ্ঠা কৰা ইংলিচ স্কুল(বৰ্তমানৰ কটন কলেজিয়েট উচ্চতৰ মাধ্যমিক বিদ্যালয়)খনতকৈ এবছৰ আগৰ। ডাঙৰ কথা গুৱাহাটী স্কুলখনৰ কথা প্ৰায়েই উল্লেখ কৰা হয় অসমৰ প্ৰথমখন স্কুল বুলি আৰু সৰ্বজন স্বীকৃত, কিন্তু শদিয়াৰ স্কুলখনৰ কথা নামফলকখনৰ বাহিৰে ক'তো উল্লেখ নাই। স্কুলখনৰ প্ৰধান শিক্ষক পদ্মেশ্বৰ বুঢ়াগোহাঁইয়ে নিজকে শেষজন শদিয়া খোৱা গোহাঁইৰ বংশধৰ বুলি দাবী কৰে, সিজনক বৃটিছে ১৮২৬ চনত অসম অধিকাৰ কৰাৰ আগতে আহোম ৰজাই নিয়োগ কৰিছিল। বুঢ়াগোহাঁই স্কুলখন ১৮৩৪ চনৰে বুলি নিজৰ বিশ্বাসত অটল। মোৰ হাতত বৃটিছৰ পৰিদৰ্শন টোকাৰপৰা নকল কৰা এখিলা কাগজ আছে য'ত স্কুলখন প্ৰথমে কেইজনমান স্থানীয় ব্যক্তিয়ে ১৮২৮ চনতে বিদ্যালয় আৰু সাংস্কৃতিক কেন্দ্ৰ হিচাপে প্ৰতিষ্ঠা কৰিছিল। ইয়াত উল্লেখ আছে যে বৃটিছে শদিয়াত খুঁটি পোতাৰ পাছত ১৮৩৫ চনত এটা খেৰ বাঁহৰ ঘৰ সজাত সহায় কৰি দিছিল। তেওঁ দাবী কৰা মতে ১৮৩৬ ৰ মাৰ্চ মাহত শদিয়ালৈ আহি আমেৰিকান বেপ্টিষ্ট মিছনৰ ৰেভ্ নাথান ব্ৰাউন আৰু ৰেভ্ আলিভাৰ কাৰ্টাৰ এই স্কুলৰ লগত জড়িত হৈ পৰিছিল। শেষলৈ তেওঁলোক জয়পুৰ, তাৰ পিছত শিৱসাগৰলৈ যায়গৈ। পদ্মেশ্বৰ বুঢ়াগোহাঁয়ে কোৱা কাগজখন নাপালো যদিও স্কুলখনৰ কাহিনীটো থাউকতে উৰাই দিব পৰাও নাযায়। বৃটিছৰপৰা লব্ধ তথ্য মিলচৰ ৰিপোৰ্ট আদি মতে উল্লেখনীয় গাঁওসমূহত সংস্কৃত আৰু বিজ্ঞান শিক্ষা প্ৰদানৰ বাবে ৰাজহুৱা স্কুল আছিল। কিন্তু সেইবিলাক বন্ধ কৰি এটা সময়ত অসমীয়া মাধ্যমৰ বিদ্যালয় স্থাপন কৰা হৈছিল। শদিয়া চৰকাৰী প্ৰাথমিক স্কুলৰ জন্ম কথা বোধকৰো সেয়াই।

এইবছৰৰ মাৰ্চ মাহত আকৌ শদিয়ালৈ গৈছিলো। এইবাৰ মোৰ সহযাত্ৰী আছিল অসম অসামৰিক সেৱা নিবৃত্ত উচ্চপদস্থ বিষয়া আৰু কলেজৰ সহপাঠী প্ৰশান্ত বুঢ়াগোহাঁই। শদিয়াৰ লোক বুঢ়াগোহাঁই ভূগোল বিজ্ঞানৰ ছাত্ৰ হোৱাৰ উপৰিও তেওঁৰ আছিল শদিয়া অঞ্চল আৰু ব্ৰহ্মপুত্ৰ অৱবাহিকাৰ ওপৰত প্ৰচুৰ জ্ঞান। কিৰেং চেন্ মাও লুঙৰ পৰা অহা চ্যুকাফাৰ এজন সেনা বিষয়াৰ ২৬ পিৰিৰ লোক বুঢ়াগোহাঁই। মাও লং আছিল ১২২৪ চনত উজনি বাৰ্মাৰ মংমাও বা মং মাউৰ লঙৰ ৰাজধানী। বুঢ়াগোহাঁই এক চলন্ত বিশ্বকোষ। আমাৰ গাড়ী ১৫ কি.মি. আগুৱাই গৈ লৱাৰ দিবাং ভেলী জিলাৰ (অৰুণাচল প্ৰদেশ) বল পালেগৈ। তাতে আছে ২০১৮ চনত স্থাপন কৰা ভূপেন হাজৰিকাদেৱৰ এটা প্ৰতিমূৰ্তি। সেই কাহিনী পাচলৈ থলো।

শদিয়াত ২৪ ঘণ্টা থাকি মই সেই স্কুলখনৰ বিষয়ে অধিক জানিবৰ বাবে আকৌ তালৈ যাত্ৰা কৰিলো। কিন্তু মোৰ ভুল হ'ল বুঢ়াগোহাঁইক আগতীয়াকৈ খবৰ দিয়া নাছিলো বাবে স্কুলখন স্থাপন কৰাৰ তথ্য থকা কাগজখন মোক দিব নোৱাৰিলে। এইবাৰ তেওঁ স্কুলখন স্থাপন কৰাৰ লগত জড়িত থকা কেইজনমান লোকৰ নাম উল্লেখ কৰিলে। তেওঁলোক আছিল গোপী বুঢ়াগোহাঁই, ধনাই কাণ্ডুম, মনাই কাণ্ডুম আৰু ৰানুৱা গোহাঁই। ইয়াৰ ভিতৰত খামটি ডেকা ৰানুৱা ১৮৩৯ চনত এটা বৃটিছ খুঁটি আক্ৰমণৰ লগত জড়িত আছিল য'ত নেকি বহুতৰ ভিতৰত কৰ্ণেল আডাম হোৱাইটৰ মৃত্যু হৈছিল। ১৮৩৪ তে স্থাপন হোৱা স্কুলখন ১৯৫০ চনৰ বৰ ভূঁইকঁপত ধ্বংস হৈছিল আৰু তাৰ পাচত ১৯৫২ চনত ন-শদিয়াত নতুনকৈ নিৰ্মাণ কৰা হৈছিল। ২০০৮ চনত চৰকাৰৰ সৰ্বশিক্ষা আঁচনিৰ অধীনত নতুনকৈ বৰ্তমানৰ ঘৰটো সজা হয়। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৪০ জন। ১৯৫০ চনৰ আগৰ স্কুলখনৰ ঘৰটো দেখা পোৱা বুলি ৮২ বছৰীয়া বৃদ্ধ ভৱ গগৈয়ে জনালে আৰু ভূঁইকঁপৰ দিনটোৰ কথাও ৰোমন্থন কৰিলে। 'প্ৰাচুৰ্য্যৰে ভৰা শদিয়া টাউনখন নদীগৰ্ভত জাহ যোৱা মই নিজ চকুৰে দেখা। মোক ধৰি কেইজনমানহে জীয়াই আছো সেই সময়ৰ কাহিনী ক'বলৈ'। এই স্কুলখনো এটা কাহিনী। সেয়া তালৈ গৈ জনাহে কথা।

●

সমুদ্ৰতীৰলৈ গ'লো। সমুদ্ৰৰ পানীত নানামিলেও ৰ লাগি চাব পাৰি এই বিশাল প্ৰাকৃতিক দৃশ্য। আকাশে সাগৰক স্পৰ্শ কৰা দৃশ্য তুলনাবিহীন। পাৰৰ বলুকাৰাজিত বিভিন্ন খেলৰ সমাহাৰ।

# ছিডনী, ছিডনী, ছিডনী হেঁপাহৰ জিলিঙনি

**কস্তুৰী নিভা গগৈ**

২০২২ চনৰ এপ্ৰিলৰ ২৮ তাৰিখ (বৃহস্পতিবাৰে) পিছবেলা মেলবৰ্'ৰ্ণস্থিত বৰজী-জোঁৱাই নাতি ল'ৰাৰ সৈতে মই, মোৰ গৃহস্থ আৰু সৰু জী ছিডনীলৈ যাত্ৰা কৰিলোঁ। মেলবৰ্'ৰ্ণৰপৰা আকাশী যাত্ৰা প্ৰায় ডেৰ ঘণ্টা। আমি Virgin Airlines ৰে গৈ যথাসময়ত ছিডনীত অনলাইনত বুক কৰি থোৱা ছাৰ্ভিচ এপাৰ্টমেণ্টত উঠিলোগৈ। এনে ধৰণৰ এপাৰ্টমেণ্টসমূহ পৰ্য্যটকৰ বাবে অতি সুন্দৰ ব্যৱস্থাপনা। অতি সুন্দৰকৈ ৰন্ধা-বঢ়া কৰি খোৱা-বোৱাৰ ব্যৱস্থা কৰিব পাৰি। ফুৰাচকা কৰি অনবৰতে বাহিৰত খোৱা-বোৱা কৰাটো বৰ সুবিধাজনক নহয়। বিশেষকৈ নাতি ল'ৰা তেনেই অকণমানি।

পিছদিনা ২৯ এপ্ৰিলত মই, মোৰ গৃহস্থ আৰু সৰু জীয়ৰী হিয়াই পুৱাৰ আহাৰ গ্ৰহণ কৰি ফুৰিবলৈ ওলালোঁ। জোঁৱাই ঋপমৰ 'Work from home' আছিল। বৰজী গাৰ্গীয়ে কেঁচুৱা ৰীভমনৰ সৈতে ঘৰতে খোৱা-বোৱা কৰিলে। কেঁচুৱা লৈ বেছি ঘূৰি ফুৰাও বৰ সুবিধাজনক নহয়। বেছিঁকৈ লৈ ঘূৰি ফুৰিলে কেঁচুৱাই সকলো সময়তে বৰ আনন্দ নাপায়। খোৱা-লোৱাৰ ক্ষেত্ৰটো ক্ষতিকাৰক।

আমি প্ৰথমতে Sealifeত সমুদ্ৰৰ মাজত মৎস্যৰ সৈতে যেন ৰং-ধেমালিহে কৰিলোঁ। নানা ৰঙৰ সৰু-বৰ দীঘলীয়া, বহল বিভিন্ন আকাৰৰ, বিভিন্ন প্ৰজাতিৰ সাগৰীয় মাছৰ ঘূৰণ-পকন, নাচোন-বাগোন আৰু জাক জাক মাছৰ চলন-ফুৰণৰ আদৰ-কায়দা চাই চাই আপোনপাহৰা হ'লোঁ। কণ কণ মইনাহঁতৰ পৰা বৃদ্ধ-বৃদ্ধালৈকে সকলোৱে আনন্দত আত্মহাৰা হৈ নিজস্বভাৱে কিৰিলি পাৰি উঠিছিল। ফটো তুলিছিল। ফটোৰ

বাবে পজ দিছিল। আমি তিনিও বৰ আনন্দ উপভোগ কৰিছিলোঁ। উল্লেখযোগ্য যে ২০১৯ বৰ্ষৰ নৱেম্বৰ মাহতো মই জী-জোঁৱাইৰ লগত ছিডনীৰ Sealife লৈ আহিছিলোঁ। তেতিয়া স্কুলীয়া ছাত্ৰ-ছাত্ৰী সহিতে বিভিন্ন দেশৰ পৰ্য্যটকৰ ভিৰ পৰিলক্ষিত হৈছিল। তদুপৰি ঠায়ে ঠায়ে মাছৰ সম্পৰ্কত কিছু পাঠদান চলি আছিল। এইবাৰ সেইসমূহ নেদেখিলোঁ আৰু মৎস্যকুলৰো কিছু তাকৰীয়া অনুভৱ কৰিলোঁ। কৰ'না মহামাৰীয়ে সকলোতে যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিলে।

Sealifeৰ পাছত আমি মাদাম টুচুলৈ গ'লোঁ। বৰজীয়ৰীয়ে online ticket কৰি আমাক প্ৰৱেশৰ সু-ব্যৱস্থা কৰি থোৱা বাবে আমি সৰু-জীয়ৰীৰ মোবাইলত টিকট দেখুৱাই সহজে প্ৰৱেশ কৰিব পাৰিলোঁ। ইয়াতো পৃথিৱীৰ বৰেণ্য ব্যক্তিসকলৰ মূৰ্তিৰ লগতে তেখেতসকলৰ কৰ্মৰাজিৰ চমু পৰিচিতি পোৱা যায়। বিজ্ঞানী, লেখক, ৰাজনীতিবিদ, খেলুৱৈ, অভিনেতা, গায়ক, নেতা, বিশ্ববিশ্ৰুত ব্যক্তিসকলৰ মূৰ্তিৰ সৈতে পৰ্য্যটকসকলক ফটো তুলিবলৈ উথপথপ লগোৱা পৰিলক্ষিত হ'ল। আবাল-বৃদ্ধ-বনিতা সকলোকে আকৰ্ষিত কৰিবলগীয়া এই সংৰক্ষিত মূৰ্তিসমূহ প্ৰশংসনীয়ভাৱে সজোৱা হৈছে। জাতিৰ পিতা বাপুজীৰ সৈতে ফটো তুলি উঠি বৰ শান্তি অনুভৱ কৰিলোঁ। কিন্তু অপ্ৰিয় হ'লেও সত্য যে কৰ'নাই দুবছৰত বহু কাঢ়ি নিলে। পূৰ্বতে বিভিন্ন সাজ-পোছাক, টুপী আদি পৰিধান কৰি বিভিন্ন দৃষ্টিনন্দন ফটো তুলিব পৰা গৈছিল। বেলেগ বেলেগ ধ্বনি সম্বলিত গীত-মাতৰ অনুষ্ঠান আছিল। এইবোৰ ৰং-ৰহইচ স্তব্ধ আৰু বন্ধ হৈ পৰিল।

ইয়াৰপৰা ওলাই Darling Horbour আৰু Horbour bridge ঘূৰি পকি আহাৰ গ্ৰহণ কৰিলোঁ। ৰ'দো প্ৰখৰ হোৱা হেতুকে আমি আৰু ঘূৰি নুফুৰি সৰু জীয়ৰীক বায়েকে শিকাই দিয়া মতে Online Cab Book কৰি আমাৰ নিৰ্দিষ্ট Service Apartment পালোহি।

সন্ধিয়া আমি আটাইকেইজন Opera house চাবলৈ গ'লোঁ। Darling Horbour, Horbour bridge, Opera houseৰ নিশাৰ দৃশ্যও অতি মোহনীয় ।নিশা বিজুলীবাতিৰ জিলিঙনি, তাতে আকাশত চন্দ্ৰমাৰ অতিকৈ আকৰ্ষণীয় মন জুৰোৱা দৃশ্যৰাজি। Opera houseৰ বিশাল চৌহদত নাতিল'ৰাই দৌৰি দৌৰি বৰ আনন্দ কৰিলে। আমিও বিভিন্ন স্থানত ফটো উঠিলোঁ। আনন্দময়ী দৃশ্যৰাজি যেন উপভোগ কৰি মন-প্ৰাণৰ হেঁপাহ নপলায়। দুখ-ভাগৰ পাহৰি সেয়েহে মানুহ দূৰ-দূৰণিলৈ ফুৰিবলৈ ওলায়। ঘূৰি-পকি নিশা আমাৰ Service Apartmentলৈ আহিলোঁ।

৩০ এপ্ৰিল শনিবাৰে আমি পুৱাৰ আহাৰ গ্ৰহণ কৰি অনলাইনত বুক কৰি থোৱা গাড়ীৰ যোগাযোগ কৰি জোঁৱাই ৰূপম আৰু মোৰ গৃহস্থ দুয়ো গাড়ীখন আনিবলৈ গ'ল। আমিও দিনটোৰ বাবে সাজু হৈ ওলালোঁ। ৰূপমে গাড়ীচালকৰ দায়িত্ব ল'লে। আমি সকলো উঠি আনন্দময় যাত্ৰাৰে দুঘণ্টামানৰ মূৰত Scenic World পালোগৈ। তাত ঘূৰি ফুৰিবলৈ তিনিটা নিৰ্দিষ্ট স্থানত অনলাইন টিকট বুক কৰি থোৱা আছিল।

সময়মতে আমি গৈ Scenic Railway Bottom Station পালোগৈ। ইয়াত সময়মতে ৰেল আহি পায়। ৰেল আহি ৰোৱাত যাত্ৰীসকল নামিল আৰু আমি অপেক্ষাৰত সকল উঠিলোঁ। সুবিধাজনকভাৱে বহি ল'লোঁ। একেবাৰে চিধাচিধি তললৈ সুৰংগৰ ভিতৰলৈ যাত্ৰা। একপ্ৰকাৰ আশ্চৰ্য্যজনক। তলমুৱা ৰেলখনৰ ডবাবোৰত সৰু ল'ৰা-ছোৱালী লৈও সুবিধাজনকভাৱে বহা আৰু ধৰাৰ সুব্যৱস্থা থকা বাবে ভয়ংকৰ যদিও বেছ উপভোগ্য যাত্ৰা। সময়ত ফচকৈ তললৈ সোমাই গ'ল যদিও আশ্চৰ্য্যজনক যাত্ৰা কণমানি নাতি ল'ৰাই বুজি নাপাই তধা লাগি ৰ'ল।

তাৰ পাছত আমি Scenic Skywayৰ দিশলৈ খোজকাঢ়ি গ'লোঁ। পৰ্বতৰ এটা চূড়াৰপৰা আনটো পৰ্বতৰ চূড়াৰ কাষলৈ যাবলৈ Cable Carত উঠিলোঁ। গ্লাছেৰে নিৰ্মিত Cable Carসমূহৰ মজিয়াৰো বহু অংশ গ্লাছেৰে নিৰ্মিত বাবে ভৰিৰ তলৰ ফালেও বহু তললৈ দৃশ্যমান। সময় অনুযায়ী Cable Carসমূহ অহা-যোৱা কৰে। শিশু সন্তানসকলক লৈ অভিভাৱকসকলেও যথেষ্ট আনন্দ উপভোগ কৰে। বিশাল ৰ'পৰে সদৃশ Cable Car সমূহত এই যাত্ৰা আবাল-বৃদ্ধ-বনিতা সকলোৰে বাবে শিহৰণকাৰী যদিও যথেষ্ট উপভোগ্য।

বিভিন্ন ঠাই খোজকাঢ়ি ফুৰি দূৰণিৰ Blue Mountainৰ দৃশ্য দেখি অবাক হোৱাৰ পাল। নীলা পৰ্বতৰ বৰণ একেবাৰে নীলা। সাইলাখ নীল বৰণীয়া ওখ ওখ পৰ্বতৰ চূড়াৰে কি যে অনুপম প্ৰকৃতিৰ ৰূপৰেখা। চাই চাই যেন হেঁপাহ নপলায়। হিয়া-মন শাঁত পৰি যায়। পৰ্য্যটকসকলো আনন্দত আত্মহাৰা হৈ পৰিছে। সকলোৰে ফটো তোলাত

অতিপাত ব্যস্ত হৈ পৰিছে আৰু এনে মনোমোহা দৃশ্য কেমেৰাত বন্দী কৰি ৰাখিবৰে কথা।

এই ঠাইৰ পাহাৰতে নিৰ্দিষ্ট স্থানত খোৱা-বোৱাৰ উপযুক্ত ৰেষ্টুৰেণ্ট থকা বাবে পৰ্য্যটকে আহাৰ গ্ৰহণ কৰি লয়। আমিও সকলোৱে আহাৰ গ্ৰহণ কৰি গাড়ীত উঠিলোহি।

অলপ আহিয়েই গাড়ী ৰখাই Three Sister Falls চাবলৈ গ'লোঁ। মই ওপৰৰ পৰাই উপভোগ কৰিলোঁ যদিও সকলোবোৰ তললৈকে নামি তিনিটি জলপ্ৰপাতৰ প্ৰাকৃতিক দৃশ্য উপভোগ কৰিলে। ওপৰৰ পাৰ্কতে থকা বেঞ্চত বহি মই দূৰণিৰ পৰা তিনি জলপ্ৰপাতৰ দৃশ্য আৰু শব্দ উপভোগ কৰিলোঁ Three Sister Fallsৰ ।

পিছদিনা ১ মে' ৰবিবাৰে পুৱাৰ আহাৰ গ্ৰহণ কৰি সমুদ্ৰতীৰলৈ গ'লো। সমুদ্ৰৰ পানীত নানামিলেও ৰ লাগি চাব পাৰি এই বিশাল প্ৰাকৃতিক দৃশ্য। আকাশে সাগৰক স্পৰ্শ কৰা দৃশ্য তুলনাবিহীন। পাৰৰ বলুকাৰাজিত বিভিন্ন খেলৰ সমাহাৰ। দলবদ্ধভাৱে কোনোৱে ভলীবল খেলিছে। ল'ৰা-ছোৱালীয়ে মিলিজুলি প্ৰতিযোগিতাত অৱতীৰ্ণ হৈছে। খেল চায়ো ভাল লাগিল। হাজাৰ হাজাৰ পুৰুষ-মহিলা, ল'ৰা-ছোৱালীৰে ভৰপূৰ সমুদ্ৰতীৰ। বহুতে কেঁচুৱা লৈ উমলিছে, বহুতে পোহনীয়া কুকুৰ লৈও আহিছে। বিভিন্ন দেশৰ বিভিন্ন ধৰ্মৰ বিভিন্ন ভাষাৰ বিভিন্ন জাতিৰ মানুহেৰে ভৰি পৰা সমুদ্ৰ তীৰৰ আকৰ্ষণেই সুকীয়া। সমুদ্ৰৰ গভীৰতা, আকাশৰ বিশালতাই উদাৰ হ'বলৈ শিকায় মানুহক। সময়ত আমি আহাৰ গ্ৰহণ কৰি Service Apartment লৈ আহি জিৰণি ল'লোঁ। ঘৰতে ৰান্ধি বাঢ়ি নিশাৰ আহাৰ সকলোৱে তৃপ্তিৰে খালোঁ।

২ মে' সোমবাৰে দিনৰ ১১ বজাত Service Apartment ৰ কোঠা খালি কৰি আমাৰ বাকচ-পত্ৰ ৰখাৰ ব্যৱস্থা কৰা হ'ল। আমি China Friendship Parkত প্ৰৱেশ কৰিলোঁ। কোভিড-১৯ৰ পাছত সকলো বন্ধ হৈ গৈছিল যদিও সকলোতে এতিয়া পৰ্য্যটকৰ বাবে মুকলি কৰি দিয়াত পৰ্য্যটকৰো যথেষ্ট আগমন ঘটিছে। China Friendship Park ত সকলোৱেই শান্তিৰে আনন্দৰে ঘূৰা-পকা কৰিছে। মাছক আহাৰ দিয়া, জুম পাতি ৰং-বিৰঙী ডাঙৰ ডাঙৰ মাছে আহাৰ খোৱা দৃশ্যই সকলোকে আনন্দ দিছে। বৃক্ষ লতা প্ৰাৰ্থনাগৃহ সকলোৱেই মনোমুগ্ধকৰ। গোটেই পাৰ্কখন ঘূৰি-পকি আমি ওচৰতে থকা China Town ৰ আহাৰ গৃহলৈ আহিলোঁ। সেই গোটেই অঞ্চলটোৱেই বিভিন্ন খাদ্যৰ ৰেষ্টুৰেণ্টৰে ভৰপূৰ। আমিও সকলোৱেই হেঁপাহ পলুৱাই খাই-বৈ ভোক ভাগৰ আঁতৰালোঁ। সময়ত আমাৰ বাকচ-পত্ৰ সংগ্ৰহ কৰি ছিডনী বিমান বন্দৰলৈ আহিলোঁ। Virgin Airlines ৰে সময়ত ছিডনীৰ পৰা নিশা মেলবৰ্'ণ বিমান বন্দৰ পালোহি। বিমানবন্দৰৰ নিৰ্দিষ্ট স্থানত পাৰ্কিং প্লেচত থৈ যোৱা গাড়ীলৈ বিমান বন্দৰৰ বাছ সেৱাৰে আহিলোঁ।

উল্লেখযোগ্য যে মেলবৰ্'ণত বিমান কোঠৰ ওচৰত বহুকেইটা পাৰ্কিং প্লেচ আছে। প্ৰত্যেকটোৰে নিৰ্দিষ্ট নামকৰণ সংখ্যাগতভাৱে আছে। এইসমূহত বিমান বন্দৰৰ বিনামূলীয়া বাছ সেৱা ইমূৰৰপৰা সিমূৰলৈ আছে ইখনৰ পিছত সিখনলৈ। ইয়াত গাড়ী ৰাখিবলৈ অনলাইন বুক কৰিবলগীয়া হয়। গাড়ী এদিন এবেলাৰপৰা কেইবাদিনলৈ ৰখাৰ সুব্যৱস্থা আছে, যাত্ৰীসকল বা জনসাধাৰণ দূৰ দূৰণিলৈ বহু দিনলৈ গ'লেও গাড়ী থৈ যোৱাৰ সুব্যৱস্থা আছে। শত সহস্ৰ গাড়ী দেখি আমাৰ অবাক হোৱাৰে পাল। বিনামূলীয়া বাছ সেৱা অনবৰত থকা বাবেও বিমান যাত্ৰীসকলৰ কোনো অসুবিধা নহয়। বহু আনন্দ বহু উপভোগ্য স্থান মনৰ মাজত লৈ বহু অভিজ্ঞতাৰ বোজাৰে হৃদয়পুষ্ট হৈ জী-জোঁৱাই নাতিৰ Caroline Springৰ ঘৰত প্ৰৱেশ কৰিলোহি।

●

সত্য ঘটনা



# জীৱন যুদ্ধ

**গীতা ডেকা**

আবেলি ৪.৪৫ মান বাজিল। ভাগৰে জুগৰে ক'র্টৰপৰা ঘৰলৈ আহি আছো। বাটতে মোবাইলটো বাজিবলৈ ধৰিলে। ক'ত বা থলো! অ, গাড়ীৰ ছিটটোত আছে। সিফালৰপৰা অচিনাকি মানুহ এজনৰ মাত। বাইদেউ, মই আপোনাক লগ পাবলৈ লাগে। মোৰ উত্তৰ "মই এতিয়া ক'র্টৰপৰা উভতি আহি আছোঁ। গধূলি ৬.৩০ মান বজাত, চেম্বাৰত লগ কৰিব"। মানুহজনে উত্তৰ দিলে। "বাইদেউ, বৰ জৰুৰী মই এতিয়াই আপোনাক লগ পাব লাগে। আপোনাৰ ঘৰৰ পদূলিতে মই ৰৈ আছোঁ"। মোৰ মনত অলপ খঙো উঠিছে। ঘৰৰ ঠিকনাও ল'লে! ঘৰ পাবলৈ আৰু পোন্ধৰ মিনিটমান লাগিব (Private Practice এবাৰ ওলাই গ'লে field বেয়া হৈ যায়)। চিধা আহি তলা খুলি চেম্বাৰত বহিবলৈ ক'লোঁ। ভাবিলোঁ ইমান জৰুৰী যেতিয়া আগতে লগ পাওঁ। বহিবলৈ কৈ সুধিলোঁ কি ইমান জৰুৰী কথা হ'ল। মানুহজনে কোনো কথা নকৈ হাত দুখন মুখত লৈ হুকহুকাই কান্দিবলৈ ল'লে। মোতকৈ বয়সত অন্ততঃ ৮/১০ বছৰ ডাঙৰ মানুহ এজনে সমুখত কান্দি আছে। কি বা ঘটনা ! বন কৰা ছোৱালীজনীক চাহ-পানী দিবলৈ ক'লোঁ। চাহ খাই মই ক'লোঁ– "এতিয়া কওক"। মানুহজনে মোক ক'লে- "বাইদেউ মোক দুটা কেচ কৰি দিব লাগে।" মই ক'লোঁ– "কেচ কৰি দিয়ক বুলিলেই নহয়, আগতে কাহিনীটো কওক।"

মানুহজনে কাহিনীটো আৰম্ভ কৰিলে– "মোৰ নাম ৰমেশ দত্ত (মই দি লোৱা নাম) বাইদেউ। মই এজন চৰকাৰী বিষয়া আছিলোঁ। মোৰ পত্নীও হাইস্কুল এখনৰ শিক্ষয়িত্ৰী।

আমাৰ এটা ৭ বছৰীয়া ল'ৰা সন্তানো আছে। যিহেতু দুয়োজনে চাকৰি কৰো বিয়াৰ পিছৰপৰা ৰমা নামৰ এজনী বনকৰা ছোৱালী ৰাখিছিলোঁ। তেতিয়া তাইৰ বয়স ১৩/১৪ বছৰমান আছিল। তাই আমাৰ ঘৰৰ সদস্যাৰ দৰেই হৈ পৰিছিল। আমি অফিচ, স্কুললৈ যোৱা সময়ত তাইয়েই আমাৰ সন্তানটো চাইছিল। মুঠতে ঘৰখনৰ সমস্ত দায়িত্ব তাইৰ ওপৰতে আছিল। উত্তৰ কামৰূপৰ ভিতৰৰ গাওঁ এখনত ৰমাৰ ঘৰ। তাইৰ দৰমহা পাতি মাকে আহি তিনি মাহৰ মূৰত লৈ যায়। এদিন হঠাতে পুৰা ৰমা ঘৰৰপৰা নাইকিয়া হ'ল। বহুত বিচাৰ খোচাৰ কৰা গ'ল। মাক দেউতাকক খবৰ দিয়া হ'ল। লগতে পুলিচকো খবৰ দিয়া হ'ল। সকলো মিছা। ৰমাৰ খবৰ নাই। নাই যে নায়েই। এসপ্তাহ পিছত মোৰ ঘৰত পুলিচ। ৰমাৰ মাক দেউতাকে মোৰ ওপৰত কেচ দিছে যে তেওঁলোকৰ ছোৱালীক মই ধৰ্ষণ কৰি মাৰি পুতি থ'লোঁ আৰু তাৰ ভিত্তিত মোক এৰেষ্ট কৰা হ'ল। লগে লগে মোক চাকৰিৰ পৰা অব্যাহতি দিয়া হ'ল। নিৰ্দিষ্ট সময় পাৰ হোৱাৰ পিছত মই ক'ৰ্টৰ পৰা জামিন লাভ কৰোঁ। কিন্তু মোৰ দুটা মোকৰ্দমা চলিল– বিভাগীয়ভাৱে (Departmental proceeding) আৰু অপৰাধী (Criminal proceeding) হিচাপে।

এই ঘটনাৰ তিনি বছৰমান পিছত এদিন আবেলি কাষত কেঁচুৰা লৈ কপালত দগমগীয়া সেন্দূৰেৰে মানুহ এজনৰ সৈতে ৰমা মোৰ ঘৰত উপস্থিত হ'ল। ঘৰত মই অকলে। ইতিমধ্যে এই ঘটনাৰ বাবে মোৰ পত্নীয়ে মোক এৰি ল'ৰাৰে সৈতে মাকৰ ঘৰত থাকিবলৈ লৈছে। মই তাইক আদ্যোপান্ত বিৱৰি ক'লোঁ। তাই ক'লে যে ওচৰৰ পাণদোকানী কেশৱৰ লগত বহুদিনৰ পৰাই তাইৰ ভাল আছিল আৰু শেষত দুয়ো পলাই যোৱাৰ সিদ্ধান্ত লৈ গুচি গৈছিল। তাই যোৱাৰ পিছত মোৰ কি দুৰ্দশা হ'ল সিহঁতক মই ক'লোঁ। সিহঁত দুয়োজনে মোৰ পক্ষত (Criminal Case) সাক্ষী দিবলৈ সন্মতি দিলে। সিহঁতৰ সাক্ষীৰ ভিত্তিত মই খালাচ পালোঁ। কিন্তু যিহেতু তাইৰ মাক দেউতাকে মোৰ ওপৰত মিছা মোকৰ্দমা তৰিলে, তাৰ বাবে এটা শাস্তিমূলক কেচ তেওঁলোকৰ ওপৰত দিব লাগে আৰু অফিচত পুনৰ সংস্থাপন কৰি দিব লাগে।

বাইদেউ, এই কেচটোৰ বাবে মোৰ চাকৰি, মান সন্মান সকলো গ'ল। মোৰ আটাইতকৈ দুখ এইটোৱে যে মোৰ পত্নীয়ে মোক বিশ্বাস নকৰিলে আৰু মোৰ বিপদৰ সময়ত মোক এৰি থৈ গুচি গ'ল।"

মোৰ কথা- "আপুনি দুখীয়া মানুহঘৰৰ ওপৰত কি কেচ দিব, সিহঁতেতো আপোনাক একো ক্ষতিপূৰণো দিব নোৱাৰিব। শেষততো ৰমা আৰু কেশৱৰ সাক্ষীৰ বাবেই আপুনি দোষমুক্ত হ'ল। গতিকে মিছাকৈ হাৰাশাস্তি কৰি লাভ নাই। আপোনাৰ বিভাগত আপুনি এতিয়াই কেচ দিব নালাগে। এখন আবেদন দাখিল কৰিলেই হ'ব লাগে। যদি নহয়, তেতিয়া কেচ কৰিব।" সমস্ত কথা, ক'ৰ্টৰ অৰ্ডাৰ দি এখন আবেদন দিওঁতেই চৰকাৰে মানি ল'লে। চাকৰিতো সকলো পৰিণামী ভোগদানৰ (with all consequential benefits) সৈতে পুনৰ সংস্থাপন হ'ল। এতিয়া সুখৰ সংসাৰ কৰি আছে। চাকৰিটো পোৱাৰ পিছত দত্তই ২০,০০০ টকা fees নিজে ঘৰত দি গৈছিল।

●